● গুৱাহাটী, যোৱহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৱহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

দৈনিক অগ্রদূত

সামাজিক দায়বদ্ধতাত অবিচল

www.dainikagradoot.in

দিগ্‌দৰ্শন

সমাজ যদি সম্পূৰ্ণ শিক্ষিত আৰু বিজ্ঞানমনস্ক হৈ নুঠে, তেন্তে জীৱনযাত্ৰাত যন্ত্ৰৰ প্ৰয়োগে কেতিয়াও সম্পূৰ্ণ আৰু বাঞ্ছিত সুফল দিব নোৱাৰে।

হেনৰিক ইবছেন
নৰৱেৰ নাট্যকাৰ-কবি

৭ বতাহৰে বিয়পিছে ভাই�ৰাছ, বাহিৰত বেছি সময় নাথাকিব
১১ টি-২০ বিশ্বকাপ স্থগিতৰ আহ্বান চেপেলৰ
৪ বিজেপি মিত্ৰজোঁটে দ্বিতীয়বাৰৰ বাবে চৰকাৰ গঠন কৰিলে

RNI-Regd No. 62953/96 ■ ষড়বিংশতিতম বছৰ ● ২০৯তম সংখ্যা ● গুৱাহাটী ● সোমবাৰ ২৬ ব'হাগ ১৪২৮ ভাস্কৰাব্দ ১০ মে' ২০২১ চন ■ DAINIK AGRADOOT ● Guwahati ● Monday 10 May 2021 মূল্য ঃ ৭.০০ টকা

■ ৰাজ্যত প্ৰথমবাৰলৈ উপৰ্যুপৰি অকংগ্ৰেছী চৰকাৰ ■ বিধায়িনী দলৰ সভাত শৰ্মাৰ নাম প্ৰস্তাৱ সোণোৱালৰ ■ দিছপুৰৰ বৈঠকলৈ এখন বাহনতে আহিল বিদায়ী-নতুন মুখ্যমন্ত্ৰী

হিমন্ত বিশ্ব মুখ্যমন্ত্ৰী, আজি শপত

স্টাফ ৰিপৰ্টাৰ
গুৱাহাটী, ৯ মে' ঃ ডিঙিত গামোচা পিন্ধাই আৰু পিঠিত চপৰিয়াই ৰাজ্যৰ পঞ্চদশ মুখ্যমন্ত্ৰীৰূপে ড° হিমন্ত বিশ্ব শৰ্মাক আদৰণি জনালে বিদায়ী মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে। বতাহ সোণোৱালৰ পক্ষে থাকিলেও অন্তিম পৰ্যায়ত বিজেপিৰ ৰাষ্ট্ৰীয় নেতৃত্বই ড° শৰ্মাৰ কান্ধতে এইবাৰ অসমৰ মুখ্যমন্ত্ৰী পদৰ গুৰু দায়িত্ব অৰ্পণৰ কালি সিদ্ধান্ত গ্ৰহণৰ পাছত আজি তাৰ আনুষ্ঠানিকতা পালন কৰা হয়। অসম বিধানসভাৰ পুথিভঁৰাল গৃহৰ প্ৰেক্ষাগৃহত ড° শৰ্মাক বিজেপিৰ বিধায়িনী দলৰ নেতাৰূপে বাছনি কৰিবলৈ আজি দুপৰীয়া দলৰ বিধায়িনী দলৰ এখন বৈঠক অনুষ্ঠিত হয়। তাত ৰাষ্ট্ৰীয় নেতৃত্বৰ পৰ্যবেক্ষকৰূপে উপস্থিত থাকে কেন্দ্ৰীয় মন্ত্ৰী নৰেন্দ্ৰ সিং টোমৰ আৰু দলৰ সাধাৰণ সম্পাদক অৰুণ সিং। দুপৰীয়া ১২-৩০ বজাত আৰম্ভ হোৱা বৈঠকত টোমৰে বিধায়িনী দলৰ নেতাজনৰ নাম প্ৰস্তাৱ কৰিবলৈ বিধায়কসকলক আহ্বান জনায়। সেই অনুসৰি বিদায়ী মুখ্যমন্ত্ৰী সোণোৱালে ড° শৰ্মাৰ নাম প্ৰস্তাৱ কৰে। আঠ পৃষ্ঠাত চাওক

বিধানসভাৰ চৌহদত উছৰমুখৰ পৰিৱেশ ■ অসমক মূল্যবোধৰ ৰাজনীতি দিলে সোণোৱালে ঃ হিমন্ত বিশ্ব ■ অভিজ্ঞতাৰ আধাৰত হিমন্ত বিশ্বই অসমক শ্ৰেষ্ঠ ৰাজ্য কৰিব ঃ সোণোৱাল ■ আজি দিনৰ ১২ বজাত কলাক্ষেত্ৰত শপতগ্ৰহণ অনুষ্ঠান

স্বাধীনতাৰ পাছত প্ৰথমবাৰলৈ মুখ্যমন্ত্ৰী

জালুকবাৰী সমষ্টিৰ বিভিন্ন স্থানত মন্দিৰ-নামঘৰত বত্তি প্ৰজ্বলন

নলবাৰীৰ পিতৃৰ ওপজা গাঁৱতো আনন্দৰ লহৰ

অগ্ৰদূত বাৰ্তা
গুৱালকুছি/নলবাৰী, ৯ মে' ঃ ৰাজ্যৰ পৰৱৰ্তী মুখ্যমন্ত্ৰীৰূপে ড° হিমন্ত বিশ্ব শৰ্মাৰ নাম ঘোষণা হোৱাৰ লগে লগে স্বাভাৱিকতে আনন্দৰ বন্যা সৃষ্টি হয় তেওঁৰ জালুকবাৰী সমষ্টিত। বিগত কিছু দিনৰ উৎকণ্ঠাৰ অন্তত আজি আনন্দ-উচ্ছাসত ফাটি পৰে সমষ্টিটোৰ তেওঁৰ অনুৰাগী-সমৰ্থকসকল। সেইদৰে ড° শৰ্মাৰ নলবাৰী জিলাত থকা পিতৃৰ জন্মগাঁৱতো আজি উল্লাসত ফাটি পৰে সকলোৱে। নিজৰ সমষ্টিৰ এজন মুখ্যমন্ত্ৰী আঠ পৃষ্ঠাত চাওক

উপ-মুখ্যমন্ত্ৰী পদ লাভৰ বাবে আশাবাদী অগপ নেতৃত্ব

এইবাৰ ৰমেন কলিতাও দাবীদাৰ মন্ত্ৰিত্বৰ

স্টাফ ৰিপৰ্টাৰ
গুৱাহাটী, ৯ এপ্ৰিল ঃ এইবাৰ উপ-মুখ্যমন্ত্ৰী পদ বিচাৰি বিজেপিৰ ৰাষ্ট্ৰীয় সমিতিৰ স'তে অগপৰ কে'বাজনো নেতাই যোগাযোগ চলাইছে। এই কথা প্ৰকাশ কৰি অগপৰ এক আঠ পৃষ্ঠাত চাওক

অৱশেষত ড° হিমন্ত বিশ্ব শৰ্মা

■ প্ৰাঞ্জলসেন ডেকা



৮০ৰ দশকৰ শেষ আৰু ৯০ দশকৰ আৰম্ভণিৰ সময়ছোৱাৰ কটন কলেজৰ ছাত্ৰ-ছাত্ৰী তথা শিক্ষক-শিক্ষয়িত্ৰীসকলৰ দৃঢ় বিশ্বাস আছিল যে হিমন্ত বিশ্ব শৰ্মা এদিন অসমৰ মুখ্যমন্ত্ৰী হ'ব। কলেজৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক পদত তেওঁক ভোট দিয়াসকলৰ লগতে তেওঁৰ বিৰুদ্ধে ভুৱন পেণ্ডুক ভোট দিয়াসকলেও সেই কথা বিশ্বাস কৰিছিল। অৱশেষত তেওঁলোকৰ সেই বিশ্বাস আঠ পৃষ্ঠাত চাওক

হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত ৰাজ্যবাসীয়ে এখন শক্তিশালী চৰকাৰ পাব ঃ অতুল বৰাৰ আশা

নিঃচৰ্ত সমৰ্থন দিলে অগপ-ইউপিপিএলে

■ আমি সদায় তেওঁৰ কাষত থাকিম ঃ প্ৰতিশ্ৰুতি দিলে প্ৰমোদ বড়োৱে

স্টাফ ৰিপৰ্টাৰ
গুৱাহাটী, ৯ মে' ঃ উৎকণ্ঠাৰ অৱসান ঘটাই আজি ভাৰতীয় জনতা পাৰ্টি, অসম গণ পৰিষদ আৰু ইউপিপিএলৰ বিধায়িনী দলে ড° হিমন্ত বিশ্ব শৰ্মাক পৰৱৰ্তী মুখ্যমন্ত্ৰী হিচাপে সমৰ্থন দিলে। আজি বিধানসভাৰ সভাকক্ষত প্ৰথমে বিজেপিৰ বিধায়িনী দলৰ বৈঠকত ড° শৰ্মা দলপতি নিৰ্বাচিত হোৱাৰ পাছতে মিত্ৰজোঁটৰ অংশীদাৰ দল ক্ৰমে বিজেপি, অগপ আৰু ইউপিপিএলৰ বিধায়নী দলৰ যৌথ সভা দুই পৃষ্ঠাত চাওক

দুটাকৈ এ কে-৪৭সহ গ্ৰেপ্তাৰ তিনি দুৰ্ধৰ্ষ গঁড় চিকাৰীক

স্টাফ ৰিপৰ্টাৰ
গুৱাহাটী, ৯ মে' ঃ কার্বি আংলং আৰক্ষীয়ে আজি অত্যাধুনিক মাৰণাস্ত্ৰৰে সুসজ্জিত তিনিজন গঁড় চিকাৰীক গ্ৰেপ্তাৰ কৰে। ইয়াৰে এজন নগালেণ্ডৰ। ধৃত চিকাৰীকেইজন হ'ল কার্বি আংলঙৰ ছামেলাংছ' আৰক্ষী থানাৰ অধীনৰ দুই পৃষ্ঠাত চাওক

ৰাজ্যত পুনৰ বৃদ্ধি কৰ'নাৰ সংক্ৰমণৰ হাৰ, একেদিনাই আৰু ৪৮জনৰ মৃত্যু

কামৰূপৰ ক'ভিড আসন সংখ্যা

চিকিৎসালয়	মুঠ শয্যা	খালী শয্যা
জি এম চি	৮৬২	৬৯
এম এম চি	২২২	৫৫
আয়ুৰ্বেদিক কলেজ	১২০	১৩
শিশুমাৰী চেণ্টাৰ	৯৪	২০
সোণাপুৰ	১৬২	৫৭
কলিতাকুছি	৭৬	০১
সৰুসজাই	৪৩০	২১৩
কাহিকুছি	২৭৪	১৯০
ৰয়েল গ্ল'বেল	৯০০	৪৬৭
পতঞ্জলী	৪২৩	৬৮
কালাপাহাৰ	১৬২	৫৯

* ন মে'ৰ সন্ধিয়া পাঁচ বজালৈ

■ কামৰূপ মহানগৰতে মৃত্যু হ'ল ১৭ জনৰ ■ নতুনকৈ তিনি সহস্ৰাধিকৰ শৰীৰত ক'ভিড চিনাক্ত ■ কোকৰাঝাৰৰ কাৰাগাৰত সংক্ৰমিত হ'ল ৪৩ বন্দী

স্টাফ ৰিপৰ্টাৰ
গুৱাহাটী, ৯ মে' ঃ ৰাজ্যত আজি নতুনকৈ তিনি হেজাৰ ২৯৯ জন লোকৰ শৰীৰত ক'ভিডৰ উপস্থিতি চিনাক্ত কৰা হয়। আক্ৰান্তৰ নিৰিখত কালিৰ তুলনাত এই সংখ্যা হ্ৰাস পালেও পুনৰ বৃদ্ধি পালে সংক্ৰমণৰ হাৰ। আনহাতে, ৰাজ্যত আজিও ৪৮ জন ক'ভিড ৰোগীয়ে প্ৰাণ হেৰুৱাবলগীয়া হয়। কামৰূপৰ দুয়োজন জিলাৰ সমান্তৰালকৈ ডিব্ৰুগড়, নগাঁও, নলবাৰী আদি জিলাতো ক'ভিড পৰিস্থিতি এতিয়াও জটিল হৈয়ে আছে। সেইদৰে নিতৌ ন ন অঞ্চললৈ সংক্ৰমণ বিয়পোৱাৰ লগতে মৃত্যু হোৱা লোকৰ সংখ্যায়ো ৰাইজৰ মাজত আতংকৰ সৃষ্টি কৰিছে। আজিৰ দিনটোত মাত্ৰ ৩৬ হেজাৰ ১৩৫ জন লোকৰহে ক'ভিড পৰীক্ষা দুই পৃষ্ঠাত চাওক

■ তেজপুৰৰ মাজমজিয়াৰ চ'ক বজাৰত মাজনিশা বিধ্বংসী অগ্নিকাণ্ড

দুই শতাধিক দোকানসহ ১৫ কোটিৰ অধিক মূল্যৰ সামগ্ৰী জাহ গ'ল

তীব্ৰ সংকটত সহস্ৰাধিক পৰিয়াল

অগ্ৰদূত বাৰ্তা
তেজপুৰ, ৯ মে' ঃ তেজপুৰ চহৰৰ মাজমজিয়াৰ চ'ক বজাৰত যোৱা নিশা সংঘটিত বিধ্বংসী অগ্নিকাণ্ডৰ ফলত দুই শতাধিক দোকান ভস্মীভূত হয়। নিশা প্ৰায় ১২ বজাত সংঘটিত এই অগ্নিকাণ্ডত কমেও ১৫ কোটি টকা মূল্যৰ সামগ্ৰী ভস্মীভূত হোৱাত এতিয়া ব্যৱসায়ী আৰু পৰিয়ালবৰ্গৰ মাজত ক্ৰন্দনৰ ৰোল উঠিছে। প্ৰণিধানযোগ্য যে তেজপুৰৰ এক আঠ পৃষ্ঠাত চাওক

মন্ত্ৰিত্বৰ পৰিৱৰ্তে বিধানসভাৰ অধ্যক্ষ পদ পাব পাৰে পাটোৱাৰীয়ে

■ বাগিচাৰ পৰা দুজনক মন্ত্ৰিত্ব প্ৰদানৰ দাবী ঃ ৰূপেশ নে তেৰছ?

গৃহ-বিত্ত-স্বাস্থ্য নিজৰ হাততে ৰখাৰ সম্ভাৱনা ঃ প্ৰথমে 'মিনি কেবিনেট'

স্টাফ ৰিপৰ্টাৰ
গুৱাহাটী, ৯ মে' ঃ ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত মন্ত্ৰীসভাখন কেনে হ'ব? কোনে কোনে ইয়াত স্থান লাভ কৰিব? কাইলৈ শপত গ্ৰহণৰ পূৰ্বে এই প্ৰশ্নবোৰক লৈ উৎসুকতা বৃদ্ধি হৈছে। অৱশ্যে বিজেপিৰ ৰাষ্ট্ৰীয় পৰ্যায়ৰ শীৰ্ষ সূত্ৰই সদৰী কৰে যে এখন 'মিনি কেবিনেট'ৰে প্ৰথমতে চৰকাৰ চলাব নৱনিৰ্বাচিত মুখ্যমন্ত্ৰীয়ে। সেয়েহে প্ৰথম অৱস্থাত ১০ৰ পৰা ১২ জনেহে মন্ত্ৰীসভাত স্থান লাভ কৰাৰ সম্ভাৱনা আছে। সম্ভাব্য মন্ত্ৰীৰ তালিকাত বিজেপিৰ পৰা চৰ্চাৰ শীৰ্ষত থকা নামবোৰৰ ভিতৰত আছে ৰঞ্জিত কুমাৰ দাস, অজন্তা নেওগ, বিশ্বজিৎ দৈমাৰী, নৰ কুমাৰ দলে, পীযুষ হাজৰিকা, জয়ন্ত মল্ল বৰুৱা, অতুল বৰা, পদ্ম হাজৰিকা, প্ৰশান্ত ফুকন, ৰঞ্জিত ৰঞ্জিত দাস-অজন্তা নেওগ-জয়ন্ত মল্ল-পীযুষ-পৰিমল শুক্লবৈদ্য-নৰ দলে-বিমল বৰা-পদ্ম হাজৰিকাৰ নাম চৰ্চাত দুই পৃষ্ঠাত চাওক

■ বিধায়িনী দলৰ বৈঠকৰ পূৰ্বে মুখ্যমন্ত্ৰী পদ ত্যাগ ■ পৰৱৰ্তী পদক্ষেপক লৈ চলিছে চৰ্চা

সোণোৱালৰ দিল্লী যাত্ৰাৰ সম্ভাৱনা ক্ষীণ, পুনৰ হ'ব পাৰে ৰাজ্যিক সভাপতি!

স্টাফ ৰিপৰ্টাৰ
গুৱাহাটী, ৯ মে' ঃ দিল্লীত কালি হোৱা সিদ্ধান্ত মৰ্মে ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যৰ নতুন মুখ্যমন্ত্ৰীৰূপে দায়িত্ব লাভ কৰাটো নিশ্চিত হোৱাত আজি পুৱাতে নিজৰ পদত্যাগপত্ৰ ৰাজ্যপালক অৰ্পণ কৰে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে। বিদায়ী মুখ্যমন্ত্ৰীজনে বিধায়িনী দলৰ বৈঠকৰ পূৰ্বে ৰাজভৱনত আঠ পৃষ্ঠাত চাওক

সোণোৱাল বঞ্চিত হোৱাত হতাশা মাজুলীত

কংগ্ৰেছ-ইউডিএফসহ দল-সংগঠনৰ শুভেচ্ছা জ্ঞাপন ড° শৰ্মালৈ

স্টাফ ৰিপৰ্টাৰ
গুৱাহাটী, ৯ মে' ঃ ড° হিমন্ত বিশ্ব শৰ্মা বিজেপি বিধায়িনী দলৰ তথা মিত্ৰজোঁটৰ নেতাৰূপে নিৰ্বাচিত হোৱাত বিভিন্ন দল-সংগঠনে অভিনন্দন জ্ঞাপন কৰিছে। দ্বিতীয়বাৰৰ বাবে ৰাজ্যত ক্ষমতা দখল কৰা বিজেপি মিত্ৰজোঁটৰ নেতাৰূপে আজি ছয় পৃষ্ঠাত চাওক

■ 'ছুপাৰ চিয়েম' আখ্যা লাভ কৰি অহা হিমন্ত বিশ্ব শৰ্মাৰ ৰাজনৈতিক পৰিক্ৰমাও বৰ্ণময়

১৯৭২ত যোৱহাট বাল্য ভৱনৰ নিম্ন মণ্টেছৰী ছাত্ৰ হিমন্ত বিশ্ব শৰ্মা (মাজৰ শাৰীত বাওঁফালৰ পৰা প্ৰথমজন)।

ছাত্ৰ নেতাৰ পৰা মুখ্যমন্ত্ৰিত্বলৈ যাত্ৰা

স্টাফ ৰিপৰ্টাৰ
গুৱাহাটী, ৯ মে' ঃ ৰাজ্যৰ সাম্প্ৰতিক ৰাজনীতিত এক শক্তিশালী নাম হৈ পৰা উত্তৰ-পূবৰ প্ৰভাৱশালী নেতা ড° হিমন্ত বিশ্ব শৰ্মাই অৱশেষত বহু আকাংক্ষিত প্ৰাপ্তি লাভৰ পাছত ৰাজ্যজুৰি ন প্ৰত্যাশাই গঢ় লৈছে। প্ৰতিজন দক্ষ ৰাজনীতিক, প্ৰতিজন মুখ্যমন্ত্ৰীৰ পৰা সাধাৰণ ৰাইজে আশা কৰে গতিশীলতা আৰু বিকাশমুখী উদ্যমতাৰ ন জোৱাৰ। ড° শৰ্মাই এই কাংক্ষিত লক্ষ্যত উপনীত কৰাব পাৰিব বুলি এই মুহূৰ্তত সাধাৰণ ৰাইজৰ মনত প্ৰত্যাশাৰ জন্ম হৈছে; কিয়নো বিগত এক দশকৰো অধিক কাল ধৰি আঠ পৃষ্ঠাত চাওক

একেৰাহে চাৰিদিন দেশত দৈনিক সংক্ৰমণ চাৰি লক্ষাধিক

দৈনিক মৃত্যুৰ সংখ্যাও চাৰি সহস্ৰাধিক

■ নিউজ ব্যুৰ'
নতুন দিল্লী, ৯ মে' ঃ দেশত দৈনিক ক'ভিড আক্ৰান্তৰ সংখ্যা পুনৰ চাৰি লাখৰ অধিক হ'ল। একেৰাহে চতুৰ্থ দিনৰ বাবে দেশত ক'ভিড আক্ৰান্তৰ সংখ্যাই চাৰি লাখৰ সীমা অতিক্ৰম কৰিলে। যোৱা ২৪ ঘণ্টাত ভাৰতত চাৰি লাখ তিনি হেজাৰ ৭৩৮ জন লোক ক'ভিড-১৯ত সংক্ৰমিত হৈছিল। দেওবাৰে ক'ভিডত মৃতৰ আঠ পৃষ্ঠাত চাওক

দেশত কৰ'না পৰিস্থিতিক 'নিজে সৃষ্টি কৰা সংকট' আখ্যাৰে মোদীক কটাক্ষ

ক্ষমাৰ অযোগ্য! সমালোচনা 'লেনছেট'ৰ

■ নিউজ ব্যুৰ'
নতুন দিল্লী, ৯ মে' ঃ দেশত ভয়াৰহ ৰূপ ধাৰণ কৰা কৰ'নাৰ সংক্ৰমণৰ দ্বিতীয় ঢৌৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক কঠোৰভাৰে সমালোচনা কৰিলে আন্তৰ্জাতিক চিকিৎসা বিষয়ক পত্ৰিকা 'লেনছেট'-এ। ভাৰতৰ বৰ্তমানৰ কৰ'না পৰিস্থিতিৰ বাবে পত্ৰিকাখনে প্ৰধানমন্ত্ৰী মোদীক জগৰীয়া কৰি এই সংকট ভাৰতৰ 'নিজে সৃষ্টি কৰা সংকট' বুলি মত প্ৰকাশ কৰিলে। 'লেনছেট'ৰ সম্পাদকীয় বিভাগে কৰ'না পৰিস্থিতিক লৈ মোদী চৰকাৰক প্ৰত্যক্ষভাৰে সমালোচনা কৰি এইদৰে লিখিছে, 'বাৰে বাৰে সতৰ্ক কৰা সত্ত্বেও চৰকাৰে ধৰ্মীয় উৎসৰ আঠ পৃষ্ঠাত চাওক

দেশত 'কৰ'না বিস্ফোৰণ'ৰ কাৰণ কি ঃ জনালে 'হু'ৰ মুখ্য বিজ্ঞানীয়ে

■ নিউজ ব্যুৰ'
জেনেভা, ৯ মে' ঃ ভাৰততে কৰ'নাৰ সংক্ৰমণৰ দ্বিতীয়টো ঢৌত আক্ৰান্তৰ সংখ্যা ইমান দ্ৰুততাৰে বৃদ্ধি পাইছে কিয়? ইয়াৰ আঁৰত কি কি কাৰণ জড়িত হৈ আছে? কেৰল ভাই�ৰাছৰ চৰিত্ৰ সলনি নে আন কোনো কাৰকে হঠাতে দেশত কৰ'নাৰ ভয়াৰহ সংক্ৰমণ ব্যাপক কৰি তুলিছে? এই সকলো প্ৰশ্নৰ উত্তৰ দিলে দুই পৃষ্ঠাত চাওক

মাহে ৰমজান
ইফটাৰ
আজি আবেলি ঃ ৫.৫৯ বজা
ছেহেৰী
কাইলৈ পুৱা ঃ ৩.১৩ বজা
* গুৱাহাটীৰ সময়

চেঙা তেল

শপত ল'বলৈ ফোন কল নাহিল বুলিয়েই ভাগি পৰিলে হ'বনে! বুঢ়া হ'লো, আমালৈ ফোন নাহিল!

দৈনিক অগ্ৰদূত

দেশত ‘কৰ’না বিস্ফোৰণ’ৰ

এক পৃষ্ঠাৰ পৰা বিশ্ব স্বাস্থ্য সংস্থা (হু)ৰ মুখ্য বিজ্ঞানী ডাঃ সৌম্যা স্বামীনাথনে। সংবাদ সংস্থা এ এফ পিৰ এক সাক্ষাৎকাৰত ডাঃ সৌম্যাই কয়, ‘ভাৰতত কৰ’নাৰ যিটো প্ৰজাতি সক্ৰিয় হৈ আছে সেইটো হ’ল বি.১.৬১৭। এই প্ৰজাতিক বিশ্ব স্বাস্থ্য সংস্থাই এতিয়াও ‘উদ্বেগজনক প্ৰজাতি’ আখ্যা দিয়া নাই যদিও আমেৰিকা, ব্ৰিটেইনৰ দৰে দেশে এনে আখ্যা দিছে। আমাৰ মতে, বিশ্ব স্বাস্থ্য সংস্থায়ো এই প্ৰজাতিৰ কৰ’নাৰ সংক্ৰমণক ‘উদ্বেগজনক প্ৰজাতি’ হিচাপে চিনাক্ত কৰা উচিত।’ ভাৰতত ভয়াৱহ ৰূপ ধাৰণ কৰা এই নতুন প্ৰজাতিৰ ক’ভিড ভাইৰাছে দ্ৰুত চৰিত্ৰ সলনি কৰিছে বুলি ‘হু’ৰ মুখ্য বিজ্ঞানীগৰাকীয়ে জানিবলৈ দিয়ে। ডাঃ সৌম্যাই পুনৰ কয়, ‘বি.১.৬১৭ প্ৰজাতিয়ে ক্ৰমাগত চৰিত্ৰ সলনি কৰিছে। ফলত এই ভাইৰাছৰ সংক্ৰমণ ক্ষমতা পূৰ্বতকৈ কে’বাগুণ বৃদ্ধি পাইছে। কেৱল এয়াই নহয়, আগন্তুক দিনত এই ভাইৰাছ ‘এণ্টিবডী’ প্ৰতিৰোধী হৈ উঠিব পাৰে। অৰ্থাৎ প্ৰতিষেধক বা অন্যান্য কাৰণত শৰীৰত প্ৰতিৰোধক ক্ষমতা তৈয়াৰ হ’লেও এই ভাইৰাছৰ সংক্ৰমণক বাধাদান কৰাটো কঠিন হ’ব পাৰে। সেয়েহে এতিয়াই সতৰ্ক হ’ব লাগিব।’ অৱশ্যে কেৱল ভাইৰাছৰ ক্ষমতাৰ ফলতে নহয়, মানুহৰ সচেতনতাৰ অভাৱতো ভাৰতত কৰ’নাৰ ব্যাপক সংক্ৰমণ হৈছে বুলি মত প্ৰকাশ কৰিলে ‘হু’ৰ মুখ্য বিজ্ঞানীগৰাকীয়ে। ‘ভাৰতত জনসমাগম বৃদ্ধি পাইছিল। মানুহৰ মাজত মাস্ক পৰিধান কৰা আৰু অন্যান্য ক’ভিড বিধি মানি চলাৰ প্ৰৱণতাও হ্ৰাস পাইছিল। ফলত প্ৰথমতে নিম্ন পৰ্যায়ত বহুদিন ধৰি সংক্ৰমণ বিয়পি পৰিছিল। লাহে লাহে সেই সংক্ৰমণ উলম্বভাৱে বৃদ্ধি পাবলৈ ধৰিছে।’ ডাঃ সৌম্যাই এইদৰে মন্তব্য কৰি লগতে কয় যে বৰ্তমানৰ হাৰত ক’ভিডৰ সংক্ৰমণ ভাৰতত বৃদ্ধি অব্যাহত থাকিলে এসময়ত ই নিয়ন্ত্ৰণৰ বাহিৰলৈ যোৱাৰ শংকা আছে।

‘হু’ৰ ভাৰতীয় মূলৰ বিজ্ঞানীগৰাকীয়ে ভাৰতত ক’ভিডৰ দৈনিক সংক্ৰমণ বৃদ্ধিৰ বাবে টিকাকৰণৰ লেহেমীয়া গতিকো জগৰীয়া কৰিলে। ডাঃ সৌম্যাৰ মতে, ‘ভাৰতত এতিয়ালৈকে মুঠ জনসংখ্যাৰ দুই শতাংশ লোকক টিকা প্ৰদান সম্ভৱ হৈছে। এইদৰে টিকাকৰণৰ গতি অব্যাহত থাকিলে ভাৰতত সকলোকে টিকা প্ৰদানৰ বাবে বছৰ অতিবাহিত হ’ব। তেতিয়ালৈ হয়তো এই ভাইৰাছে নিজৰ চৰিত্ৰ পুনৰ সলনি কৰিব। এনে পৰিস্থিতিত বৰ্তমানৰ প্ৰতিষেধকৰ কাৰ্যকাৰিতা নাথাকিব।’ ভাইৰাছে যিমানে সংক্ৰমণ বৃদ্ধি কৰিব সিমানে ইয়াৰ চৰিত্ৰ সলনিৰ আশংকা বৃদ্ধি পাব বুলিও সতৰ্ক কৰিলে ডাঃ সৌম্যাই। বিশ্ব স্বাস্থ্য সংস্থাৰ মুখ্য বিজ্ঞানীগৰাকীৰ মতে, ‘যিমানে ভাইৰাছৰ সংক্ৰমণ বাঢ়িব, সিমানে ইয়াৰ চৰিত্ৰৰ পৰিৱৰ্তন ঘটিব। চৰিত্ৰ সলনিৰ ফলত নতুন নতুন প্ৰজাতিৰ ভাইৰাছৰ সৃষ্টি হ’ব। বৰ্তমানে ব্যৱহাৰ কৰা ক’ভিড প্ৰতিষেধক তেনে পৰিস্থিতিত ব্যৱহাৰ কৰিলে কোনো সুফল লাভ কৰিব পৰা নাযাব। এইটোৱে হ’ব আগন্তুক সময়ত বিশ্বৰ সবাতোকৈ গুৰুতৰ সমস্যা। সেয়েহে ইয়াৰ পৰা ৰক্ষা পাবলৈ হ’লে সতৰ্ক হৈ প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিব লাগিব।’

কুকুৰমাৰাত মটৰ চাইকেল চুৰি

ছয়গাঁও, ৯ মে’ ঃ কামৰূপ জিলাৰ ছয়গাঁও আৰক্ষী থানাৰ অন্তৰ্গত কুকুৰমাৰাৰ সমীপৰ খাৰাভাংগাৰ পৰা আজি এখন গ্লেমাৰ মটৰ চাইকেল চুৰি হয়। পলাশবাৰী সমষ্টিৰ তিনি নম্বৰ আমতলা নিবাসী বৈদ্যুতিক সংযোগকাৰী অখিল দাসে খাৰাভাংগাৰ উৎপল দাসৰ ঘৰত বিদ্যুৎ সংযোগ কৰিবলৈ গৈছিল। ৰাষ্ট্ৰীয় ঘাই পথৰ সমীপত এ এছ-২৫, জে-৫১৩৭ নম্বৰ নীলা ৰঙৰ মটৰ চাইকেল থৈ কাম কৰি থকা অখিল দাসে উভতি আহি নেদেখি হতভম্ব হয়। তাৰ পাছত বাহনখন চুৰি হোৱা বুলি জানিব পাৰে গৰাকীয়ে। লগে লগে বিষয়টো কুকুৰমাৰা পহৰা চকীত অৱগত কৰি এজাহাৰ দাখিল কৰে। সম্প্ৰতি কুকুৰমাৰা আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে।

দুটাকৈ এ কে-৪৭সহ

এক পৃষ্ঠাৰ পৰা অন্তৰ্গত বৰপুং গাঁৱৰ ৰেলছন তেৰণ (৩৪)। কাৰ্বি আংলঙৰে চাউকিহালা আৰক্ষী থানাৰ অধীনৰ বৰলাংছ’ গাঁৱৰ দৰেচাং ৰেংমা (৩৬) আৰু নগালেণ্ডৰ ডিমাপুৰৰ পুৰণা বজাৰৰ আলো ৰেংমা (২৯)। কাৰ্বি আংলং আৰক্ষীয়ে চলোৱা এক অভিযানত ধৰা পৰা চিকাৰীকেইজনৰ পৰা দুটা এ কে-৪৭ ৰাইফল, দুটা মেগজিন, এ কে চিৰিজৰ ৩০ জাঁই সক্ৰিয় গুলি, দুটা টৰ্চ আৰু বেগসহ অন্যান্য সামগ্ৰী উদ্ধাৰ কৰা হয়।

ৰাজ্যত পুনৰ বৃদ্ধি কৰ’না সংক্ৰমণৰ হাৰ, একেদিনাই

এক পৃষ্ঠাৰ পৰা সম্পন্ন হয়। কালিৰ তুলনাত আজি প্ৰায় অৰ্দ্ধেক লোকৰহে ক’ভিড পৰীক্ষা হয়। যাৰ ফলত আক্ৰান্তৰ সংখ্যা হ্ৰাস পালেও আজি দৈনিক সংক্ৰমণৰ হাৰ ৯.১৩ শতাংশলৈ বৃদ্ধি পালে। ইয়াৰ বিপৰীতে আজি ৰাজ্যত চাৰি হেজাৰ ৪৫ জন ক’ভিড ৰোগীক সুস্থ বুলি ঘোষণা কৰা হয়। ৰাজ্যৰ স্বাস্থ্য বিভাগে সদৰী কৰা তথ্য অনুসৰি সম্প্ৰতি অসমত ৩৬ হেজাৰ পাঁচজন সক্ৰিয় ৰোগী আছে। আজি কামৰূপ মহানগৰ জিলাত এহেজাৰ ৩৪৬ জন লোক আক্ৰান্ত হোৱাৰ উপৰি ১৭ জন ৰোগীৰ মৃত্যু হয়। আনহাতে, কামৰূপ গ্ৰাম্য জিলাত ১৩৭ জন আক্ৰান্ত হোৱাৰ বিপৰীতে চাৰিজন ৰোগীৰ মৃত্যু হয়। আনহাতে, ডিব্ৰুগড়ত দ্বিশতাধিক তথা তিনিচুকীয়া জিলাত শতাধিক লোক আক্ৰান্ত হয়। ডিব্ৰুগড়ত ২২৮ আৰু তিনিচুকীয়াত ১৪৮ জন লোক নতুনকৈ আক্ৰান্ত হোৱা বুলি স্বাস্থ্য বিভাগে জনাইছে। স্বাস্থ্য বিভাগে লগতে জনোৱা মতে, আজিৰ দিনটোত কাৰ্বি আংলং, ডিব্ৰুগড়, শোণিতপুৰ আৰু তিনিচুকীয়াত তিনিজনকৈ লোকৰ মৃত্যু হয়। সেইদৰে দুজনকৈ লোকে প্ৰাণ হেৰুৱাই বঙাইগাঁও, কাছাৰ, যোৰহাট আৰু লখিমপুৰ জিলাত। বৰপেটা, ধেমাজি, গোৱালপাৰা, হোজাই, নলবাৰী, ওদালগুৰি আৰু শিৱসাগৰ জিলাত এজনকৈ লোকৰ মৃত্যু হয়। উল্লেখ্য যে যোৱা বছৰৰ পৰা এই পৰ্যন্ত ৰাজ্যত মুঠ দুই লাখ ৯২ হেজাৰ ৩৬৮ জন লোক ক’ভিডত আক্ৰান্ত হৈছে। ইয়াৰে দুই লাখ ৫৩ হেজাৰ ৩৪০ জন ৰোগী সুস্থ হোৱাৰ বিপৰীতে এহেজাৰ ৬৭৬ জন ৰোগীৰ মৃত্যু হৈছে।

ডিব্ৰুগড়ত পুনৰ ছজনৰ মৃত্যু

ডিব্ৰুগড়ৰ বিশেষ সংবাদদাতা/চাবুৱাৰ অগ্ৰদূত বাৰ্তা ঃ ডিব্ৰুগড়ত জিলাত আজি পুনৰ ছজন কৰ’না ৰোগীৰ মৃত্যু হয়। ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন হৈ থকা অৱস্থাতে এইসকল ৰোগীৰ মৃত্যু হোৱা বুলি স্বাস্থ্য বিভাগৰ সূত্ৰই জনাইছে। উল্লেখ্য যে আজি জিলাখনত এহেজাৰ ৮৫৫ জন লোকৰ ক’ভিড পৰীক্ষা সম্পন্ন হয়। ইয়াৰে ২১৬ জনৰ শৰীৰত ক’ভিডৰ উপস্থিতি ধৰা পৰে। ফলত জিলাখনত আক্ৰান্ত লোকৰ সংখ্যা পাঁচ হেজাৰ ১০৯ জনলৈ বৃদ্ধি পাইছে। লক্ষ্যণীয়ভাৱে কৰ’নাৰ দ্বিতীয় লহৰত ডিব্ৰুগড় জিলাত এই পৰ্যন্ত ৪৫ জন লোকে প্ৰাণ হেৰুৱাইছে।

ইপিনে, জিলাখনৰ চাবুৱা ৰাজহ চক্ৰৰ অন্তৰ্গত বালিজান পানী এৰা গাঁৱৰ নিবাসী নাথেশ্বৰ হেমৰম (৭৫) নামৰ লোকজনৰ আজি ক’ভিডত মৃত্যু হয়। ক’ভিডত আক্ৰান্ত হোৱাৰ পাছত তেওঁ নিজ গৃহতে আছুতীয়াকৈ আছিল। আজি নিজ গৃহতে লোকজনৰ মৃত্যু হোৱাৰ পাছত স্বাস্থ্য বিভাগে পৰিয়ালৰ সকলো সদস্যৰ ক’ভিড পৰীক্ষা সম্পন্ন কৰে। অৱশ্যে ফলাফল নিগেটিভ অহা বুলি পৰিয়ালৰ লোকে জনাইছে।

চিনামৰাত এজনৰ মৃত্যু ঃ এটা চুবুৰীৰ ১৫ জন আক্ৰান্ত

চিনামৰাৰ অগ্ৰদূত বাৰ্তা ঃ যোৰহাটৰ নআলি ঢেকিয়াজুলি মাজগাঁৱত কৰ’নাই ভয়ানক ৰূপ ধাৰণ কৰিছে। আজি গাঁওখনৰ তিলেশ্বৰ শইকীয়া (৬৫) নামৰ ক’ভিড ৰোগীজনৰ মৃত্যু হয়। আক্ৰান্ত হোৱাৰ পাছতে শইকীয়া নিজ গৃহত আছুতীয়াকৈ আছিল যদিও আজি পুৱা শ্বাস-প্ৰশ্বাসত কষ্ট পোৱাত পৰিয়ালৰ লোকে তেওঁক চিকিৎসালয়লৈ নিয়ে। কিন্তু চিকিৎসালয়ত লোকজনৰ মৃত্যু হয়। উল্লেখ্য যে গাঁওখনত অনুষ্ঠিত এখন বিবাহৰ পৰা গণ সংক্ৰমণ আৰম্ভ হোৱাৰ অভিযোগ উঠিছে। উক্ত বিবাহৰ পাত্ৰীসহ আঠজন লোক আক্ৰান্ত হোৱাৰ তথ্য পোহৰলৈ আহিছে। আজি শইকীয়াই মৃত্যুৰ পাছতে বাঘচোং খণ্ড চিকিৎসালয়ৰ এটা দলে গাঁওখনত উপস্থিত হৈ আন ১৮ জন লোকৰ পৰীক্ষা সম্পন্ন কৰাত সাতজনৰ ফলাফল পজিটিভ আহে। আক্ৰান্ত প্ৰতিজন লোক একেটো চুবুৰীৰ বুলি চিকিৎসালয়খনৰ চিকিৎসক অৰুণ শইকীয়াই জনাইছে।

নাজিৰাত এজন ব্যৱসায়ীৰ মৃত্যু

নাজিৰাৰ অগ্ৰদূত বাৰ্তা ঃ নাজিৰাৰ গেলেকী তিনিআলিৰ ব্যৱসায়ী শ্যামল দাস (৬৫)ৰ আজি পুৱা যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতালত মৃত্যু হয়। শ্বাস-প্ৰশ্বাসজনিত ৰোগৰ লগতে উচ্চ ৰক্তচাপত ভোগা দাসক যোৱা তিনি মে’ত চিকিৎসাধীন কৰা হৈছিল আৰু তেতিয়াই ক’ভিড পৰীক্ষাত তেওঁৰ ফলাফল পজিটিভ আহিছিল। আজি পুৱা প্ৰায় ৫-৩০ বজাত দাসৰ মৃত্যু হোৱাৰ পাছত যোৰহাটৰ ভোগদৈ শ্মশানত শেষকৃত্য সম্পন্ন কৰে। তেওঁ পত্নী আৰু এহাল পুত্ৰ-কন্যাক এৰি গৈছে। আনহাতে, আজি নাজিৰাৰ একাধিক অঞ্চলত সম্পন্ন কৰা ক’ভিড পৰীক্ষাত দুজন লোকৰ শৰীৰত ভাইৰাছৰ উপস্থিতি ধৰা পৰে। ফলত নাজিৰা মহকুমাত আক্ৰান্ত লোকৰ সংখ্যা ৩৪৬ জনলৈ বৃদ্ধি পালে।

বিহপুৰীয়াত প্ৰাক্তন শিক্ষয়িত্ৰীৰ মৃত্যু

বিহপুৰীয়াৰ অগ্ৰদূত বাৰ্তা ঃ ক’ভিডত আক্ৰান্ত হৈ বিহপুৰীয়াত এগৰাকী প্ৰাক্তন শিক্ষয়িত্ৰীৰ মৃত্যু হৈছে। অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰীগৰাকী হৈছে বিহপুৰীয়া নগৰৰ ন নম্বৰ ৱাৰ্ডৰ নিবাসী বিষ্ণু কটকীৰ পত্নী মা মিৰা কটকী (৬৫)। ক’ভিডত আক্ৰান্ত হোৱাৰ পাছত মহিলাগৰাকী নিজ গৃহতে পৰ্যবেক্ষণত আছিল যদিও স্বাস্থ্য অৱনতি ঘটাত শুকুৰবাৰে তেওঁক লখিমপুৰ অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল। কিন্তু আজি বিয়লি চিকিৎসাধীন অৱস্থাতে বিহপুৰীয়া মজলীয়া বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰীগৰাকীৰ মৃত্যু হয়।

নগাঁৱত পুনৰ তিনিজন ৰোগীৰ মৃত্যু

নগাঁৱৰ বিশেষ সংবাদদাতা ঃ নগাঁও জিলাত কৰ’নাৰ দ্বিতীয় লহৰত মৃত্যু হোৱা ক’ভিড ৰোগীৰ সংখ্যা ১২ জনলৈ বৃদ্ধি পাইছে। আজি পুনৰ জিলাখনৰ তিনিজন ৰোগীৰ মৃত্যু হয়। ইয়াৰে দুজন চহৰৰ ছহিদ ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়ৰ ক’ভিড হাস্পতালত চিকিৎসাধীন হৈ আছিল। স্বাস্থ্য বিভাগৰ সূত্ৰই জনোৱা মতে, চিকিৎসাধীন অৱস্থাত মৃত ৰোগীদ্বয় হৈছে নগাঁও চহৰৰ সমীপৱৰ্তী বেবেজীয়াৰ বস্তি বৰা (৭০) আৰু ধিঙৰ আমিনুল ৰহমান (৬০)। আনহাতে, নগাঁও পৌৰসভাৰ অন্তৰ্গত ২৩ নম্বৰ মহলাৰ পানীগাঁও ছয়আলিৰ নিবাসী কেশৰ চন্দ্ৰ বৰা (৬৫)ৰ আজি দিনৰ ১১ বজাত মৃত্যু হয়। ক’ভিডত আক্ৰান্ত হোৱাৰ পাছত বৰাই নিজ গৃহতে আছুতীয়াকৈ আছিল। আজি নিজ গৃহতে লোকজনৰ মৃত্যু হয়। ইপিনে, জিলাখনত ক’ভিডৰ জটিল পৰিস্থিতি অব্যাহত আছে। আজিও জিলাখনৰ ৯২ জন লোকৰ শৰীৰত ক’ভিডৰ উপস্থিতি ধৰা পৰে। ইয়াৰ ফলত জিলাখনত বিগত এটা মাহত আক্ৰান্ত লোকৰ সংখ্যা তিনি হেজাৰ ১০৮ জনলৈ বৃদ্ধি পালে। আজি আক্ৰান্তসকলৰ চাৰিজনক ছহিদ ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়।

কাৰ্বি আংলঙত তিনিজনৰ মৃত্যু

ডিফুৰ বিশেষ সংবাদদাতা ঃ কাৰ্বি আংলং জিলাত যোৱা নিশাৰে পৰা তিনিজন ক’ভিড ৰোগীৰ মৃত্যু হয়। ডিফু চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন হৈ থকা দুজন ক’ভিড ৰোগীৰ যোৱা নিশা মৃত্যু হয়। তেওঁলোক হৈছে বোকাজান টিলাবস্তিৰ টেক বাহাদুৰ থাপা আৰু লাংহিনৰ সুশীলা দেৱী। আনহাতে, ডিফু চিকিৎসা মহাবিদ্যালয় হাস্পতালত ক’ভিড সংক্ৰমিত হৈ চিকিৎসাধীন হৈ থকা লামডিঙৰ শুভাৰাণী পাল নামৰ এগৰাকী মহিলাৰ আজি দিনৰ ভাগত মৃত্যু হয়। ইপিনে, জিলাখনত কালিৰ দিনটোতে ৫০ জন লোকৰ শৰীৰত ক’ভিডৰ উপস্থিতি ধৰা পৰে।

বঙাইগাঁৱত দুই মহিলাসহ তিনি ৰোগীৰ মৃত্যু

বঙাইগাঁৱৰ অগ্ৰদূত ব্যুৰ’ ঃ বঙাইগাঁও জিলাত যোৱা নিশাৰে পৰা দুই মহিলাসহ তিনি ক’ভিড ৰোগীৰ মৃত্যু হৈছে। জিলা প্ৰশাসনে জনোৱা মতে, বঙাইগাঁও চহৰৰ ৰেলৰে অ’ল্ড কল’নীৰ নিবাসী ৰীতা ৰায় (৪৫)ৰ ক’ভিডত আক্ৰান্ত হোৱাৰ পাছত যোৱা নিশা ৮-২০ বজাত মৃত্যু হয়। আনহাতে, আজি পুৱা বৰপেটাৰ ফখৰুদ্দিন আলী আহমেদ চিকিৎসা মহাবিদ্যালয় হাস্পতালত চিকিৎসাধীন অৱস্থাত বঙাইগাঁও চহৰৰ মণিকা দাস (৪৭) আৰু বঙাইগাঁও ভাকাৰিভিটাৰ ভাস্কৰ দাস (৬৬)ৰ মৃত্যু হয়। উল্লেখ্য যে বঙাইগাঁও আৰু চিৰাং জিলাত শেহতীয়াকৈ ক’ভিড পৰিস্থিতিয়ে জটিল ৰূপ ধাৰণ কৰিছে। বঙাইগাঁও জিলাত আজি ৯০ জন লোকৰ পৰীক্ষাৰ ফলাফল পজিটিভ আহে। সম্প্ৰতি জিলাখনত ৭৯৬ জন সক্ৰিয় ৰোগী আছে। আনহাতে, চিৰাং জিলাত আজি নতুনকৈ আঠজন লোক সংক্ৰমিত হয়। ফলত জিলাখনত ক’ভিড ৰোগীৰ সংখ্যা ৪৩৩ জনলৈ বৃদ্ধি পালে।

তৃতীয় অসম আৰক্ষী বাহিনীৰ মহিলা জোৱান আক্ৰান্ত

মেলামাটিৰ অগ্ৰদূত বাৰ্তা ঃ তিতাবৰস্থ তৃতীয় অসম আৰক্ষী বাহিনীত আজি ক’ভিড পৰীক্ষা সম্পন্ন হয়। ১২৮ জন বেটেলিয়নৰ শৰীৰত পৰীক্ষা সম্পন্ন কৰাৰ পাছত এগৰাকী মহিলা জোৱানৰ শৰীৰত ক’ভিডৰ উপস্থিতি ধৰা পৰে। সম্প্ৰতি তেওঁক নিজ গৃহতে পৰ্যবেক্ষণত ৰখা হৈছে। তিতাবৰ মহকুমাত এই পৰ্যন্ত ৬৭ জনৰ শৰীৰত ক’ভিডৰ উপস্থিতি ধৰা পৰিছে।

শোণিতপুৰত শিল্পীসহ পুনৰ দুজনৰ মৃত্যু

তেজপুৰৰ অগ্ৰদূত বাৰ্তা ঃ কৰ’নাৰ দ্বিতীয় ঢৌত শোণিতপুৰত পুনৰ দুজন লোকে প্ৰাণ হেৰুৱালে। আজি দুজন কৰ’নাৰ আক্ৰান্তৰ তেজপুৰ চিকিৎসা মহাবিদ্যালয়ত হাস্পতালত মৃত্যু হয়। মৃত ৰোগী দুজন হৈছে তেজপুৰ চহৰৰ উষা নগৰ নিবাসী শিক্ষক তথা সুদক্ষ গীটাৰবাদক প্ৰতীম বৰদলৈ (৫৩) আৰু ৰঙাপৰাৰ কৈলাশ শ্বাহ (৫৬)। ইফালে, আজি জিলাখনত নতুনকৈ ৯৬ জন কৰ’না ৰোগী চিনাক্ত হয়। সম্প্ৰতি জিলাখনত এহেজাৰ চাৰিজন সক্ৰিয় ৰোগী আছে। আনহাতে, ৬২ জন ইতিমধ্যে সুস্থ হৈছে।

ক’ভিডত আক্ৰান্ত হৈ নলবাৰীৰ দুজনৰ মৃত্যু

নলবাৰী/বৰভাগৰ অগ্ৰদূত বাৰ্তা ঃ ক’ভিড আক্ৰান্ত হৈ পুনৰ গুৱাহাটীত নলবাৰী জিলাৰ দুজন লোকৰ মৃত্যু হয়। মৃত লোক দুজন হৈছে নলবাৰী চহৰৰ চ’ক বজাৰৰ বাসিন্দা তথা অভিযন্তা বিশ্বজিৎ ডেকা (৩৫) আৰু কমাৰকুছিৰ পাণ্ডুলাগাঁৱৰ বিনন্দ লহকৰ (৩৫)। উল্লেখ্য যে অভিযন্তা ডেকাই ৩০ এপ্ৰিলত কৰ’নাত আক্ৰান্ত হোৱাৰ পাছত গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত চিকিৎসাধীন হৈ আছিল। কালি সন্ধিয়া তেওঁৰ চিকিৎসাধীন অৱস্থাতে মৃত্যু হয়। আনহাতে, কিছুদিনৰ পূৰ্বৰে পৰা অসুস্থ হৈ থকা পাণ্ডুলাগাঁৱৰ সৰবৰহী যুৱক লহকৰক আজি পুৱা পৰিয়ালৰ লোকে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰায়। তেতিয়াই সম্পন্ন কৰা ক’ভিড পৰীক্ষাৰ ফলাফল পজিটিভ আহে আৰু কিছু সময়ৰ পাছতে লহকৰৰ মৃত্যু হয়। তেওঁ মাতৃ, পত্নী আৰু এটি পুত্ৰ সন্তান এৰি গৈছে।

ইপিনে, জিলাখনত আজি নতুনকৈ ১০১ জন কৰ’না ৰোগী চিনাক্ত হয়। ফলত জিলাখনত আক্ৰান্ত ৰোগীৰ সংখ্যা দুহেজাৰ ২৭৩ জনলৈ বৃদ্ধি পালে। উল্লেখ্য যে জিলাখনত সম্প্ৰতি ৬০টা কেন্দ্ৰত ক’ভিড প্ৰতিষেধক দি থকা হৈছে।

আজাৰাত অসম আন্দোলনৰ সক্ৰিয় কৰ্মীৰ মৃত্যু

আজাৰাৰ অগ্ৰদূত বাৰ্তা ঃ ক’ভিডত আক্ৰান্ত হৈ আজি মৃত্যুমুখত পৰিল অসম আন্দোলনৰ সক্ৰিয় কৰ্মী তথা আজাৰাৰ সমাজকৰ্মী মহেশ বৰুৱা (৬৫)। বিগত কিছুদিন ধৰি অসুস্থ হৈ থকাৰ বাবে বৰুৱাক আজি পৰিয়ালৰ লোকে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰায়। তেতিয়াই সম্পন্ন কৰা ক’ভিড পৰীক্ষাৰ ফলাফল পজিটিভ আহে। কিন্তু স্বাস্থ্য অধিক অৱনতি ঘটি কিছু সময়ৰ পাছত তেওঁৰ মৃত্যু হয়। আজাৰাৰ অতিকৈ পুৰণি এভাৰেষ্ট ক্লাবৰ প্ৰাক্তন সম্পাদক তথা আজীৱন সদস্য, আজাৰা তালুকৰ প্ৰাক্তন সম্পাদক আৰু অঞ্চলটোৰ প্ৰতিটো অনুষ্ঠান-প্ৰতিষ্ঠানৰ স’তে জড়িত হৈ থকা বৰুৱাৰ মৃত্যুত আজাৰা তালুক, আজাৰা বন্ধু মিলন নাট্য সমিতি, আজাৰা জয় সমূহীয়া কেন্দ্ৰ, আজাৰা ৰঙালী বিহু সন্মিলনী, আজাৰা ছাত্ৰ সন্থা, আজাৰা সাহিত্য সভা, বিজেপিৰ গুৱাহাটী মহানগৰ জিলা, ৰাণী মণ্ডল, এভাৰেষ্ট ক্লাব আদিয়ে গভীৰ শোক প্ৰকাশ কৰিছে।

ওদালগুৰিত তিনি ক’ভিড ৰোগীৰ মৃত্যু

ওদালগুৰিৰ বিশেষ সংবাদদাতা ঃ ওদালগুৰি জিলাত আজি তিনিজন ক’ভিড ৰোগীৰ মৃত্যু হয়। অৱশ্যে মৃত লোককেইজনৰ বিশদ তথ্য এই পৰ্যন্ত পোহৰলৈ অহা নাই। কৰ’নাৰ দ্বিতীয় লহৰত জিলাখনত এই পৰ্যন্ত ১৪ জন ৰোগীৰ মৃত্যু হৈছে।

আনহাতে, আজি জিলাখনত নতুনকৈ ৩৩ জন লোক কৰ’নাত আক্ৰান্ত হয় বুলি জিলা স্বাস্থ্য বিভাগে জনাইছে। সম্প্ৰতি জিলাখনত ৩৩৩ জন সক্ৰিয় ৰোগী আছে। আনহাতে, ৪৭ জন ৰোগী ইতিমধ্যে সুস্থ হৈছে।

বাগ্‌সাত এজনৰ মৃত্যু

মুছলপুৰৰ অগ্ৰদূত বাৰ্তা ঃ বাগ্‌সা জিলাত আজি এজন ক’ভিড আক্ৰান্তৰ মৃত্যু হয়। ইয়াৰ ফলত চলিত বৰ্ষত জিলাখনত মৃত্যু হোৱা ক’ভিড ৰোগীৰ সংখ্যা আঠজনলৈ বৃদ্ধি পালে। আনহাতে, আজিৰ দিনটোত জিলাখনত ১২ জন ক’ভিড ৰোগী চিনাক্ত হয়। ফলত জিলাখনত আক্ৰান্ত লোকৰ সংখ্যা ৪৭৩ জনলৈ বৃদ্ধি পালে। ইয়াৰে ১০৬ জনক ইতিমধ্যে সুস্থ ঘোষণা কৰা হৈছে।

ক’ভিড পৰীক্ষা কৰিব নোৱাৰা মঙলদৈৰ ব্যৱসায়ীৰ মৃত্যু

মঙলদৈৰ বিশেষ সংবাদদাতা/ অগ্ৰদূত বাৰ্তা ঃ ক’ভিড সৃষ্ট পৰিবেশৰ বাবে চিকিৎসা লাভৰ পূৰ্বে আজি মহলদৈ চহৰৰ এজন ক্ষুদ্ৰ ব্যৱসায়ীয়ে প্ৰাণ হেৰুৱাবলগীয়া হয়। চহৰখনৰ ৰাম জানকী মন্দিৰৰ সমীপৰ এমজি পথৰ ক্ষুদ্ৰ ব্যৱসায়ী তথা টেঙাবাৰী নিবাসী সুদেশ ঘোষ (৫৯) কালি নিজৰ দোকানতে অসুস্থ হৈ পৰিছিল। ইয়াৰ পাছতে তেওঁ পুত্ৰৰ স্কুটিত উঠি মঙলদৈ অসামৰিক চিকিৎসালয়লৈ যায়। কিন্তু চিকিৎসালয়ত ক’ভিড পৰীক্ষাৰ বাবে দীৰ্ঘ সময় ধৰি শাৰী পাতি থাকিবলগীয়া হোৱাত ঘোষ অধিক অসুস্থ হৈ পৰে। ফলত ক’ভিড পৰীক্ষা নকৰাকৈ তেওঁ পুত্ৰৰ স্কুটিটি উঠি ঘৰলৈ উভতে যদিও বাটতে ঢলি পৰি লোকজনৰ মৃত্যু হয়। ইপিনে, দৰং জিলাত আজি নতুনকৈ ৮৩ জন লোকৰ শৰীৰত ক’ভিডৰ উপস্থিতি ধৰা পৰে। ফলত জানুৱাৰীৰ পৰা জিলাখনত আক্ৰান্ত লোকৰ সংখ্যা এহেজাৰ ৯৭৪ জনলৈ বৃদ্ধি পালে। ইয়াৰ ভিতৰত ৯৬৭ জন সক্ৰিয় ৰোগী আছে।

হোজাইত অৱসৰপ্ৰাপ্ত বেংক বিষয়াৰ মৃত্যু ঃ ৰোগীক নিম্নমানৰ খাদ্য যোগানৰ অভিযোগ

হোজাই/যমুনামুখৰ অগ্ৰদূত বাৰ্তা ঃ ক’ভিডত আক্ৰান্ত হৈ গুৱাহাটীত প্ৰাণ হেৰুৱালে হোজাইৰ এজন অৱসৰপ্ৰাপ্ত বেংক বিষয়াই। ক’ভিড প্ৰতিষেধকৰ দ্বিতীয়টো পালি ল’বলৈ যোৱা অৱস্থাত অৱসৰপ্ৰাপ্ত বেংক বিষয়া বিভাষ দাস কৰ’নাত সংক্ৰমিত হৈছিল। কিছুদিন নিজ গৃহত আছুতীয়াকৈ থকাৰ পাছত তেওঁক হোজাইৰ নীলবাগান ক’ভিড সেৱা কেন্দ্ৰত ভৰ্তি কৰোৱা হৈছিল। অৱশ্যে স্বাস্থ্যৰ জটিলতাৰ বাবে তেওঁক পৰৱৰ্তী সময়ত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰা হৈছিল যদিও আজি চিকিৎসাধীন অৱস্থাতে দাসৰ মৃত্যু হয়। হোজাই বিষ্ণুপল্লীৰ নিবাসী দাসৰ মৃত্যুত বিভিন্নজনে শোক প্ৰকাশ কৰিছে। উল্লেখ্য যে তেওঁৰ পত্নী, ভগ্নী আৰু ভ্ৰাতৃও সম্প্ৰতি ক’ভিডত আক্ৰান্ত।

ইপিনে, জিলাখনত আজি নতুনকৈ ৫১ জন লোক আক্ৰান্ত হয়। ফলত জিলাখনত ক’ভিড ৰোগীৰ সংখ্যা এহেজাৰ ৬৩ জনলৈ বৃদ্ধি পালে। সম্প্ৰতি জিলাখনত ৪৮৮ জন সক্ৰিয় ৰোগী আছে। ইফালে, হোজাই জিলাৰ মোৰাঝাৰ অঞ্চলত বিভিন্ন ব্যৱসায়ী তথা গ্ৰাহকে ক’ভিড বিধি সম্পূৰ্ণৰূপে উলংঘা কৰা পৰিলক্ষিত হৈছে। যাৰ বাবে অঞ্চলটোত গণসংক্ৰমণৰ আশংকায়ো দেখা দিছে। আনহাতে, নীলবাগান আদৰ্শ হাস্পতালত ৰোগীক নিম্নমানৰ খাদ্য প্ৰদানৰ অভিযোগ উত্থাপিত হৈছে। লগতে উপযুক্ত সুবিধা নথকা আৰু ভালকৈ পৰিষ্কাৰ নকৰা অভিযোগো উত্থাপন কৰিছে একাংশ লোকে।

কোকৰাঝাৰ কাৰাগাৰত ৪৩ জন বন্দী কৰ’নাত আক্ৰান্ত

গোসাঁইগাঁও/দোতমা/ফকিৰাগ্ৰামৰ অগ্ৰদূত বাৰ্তা ঃ কোকৰাঝাৰ জিলাত আজি দৈনিক সংক্ৰমণৰ ক্ষেত্ৰত সৰ্বাধিক ৮৮ জন লোকৰ শৰীৰত ক’ভিডৰ উপস্থিতি ধৰা পৰে। লক্ষ্যণীয়ভাৱে কোকৰাঝাৰ জিলা কাৰাগাৰত বন্দী অৱস্থাত থকা ৪৩ জনৰ শৰীৰতো ক’ভিডৰ উপস্থিতি ধৰা পৰাত সম্প্ৰতি কাৰাগাৰখনত গণ সংক্ৰমণৰ আশংকাই দেখা দিছে। ইফালে, শ্ৰীৰামপুৰস্থিত ক’ভিড পৰীক্ষা চকীত আজি বহিঃৰাজ্যৰ পৰা অহা ২৩ জনৰ শৰীৰত ক’ভিড চিনাক্ত হয়। সম্প্ৰতি জিলাখনত ২৯৩ জন সক্ৰিয় ৰোগী আছে। জিলাখনৰ দোতমা অঞ্চলতো সম্প্ৰতি কৰ’নাই ভয়াৱহ ৰূপ লৈছে। কালিৰে পৰা দোতমা অঞ্চলত ১৫ জন লোকৰ শৰীৰত কৰ’না চিনাক্ত হয়।

ছাগলীয়াত ১৩ জন আক্ৰান্ত

বক্সিৰহাট ঃ অসম-বংগ সীমান্তৰ ছাগলীয়া ক’ভিড পৰীক্ষা কেন্দ্ৰত আজি বহিঃৰাজ্যৰ পৰা অহা ১৩ যাত্ৰীৰ শৰীৰত কৰ’নাৰ উপস্থিতি চিনাক্ত হয়। আজি মুঠ ৭৩১ জন বাছ যাত্ৰীৰ কৰ’না পৰীক্ষা কৰা হৈছিল। আক্ৰান্তসকলৰ ভিতৰত ১২ জন পুৰুষ আৰু এগৰাকী মহিলা। উল্লেখ্য যে আক্ৰান্তসকলৰ বয়স (৫০) বছৰৰ কম।

গোৱালপাৰাত ৮৯ জন ক’ভিডমুক্ত ঃ কৃষ্ণাইৰ পাখিৰীগুৰি গাঁও কণ্টেইমেণ্ট জ’ন

মাটিয়া/কৃষ্ণাইৰ অগ্ৰদূত বাৰ্তা ঃ গোৱালপাৰা জিলাত আজি ৮৯ জন লোক ক’ভিডমুক্ত হয়। ফলত জিলাখনত সক্ৰিয় ৰোগীৰ সংখ্যা ৬৬৪ জনলৈ বৃদ্ধি পালে। আনহাতে, আজি নতুনকৈ ৬১ জন লোকৰ শৰীৰত ক’ভিডৰ উপস্থিতি ধৰা পৰে। ইপিনে, জিলাখনৰ মৰনৈ আৰক্ষী থানাৰ অন্তৰ্গত তথা কৃষ্ণাই ৰেল ষ্টেচনৰ দাঁতিত পাখিৰীগুৰিগাঁৱত গণসংক্ৰমণৰ আশংকাই দেখা দিছে। গাঁওখনৰ এটা পৰিয়ালৰ ১১ জন সদস্যসহ মুঠ ১৭ জন লোকৰ শৰীৰত ক’ভিডৰ উপস্থিতি ধৰা পৰে। ইয়াৰ পৰিপ্ৰেক্ষিতত জিলাখনৰ আন তিনিটা অঞ্চলৰ লগতে খামাৰ পাখিৰী ধুন্দিপাৰা অঞ্চলকো প্ৰশাসনে কণ্টেইনমেণ্ট জ’ন ঘোষণা কৰিছে। সেই অনুসৰি আজি আৰক্ষীয়ে পাখিৰীগুৰি গাঁৱৰ সকলো বাটপথ বন্ধ কৰি দিয়ে। অত্যাৱশ্যকীয় সেৱা আৰু অতি জৰুৰী পৰিস্থিতিৰ বাহিৰে কোনো লোককে গাঁওখনত প্ৰৱেশত নিষেধাজ্ঞা আৰোপ কৰিছে আৰক্ষীয়ে। উল্লেখ্য যে পাখিৰীগুৰিৰ উপৰি জিলাখনৰ বৰবৰী, নাৰেংগাবাৰী আৰু ডুবাপাৰা অঞ্চলক কণ্টেইনমেণ্ট জ’ন ঘোষণা কৰা হৈছে।

নিঃচৰ্ত সমৰ্থন দিলে অগপ-ইউপিপিএলে

এক পৃষ্ঠাৰ পৰা অনুষ্ঠিত হয়। এই বৈঠকতো অগপ-ইউপিপিএলৰ নেতৃত্বই বিনাচৰ্তে ড° শৰ্মাক মিত্ৰজোঁটৰ বিধায়িনী দলৰ তথা তিনিওটা দলৰ প্ৰধান দলপতি হিচাপে বাছনি কৰে। ইয়াৰ পাছতে ড° শৰ্মা ৰাজ্যৰ পঞ্চদশ মুখ্যমন্ত্ৰী হিচাপে দায়িত্ব লাভ কৰাটো স্পষ্ট হৈ পৰে। ৰাজ্যৰ পৰৱৰ্তী মুখ্যমন্ত্ৰী ড° শৰ্মাৰ হাতত অগপ বিধায়িনী দলৰ সমৰ্থনৰ লিখিত প্ৰস্তাৱ দাখিল কৰি অগপ সভাপতি অতুল বৰাই উভয় দলৰ নেতা-বিধায়কক সম্বোধন কৰি কয়, ‘আমি অতিকৈ আনন্দিত হৈছো, সফল মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক বিজেপিয়ে দলপতি হিচাপে বাছনি কৰিছে। আজি অগপৰো বিধায়িনী দলৰ এক সভা অনুষ্ঠিত হৈছিল আৰু ড° শৰ্মালৈ বিনাচৰ্তে অগপ বিধায়িনী দলে পূৰ্ণ সমৰ্থন আগবঢ়াইছে। আমি আশা কৰিছো তেওঁৰ বলিষ্ঠ নেতৃত্বত ৰাজ্যখনত উন্নয়নৰ ধাৰা ত্বৰান্বিত হ’ব।’ মিত্ৰদলৰ দলপতি ড° শৰ্মাৰ নেতৃত্বত কাইলৈ নতুন চৰকাৰে শপত ল’ব বুলি সভাপতি বৰাই ব্যক্ত কৰি ৰাজ্যৰ পৰৱৰ্তী মুখ্যমন্ত্ৰীজনক শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰি কয়, ‘ৰাজ্যৰ সকলো সমস্যা আৰু প্ৰত্যাহ্বান ড° শৰ্মাৰ নেতৃত্বত মোকাবিলা কৰিবলৈ সক্ষম হ’ম বুলি আমি আশাবাদী। এটা কথা নিশ্চিত যে ৰাজ্যবাসীয়ে এখন শক্তিশালী চৰকাৰ পাব আৰু উন্নয়নৰ গতিধাৰা অধিক ত্বৰান্বিত হ’ব।’ উল্লেখ্য যে আজিৰ বৈঠকত অগপ হৈ ৰাজ্যসভাৰ সাংসদ তথা দলৰ জ্যেষ্ঠ নেতা বীৰেন্দ্ৰ প্ৰসাদ বৈশ্য, কাৰ্যকৰী সভাপতি কেশৱ মহন্তকে ধৰি আটাইকেইজন বিজয়ী প্ৰাৰ্থী উপস্থিত থাকে। সাংসদ বৈশ্যই নৱ নিৰ্বাচিত দলপতি ড° শৰ্মাক পৰৱৰ্তী মুখ্যমন্ত্ৰী হিচাপে শুভেচ্ছা জ্ঞাপন কৰি কয়, ‘এজন শক্তিশালী মন্ত্ৰীক আমি মুখ্যমন্ত্ৰী হিচাপে পাম। তেওঁ অতি সফল মন্ত্ৰী আছিল। প্ৰতিটো দপ্তৰ অতি নিয়াৰিকৈ পৰিচালনা কৰিছিল। আশাকৰো আগন্তুক দিনত ৰাজ্য পৰিচালনা কৰাৰ ক্ষেত্ৰত তেওঁ সফলতা লাভ কৰিব।’

অগপৰ সমান্তৰালভাৱে ইপিপিএলৰ বিধায়িনী দলেও ড° শৰ্মালৈ পূৰ্ণ সমৰ্থন আগবঢ়াই দলৰ সভাপতি প্ৰমোদ বড়োৱে শৰ্মাৰ নেতৃত্বত নতুন চৰকাৰে বলিষ্ঠভাৱে আগুৱাই যাবলৈ সক্ষম হ’ব বুলি আশা ব্যক্ত কৰে। পূৰ্ণ সমৰ্থনৰ লিখিত প্ৰস্তাৱ ড° শৰ্মাৰ হাতত অৰ্পণ কৰি বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য বড়োৱে কয়, ‘বিগত পাঁচটা বছৰত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ নেতৃত্বত অসমে সু-শাসন লাভ কৰিবলৈ সক্ষম হৈছিল। আগন্তুক সময়তো ড° শৰ্মাৰ নেতৃত্বত ৰাজ্যখনৰ জ্বলন্ত সমস্যাসমূহ সমাধানৰ বাট প্ৰশস্ত হ’ব। অসমক দেশৰ ভিতৰতে এখন উন্নত ৰাজ্য হিচাপে গঢ় দিয়াত সফলতা লাভ কৰিব। আশা কৰিছো, ক’ভিডৰ দুৰ্যোগৰ সময়ত গঠন হ’ব লগা নতুন চৰকাৰে তিনি কোটি ৩০ লাখ জনগণৰ সমস্যাসমূহ সমাধান কৰি ৰাজ্যবাসীক আগুৱাই লৈ যাব পাৰিব।’ উল্লেখ্য যে এনডিএৰ নৱ নিৰ্বাচিত দলপতি ড° শৰ্মাৰ লগত প্ৰতিটো সময়তে ইউপিপিএল কাষত থাকিব বুলি মিত্ৰদলৰ সকলো নেতা-বিধায়কৰ আগত স্পষ্ট কৰে সভাপতি বড়োৱে।

গৃহ-বিত্ত-স্বাস্থ্য নিজৰ হাততে ৰখাৰ সম্ভাৱনা ঃ প্ৰথমে

এক পৃষ্ঠাৰ পৰা দত্ত, ৰূপেশ গোৱালা, পৰিমল শুক্লবৈদ্য, হিতেন্দ্ৰ নাথ গোস্বামী আৰু বিমল বৰা। মিত্ৰদল অগপৰ পৰা চৰ্চাত আছে অতুল বৰা আৰু কেশৱ মহন্তৰ নাম। আনটো মিত্ৰদল ইউপিপিএলৰ পৰা চৰ্চাত থকা নাম দুটা হ’ল উৰ্খাও গৌৰা ব্ৰহ্ম আৰু গোবিন্দ বসুমতাৰী। কাইলৈ শপত ল’বলগীয়া মন্ত্ৰীসভাৰ তালিকাখন আজি নিশাহে চূড়ান্ত কৰা হোৱাৰ কথা। তাৰ বাবে নিশা আমিনগাঁওস্থিত গড়কাপ্তানী বিভাগৰ পৰিদৰ্শন বঙলাত ড° শৰ্মাই বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী নৰেন্দ্ৰ সিং টোমৰ আৰু ৰাষ্ট্ৰীয় সাংগঠনিক সাধাৰণ সম্পাদক বি এল সন্তোষৰ লগত আলোচনাত মিলিত হয়। কাইলৈ পুৱা শপত ল’বলগীয়া মন্ত্ৰীসকলক খবৰ দিয়া হ’ব বুলি দলীয় সূত্ৰত প্ৰকাশ। যোৱা কাৰ্যকালত উদ্যোগ-বাণিজ্য, সংসদীয় পৰিক্ৰমা আদি বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী বিধানসভাৰ অধ্যক্ষ হোৱাৰ সম্ভাৱনা অধিক বুলি চৰ্চিত হৈছে। নলবাৰীৰ বিধায়ক জয়ন্ত মল্ল বৰুৱা যদি প্ৰথমতেই মন্ত্ৰীসভাত স্থান দিয়া হয় তেন্তে নলবাৰী জিলাৰ পৰা পাটোৱাৰীৰ মন্ত্ৰী হোৱাৰ সম্ভাৱনা ক্ষীণ। অৱশ্যে অধ্যক্ষ হিচাপে হিতেন্দ্ৰ নাথ গোস্বামীৰ নাম এইবাৰো চৰ্চাত আছে।

ইপিনে, মুখ্যমন্ত্ৰী হ’লেও কে’বাটাও গুৰুত্বপূৰ্ণ বিভাগ ড° শৰ্মাই নিজৰ হাতত ৰাখিব। সেই অনুসৰি গৃহ, বিত্ত, স্বাস্থ্য আদি বিভাগ তেওঁ নিজেই ৰাখিব বুলি দলীয় সূত্ৰই ইংগিত দিয়ে। ক’ভিডৰ পৰিপ্ৰেক্ষিতত বিভাগ বিতৰণক লৈ ড° শৰ্মা যথেষ্ট সতৰ্কতা অৱলম্বন কৰিব বুলি সূত্ৰত প্ৰকাশ।

বাগিচাৰ পৰা দুজনক মন্ত্ৰিত্বৰ দাবী

২০১৬ৰ পৰা অনুষ্ঠিত প্ৰতিটো নিৰ্বাচনত চাহ বাগিচাৰ ভোটাৰে বিজেপিক ব্যাপক হাৰত সমৰ্থন জনাই আহিছে। এইবাৰো তাৰ ব্যতিক্ৰম হোৱা নাই। জনগোষ্ঠীটোৰ পৰা এইবাৰ চাৰিজন বিধায়ক নিৰ্বাচিত হৈছে। তাৰ ভিতৰত অন্ততঃ দুজনক মন্ত্ৰিত্ব দিয়াৰ দাবী উত্থাপিত হৈছে জনগোষ্ঠীটোৰ পৰা। চাহ জনগোষ্ঠীৰ জ্যেষ্ঠ নেতা ভগীৰথ কৰণে কয় যে চাহ বাগিচাৰ লোকসকলে বিজেপিক দিয়া সমৰ্থনৰ পৰিপ্ৰেক্ষিততে তেওঁলোকে দুটা মন্ত্ৰী পদ দাবী কৰিব। অৱশ্যে কোন কেইজন বিধায়কক মন্ত্ৰীপদত বহুৱাব লাগে সেই সন্দৰ্ভত কৰণে নীৰৱতা অৱলম্বন কৰে। তাৰ বিপৰীতে জনগোষ্ঠীটোৰ শীৰ্ষনেতাৰ সূত্ৰই সদৰী কৰে যে নৱনিৰ্বাচিত মুখ্যমন্ত্ৰীজনৰ ফৈদৰ বুলি পৰিচয় থকা ৰূপেশ গোৱালাই মন্ত্ৰীসভাত স্থান পোৱাৰ সম্ভাৱনা অধিক। তাৰ বিপৰীতে বিদায়ী মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ ঘনিষ্ঠ বুলি পৰিচিত সঞ্জয় কিষাণৰ সেই সম্ভাৱনা ক্ষীণ। জ্যেষ্ঠতাৰ ভিত্তিত সম্ভাৱনা আছে দুলীয়াজানৰ তেৰছ গোৱালাৰো। কিন্তু প্ৰশান্ত ফুকনে যদি মন্ত্ৰীসভাত স্থান লাভ কৰে ডিব্ৰুগড়ৰ পৰা দ্বিতীয়জনক অন্তৰ্ভুক্ত কৰা নহ’ব।

ASTROLOGY/জ্যোতিষী

ত্ৰিকাল মহাভৈৰৱ তন্ত্ৰ কেন্দ্ৰ ও আচল ৰত্নৰ ৰাজভাণ্ডাৰ ৰত্নসাগৰ অসমত সৰ্বপ্ৰথম একমাত্ৰ ১৮টা বিদ্যাৰ দ্বাৰা একেলগে, একে ঠাইত সংমিশ্ৰিত, বিশ্লেষিত সকলো সমস্যাৰ গেৰাণ্টীযুক্ত সমাধান। সৰ্বমনোকামনা পূৰণকাৰী মহাকাল ভৈৰৱ কৰচত সকলো সমস্যা তিনি ঘণ্টাৰ পৰা সমাধান। জ্যোতিষ, বাস্তু, তান্ত্ৰিক সম্ৰাট.... ত্ৰিকাল ৰাজগুৰু, কুঁৱৰীটোল, কলিয়াবৰ, নগাঁও- 9954021556, 9947066469.

আজিৰ দিনটো

কিৰো ইয়ং, ৰত্ন কুবেৰ জেমছ এণ্ড জুয়েলাৰী
জি. এছ. ৰোড, মণিপুৰী বস্তী, গুৱাহাটী-৭
☎ ঃ ২৫১২১০২, ৯৫৭১-১১১৭১

২৬ ব’হাগ সোমবাৰ ১০ মে’

সূৰ্যোদয় ঃ ঘঃ ৪।৪৯।৫, **সূৰ্যাস্ত ঃ** ঘঃ ৫।৪৯।৩৭। **তিথি ঃ** কৃষ্ণ চতুৰ্দশী, দং ৪১।৩০।১৬ ৰাঘঃ, ৯।২৫।১১। **নক্ষত্ৰ ঃ** অশ্বিনী, দং ৩৮।৩৭।৫৩ ৰাঘঃ ৮।১৬।১৪। **যোগ ঃ** আয়ুস্মান, দং ৪২।২২।৫ ৰাঘঃ ৯।৪৫।৫৫। **কৰণ ঃ** বিষ্টি। **জন্মত ঃ** মেষৰাশি, ক্ষত্ৰিয়বৰ্ণ মতান্তৰে বৈশ্যবৰ্ণ, দেৱগণ, ঘোঁৰাৰ অস্থি, মহেন্দ্ৰযোগ, অষ্টোত্তৰী শুক্ৰ, বিংশোত্তৰী কেতুৰ দশা, ৰাঘঃ ৮।১৬।১৪ যোৱাত হাতীৰ অস্থি, বিংশোত্তৰী শুক্ৰৰ দশা। **আদ্যঋতু হ’লে ঃ** ৪৫ দিনীয়া দুঃশীলা যোগ। **মৰণত দোষ ঃ** এপদ, ৰাঘঃ ৯।২৫।১১ যোৱাত নাই। **যোগিনী ঃ** পশ্চিমত, ৰাঘঃ ৯।২৫।১১ যোৱাত ঈশানকোনত। **যাত্ৰা** নাই, ৰিক্তাদি দোষ ৰাঘঃ ৯।২৫।১১ যোৱাত নাই, তিথ্যাদি দোষ। **শুভকৰ্ম ঃ** নাই। **ভক্ষাভক্ষ্য ঃ** মাটিমাহ, মাছ-মাংস, তেল খোৱা নিষেধ।

দিনটোৰ ৰাশিফল

মেষ ঃ প্ৰেমত আনন্দ। মনত কিছু অহেতুক চিন্তাই ঠাই ল’লেও আপোনাৰ উপস্থিত বুদ্ধিৰ দ্বাৰা আঁতৰাব পাৰিব। সাহস আৰু দক্ষতা সমভাৱে লাভ কৰিব উপকৃত হ’ল। কৰ্মস্থানত আনন্দ। প্ৰেমত আনন্দ।

বৃষ ঃ পত্নী সুখ। বিদ্যাত দুশ্চিন্তাৰ মাজেদি শুভ ইংগিত পাব। বিয়া-বাৰু বা উৎসৱ আদিত যোগদান কৰক। মাতৃৰ শৰীৰ চিন্তা। আৰ্থিকত ব্যয় বৃদ্ধি পাব। ব্যৱসায়ত মধ্যম।

মিথুন ঃ সময়ৰ নাটনি। মধ্যম দিন হ’লেও কৰ্মস্থানত ভালেই দেখিব। আৰ্থিকতো বেয়া নহ’ব। দায়িত্বপূৰ্ণ কামত মাংগলিক কৃতকাৰ্য হোৱাৰ সম্ভাৱনা। বিদ্যাত শুভ ফল। শৰীৰ মধ্যম।

কৰ্কট ঃ কৰ্ম ব্যস্ততা। সহযোগীৰ সহায়ত উৎসাহ পাব। প্ৰতাৰকৰ বাবে দুশ্চিন্তা থাকিব। কৰ্মস্থানত আয় বৃদ্ধি কাৰক। নতুন কোনো উদ্দেশ্যেত সফল হ’ব।

সিংহ ঃ ৰাইজৰ লগত অতিৰিক্ত খৰচ। আচৰিত কথাৰ সম্ভেদ পাব। আৰ্থিকতো কিছু কষ্ট শৰীৰ সম্পৰ্কে উদাস নহ’ব। বিদ্যাত বেয়া বোলা নাযায়। ভ্ৰমণত অলপ সাৱধান থাকক।

কন্যা ঃ মজলীয়াভাৱে দিনটো পাৰ হ’ব। কৰ্মক্ষেত্ৰত সহকৰ্মীৰ অলপ সতৰ্ক থকাটো উচিত হ’ব। প্ৰেমপ্ৰীতিত উদাস চিন্তা। পঢ়াত মধ্যম।

তুলা ঃ শৰীৰ পূৰ্বৰ তুলনাত আশাপ্ৰদ। আগতে ভবা কথা আৰু কামৰ লগত আনৰ বিভেদ থাকিব। উচ্চ বিদ্যাত সাফল্য লাভ। আৰ্থিক, আয়ু বৃদ্ধি পাব। কোনো প্ৰিয় লোকৰ যোগাযোগত আনন্দ।

বৃশ্চিক ঃ ব্যৱসায়-বাণিজ্যৰ ক্ষেত্ৰত কিছু উচ্চ চিন্তা থাকিব আৰু সফলতাও পাব। কৰ্মস্থানত উন্নত আশা নকৰাই ভাল। পঢ়াত মনোনিবেশ কৰিব।

ধনু ঃ দিনটোত পাৰিপাৰ্শ্বিক বাধা-বিঘিনিৰ কাৰণে মনটো গধুৰ হৈ থাকিব। শৰীৰৰ প্ৰতি আওকাণ নকৰিব। কৰ্মত খ্যাতি বুদ্ধিৰ যোগ।

মকৰ ঃ কৰ্মত মজলীয়া প্ৰভাৱ পৰিব। নিজৰ মান-সন্মানৰ ক্ষেত্ৰত সচেতন হ’ব। বিদ্যাত ধৈৰ্য ধৰক। পাৰিবাৰিক সামান্য উৎকণ্ঠা দেখা যায়। ভ্ৰমণত দ্ৰব্য লাভ কৰিব। ব্যৱসায়ত আশাপ্ৰদ উন্নতিৰ যোগ।

কুম্ভ ঃ নিজৰ উদ্দেশ্য সাধনত ব্ৰতী হওক। কৰ্মত দক্ষতা থাকিব। ব্যৱসায়-বাণিজ্য, উদ্যোগ আদিত সফলতাৰ ইংগিত দেখা যায়। পঢ়া-শুনাত শুভ।

মীন ঃ যত্নৰ দ্বাৰা বিদ্যাত সাফল্য লাভ। আৰ্থিকত ব্যয় বৃদ্ধি পাব। কোনো দূৰ বাৰ্তাত আনন্দ লাভ, বেংক কৰ্মচাৰীৰ শুভ। কোনো কাৰণত মন চঞ্চল থাকিব। প্ৰেমত শুভ।

শব্দ-বেহু ঃ ১০ মে ২০২১

@ সব্যসাচী

পথালিয়ে ঃ
১। দোকানীয়ে দিনটোৰ প্ৰথম বস্তু বেচি পোৱা ধন (৩)
৩। সম্পূৰ্ণকৈ নজ্বলা বা আধা পোৰা খৰি (৩)
৫। পেটৰ ওপৰৰ আৰু ডিঙিৰ তলৰ গাৰ সমুখভাগ, বুকু (২)
৭। ভীতিগ্ৰস্ত, আতংকিত (৩)
৮। মাটিৰ কুৰি লোচাৰ পৰিসৰ (২)
১০। তমসা, আন্ধাৰ (৩)
১১। মাখন, গাখীৰ মথি উলিওৱা ঘন তেলেতীয়া খাদ্যবস্তু (২)
১২। একাধিক আলি লগ হোৱা ঠাই, এবিধ বগা পেঞ্চিল (২)
১৪। পূজা-উপাসনা কৰোতে মুখেৰে আওৰোৱা বচন (২)
১৫। মতদান (২)
১৬। বাদুলি-সৰ্চাৰ, দুৱাৰ, ঢাকনী আদিত লগোৱা ধাতুৰ আহিলা (২)
১৭। তকমা,পিন্ধোতাৰ পৰিচয়সূচক চিহ্ন (২)
১৯। অতি অসৎ, হীন স্বভাৱৰ (২)
২১। নাচ-গান, অভিনয় আদি কৰা মানুহৰ দল (২)
২২। অপকৰ্মৰে সকলোৰে মাজত বেয়া মানুহ বুলি পৰিচিত হৈ পৰা (৩)
২৪। সংগীতত স্বৰৰ উঠা-নমা, ৰাগ (২)
২৬। আহোম ৰজাৰ দিনৰ কাকতী খেলৰ লোক, চকুৰ ৰোগ বিশেষ (৩)
২৭। ওজনৰ একক, এহেজাৰ কিলোগ্ৰাম (২)
২৯। দিনাংক, কোনো এটা দিনৰ সংখ্যাত প্ৰকাশ কৰা ৰূপ (৩)
৩০। তাপ থকা, যিহত উষ্ণতা নিহিত হৈ আছে (৩)

থিয়কৈ ঃ
১। টকা-পইচা ধাৰে লোৱাৰ বিনিময়ত কোনো বস্তু ধাৰে দিওঁতাৰ ওচৰত জমা থোৱা (৩)
২। কলমৰ মুখত লগাই লিখা কাম কৰা ধাতুৰ যতন (২)
৩। এটা কাল্পনিক পৰ্বত যাৰ সিপাৰে বেলি মাৰ যায় বুলি কোৱা হয় (২)
৪। খানচামা, ৰন্ধা কাৰ্য্য কৰা লোক, বাবুৰ্চি (৩)
৬। লোকচান, অনিষ্ট, হানি (২)
৭। তাকৰ নোহোৱা, কম নোহোৱা (৩)
৯। কোনো বস্তুৰ গঢ় বা আকৃতি, ভংগি (২)
১১। কামাতুৰ, পৰস্ত্ৰীত আসক্ত (৩)
১৩। সুমথিৰা, এবিধ ফল (৩)
১৫। শ্ৰাদ্ধ, পূজা আদি অনুষ্ঠানত কোনো পাত্ৰত ভৰাই দেৱতা, বামুণ, ভকত আদিক দান কৰা সামগ্ৰী (৩)
১৬। সংগীতৰ এবিধ দুহাতেৰে বজোৱা বাদ্য (৩)
১৮। খেৰ, জাবৰ আদিত জুই লাগিলে ওপৰলৈ উৰি যোৱা জুইৰ আঙনি, এজাতি চৰাই (৩)
২০। খাৰ জহোৱা পাত্ৰ (২)
২১। ভাওনাত ভাৱৰীয়াই ভৰিত পিন্ধা আৱৰণ (৩)
২৩। নৈৰ বা আন কোনো জলাশয়ৰ দাঁতিৰ ওখ ঠাই, সৈকত (২)
২৫। কোমল, ঢিলা (৩)
২৬। আমোদ-প্ৰমোদৰ ইচ্ছা, লাহ-বিলাহ (২)
২৮। স্থাৱৰ পদাৰ্থ, স্থিতিশীল বস্তু (২)

উত্তৰ অহা সংখ্যাত

০৯ মে সংখ্যাৰ উত্তৰ ঃ
পথালিয়ে ঃ ১।লালচ ৩।নগৰপালিকা ৫।হৰেক ৬।কবৰ ৮।লগভাত ১২।জনৰৱ ১৪।পৰিসৰ ১৬।বদনাম ১৮।সকাম ২০।নশ্বৰ ২১।নপতাফুকন ২২।লক্ষণ
থিয়কৈ ঃ ১।লায়ক ২।চহৰ ৩।নকল ৪।পাৰ্গত ৭।বইনাপত্ৰ ৯।গৰজ ১০।পলস ১১।অৱবাহিকা ১৩।নয়ন ১৫।ৰইনা ১৬।বৰতা ১৭।মনন ১৮।সৰল ১৯।মৰণ

দৈনিক অগ্রদূত

গুৱাহাটী, ১০ মে', ২০২১ সোমবাৰ পৃষ্ঠা তিনি

নাগ্ৰীজুলি ক'ভিড কেয়াৰ চেণ্টাৰত উপযুক্ত চিকিৎসা নোপোৱাৰ অভিযোগ

ক'ভিড ৰোগীক চিকিৎসা নকৰাকৈ অক্সিজেন অবিহনে ৰৰপেটা চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণৰ অভিযোগ

অগ্রদূত বার্তা

তামুলপুৰ, ৯ মে' ঃ এগৰাকী মধুমেহ ৰোগত ভুগি থকা ক'ভিড-১৯ আক্ৰান্ত ৰোগীক কোনো প্ৰাথমিক চিকিৎসা তথা অক্সিজেন প্ৰদান নকৰাকৈয়ে সুদূৰ ৰৰপেটাস্থ ফখৰুদ্দিন আলী আহমেদ চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ দায়িত্বহীনভাৱে প্ৰেৰণ কৰাৰ এক অভিযোগে শেহতীয়াভাৱে *ছয় পৃষ্ঠাত চাওক*

তিনি বছৰে মেৰবাংচুবাত নহ'ল প্ৰধানমন্ত্ৰী গ্ৰামচড়ক যোজনাৰ পথ ঃ দলং পকীকৰণ

অগ্রদূত বার্তা

টংলা, ৯ মে' ঃ ওদালগুৰি সমষ্টিৰ অন্তৰ্গত হৰিশিঙা ৰাজহ চক্ৰৰ অধীনৰ এখন ভিতৰুৱা গাঁও মেৰবাংচুবা। বড়ো অধ্যুষিত এই গাঁওখনৰ লোকে যুগ যুগ ধৰি চৰকাৰৰ পৰা অৱহেলিত বঞ্চিত হৈ আহিছে। গাঁওখনৰ মাজেৰে বৈ যোৱা বৰ্বলা আৰু বটিয়ামাৰী নদীত আজিকোপতি দলং পকীকৰণ নহ'ল। বাঁহৰ সাঁকোৰে যাতায়াত ক�ৰিবলগীয়া হয়। ইয়াৰ ফলত শিক্ষাৰ্থীৰ লগতে ৰোগী আৰু সাধাৰণ ৰাইজে ভুগিছে নৰক যন্ত্ৰণা। মেকেঞ্জি পথৰ পৰা গাঁওখনৰ মাজেৰে কঠালবাৰীলৈ যোৱা প্ৰায় তিনি কিলোমিটাৰ দৈর্ঘ্যৰ পথছোৱা ২০১৯ৰ এপ্ৰিলৰ পৰা প্ৰতিষ্ঠিত ঠিকাদাৰ গিৰীণ ডেকাই প্ৰধানমন্ত্ৰী গ্ৰামচড়ক যোজনা আঁচনিৰ অধীনত কাম আৰম্ভ কৰিছিল যদিও ঠিকাদাৰে লেহেমীয়াকৈ কাম কৰাৰ লগতে কোনোবা ঠাইত মাটি পেলাই আধৰুৱা কৰাৰ অভিযোগ কৰিছে স্থানীয় ৰাইজে। আনহাতে, উক্ত পথটোৰ কোনোবা স্থানত আকৌ শিল পেলাই ৰাইজক বিপদত পেলোৱা অভিযোগ *ছয় পৃষ্ঠাত চাওক*

ৰহাত নগাঁও জিলা অনুসূচিত জাতি উন্নয়ন পৰিষদৰ প্ৰাক্তন সভাপতিক নিশা দলবদ্ধ আক্ৰমণ

অগ্রদূত বার্তা

ৰহা, ৯ মে' ঃ নগাঁও জিলাৰ ৰহা আৰক্ষী থানাৰ অন্তৰ্গত খাইগড়ত শনিবাৰে নিশা সংঘটিত হ'ল এক দলবদ্ধ আক্ৰমণৰ ঘটনা। এই আক্ৰমণত নগাঁও জিলা অনুসূচিত জাতি উন্নয়ন পৰিষদৰ প্ৰাক্তন সভাপতি তথা সদ্য প্ৰাক্তন কংগ্ৰেছ নেতা দীপ দাস গুৰুতৰভাৱে আহত হৈ গুৱাহাটীৰ এখন চিকিৎসালয়ত চিকিৎসাধীন হ'বলগীয়া হয়। শনিবাৰে নিশা ১০ বজাত ১০-১৫ জনীয়া এক যুৱকৰ দলে হাতত কাঠ, বাঁহ আৰু লোহা লৈ কংগ্ৰেছ নেতাজনৰ খাইগড়ৰ বাসভৱনত উপস্থিত হৈ উপর্যুপৰি আক্ৰমণ কৰে। ঘটনাৰ সন্দর্ভত প্ৰাক্তন কংগ্ৰেছ নেতা দাসে উখাপন কৰা অভিযোগ মতে, কালি নিজৰ *ছয় পৃষ্ঠাত চাওক*

সোঁতৰ বিপৰীতে

ডিলাইট গাঞ্জাসহ দুই মহিলাক গ্ৰেপ্তাৰ

বিশেষ সংবাদদাতা, ডিফু, ৯ মে' ঃ কার্বি আংলং জিলাৰ মাজেৰে চুবুৰীয়া ৰাজ্যমূহৰ পৰা ড্ৰাগছ সৰবৰাহ কৰাৰ বাবে সমাজবিৰোধী চক্ৰ সক্ৰিয় হৈ থকাৰ সময়তে আজি কার্বি আংলং জিলাৰ ডিলাই আৰক্ষীয়ে অভিযান চলাই এখন যাত্ৰীবাহী বাছৰ পৰা বৃহৎ পৰিমাণৰ গাঞ্জা জব্দ কৰাৰ লগতে গাঞ্জা সৰবৰাহ কৰাৰ অভিযোগত দুগৰাকী মহিলাক গ্ৰেপ্তাৰ কৰে। ডিলাই থানাৰ আৰক্ষীৰ এটা অভিযানকাৰী দলে ডিলাই থানাৰ সমীপতে ৰাষ্ট্ৰীয় পথত এক তালাচী অভিযান চলায়। উক্ত অভিযানৰ সময়তে অভিযানকাৰী দলটোৰে নাগালেগুৰ ডিমাপুৰৰ পৰা হোজাই অভিমুখে আহি থকা এএছ-০২-এচি-৬৫২৪ নম্বৰৰ 'আয়েশা' নামৰ যাত্ৰীবাহী বাছখনত তালাচী চলাই কে'বাটাও পেকেটত ভৰাই অনা অৱস্থাত মুঠ ৩৩ কিঃগ্ৰাঃ গাঞ্জা জব্দ কৰে গাঞ্জাখিনিৰ বজাৰমূল্য প্ৰায় ডেৰ লক্ষাধিক টকাৰ হ'ব বুলি অনুমান কৰা হৈছে। এই সন্দর্ভত আৰক্ষীয়ে গাঞ্জাখিনি সৰবৰাহ কৰাৰ অভিযোগত গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। ধৃত মহিলা দুগৰাকী হোজাই জিলাৰ লংকাৰ গীতা দেৰী (৪৫) আৰু অনিতা ৰায় (২৭) বুলি চিনাক্ত কৰা হৈছে।

দৰং-ওদালগুৰিক বানমুক্ত কৰিবলৈ নতুন চৰকাৰলৈ আহ্বান কৃষক মুক্তিৰ

হিতেশ হাজৰিকা

খালিংদুৰাৰ (ওদালগুৰি), ৯ মে' ঃ দৰং আৰু ওদালগুৰি জিলাক আগন্তুক বাৰিষাৰ প্ৰলয়ংকৰী বান-খহনীয়াৰ পৰা ৰক্ষা কৰিবলৈ নতুন চৰকাৰৰ লগতে বিটিআৰ প্ৰশাসনক আহ্বান জনাইছে কৃষক মুক্তি সংগ্ৰাম সমিতিয়ে। হাতত সময় কম থকাৰ বাবে এই গুৰুত্বপূৰ্ণ দিশটোক প্ৰাধান্য দিবলৈও আহ্বান জনায়। এই উদ্দেশ্যে কৃষক মুক্তি সংগ্ৰাম সমিতিৰ দৰং আৰু ওদালগুৰি জিলাৰ এটি প্ৰতিনিধি দলে কালি ভূটান পাহাৰ নামনিত অৱস্থিত নঁনৈ নৈ আৰু ভোলা নৈৰ উৎস পৰিদৰ্শন কৰে। উল্লেখ্য যে নঁনৈ নৈৰ উৎস জ্বালীমুখত ১৯৯৬ত জ্বালীমুখ বান্ধ নিয়ন্ত্ৰণ সমিতিৰ দাবীৰ প্ৰতি সঁহাৰি জনাই তদানীন্তন অসম চৰকাৰে এক কোটি টকাৰে ১১শ মিটাৰ দৈর্ঘ্যৰ এটি শৈলবান্ধ নিৰ্মাণ কৰি দিয়াত *ছয় পৃষ্ঠাত চাওক*

পুখুৰীৰ পৰা বোকা মাটি উঠোৱাক লৈ ধিঙত দুটা ফৈদৰ সংঘৰ্ষত নিহত এক

অগ্রদূত বার্তা

ধিং/মৰিগাঁও ৯ মে' ঃ পৱিত্ৰ ৰমজান মাহৰ ৰোজাৰ দিনতে আজি ধিঙৰ লালিপথাৰত সংঘটিত হয় এক লোমহৰ্ষক হত্যাকাণ্ড। এই ঘটনাক কেন্দ্ৰ কৰি বৰ্তমানে সমগ্ৰ অঞ্চলটোতে তীব্ৰ উত্তেজনা অব্যাহত আছে। উল্লেখ্য যে পুখুৰীৰ পৰা ঘৰ মচিবলৈ বোকা মাটি উঠোৱাক কেন্দ্ৰ কৰি আজি বিয়লি লালিপথাৰ গাঁওখনত দুটা ফৈদৰ মাজত সংঘৰ্ষ হয়। ফলত আব্দুল হুছেইন নামৰ লোকজন থিতাতে নিহত হোৱাৰ লগতে তেওঁৰ পত্নী গুৰুতৰভাৱে আহত হয়। ধিং লালিপথাৰ গাঁৱৰ আব্দুলৰ পত্নীয়ে ঘৰ মচিবৰ বাবে কাষৰে ছালাম নামৰ ব্যক্তিজনৰ পুখুৰীৰ পৰা বোকা মাটি উঠাইছিল। এই ঘটনাক কেন্দ্ৰ কৰি দুয়োটা ফৈদৰ মাজত সৃষ্টি হয় তুমুল সংঘৰ্ষ। ফলত হাতে হাতে যাঠি, জোং লৈ অহা আবুল, নুৰু হুছেইন, ছালাম, কালাম আৰু ছাহজাহানৰ লগতে ৰফিকুল *ছয় পৃষ্ঠাত চাওক*

মুছলপুৰত অসামৰিক চিকিৎসালয়ত ধন নিদিলে নোলায় পৰীক্ষাৰ প্ৰতিবেদন

মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদনৰ নামত উৎকোচ

অগ্রদূত বার্তা

মুছলপুৰ, ৯ মে' ঃ মানৱ সেৱাৰ দৰে এটা পবিত্ৰ বৃত্তিত নিয়োজিত হোৱা এজন চিকিৎসকে মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদন দিয়াৰ নামত ঘোচ লোৱাৰ দৃশ্যই বাগ্‌সা জিলাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। আনকি ভগৱানৰ স'তে তুলনা কৰা চিকিৎসকজনক জোঁৱায়েকৰ ঘৰত কন্যাৰ সন্দেহজনক মৃত্যুত সন্দেহ কৰি বিচৰা মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদনৰ বাবে দুৰ্ভগীয়া পিতৃয়ে হালৰ গৰু বিক্ৰী কৰি ধন দিবলগীয়া হৈছে। এই ঘটনা সংঘটিত হৈছে বাগ্‌সা জিলাৰ সদৰ মুছলপুৰত থকা ডাঃ ৰবি বড়ো অসামৰিক চিকিৎসালয়ত। উল্লেখ্য যে জিলাখনৰ শিমলা আৰক্ষী থানাৰ অন্তৰ্গত ঝাৰাবাৰী-আলিগুৰি গাঁৱৰ অক্ষয় বড়োৰ পত্নী নীলিমা বড়ো (২৬)ই যোৱা ১৫ এপ্ৰিলত চিপ লৈ আত্মহত্যা কৰিছিল। পাছত নীলিমাৰ পিতৃ পৰিয়ালে কন্যাক হত্যাৰ সন্দেহ কৰি শিমলা আৰক্ষী থানাৰ অন্তৰ্গত জালাহ আৰক্ষী চকীৰ ওচৰ চাপে। কিন্তু দুৰ্ভগীয়া পৰিয়ালটোৱে আৰক্ষীৰ ওচৰত প্ৰাথমিক পৰ্যায়ৰ কামখিনিৰ বাবে যাওঁতে কেণা লাগে। মৃতকৰ পৰিয়ালে অভিযোগ কৰা মতে জালাহ আৰক্ষী চকীত মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে ভাৰপ্ৰাপ্ত বিষয়া শৰৎ চন্দ্ৰ বড়োক দিবলগীয়া হয় চাৰি হেজাৰ টকা। পাছত আৰক্ষীয়ে সেই ধন লৈ মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে জিলা সদৰ মুছলপুৰস্থিত ডাঃ ৰবি বড়ো অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। কিন্তু চিকিৎসালয়খনৰ চিকিৎসক তথা খণ্ড প্ৰাথমিক স্বাস্থ্য বিষয়া ডাঃ লক্ষ্মীকান্ত তেৰণে মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদনৰ বিনিময়ত দুৰ্ভগীয়া নীলিমাৰ পৰিয়ালক ২০ হেজাৰ টকা দাবী কৰে। *ছয় পৃষ্ঠাত চাওক*

কার্বিআংলঙত আৰক্ষীয়ে চোৰাং চিকাৰীৰ পৰা উদ্ধাৰ কৰা অস্ত্ৰশস্ত্ৰ, দেওবাৰে।

তেজপুৰত কবি গুৰুক স্মৰণ

অগ্রদূত বার্তা

তেজপুৰ, ৯ মে' ঃ বিশ্ব কবি ৰবীন্দ্ৰনাথ ঠাকুৰৰ ১৬০ সংখ্যক জন্ম দিৱস উপলক্ষে আজি তেজপুৰ বাঙালী অবৈতনিক নাট্য সমাজৰ উদ্যোগত কবিগুৰুক স্মৰণ কৰা হয়। কৰ'না নীতি-নিৰ্দেশনা মানি এইবাৰ ইয়াত অনুষ্ঠিপীয়াকৈ আয়োজন কৰা হয় বিশ্বকবিৰ জন্মদিৱসতো। অবৈতনিক নাট্য সমাজৰ বিষয়ববীয়া আৰু সীমিত সংখ্যক সদস্যৰ উপস্থিতিত গীতে কবিতাই স্মৰণ হয় কবিগুৰুগৰাকীক। উক্ত অনুষ্ঠানত নাট্যসমাজৰ সাধাৰণ সম্পাদক গৌতম মৈত্ৰই বক্তি প্ৰজ্বলনৰে অনুষ্ঠানৰ আৰম্ভ কৰাৰ লগতে বিশ্বকবিক শিল্পী দিলীপ চক্ৰৱৰ্তীয়ে ৰবীন্দ্ৰ সংগীত পৰিৱেশন আৰু জয়ন্ত মুখার্জীয়ে কবিগুৰুৰ কবিতা আবৃত্তি কৰে।

ৰৰপেটা জিলাত সাপ্তাহিক হাট-বজাৰ, গৰুৰ বজাৰ বন্ধ

বিশেষ সংবাদদাতা

ৰৰপেটা, ৯ মে' ঃ ৰাজ্যত উদ্বেগজনকভাৱে বৃদ্ধি পাই অহা ক'ভিড পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত ৰৰপেটা জিলাত আজিৰে পৰা অনিৰ্দিষ্ট কাললৈ সকলো সাপ্তাহিক তথা অৰ্ধ-সাপ্তাহিক বজাৰ হাট তথা গৰুৰ বজাৰ বন্ধ কৰি দিয়া হৈছে। দুৰ্যোগ ব্যৱস্থাপনা আইনৰ ৩৪ নম্বৰ ধাৰাৰ অধীনত কাইলৈৰ পৰা সমগ্ৰ জিলাখনতে প্ৰযোজ্য হোৱাকৈ জাৰি কৰা এই নিষেধাজ্ঞা পৰৱৰ্তী নিৰ্দেশনা নিদিয়া পৰ্যন্ত বাহাল থাকিব বুলি কোৱা হৈছে। ভাৰপ্ৰাপ্ত উপায়ুক্ত তথা জিলা দণ্ডাধীশ তেজ প্ৰসাদ ভূযালে দিয়া নিৰ্দেশটোত কোৱা হৈছে যে ৰৰপেটা জিলাতো ক্ৰমাৎ কৰ'না মহামাৰীত আক্ৰান্ত লোকৰ সংখ্যা বৃদ্ধি পাই অহাৰ পৰিপ্ৰেক্ষিতত জনস্বাস্থ্য সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি ক'ভিড বিধিসমূহ মানি চলিবলৈ প্ৰশাসনৰ তৰফৰ পৰা জনাই অহা আহ্বানৰ প্ৰতি একাংশ লোকে সঁহাৰি দিয়া পৰিলক্ষিত হোৱা নাই। হাট-বজাৰসমূহত সামাজিক দূৰত্ব আৰু মাস্কৰ ব্যৱহাৰ অতি সীমিত দেখা গৈছে, যিটোৱে সংক্ৰমণ বৃদ্ধিৰ আশংকা ঘনীভূত কৰিছে। গ্ৰামাঞ্চলৰ সাপ্তাহিক বজাৰ-হাট আদিত অধিক মাত্ৰাত জনসমাগম হোৱাৰ প্ৰতি লক্ষ্য ৰাখি জনস্বাস্থ্যৰ খাতিৰতে তেনে বজাৰ, হাট আদিৰ লগতে গৰুৰ বজাৰো সাময়িকভাৱে নিষিদ্ধ ঘোষণা কৰা হৈছে। এই নিৰ্দেশ উলংঘা কৰিলে দুৰ্যোগ ব্যৱস্থাপনা আইনৰ উপৰি ভাৰতীয় দণ্ড বিধিৰ অধীনতো কঠোৰ কার্যব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি নিৰ্দেশটোত উনুকিয়াই দিয়া হৈছে।

বজাৰত গ্ৰাহকৰ ব্যাপক ভিৰ বালিপৰাত প্ৰৱেশ নিষিদ্ধ

কণ্টেইনমেন জ'ন ঘোষণা এটা অঞ্চল ঃ তেজপুৰৰ বিন্দুকুৰি বজাৰত গ্ৰাহকৰ ভিৰ

অগ্রদূত বার্তা

তেজপুৰ, ৯ মে' ঃ কৰ'না প্ৰতিৰোধৰ বাবে ইতিমধ্যে চৰকাৰীভাৱে বিভিন্ন নিৰ্দেশনা জাৰি কৰাৰ লগতে দোকান বজাৰ আদি দিনৰ দুই বজাত বন্ধ কৰাৰ নিৰ্দেশ দিয়া কাৰ্যৰ পৰা কৰ'না প্ৰতিৰোধ হৈছে নে নাই তাকে লৈ ৰাইজৰ মাজত প্ৰশ্ন উত্থাপিত হৈছে। কাৰণ, তেজপুৰ আৰু পাৰ্শ্ববৰ্তী অঞ্চলত থকা প্ৰতিখন হাট বজাৰত দিনত হোৱা গ্ৰাহকৰ ভিৰ আৰু সামাজিক দূৰত্ব বৰ্তাই ৰখা ঘটনাৰ কোনো চিন-মোকাম নথকাক লৈ ৰাইজৰ মাজত প্ৰশাসনে দিনৰ দুই বজাৰ পৰা দোকান বজাৰ বন্ধ ৰাখিবলৈ দিয়া নিৰ্দেশ অৰ্থহীন হৈ পৰা বুলি চৰ্চিত হৈছে। উল্লেখ্য যে তেজপুৰৰ কবৰখানা বজাৰ, বৌ বজাৰ, মহাভৈৰৱ, পৰোৱা, মিছন চানমাৰি আদি সকলো বজাৰতে গ্ৰাহকৰ ভিৰ থকাৰ দৰেই পাঁচমাইল, দোলাবাৰীতো একেই ভিৰ পৰিলক্ষিত হৈছে। কেৱল দৈনিক বজাৰতেই নহয় সাপ্তাহিক বজাৰসমূহতো গ্ৰাহকৰ ঠেলা-হেঁচাই কৰ'নাৰ সংক্ৰমণ বৃদ্ধি পোৱাৰহে আশংকা প্ৰকাশ *ছয় পৃষ্ঠাত চাওক*

চাহ জনগোষ্ঠী জাতীয় মহাসভাৰ বাগিচাই বাগিচাই ক'ভিড সজাগতা

চাহ জনগোষ্ঠীৰ বিধায়কক মন্ত্ৰিত্বৰ দাবী

অগ্রদূত বার্তা

মৰিয়নি, ৯ মে' ঃ ক'ভিড-১৯ৰ ভয়াৱহতাই অসমৰ চাহ বাগিচাসমূহত ব্যাপক প্ৰভাৱ পেলাইছে। অসমৰ কে'বাখনো চাহ বাগিচাত গণ সংক্ৰমণ আৰম্ভ হোৱা লগতে কে'বাজনো লোকৰ ইতিমধ্যে মৃত্যু হৈছে। এনে সময়তে চাহ বাগিচাসমূহৰ লাইনে লাইনে ক'ভিড-১৯ সজাগতা অভিযান আৰম্ভ কৰিছে অসম চাহ জনগোষ্ঠী জাতীয় মহাসভাই। চাহ জনগোষ্ঠী জাতীয় মহাসভাই আজি ক'ভিড নিয়ম ৰক্ষা কৰি চাহ বাগিচাৰ লাইনৰ গলিয়ে গলিয়ে ক'ভিড সজাগতা যাত্ৰাৰ আৰম্ভ কৰে। আজি চৰাইপানী চাহ বাগিচাত সজাগতা অভিযান আৰম্ভ কৰি বাগিচাখনৰ শ্ৰমিকসকলক ক'ভিড-১৯ৰ সজাগতা অৱলম্বন কৰিবলৈ আহ্বান জনায়। উল্লেখ্য যে ইতিমধ্যে অসমৰ ২৮ খন চাহ বাগিচাত ক'ভিড সংক্ৰমণ হোৱাৰ পৰিপ্ৰেক্ষিতত অধিক সংক্ৰমণ ৰোধ কৰাৰ উদ্দেশ্যৰে এই সজাগতা যাত্ৰা আৰম্ভ কৰা হৈছে। আনহাতে, বাগিচা সংক্ৰমণৰ পৰা ৰক্ষা কৰিবলৈ দাবী জনাইছে জাতীয় মহাসভাই। জাতীয় মহাসভাৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক অৰুণ কোঁৰৰৰ নেতৃত্বত শুভাৰম্ভ কৰা এই সজাগতা যাত্ৰাত সাধাৰণ সম্পাদক আনন্দ গড়, অসম চাহ জনজাতি ছাত্ৰ সস্থা চমুকৈ আটছাৰ কেন্দ্ৰীয় সমিতিৰ *ছয় পৃষ্ঠাত চাওক*

শিৱসাগৰৰ সমাজকর্মী-প্ৰাক্তন পৌৰপতি মণিৰুদ দৌল্লাৰ মৃত্যু

বিভিন্ন দল-সংগঠনৰ শোক প্ৰকাশ

বিশেষ সংবাদদাতা

শিৱসাগৰ, ৯ মে' ঃ শিৱসাগৰৰ সমাজ জীৱনৰ বিশিষ্ট সমাজকর্মী, শিৱসাগৰ পৌৰসভাৰ প্ৰাক্তন পৌৰপতি মণিৰুদ দৌল্লাই আজি পুৱা 9-30 বজাত যোৰহাট চিকিৎসালয় মহাবিদ্যালয়ত 79 বছৰ বয়সত কভিড-19 ত আক্ৰান্ত হৈ মৃত্যু হয়। বিশিষ্ট সমাজকর্মীজনৰ মৃত্যুৰ খবৰে তেওঁৰ গুণমুগ্ধ সকলৰ মাজত শোকৰ ছাঁ পেলাইছে। উল্লেখ কৰাৰ প্ৰয়োজন যে শিৱসাগৰ নগৰৰ ধাইআলিৰ প্ৰখ্যাত দৌল্লা পৰিয়ালৰ সন্তান তথা প্ৰাক্তন পৌৰপতি বখত দৌল্লাৰ দ্বিতীয় পুত্ৰ মণিৰুদ দৌল্লা শিৱসাগৰৰ সামাজিক, সাংস্কৃতিক জগতৰ এটা পৰিচিত নাম আছিল। এইজন বিশিষ্ট সমাজকর্মীয়ে 2002ত উপ-পৌৰপতি হোৱাৰ 2009ত শিৱসাগৰ পৌৰসভাৰ পৌৰপতি হিচাপে কার্যনির্বাহ কৰিছিল। স্মৰ্তব্য যে 1942ৰ 24 আগষ্ট নগৰৰ ধাইআলিত জন্ম গ্ৰহণ কৰা মণিৰুদ দৌল্লাই দুই নম্বৰ ধাইআলি লৰা প্ৰাথমিক বিদ্যালয়ত প্ৰাথমিক শিক্ষা গ্ৰহণ কৰি শিৱসাগৰ চৰকাৰী বহুমুখী বিদ্যালয়ৰ পৰা প্ৰৱেশিকা পৰীক্ষাত উৰ্ত্তীণ হয়। ইয়াৰ পাছতে শিৱসাগৰ কলেজৰ পৰা তেওঁ স্নাতক ডিগ্ৰী গ্ৰহণ কৰি আৰক্ষী বিভাগৰ প্ৰশিক্ষণ গ্ৰহণ কৰিছিল যদিও *ছয় পৃষ্ঠাত চাওক*

তেজপুৰত দুর্ঘটনাত নিহত শ্ৰমিক

অগ্রদূত বার্তা

তেজপুৰ, ৯ মে' ঃ তেজপুৰৰ এন বি ৰোড অঞ্চলত থকা চেয়াৰ বজাৰৰ অট্টালিকাত আজি বিয়লি ৪-৩০ বজাত কাম কৰি থকা অৱস্থাত তললৈ পৰি যোৱা প্ৰবীণ দাস (৪৮) নামৰ এজন শ্ৰমিকৰ শোকাবহভাৱে মৃত্যু হয়। উল্লেখ্য যে পেছাত এগৰাকী ৰং মিস্ত্ৰি দাস পৰি যোৱাৰ পাছত তেওঁক তেজপুৰৰ কনকলতা অসামৰিক চিকিৎসালয়লৈ নিয়া হয় যদিও পথতে তেওঁৰ মৃত্যু ঘটে। এই শোকাবহ ঘটনাৰ পাছত তেজপুৰৰে শ্ৰমিকজনৰ পৰিয়ালে তেওঁক কামত নিয়োগ কৰা গৰাকীয়ে দুর্ঘটনাত পতিত হোৱা শ্ৰমিকজনৰ খবৰো লোৱা নাই বুলি অভিযোগ কৰে।

কৰ'নাৰ দ্ৰুত সংক্ৰমণত উদ্বিগ্ন নগৰবেৰা-দক্ষিণ ৰৰপেটাবাসী

আলোপতি, ৯ মে' ঃ কামৰূপ জিলাৰ বৃহত্তৰ নগৰবেৰাৰ লগতে দক্ষিণ ৰৰপেটাৰ চৰাঞ্চলত কৰ'নাৰ দ্ৰুত সংক্ৰমণে উদ্বিগ্ন কৰি তুলিছে সচেতন নাগৰিকক। কৰ'নাৰ দ্বিতীয়টো ঢৌৱে ৰাজ্যৰ প্ৰতিখন জিলাতে ব্যাপক সংক্ৰমণ হোৱাৰ সময়তে কামৰূপ জিলাৰ বৃহত্তৰ নগৰবেৰা আৰু ৰৰপেটা জিলাৰ ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰৰ চৰাঞ্চলত কে'ৰাশ লোক ক'ভিড-১৯ত আক্ৰান্ত হোৱা পৰিলক্ষিত হৈছে। দুয়োটা অঞ্চলত হোৱা-হোৰে ক'ভিড আক্ৰান্তৰ সংখ্যা অস্বাভাৱিকভাৱে বৃদ্ধি পাইছে। একাংশ সচেতন লোকৰ মতে ৰাজ্য চৰকাৰৰ লগতে স্থানীয় প্ৰশাসন, সমাজ সচেতন ব্যক্তিৰ উপৰি বিভিন্ন ৰেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠানে মহামাৰী কৰ'নাৰ পৰা নিজৰ লগতে পৰিয়াল আৰু সমাজখনক ৰক্ষার্থে চৰকাৰে নির্ধাৰণ কৰি দিয়া ক'ভিড বিধি মানি চলিবলৈ আহ্বান জনাই অহাৰ পাছতো একাংশই *ছয় পৃষ্ঠাত চাওক*

লালুকত আৰক্ষীক প্ৰাণে মৰাৰ ভাবুকি হাতত চোকা অস্ত্ৰ লৈ আৰক্ষীলৈ চোঁচা

অগ্রদূত বার্তা

লালুক, ৯ মে' ঃ ডি আই জি, এছ পিৰ নাম লৈ আৰক্ষীক ম'বাইল ফোনত অশ্ৰাব্য গালি গালাজ আৰু আৰক্ষীক হাতত চোকা অস্ত্ৰ লৈ খেদি অহা উদণ্ড প্ৰকৃতিৰ এজন লোকক লালুক আৰক্ষীয়ে শেষত গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে উল্লেখ কৰা মতে, ম'বাইলত এজন ব্যক্তিয়ে তেওঁক অশ্ৰাব্য গালি-গালাজ আৰু প্ৰাণে মৰাৰ হুমকি দিছিল। বিষয়াজনে উক্ত ফোন ৰেকর্ডিং সাংবাদিকক প্ৰদর্শন কৰি কয় যে লালুক থানাৰ অন্তৰ্গত ঢেকীয়াজুলি বৈষ্ণৱপুৰ গাঁৱৰ হৰেন দত্তৰ পুত্ৰ উৎপল দত্ত (১৮)ই যোৱা আঠ মে'ত গাঁওখনৰ *ছয় পৃষ্ঠাত চাওক*

খহনীয়াত মাটি-ভেটি হেৰুৱাই দিশহাৰা নেপালীখুঁটি-ববগৰীয়াৰ কৃষিজীৱী পৰিয়াল

অগ্রদূত বার্তা

নুমলীগড়, ৯ মে' ঃ গোলাঘাট জিলাৰ সৰুপথাৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত মৰাঙি ৰাজহ খণ্ডৰ ধনশিৰি পৰীয়া কৃষিপ্ৰধান গাঁও 'নেপালীখুঁটি'। এই নেপালীখুঁটিৰ কৃষিজীৱী ৰাইজে বহুবৰ পাছত বহুবৰ ধৰি বিভিন্ন সমস্যাৰ লগতে ধনশিৰিৰ বান আৰু গৰাখহনীয়াৰ দৰে ভয়াৱহ সমস্যাৰ মাজত কক্‌বকাই থাকিব লগা হৈছে। বিষয়টোৰ সন্দর্ভত বিভিন্ন সময়ত জনপ্ৰতিনিধি তথা বিভাগীয় কর্তৃপক্ষক অৱগত কৰাৰ লগতে সমস্যাৰ পৰা নিস্তাৰ বিচাৰি কাতৰ আহ্বান জনাইছে যদিও কার্যত সকলো ফুটুকাৰ ফেনত পৰিণত হৈছে। উল্লেখ্য যে ইতিমধ্যেই অঞ্চলটোৰ প্ৰায় 40ৰো অধিক পৰিয়ালৰ মাটি-ভেটি ধনশিৰিত জাহ গৈছে। ইয়াৰ ফলশ্ৰুতিত উক্ত স্থানৰ পৰা স্থানান্তৰ হ'ব লগাত পৰিছে ক্ৰমে— শংকৰ ৰাই, নির্মল ৰাই, নবীন উৰাং, হৰেশ্বৰ উৰাং, বুধেশ্বৰ উৰাং, গোপাল ছেত্ৰী, দীল বাহাদুৰ ছেত্ৰী, বুচ্ছে ছেত্ৰী আৰু নীল ছেত্ৰীকে আদি কৰি লোকসকলৰ পৰিয়াল। কিন্তু বর্তমানেও সমস্যাটোৰ প্ৰতি বিভাগ কিম্বা জনপ্ৰতিনিধি কোনেও গুৰুত্ব দি সমস্যাৰ সমাধানৰ ক্ষেত্ৰত পদক্ষেপ গ্ৰহণ কৰা পৰিলক্ষিত নহ'ল। গৰাখহনীয়াৰ ফলত তিনি *ছয় পৃষ্ঠাত চাওক*

খাৰুপেটীয়াত ১০১ বছৰত অৱসৰপ্ৰাপ্ত শিক্ষকৰ মৃত্যু

অগ্রদূত বার্তা

দলগাঁও, ৯ মে' ঃ ১০১ বছৰত অৱসৰপ্ৰাপ্ত শিক্ষক খণ্ডকাৰ আনোৱাৰ হুছেইনৰ মৃত্যু হয়। যোৱা নিশা বার্ধক্যজনিত কাৰণত খাৰুপেটীয়াৰ বাহাবাৰীৰ বাসভৱনত তেওঁৰ মৃত্যু হয়। তেওঁ আছিল দলগাঁৱৰ প্ৰাথমিক শিক্ষাৰ অন্যতম বাটকটীয়া। বিদ্যালয়ত পঢ়ি থকাৰ সময়তেই স্বাধীনতা সংগ্ৰামৰ প্ৰতি আকৃষ্ট হৈছিল। হাইস্কুলীয়া শিক্ষা সাং কৰি ১৯৫১ত ধনশ্ৰীকাষ এল পি স্কুলৰ শিক্ষকৰূপে কর্মত যোগদান কৰে। ১৯৮৮ৰ *ছয় পৃষ্ঠাত চাওক*

দৈনিক অগ্ৰদূত
গুৱাহাটী, সোমবাৰ ২৬ ব'হাগ ১৪২৮ ভাস্কৰাব্দ ১০ মে', ২০২১

চিকিৎসাৰ নতুন বিধি

দেশৰ কোনো চিকিৎসালয়ত চিকিৎসা গ্ৰহণৰ বাবে এতিয়াৰে পৰা বাধ্যতামূলকভাৱে ক'ভিড-১৯ পৰীক্ষাৰ প্ৰতিবেদনৰ প্ৰয়োজন নহ'ব। এই গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰিছে কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ে। ইতিমধ্যে ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহক কেন্দ্ৰই এই সিদ্ধান্তৰ বিষয়ে জনাইছে।

ক'ভিড-১৯ ৰোগীসকলক চৰকাৰী অথবা বেচৰকাৰী যিকোনো স্বাস্থ্যকেন্দ্ৰ অথবা হাস্পতালত চিকিৎসাৰ ক্ষেত্ৰত জাৰি কৰা এই গুৰুত্বপূৰ্ণ সিদ্ধান্ত কেনেদৰে কাৰ্যকৰী কৰা হয় সেয়া লক্ষ্যণীয় হ'ব। স্বাস্থ্য মন্ত্ৰণালয়ৰ মতে, কোনো চিকিৎসালয়েই এতিয়াৰ পৰা অক্সিজেন তথা অত্যাৱশ্যকীয় দৰৱসহ ৰোগীক চিকিৎসা কৰিবলৈ বাধ্য থাকিব। তদুপৰি ৰোগীৰ ঘৰ ক'ত, ক'ৰ পৰা আহিছে ইত্যাদিৰ অজুহাততো কোনো ৰোগীক চিকিৎসা নিদিয়াকৈ থাকিব নোৱাৰিব। চৰকাৰে ক'ভিড-১৯ ৰোগী সম্পৰ্কীয় বিধিৰ পৰিৱৰ্তন সাধন কৰি এনেদৰে জাননী জাৰি কৰিছে। ৰোগীয়ে যাতে সময়মতে সঠিক চিকিৎসা পাব পাৰে তালৈ লক্ষ্য ৰাখিয়েই স্বাস্থ্য মন্ত্ৰণালয়ে নতুন নিৰ্দেশনা জাৰি কৰিছে।

উল্লেখ্য যে দেশৰ বিভিন্ন উচ্চ ন্যায়ালয়ে অক্সিজেনৰ অভাৱত ৰোগীৰ মৃত্যুৰ সন্দৰ্ভত চৰকাৰক কঠোৰভাৱে সমালোচনা কৰি ক'ভিড-১৯ চিকিৎসা ত্বৰান্বিত কৰিবলৈ কেন্দ্ৰীয় চৰকাৰক নিৰ্দেশ দিছিল। আদালতৰ হেঁচাৰ ফলতেই এনে ধৰণৰ নতুন ৰোগীৰ পক্ষে সহায়ক নিৰ্দেশনা কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ে জাৰি কৰিছে বুলি চৰ্চিত হৈছে। এতিয়াৰ পৰা সন্দেহজনক ক'ভিড-১৯ ৰোগীক চিকিৎসালয়ে ক'ভিড কেয়াৰ চেণ্টাৰৰ ৱাৰ্ডত ৰাখিব লাগিব। কোনো ৰোগীয়ে যদি পৰিচয় পত্ৰ দেখুৱাবও নোৱাৰে তথাপি সেই অজুহাতত চিকিৎসালয় তথা স্বাস্থ্যকেন্দ্ৰই ৰোগীক চিকিৎসাৰ পৰা বঞ্চিত কৰিব নোৱাৰিব। প্ৰয়োজনৰ ভিত্তিতহে স্বাস্থ্য কেন্দ্ৰ আৰু চিকিৎসালয়সমূহে ৰোগীক ভৰ্তি কৰাব লাগিব। তদুপৰি কেন্দ্ৰৰ এই নিৰ্দেশ এই বাবেই গুৰুত্বপূৰ্ণ যে চিকিৎসাৰ প্ৰয়োজন নথকা কোনো ব্যক্তিয়ে যাতে হাস্পতালৰ বিছনা এনেয়ে দখল কৰি নাথাকে— তাক নিশ্চিত কৰিবলৈকো ইয়াৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰে নিৰ্দেশ দিছে।

নিৰ্দেশ জাৰি কৰাৰ পৰা পৰৱৰ্তী তিনিদিনৰ ভিতৰত সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ স্বাস্থ্যকেন্দ্ৰ আৰু চিকিৎসালয়সমূহে এই বিধি মানি চলিব লাগিব বুলি কোৱা হৈছে। পৰৱৰ্তী সংশোধিত বিধি জাৰি নকৰালৈকে এই নিৰ্দেশ কাৰ্যকৰী হৈ থাকিব।

কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ এই নিৰ্দেশ প্ৰশংসনীয় যদিও স্বাস্থ্যকেন্দ্ৰ আৰু চিকিৎসালয়সমূহৰ স্বাস্থ্য সেৱাৰ সুবিধা কিমান আছে তাৰ ওপৰতহে ৰোগীৰ সকাহ নিৰ্ভৰ কৰিব। চিকিৎসালয়ত বিছনা নাথাকিলে তেনে চিকিৎসালয়ে ক'ৰ পৰা বিছনা দি ৰোগীক ভৰ্তি কৰিব? একেদৰেই যথেষ্ট সংখ্যক চিকিৎসক, নাৰ্ছ তথা অন্যান্য স্বাস্থ্যকৰ্মী নাথাকিলে তেনে স্বাস্থ্যকেন্দ্ৰ আৰু চিকিৎসালয়ে কেতিয়াও চিকিৎসা বিচৰা ৰোগীলৈ যথাযথ চিকিৎসা আগবঢ়াব নোৱাৰিব।

চৰকাৰে নিৰ্দেশনা জাৰি কৰিলেও স্বাস্থ্য খণ্ডত আন্তঃগাঁথনিৰ উন্নয়ন সাধন কৰিব নোৱাৰিলে এনেবোৰ নিৰ্দেশ কাকতৰ পাততেই বন্ধ হৈ থাকিব। সি যি কি নহওক, বৰ্তমান ক'ভিড-১৯ৰ বিৰুদ্ধে চলা যুঁজখনত ন্যায়ালয়ে এক ইতিবাচক ভূমিকা গ্ৰহণ কৰা পৰিলক্ষিত হৈছে। ন্যায়ালয়ে চৰকাৰক স্বাস্থ্য সেৱাৰ আন্তঃগাঁথনি নিৰ্মাণৰ বাবে তথা যথেষ্ট সংখ্যক চিকিৎসক তথা চিকিৎসাকৰ্মী প্ৰস্তুত কৰাৰ বাবে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰসমূহক নিৰ্দেশ দিব বুলি দেশবাসীয়ে আশাৰে বাট চাইছে।

বিজেপি মিত্ৰজোঁটে দ্বিতীয়বাৰৰ বাবে চৰকাৰ গঠন কৰিলে

কংগ্ৰেছে বিগ ব্ৰাদাৰ দৃষ্টিভংগী পৰিহাৰ কৰিব লাগিব

বিজেপি নেতৃত্বাধীন মিত্ৰজোঁট দ্বিতীয়বাৰৰ বাবে নিৰংকুশ সংখ্যাগৰিষ্ঠতা পাই চৰকাৰ গঠন কৰিলে। সৰ্বানন্দ সোণোৱালৰ সলনি হিমন্ত বিশ্ব শৰ্মা মুখ্যমন্ত্ৰী হ'ল। কংগ্ৰেছ, এ-আই-ইউ-ডি-এফ আৰু বি-পি-এফৰ মহাজোঁটে আশা কৰিছিল এইবাৰ সংখ্যাগৰিষ্ঠতা পাই চৰকাৰ গঠন কৰিব বুলি বিশেষকৈ কংগ্ৰেছ দলে। সম্প্ৰতি বিধানসভাৰ নিৰ্বাচন হোৱা পশ্চিমবংগ, কেৰালা, তামিলনাডু আদি বৃহৎ ৰাজ্যবোৰত বিজেপিৰ পৰাজয়ৰ বিপৰীতে অসমৰ মাত্ৰ ১২৬খন বিধানসভাৰ আসনত ৰাজ্যখনত বিজেপিৰ নেতৃত্বত মিত্ৰজোঁটে চৰকাৰ গঠন কৰাৰ সুযোগ পালে। এই পটভূমিত বিজেপিৰ অসম ৰাজ্যিক নেতাসকলে আনন্দ কৰিলেও প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, গৃহমন্ত্ৰী অমিত শ্বাহকে ধৰি বিজেপিৰ কেন্দ্ৰীয় নেতৃত্ব নিশ্চয় হতাশ হৈছে আৰু বিষণ্ণতাত ভুগিছে। চিন্তাও হৈছে যদি এনে ধৰণৰ ৰাজনৈতিক পৰিস্থিতি অব্যাহত থাকে দেশত পৰৱৰ্তী লোকসভা নিৰ্বাচনত জিকি অহা কঠিন হ'ব বিজেপিৰ। দেশৰ গণতন্ত্ৰৰ বাবে শুভলক্ষণ যে পশ্চিমবংগত সাম্প্ৰদায়িক স্বৈৰাচাৰী শক্তি বিজেপিয়ে চৰকাৰ দখল কৰিব নোৱাৰিলে। বিজেপিয়ে পশ্চিমবংগত চৰকাৰ দখল কৰিবলৈ আক্ৰমণাত্মকভাৱে প্ৰচেষ্টা চলাইছিল। পশ্চিমবংগত এটা পৰ্যায়তে বা দুটা পৰ্যায়তে নিৰ্বাচন শেষ কৰিব পাৰিলেহেঁতেন। কিন্তু পশ্চিমবংগত বিধানসভাৰ নিৰ্বাচনটো আঠটা পৰ্যায়ত বিভাজিত কৰিছিল মাজতে অনেক দিন খালী ৰাখি। উদ্দেশ্য আছিল প্ৰধানমন্ত্ৰী মোদী, গৃহমন্ত্ৰী অমিত শ্বাহ আদি গুৰুত্বপূৰ্ণ কেন্দ্ৰীয় নেতাসকল পশ্চিমবংগৰ বিভিন্ন অঞ্চললৈ গৈ প্ৰচাৰ কৰিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী হেনো ১৯ বাৰ পশ্চিমবংগলৈ আহিছিল, সেইদৰে অমিত শ্বাহ, বিজেপিৰ সভাপতি নাড্ডা আদিও ২০ বা ২৫ বাৰ আহিছিল। মমতা বেনাৰ্জীৰ চৰকাৰ সম্বন্ধে স্বৈৰাচাৰিতাৰ বিভিন্ন অভিযোগ থাকিলেও বিজেপিৰ সাম্প্ৰদায়িক স্বৈৰাচাৰিক প্ৰতিৰোধ কৰিব পাৰিছে পশ্চিমবংগৰ জনসাধাৰণে। সেইদৰে তামিলনাডু, কেৰালাতো বিজেপি সম্পূৰ্ণৰূপে পৰাজিত হৈছে। তামিলনাডুত বিজেপিৰ জোঁটৰ এ-আই-ডি-এম-কে পৰাজিত হৈছে। কেৰালাত বিজেপিয়ে এখনো আসন পোৱা নাই। কেইদিনমান আগতে কৰ্ণাটকত অনুষ্ঠিত হৈ যোৱা মিউনিচিপাল নিৰ্বাচনত বিজেপিয়ে দখল কৰিব পাৰিছে মাত্ৰ ৫৭খন আসন বিপৰীতে কংগ্ৰেছে দখল কৰিছে ১২০খন, জেডি (এছ)এ লাভ কৰিছে ৬৬ খন। উত্তৰপ্ৰদেশৰ পঞ্চায়ত নিৰ্বাচনতো ধৰাশায়ী হৈছে বিজেপি।

অসমত প্ৰকৃততে 'কা' বিৰোধী ভোট বা বিজেপি বিৰোধী ভোট বিভাজনৰ বাবেহে বিজেপি মিত্ৰজোঁট জিকিব পাৰিছে। তদুপৰি শাসকীয় দল হিচাপে বিজেপি দলে নিৰ্বাচনৰ আগতে বিভিন্ন হুস্বম্যাদী আঁচনি প্ৰৱৰ্তন কৰি নগদ ধনৰ লাভালাভ দি আক্ৰমণাত্মকভাৱে ভোটদাতাসকলক প্ৰলোভিত কৰিছিল। আনহাতে, আপ্ৰাণ চেষ্টা চলাইছিল ধৰ্মীয় মেৰুকৰণৰ। বিজেপিৰ প্ৰচাৰৰ অন্যতম



দৃষ্টিপাত

অনন্ত কলিতা

প্ৰধান বিষয় আছিল বদৰুদ্দিন আজমল মুখ্যমন্ত্ৰী হ'ব। এই নিৰ্বাচনত অৰ্থনৈতিক নীতি, দেশৰ সম্পদ বিক্ৰী, নিবনুৱা সমস্যা, বান-গৰাখহনীয়া সমস্যা আদি ইছ্যুবোৰ তল পৰি গৈছিল। হিন্দু লোকৰ মাজত হিন্দুত্বৰ ভাৱ জগাই তোলাৰ আপ্ৰাণ চেষ্টা চলাইছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তামুলপুৰ, ছিপাঝাৰ, চাবুৱা, ধেমাজি আদিৰ নিচিনা সৰু চহৰবোৰকো বাদ দিয়া নাছিল প্ৰচাৰৰ বাবে। তৎসত্ত্বেও ভোটদাতাক বিজেপিৰ পক্ষত তেনেকুৱা ধৰণে নিব পৰা নাছিল। নিৰ্বাচনৰ তথ্যত প্ৰতিফলিত হৈছে যে বিজেপি বিৰোধী 'কা' বিৰোধী ভোটবোৰ বিভাজিত হৈছে। প্ৰকাশ পাইছে যে ১৭ টা মান সমষ্টিত বিজেপি বিৰোধী ভোটবোৰ বিভাজিত হোৱা বাবে মহাজোঁটৰ প্ৰাৰ্থীকেইজন পৰাজিত হৈছে। মহাজোঁটে ঐক্যবদ্ধভাৱে নিৰ্বাচনত যুঁজ দিছিল আৰু ভোটযুদ্ধত মহাজোঁটৰ দলকেইটাৰ মাজত কোনো ধৰণৰ অনৈক্যই দেখা দিয়া নাছিল। ভোট প্ৰদানৰ তথ্যই প্ৰতিফলিত কৰে যে কংগ্ৰেছকে ধৰি মহাজোঁটৰ দলৰ প্ৰাৰ্থীসকলে ভাল ভোটেই পাইছিল আৰু যিবিলাক সমষ্টিত হাৰিছে অতি কম ভোটতহে হাৰিছে। কংগ্ৰেছ দলে মুঠ ভোট প্ৰদানৰ ২৯.৬৭ শতাংশ পাইছে আৰু মহাজোঁটে মুঠ ভোট প্ৰদানৰ ৪৩.৫৪ শতাংশ পাইছে (আঞ্চলিক গণ মৰ্চাক বাদ দি)। বিপৰীতে বিজেপিয়ে পাইছে ৩৩.২১ শতাংশ আৰু অগপই পাইছে ৭.৯১ শতাংশ মুঠ ৪১.১২ শতাংশ। আৰু ইউ-পি-পি-এলৰ ভোটৰ অংশ যোগ হ'ব। ইয়াৰ পৰা প্ৰতিফলিত হয় যে মহাজোঁটৰ ওপৰত জনসাধাৰণৰ আস্থা মিত্ৰজোঁটতকৈ কম নহয়। আমি অনেকটা টিভি চেনেলে কোৱা শুনিছো যে উজনি অসমত কংগ্ৰেছ উচ্ছন্ন হৈছে, যিটো সত্য নহয়। যদি আমি ডিব্ৰুগড় জিলাৰ সমষ্টিবোৰ চাওঁ, তেনেহ'লে ডিব্ৰুগড় মহাজোঁটৰ হৈ কংগ্ৰেছে নিৰ্বাচন খেলিছিল আৰু প্ৰত্যেক সমষ্টিতে বিজেপিৰ প্ৰতিদ্বন্দ্বিতা কংগ্ৰেছৰ লগতহে হৈছিল আৰু পৰাজিত হোৱা সমষ্টিবোৰত কংগ্ৰেছ দ্বিতীয় স্থানত আছে। কোনো সমষ্টিতে ৰাইজৰ দল বা এজেপি দ্বিতীয় স্থান পাব পৰা নাই। আনকি দুলীয়াজান আৰু নাহৰকটীয়া সমষ্টিতো কংগ্ৰেছ দ্বিতীয় স্থানত আছে।ডিব্ৰুগড় জিলাৰ সমষ্টিবোৰত 'কা' বিৰোধী বা বিজেপি বিৰোধী ভোটবোৰ বিভাজিত নহ'লে নিজিকিলেহেঁতেন। ঠিক সেইদৰে শিৱসাগৰ, যোৰহাট, তিনিচুকীয়া, গোলাঘাট, লখিমপুৰ, ধেমাজি জিলাবোৰত পৰাজিত হোৱা সমষ্টিবোৰতো মহাজোঁটৰ প্ৰাৰ্থী দ্বিতীয় হৈছে। অতি কম ভোটৰ ব্যৱধানত হাৰিছে। ভোটত পৰাজিত হোৱা মানেই জনসাধাৰণৰ পৰা উছন্ন হোৱা নুবুজায়। দুই-তিনি হেজাৰ ভোটত প্ৰাৰ্থীবোৰ হাৰিছে আৰু পৰাজিত প্ৰাৰ্থীবোৰে এক বৃহৎ অংশ ভোট পাইছে। অৰ্থাৎ জনসাধাৰণৰ মাজৰ পৰা উছন্ন হোৱা নাই। অহা পাঁচ বছৰত মহাজোঁটৰ দলবোৰে যদি জনসাধাৰণৰ লগত থাকি জনসাধাৰণৰ দুখ-দুৰ্দশা ৰাজ্যখনৰ মুখ্য সমস্যাবোৰৰ হৈ মাত মাতিব পাৰে, সংগ্ৰাম কৰিব পাৰে নিশ্চয় পাঁচ বছৰৰ মূৰত পট পৰিৱৰ্তন হ'ব। তদুপৰি বিজেপিক বা মিত্ৰজোঁটক ভোট দিয়া মানেই 'কা' আইন সমৰ্থন কৰা নহয়। ৪৩.৫ শতাংশ ভোটদাতাই মহাজোঁটক ভোট দি 'কা' আইন বিৰোধিতা কৰিছে। ৰাইজৰ দল আৰু এজেপি 'কা' আইন বিৰোধিতা কৰে বুলি ঘোষণা কৰিছে। গতিকে এই দুই দলক ভোট দিয়া ভোটদাতাসকলো 'কা' বিৰোধী। আনফালে, মিত্ৰজোঁটে শাসকীয় দল হিচাপে সহজ-সৰল দুখীয়া গাঁৱলীয়া জনসাধাৰণক প্ৰলোভনৰ বলি কৰাইছে আৰু এওঁলোকক 'কা' আইন সমৰ্থক বুলি ধৰা নাযায়।

ৰাইজৰ দল আৰু এজেপি দল গঠনৰ পাছত কংগ্ৰেছ দলে কেইখনমান আসন এই দুটা দলক এৰি দি বুজাবুজিৰ চেষ্টা কৰিব লাগিছিল। কংগ্ৰেছ দলো অন্ধ হৈ পৰিছিল ক্ষমতা দখলৰ বাবে। সাম্প্ৰদায়িক স্বৈৰাচাৰী শক্তিক পৰাস্ত কৰাতকৈ ক্ষমতা দখলৰ লক্ষ্যৰ ৰাজনীতিয়ে অধিক গুৰুত্ব পাইছিল কংগ্ৰেছ দলত। যি কাৰণে কংগ্ৰেছ দল আত্মবিশ্বাসী হৈ পৰিছিল চৰকাৰ গঠন কৰিবই বুলি। ২০ বা ৩০ খন আসন এই দুটা দলক এৰি দি বুজাবুজিৰ চেষ্টা কৰিব পাৰিলেহেঁতেন। ভৱিষ্যতেও কংগ্ৰেছ দলে সাম্প্ৰদায়িক ফেচীবাদী শক্তিক পৰাস্ত কৰাতকৈ যদি ক্ষমতা দখলকহে বেছি গুৰুত্ব দিয়ে সাম্প্ৰদায়িক ফেচীবাদী শক্তিৰ বিৰুদ্ধে যুঁজখন আগনাবাঢ়িব। কংগ্ৰেছে বিগ ব্ৰাদাৰ দৃষ্টিভংগী পৰিহাৰ কৰিব লাগিব।

অসমৰ জাতীয় স্বাৰ্থত, অসমৰ ৰাজহুৱা সম্পদ, প্ৰাকৃতিক সম্পদ, অসমীয়া জাতি ৰক্ষাৰ স্বাৰ্থত অৰ্থাৎ 'কা' আইনক পৰাজিত কৰাৰ স্বাৰ্থত মহাজোঁটৰ ঐক্য জীয়াই ৰখা অতি জৰুৰী। মহাজোঁটৰ ঐক্য অকল নিৰ্বাচনৰ বাবেহে হ'লে মহাজোঁট গণবিচ্ছিন্ন হ'ব। মহাজোঁট যি ধৰণে ঐক্যবদ্ধ হৈছিল সেই ঐক্য জীয়াই ৰাখি জনস্বাৰ্থবিৰোধী, জাতিবিৰোধী, জাতিধ্বংসী বিষয়বোৰক লৈ নিৰৱচ্ছিন্ন সংগ্ৰাম চলাই যোৱাটো অতি জৰুৰী। ইয়াতে জনসাধাৰণৰ সচেতনতা বৃদ্ধি হ'ব, মহাজোঁটৰ গ্ৰহণযোগ্য জনসাধাৰণৰ মাজত বাঢ়িব। দেশত যি ধৰণৰ পুঁজিপতিৰ স্বাৰ্থৰ অৰ্থনৈতিক নীতি চলিছে, জাতীয় সম্পদবোৰ দেশী-বিদেশী পুঁজিপতিক বিক্ৰী কৰিব ধৰিছে এই বিষয়বোৰক লৈ মহাজোঁটে অহৰহ সংগ্ৰাম চলাই যাব লাগিব। অসমৰ স্থানীয় বিষয়বোৰ, যেনে— বান-খহনীয়া নিয়ন্ত্ৰণ, আন্তঃগাঁথনি উন্নয়ন, নিবনুৱা সমস্যা সমাধান আৰু মুখ্য বিষয় 'কা' আইনৰ বিৰুদ্ধে আন্দোলন কৰি যাব লাগিব। বৰ্তমান মহাজোঁটে অগ্ৰাধিকাৰ দিব লাগিব ক'ভিডৰ বিৰুদ্ধে যুঁজখনত প্ৰয়োজন সাপেক্ষে ক'ভিড বিৰোধী যুঁজত চৰকাৰক সহযোগিতা কৰিব লাগিব। জনসাধাৰণক ক'ভিডৰ সংক্ৰমণৰ পৰা ৰক্ষা কৰা তথা আক্ৰান্ত লোকসকলক উপযুক্ত চিকিৎসা পোৱাৰ ব্যৱস্থাৰ দাবী

> ৰাইজৰ দল আৰু এজেপি দল গঠনৰ পাছত কংগ্ৰেছ দলে কেইখনমান আসন এই দুটা দলক এৰি দি বুজাবুজিৰ চেষ্টা কৰিব লাগিছিল। কংগ্ৰেছ দলো অন্ধ হৈ পৰিছিল ক্ষমতা দখলৰ বাবে।

তুলি ধৰিব লাগিব। দুৰ্গত লোকসকলক সহায় কৰিব লাগিব আৰু আয়হীন হোৱা লোকসকলৰ বাবে চৰকাৰী সাহায্যৰ দাবী তুলি ধৰিব লাগিব। তদুপৰি সকলো লোকে যাতে টিকা পায় আৰু চৰকাৰক বাধ্য কৰিব লাগিব সকলো লোকৰ বাবে টিকাৰ ব্যৱস্থা কৰিবলৈ।

এইটো মনত ৰখা উচিত যে অকল নিৰ্বাচনৰ বাবেই মহাজোঁট কৰিলে পৰৱৰ্তী কালত গণবিচ্ছিন্ন হ'ব, যদিহে জনসাধাৰণৰ সচেতনতা বঢ়াবলৈ তথা তেওঁলোকৰ দুখ-যন্ত্ৰণা হ্ৰাস কৰিবলৈ অনবৰত সংগ্ৰাম চলাই গৈ তেওঁলোকৰ লগত মহাজোঁটৰ দলকেইটা নাথাকে আৰু 'কা' আইন বাতিল নোহোৱালৈকে এই আইনৰ বিৰুদ্ধে আন্দোলন চলাই নাযায়।

ফোন ঃ ৯৪৩৫০৪১২০৩



কৰ'না দ্বিতীয় লহৰত বিপন্ন জনজীৱন

ঐক্যবদ্ধতাৰে যুঁজিব পাৰিব মাৰাত্মক ভাইৰাছৰ বিৰুদ্ধে পুনৰ এবাৰ

স্তব্ধ সময়, স্তব্ধ দেশ, বিপন্ন জনজীৱন। পুনৰ দ্ৰুতগতিৰে তাণ্ডৱ চলাই আগুৱাই আহিছে ক'ভিড-১৯ বীষাণু, ৰক্তবীজৰ দৰে ক্ষণে ক্ষণে সলাইছে ৰূপ, অত্যাচাৰৰ নিৰ্মমতা। অবাধ প্ৰকৃতি ধ্বংস, প্ৰদূষণ জনবিস্ফোৰণ, যুদ্ধোন্মাদ আন্তৰ্জাতিক পৰিস্থিতি, দেশসমূহৰ মাজত হোৱা অস্বাস্থ্যকৰ উন্নয়নৰ প্ৰতিযোগিতা, অসুৰক্ষিত বৈজ্ঞানিক গৱেষণা, বিপজ্জনক মহাকাশ অভিযান যি কাৰণতে নহওঁক বা য'ৰ পৰাই নহওঁক আহি উপস্থিত হ'ল মহা বিনাশকাৰী মানৱ সভ্যতাৰ বাবে ভয়ংকৰ শত্ৰু কৰ'নাৰ বীষাণু। এটা সামান্য ভাইৰাছৰ আক্ৰমণত তাচপাতৰ ঘৰ খহাৰ দৰে খহি পৰিছে সভ্যতাৰ সকলো অহংকাৰ, সকলো আয়োজন। এইবাৰ যেন ধ্বংস যজ্ঞৰ অভিকেন্দ্ৰ হৈ পৰিছে আমাৰ দেশ। মৃত্যু উপত্যকাৰ নিস্তব্ধতাই গ্ৰাস কৰি আনিছে দেশক বিগত বৰ্ষতকৈও অধিক হাৰত ভাইৰাছ আক্ৰান্ত ৰোগীৰ সংখ্যা বাঢ়িছে। ভয়ত বিতত চৰকাৰে স্কুল, কলেজ, অফিচ-কাছাৰী সকলো এফালৰ পৰা বন্ধ কৰি আনিছে। ব্যৱসায় প্ৰতিষ্ঠান দিন দুপৰতে বন্ধ কৰি দিছে। ফুট গধূলিৰ আগে আগে গৃহৰ দুৱাৰ মাৰি স্ববন্দিত্ব ল'ব লগা হৈছে মানুহে। পৰিস্থিতি এনে দিশত গতি কৰিছে যেন অচিৰেই আহি পৰিব বিগত বৰ্ষৰ দৰেই একাধিক তলাবন্ধ। কঠোৰ স্বাস্থ্য বিধি বলৱৎ কৰণেৰে চৰকাৰে বিগত বৰ্ষৰ পৰিস্থিতিক যোৱা ছেপ্টেম্বৰৰ পৰা নিয়ন্ত্ৰণত ৰাখিবলৈ সক্ষম হৈছিল। জনতায়ো সহযোগ কৰিছিল। অৱশ্যে বিগত বছৰটোত কে'বামাহো কৰ'নাই সাধাৰণ জনতাক জ্বলাকলা খুৱালে। মানুহৰ জীৱনৰ দৃষ্টিভংগী সলনি হোৱাৰ উপক্ৰম হ'ল। দয়া-মায়া, মমতা প্ৰেমবোধ মানুহে যেন হেৰুৱাই সদায় বুকুত অবিশ্বাসবোধ এটা লৈ চলাফুৰা

সত্যনাৰায়ণ ক'ৰ

কৰাত লাগিল। সৌ সিদিনা ক'ভিড নিয়ন্ত্ৰণক লৈ বাঃ বাঃ লোৱাৰ প্ৰতিযোগিতা কৰি থাকোতেই পৰিস্থিতিয়ে পুনৰাই অন্য ৰূপ ল'বলৈ আৰম্ভ কৰিলে। কৰ'নাৰ নতুন ঢৌত সৰ্বসাধাৰণ লোক নিৰুপায় হৈ পৰিল। নিৰুপায় স্বাস্থ্য বিভাগ, চৰকাৰ আৰু চিকিৎসা বিজ্ঞান। কৰ'না ভাইৰাছে চৰিত্ৰগত আৰু সংক্ৰমণ প্ৰকৃতিৰ দ্ৰুত পৰিৱৰ্তন বা মিওটেচনৰ সহায়ত নিজৰ চৰিত্ৰ সলাই বিশ্বৰ বহু কেইখন দেশৰ লগতে আমাৰ দেশকো এক উদ্বেগজনক পৰিস্থিতিত উপনীত কৰালে। দ্বিতীয়টো ঢৌত প্ৰতিদিনে সংক্ৰমিত হোৱা লোকৰ সংখ্যাই বৰ্তমান তিনি লাখৰ ঘৰ অতিক্ৰম কৰি চাৰি লাখৰ সীমা পাৰ কৰাৰ অৱস্থাত চিকিৎসালয়ত বিছনা, আই চি ইউ অক্সিজেনৰ অভাৱত তিলতিলকৈ মানুহ মৰিবলৈ লাগিল। মৃত্যুৰ দৃশ্যই ভেকচিন উৎপাদনকাৰী আত্মনিৰ্ভৰশীল দেশ হিচাপে বা উদিত অৰ্থনীতিৰ বিশ্বগুৰু স্বীকৃতিৰ দাবীদাৰ ভাৰতক কৰ'নাই যেন তাচ্ছিল্যহে কৰিছে। সেয়েহে বৰ্তমানৰ পৰিস্থিতিত প্ৰতিষেধক ৰপ্তানিৰ ওপৰত থকা নিষেধাজ্ঞা উঠাই ল'ব লগা হৈছে। ইতিমধ্যেই কে'বাখনো ৰাজ্যত তলাবন্ধ আৰম্ভ হৈছে। আমাৰ ৰাজ্যতো মিনি তলাবন্ধ চলিছে। ৰাষ্ট্ৰীয় তলাবন্ধৰ দিশত দেশ আগবাঢ়িছে। তলাবন্ধ কাৰোৰে কাম্য নহয় যদিও ৰাজ্যই ৰাজ্যই পৃথকে ঘোষণা কৰা তলাবন্ধ বা ৰাষ্ট্ৰীয় তলাবন্ধ ইতিমধ্যে ভাঙি পৰা দেশৰ অৰ্থনীতিক পুনৰ যে বিপদৰ মুখলৈ ঠেলি দিব সেয়া প্ৰায় নিশ্চিত। অসমৰ বেলিকা যদি চাওঁ বিগত নিৰ্বাচনৰ আগে আগে পৰ্বত সম হিতাধিকাৰী সৃষ্টি, বিভিন্ন আঁচনিৰ নগদ ধন, প্ৰদানৰ দ্বাৰা ৰাজভড়াল একেবাৰেই উদং কৰি ৰাখিছে। লাখ লাখ কোটিৰ ঋণত চৰকাৰখনে ককবকাই থাকোতেই পুনৰ ভূতৰ ওপৰত দানহ পৰাদি আহিল তলাবন্ধৰ নিশ্চিত পৰিস্থিতি। ইপিনে, চৰকাৰখনে চকীত বহিবই পৰা নাই। ঋণ ৰেহাইৰ বাবে হিতাধিকাৰী, গোট, প্ৰতিষ্ঠানবোৰে চিঞৰ-বাখৰ কৰিব লাগিছে। টেটুলৈকে ধাৰ থকা চৰকাৰখনেও ৰাজনীতি কৰিবলৈ এৰাই নাই। ভেকচিনৰ অভাৱৰ বাতৰিবোৰ প্ৰচাৰ হৈ আছে। ৰক্ষাকৱচ বুলি সৰ্বত্ৰ চৰ্চিত টিকাকৰণৰ বাবে হাস্পতাল চৌহদতো লানি নিছিগা মানুহ। ভয়ত বিতত উদভ্ৰান্ত ৰাইজে এতিয়া একো বিচৰা নাই, কাতৰভাৱে বিনম্ৰ অনুৰোধ জনাইছে জীৱন ৰক্ষাৰ বাবেহে। বিচাৰিছে চিকিৎসা, উশাহৰ বাবে অক্সিজেন। 'ইতিমধ্যে দেশত বৰ্ধিত ক'ভিড সংক্ৰমণৰ প্ৰতি লক্ষ্য ৰাখি দেশৰ উচ্চতম ন্যায়ালয়ে কেন্দ্ৰীয় চৰকাৰক পুনৰ তলাবন্ধৰ কথা বিবেচনা কৰিবলৈ আহ্বান জনাইছে। জনতাৰ খাদ্য-বস্ত্ৰ-বাসস্থান নিশ্চিতৰ কিবা ঘোষণা দিছে নে নাই জনা হোৱা নাই। জনতাই নিৰাপদ ঠাইত অৱস্থান কৰক, মজুত কৰি ৰাখক খাদ্য দ্ৰব্য, পানী আৰু আন্তৰিকতাৰে মানি চলক ক'ভিড বিধি-অন্যথা গত্যন্তৰ নাই।

বিগত দিনত মহামাৰীৰ লগত মোকাবিলা কৰিবলৈ কোনো ৰাষ্ট্ৰীয় নীতিৰ কথা চিন্তা কৰা নহ'ল। নিৰ্বাচনৰ ধাম খুমীয়াত অৰ্থনীতিক একাষৰীয়া কৰি থৈ ৰাজনীতিত ব্যস্ত হ'ল। সময় আৰু পৰিস্থিতি দুয়োটাই এতিয়া চৰকাৰক জীৱন আৰু জীৱিকাক একেলগে গুৰুত্ব দিবলৈ বাধ্য কৰাইছে। এতিয়া পিছে সমালোচনা কৰাৰ সময়ো নহয়। সকলো প্ৰত্যাহ্বান নেওচি দেশবাসী আগুৱাই যাব লাগিব। দেশৰ ভৱিষ্যতৰ লগতে নিজৰ আৰু আন ১০জনৰ সুৰক্ষাৰ কথা আগত ৰাখি যিকোনো পৰিৱেশৰ স'তে এতিয়া সহাৱস্থান কৰি নিজ নিজ কৰ্তব্য পালন কৰিবই লাগিব। নগৰ মহানগৰসমূহত ভয়ংকৰ গতিত বাঢ়িছে আক্ৰান্তৰ সংখ্যা। গুৱাহাটীৰ তিনিটা ৱাৰ্ডক কনটেইনমেণ্ট জ'ন হিচাপে ঘোষণা কৰা হৈছেই। অসমতো দিল্লী সদৃশ পৰিস্থিতি নহ'বৰ বাবে চৰকাৰে বান্ধি দিয়া নীতি-নিয়ম পালন কৰাৰ বাহিৰে গত্যন্তৰ নাই। নহ'লে তলাবন্ধৰ দৰে ব্যৱস্থা এৰাই চলিব পৰা নহ'ব। মহামাৰীৰে যুঁজাৰ এই দিনত বিকাশৰ গতি পুনৰ মন্থৰ হোৱাটো ধুৰুপ। নিবনুৱাৰ সংখ্যা বৃদ্ধি পাব। ২০২০ৰ এপ্ৰিল মাহতেই নিবনুৱাৰ হাৰ আছিল ৬.৯ শতাংশ। এই হাৰ বৃদ্ধি হৈ এই বৰ্ষৰ এপ্ৰিললৈকে ৮.৪০ শতাংশ স্পৰ্শ কৰিছেই। চৰকাৰ আৰু জনসাধাৰণে আশা কৰিছিল বছৰটোত নতুন চৰকাৰে দায়িত্ব গ্ৰহণ কৰি হৃত অৰ্থনীতি পুনৰ উদ্ধাৰ কৰিব। কিন্তু আৰম্ভণিতে কেনা লাগিল। চৰকাৰে ঠিয় দিবই পৰা নাই। সাধাৰণ জনগণ শংকিত, দিশ হাৰা। স্তব্ধ সময় বিপন্ন প্ৰায় জনজীৱন। ভৰসা মাত্ৰ শীঘ্ৰেই চৰকাৰে দায়িত্ব ভাৰ লৈ পৰিস্থিতি চম্ভালিব। ৰাজ্যলৈ সুদিন আহিব। পুনৰ মুকলি আকাশত মুক্ত মনেৰে ঘূৰি ফুৰিব পাৰিব। ঐক্যবদ্ধতাৰে যুঁজিব পাৰিব মাৰাত্মক ভাইৰাছৰ বিৰুদ্ধে পুনৰ এবাৰ।

ফোন ঃ ৮৪৮৬০১৬০৪৫

খোলা মঞ্চ

আলফাৰ কাৰ্য-কলাপে অসমীয়া জাতিক সহায় কৰিছেনে?

উগ্ৰবাদে কোনো সমস্যাৰ সমাধান নকৰে। কোনো এটা জাতিক আগুৱাই লৈ যোৱাতো সহায় নকৰে। হাতত বন্দুক লৈ হত্যা, অপহৰণ কৰিলে, ভাবুকি দি ধন দাবী কৰিলে সমাজৰ অৱস্থা সুস্থিৰ নহৈ অস্থিৰহে হৈ পৰে। এটা জাতিৰ উঠি অহা ডেকা প্ৰজন্ম জাতিৰ বৰপুত্ৰৰ দৰে। তেওঁলোকৰ মজবুত সুপৰিকল্পিত দূৰদৰ্শী চিন্তাৰ ওপৰত নিৰ্ভৰ কৰে এটা জাতিৰ ভৱিষ্যত। অৰ্থনৈতিক, সামাজিক, ৰাজনৈতিক সকলো সমস্যাৰ সুস্থিৰ সমাধানৰ দায়িত্ব তেওঁলোকৰ ওপৰত। প্ৰাকৃতিক, ঐতিহাসিক, মানৱসৃষ্ট সকলো সম্পদৰ সুৰক্ষাৰ দায়িত্বও তেওঁলোকৰ ওপৰত। জনজীৱনৰ প্ৰাণ সুৰক্ষাৰে মংগল চিন্তা কৰাও তেওঁলোকৰ কৰ্তব্য। পিতৃ-মাতৃয়ে সন্তান জন্ম দি পালন-পোষণেৰে উপযুক্ত কৰালৈকে জীৱনত অনেক দুখ-কষ্ট আৰু ত্যাগ স্বীকাৰ কৰে; কিন্তু সকলো দুখ-কষ্ট আৰু জীৱনৰ প্ৰত্যাহ্বান পাহৰে সন্তানে যেতিয়া ঘৰখনৰ দায়িত্ব মূৰ পাতি লয়। দেশ এখনৰ জাতি এটাৰ ক্ষেত্ৰতো একেই কথা।

কেতিয়াবা সন্তানে অনুভৱ কৰিব পাৰে আমি শোষিত হৈছো, প্ৰতাৰিত হৈছো। আমাৰ সম্পদ আনে ব্যৱহাৰ কৰি তাৰ উচিত মূল্য আমাক দিয়া নাই। তেতিয়া প্ৰতিবাদৰ কণ্ঠ জাগি উঠে। অসমৰ ক্ষেত্ৰতো বিদেশী বিতাড়ন আন্দোলনৰ পাছত তেনে এটা প্ৰতিবাদৰ জাগৰণ জাগি উঠিছিল। কেন্দ্ৰই আমাৰ প্ৰাকৃতিক সম্পদ আমাৰ পৰা লৈ গৈ আমাক শোষণ কৰিছে বুলি। তাৰেই প্ৰতিবাদতেই সৃষ্টি হৈছিল ডেকা শক্তিৰ সশস্ত্ৰ সংগ্ৰামী দল। কেন্দ্ৰৰ পৰা আঁতৰি আহি স্বতন্ত্ৰ হৈ জীয়াই থকাৰ পণ; কিন্তু কাৰ্যক্ষেত্ৰত কি হ'ল, উগ্ৰ প্ৰতিবাদেৰে তেওঁলোকে আমাৰেই ৰাজহুৱা সম্পদ ধ্বংস কৰিছে। আলফাই কৰা বোমা বিস্ফোৰণ, গুলি বৰ্ষণত নিৰীহ জনজীৱনে অকালতে অকাৰণে প্ৰাণ হেৰুৱাইছে। ধন দাবী অপহৰণেৰে সমাজ জীৱন অস্থিৰ কৰি সমস্যাৰ সৃষ্টি কৰিছে। ক'ত শত ডেকাশক্তিয়ে জুইত চগা পৰি জাহ যোৱাৰ দৰে প্ৰাণ হেৰুৱাইছে। কেইটা দশক পাৰ হৈ গ'ল তেওঁলোকেই চিন্তা কৰকচোন, জাতিক তেওঁলোকে কি দিব পাৰিছে? প্ৰজন্মই তেওঁলোকৰ কি আদৰ্শৰে জীৱন অনুপ্ৰাণিত কৰি লাভৱান হ'ব পাৰিছে। কৰ্ম-সংস্কৃতিলৈ পিঠি দিয়া জাতিটোৰে স্বতন্ত্ৰ হোৱাটো বাদেই প্ৰতিটো অত্যাৱশ্যকীয় সামগ্ৰীৰ চাহিদা পূৰণৰ বাবে পৰনিৰ্ভৰশীল হ'ব লগা হৈছে।

> আলফাই কৰা বোমা বিস্ফোৰণ, গুলি বৰ্ষণত নিৰীহ জনজীৱনে অকালতে অকাৰণে প্ৰাণ হেৰুৱাইছে। ধন দাবী অপহৰণেৰে সমাজ জীৱন অস্থিৰ কৰি সমস্যাৰ সৃষ্টি কৰিছে।

এতিয়াও সময় শেষ হৈ যোৱা নাই। তেওঁলোকৰ প্ৰতি অসমৰ জনসাধাৰণৰ আবেগ-অনুভূতি আছে, ভালপোৱা জীয়াই আছে। তেওঁলোকৰ পৰা সঠিক পথেৰে জনসাধাৰণে কৰ্তব্য আশা কৰে। তেওঁলোক জনসাধাৰণৰ মাজলৈ আহক, জাতীয় সমস্যাৰ স'তে মুখামুখি হওক আৰু সমস্যা সমাধানৰ পথৰ নেতৃত্ব দিয়ক। স্বাভিমানেৰে জাতিক জীয়াই ৰাখি আদৰ্শ প্ৰতিষ্ঠা কৰক।

পংকজা দাস, *লেখিকা*

ফোন ঃ ৮৮৭৬৭৬২৩৮৫

সংসদীয় ৰাজনীতি, কৰ'নাৰ ৰূপ আৰু দিছপুৰৰ ৰাজনীতি

মহাকাল ধুমুহা, বিজুলী বজ্ৰই কাক চিনি পায়? এৰাগছ, বৰগছ নিমিষতে সকলো উভালি পেলে। সৰু বৰ জুপুৰি, বিশাল অট্টালিকা ধ্বংসস্তূপত পৰিণত হয়। এই বলিয়া ধুমুহাৰ অন্য এক তাণ্ডৱ যেন আজি বিশ্বজুৰি প্ৰবাহিত। এক আতংকিত পৰিস্থিতি আজি বিশ্বজুৰি, কম্পিত ধৰণী। ক'ত কেনেকৈ, কোন দিশে সংগোপনে উৰি আহি আক্ৰমণ কৰিছেহি কল্পনাতীত ৰূপত সঁচাই ই অতি দুৰ্ভাৱনীয় এই কৰ'নাৰ নিকৰুণ কাল গ্ৰাস। আজি সমগ্ৰ বিশ্ব স্তব্ধ কৰ'নাৰ কৰাল গ্ৰাসত। লাখ লাখ, হেজাৰ-বিজাৰ লোকক কৰ'নাই গ্ৰাস কৰি বিশ্ববাসীক এক অৱৰ্ণনীয় পৰিৱেশলৈ ঠেলি দিছে। কেতিয়া স্তব্ধ হ'ব এই কালগ্ৰাসৰ বলিয়া প্ৰবাহ—প্ৰতিটো ক্ষণ, প্ৰতিটো প্ৰবাহ যেন মহাকালৰূপী, মহাসন্ত্ৰাস। পৃথিৱীখনক ধ্বংসৰ মুখলৈ ঠেলি দি এই অতিমাৰীয়ে যেন ৰং চাই ৰৈছে। বিশ্বৰ বিজ্ঞানী, মহাবিজ্ঞানীয়ে তৎ হেৰুৱাই—এই কৰ'নাৰ সন্ত্ৰাসৰোধৰ গৱেষণাত বন্দী হৈছে দিনৰ পাছত দিন, কিন্তু এই অতিমাৰীক স্তব্ধ কৰাৰ উপায় উদ্ভাৱন কৰিব পৰা নাই। নিতৌ বাঢ়িছে ক্ৰমে লাখ, নিযুত হেজাৰ হেজাৰ আক্ৰান্তৰ সংখ্যা। আমি পৰিসংখ্যা দিবলৈ নাযাওঁ বিশ্ববাসীয়ে প্ৰতিটো ক্ষণতে এই ত্ৰাসিত মৃত্যুৰ বাতৰি পাই স্তম্ভিত হৈ ৰৈছে। বিশ্বৰ কোটি কোটি মানৱ-প্ৰাণ নিৰুপায়-নিৰুপায়। এই কালগ্ৰাসৰ পৰা পৃথিৱীক, কোনে বচায়?

বিশ্বৰ এই শোকাকুল পৰিস্থিতিৰ বিপৰীতে আজি আমাৰ দেশে কিহৰ চিন্তাত মগ্ন হৈ লাখ লাখ জনতাৰ উপস্থিতিত মুক্ত আকাশলৈ চাই দুহাত মেলি উদাত্ত কণ্ঠেৰে আকাশৰ বুকু কঁপাই সীমাহীন প্ৰতিশ্ৰুতিৰে জনতাৰ ওচৰত ভোট মাগি নিজৰ দলৰ, নিজৰ অভিলাস পূৰণত মত্ত হৈ সেই অতিমাৰীৰ সাৱধানতাৰ বিধি বিধান ভৰিৰে মোহাৰি ভোটৰ ভিক্ষাৰী হৈ উচ্চস্বৰে ভাষণ দিছে হেজাৰজনক কৰমৰ্দন কৰি। এইটো এইবাৰ কৰ'না মহামাৰীৰ দ্বিতীয় ঢৌ। অতি আতংকিত ৰূপত এই মহামাৰীয়ে ৰূপ লৈছে—আৰু প্ৰশ্ন হৈছে আমি ক'লৈ গৈ আছো? কিয় আজি আমি ৰাজনীতিৰ বিজয় ধ্বজা উৰুৱাত মগ্ন হৈছো মৃত্যুৰ মহাকালৰূপে চৌদিশে আবৰি ধৰাৰ পৰত? দিনে দিনে দেশত মহামাৰীয়ে যেন আমাৰ ৰূপ সলনি কৰি আনিছে। মহামাৰীত আক্ৰান্ত লোকক বচোৱাৰ

পদ্ম পাটৰ

জীৱন দায়িনী অক্সিজেনৰ অভাৱত চকুৰ আগতে মৃত্যুক সাবটি লোৱা অৱৰ্ণনীয় ৰূপে গা-মূৰ শিয়ৰাই তোলে। দিল্লীৰ এনে শোকাবহ মৃত্যুৰ ৰূপে দিল্লী চৰকাৰৰ লগতে কেন্দ্ৰীয় চৰকাৰকো সমানেই জগৰীয়া কৰিছে সকলোৱে। বিগত বছৰটো কৰ'নাৰ স'তে যুঁজ কৰি আমাৰ ৰাষ্ট্ৰখনে কিছু সকাহ পাইছিল; কিন্তু যি ৰূপত আমি ভৱিষ্যতৰ সুৰক্ষাৰ কথা ভাবি সক্ষম হ'ব লাগিছিল সেয়া হোৱাত কৃতকাৰ্য হ'ব পৰা নাছিলো। এই দিশত দেশৰ বহু ৰাজ্যত ৰোগীৰ বাবে প্ৰয়োজনীয় দৰৱ-পাতি, বিছনা, আই চি ইউ আদিৰ অভাৱৰ খবৰে দেশবাসীৰ মনত আতংক সৃষ্টি কৰিছিল যদিও আমি কৰ'নাই কিছু সাম কটালৈ চাই দেশবাসীয়ে স্বস্তিৰ নিশ্বাস লৈছিল; কিন্তু ৰাষ্ট্ৰযন্ত্ৰই এই দিশত যিদৰে সক্ষম হ'ব লাগিছিল সেয়া নোহোৱাৰ কাৰণেই এইবাৰৰ কৰ'নাৰ সংহাৰ কালত যিদৰে প্ৰশাসনে প্ৰতিৰোধ ব্যৱস্থা ল'ব পাৰিব লাগিছিল সেয়া ল'ব পৰাত কৃতকাৰ্য হ'ব পৰা নাই। ভাৰত চৰকাৰে স্বয়ং প্ৰধানমন্ত্ৰীৰ তৎপৰতাতেই ডেৰশটা মান অক্সিজেন গেছ, প্লেণ্ট নিৰ্মাণ হোৱাৰ কথা আছিল—সেই নিৰ্মাণ প্ৰতিষ্ঠানটোৱে নিৰ্মাণ কাৰ্য এৰি যোৱাৰ ফলস্বৰূপেই আজি অতিমাৰীৰ দুৰ্যোগ কালত হেজাৰ হেজাৰ লোকে মৃত্যুক সাবটি ল'ব লগা অৱস্থা হ'ল। ইয়াৰ বাবেই এতিয়া উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশে কেন্দ্ৰীয় চৰকাৰক তলব কৰাৰ দৰেই নিৰ্দেশনা জাৰি কৰিব লগা বিষয়টো অতি উদ্বেগৰ বিষয়। ভাৰতৰ পৰিস্থিতি দিনে দিনে বেয়াৰ ফালে গতি কৰিছে নিতৌ। এই পৰিস্থিতিত এতিয়া ভাৰত ৰাষ্ট্ৰৰ চুবুৰীয়া শত্ৰু-মিত্ৰ ৰাষ্ট্ৰকে ধৰি সকলোৱে সহায়ৰ হাত আগবঢ়াই ভাৰতক ঋণী কৰি তুলিছে। যি সময়ত কৰ'নাত আক্ৰান্ত হৈ মৃত্যুৰ মুখলৈ আগবাঢ়িছে মানুহ সেই সময়ত দেশৰ কে'বাখনো ৰাজ্যত আগৰ



নিৰ্ধাৰিত সময়মতে নিৰ্বাচন আয়োগে নিৰ্বাচন পতাই নহয়—নিৰ্বাচনী প্ৰচাৰ আৰু অন্যান্য দিশত লোৱা ব্যৱস্থা নোলোৱাৰ কাৰণে ৰাজ্যসমূহৰ লগতো দেশৰ নিৰ্বাচনী আয়োগকো এৰি দিয়া নাই। দেশত কৰ'নাৰ কৰুণ ৰূপে ৰাষ্ট্ৰবাসীৰ মনৰ ভাৰসাম্য হেৰুৱাই পেলোৱাৰ সময়ত এই নিৰ্বাচন পিছুৱাই দিব নোৱাৰিলেহেঁতেন নে বুলি প্ৰশ্ন উঠিলেও গণতান্ত্ৰিক ৰাষ্ট্ৰৰ নীতিৰ আধাৰত গণতন্ত্ৰ ৰক্ষাৰ বাবেই সময়ত নিৰ্বাচন পাতিলেও এই কৰ'না কালত যি স্বাস্থ্য বিধি ব্যৱস্থা আছিল আমি সকলোৱে প্ৰধানমন্ত্ৰীৰ পৰা আৰম্ভ কৰি বিধায়ক, মন্ত্ৰী, মুখ্যমন্ত্ৰী আদিক সেই নীতি মানিছে বুলি ভাবিবলৈ অপাৰগ হৈছিলো। নীতি ভংগ কৰা পৰিস্থিতি পৰিৱেশৰ লাখ লাখ জনতা উলাহত উত্ৰাৱল হোৱাৰ ফলস্বৰূপে কৰ'নাই কালৰূপ ধৰাত সহায় কৰা নাছিল নে? এয়া পেটত ছুৰী মাৰি বেণ্ডেজ বান্ধি পাছত চিলাই কৰি তেনে লোকক মৃত্যুৰ মুখৰ পৰা বচোৱাৰ অপচেষ্টা নহয়নে? আমি সকলো জানি-বুজিও সেই ভুলকেই কৰি আহিছো নিৰ্বোধৰ দৰে। আমি পঢ়ি-শুনি কি বাৰু শিকিলো—অজ্ঞানী ৰূপত যদি ভুলকেই কৰি থাকো।

যি সময়ত কৰ'নাৰ দ্বিতীয়টো ঢৌৱে কোবাইছিল, যাৰ প্ৰভাৱে ৰাজ্যবাসীক সন্ত্ৰাসিত কৰিছিল সেই সময়তে নিৰ্বাচনৰ পাল পৰিছিল পাঁচোখন ৰাজ্যত। অসম ৰাজ্যখনো আছিল তাৰ মাজত। আমাৰ ৰাজ্যখনৰ কোনো কোনো আগশাৰীৰ নেতাই এই কৰ'নাৰ কথাকো নসাৎ কৰি ৰাজ্যত ৰাইজে উলাহেৰে বিহু পতাত উৎসাহিত কৰিছিল—হয়তো এই নিৰ্বাচনী ৰণৰ স্বাৰ্থত। গণতন্ত্ৰ ৰক্ষাৰ নামত সময়ত নিৰ্বাচন হ'ল হয়—কিন্তু এই ক'ভিড-১৯ৰ কথা কি আমি পাহৰি যাব লাগিব? মৃত্যু গচকি ৰণ জিনি খিতাপ দখল কৰাৰ মানসিকতাৰ অন্তৰালৰ ইতিকথা কি ৰাইজৰ নেতাই এইদৰেই মৃত্যুকো তুচ্ছ কৰি নিজৰ অভিলাস পূৰণ কৰিব? বৰ্তমান আমাৰ দশা সেয়ে হৈছে। মৃত্যুৰ প্ৰহেলিকাই আকাশ ছুইছে—কুৰিগৰাকী হতভগীয়া লোকৰ একেলগে জ্বলি উঠা চিতাৰ জুইয়েও আনকি আমাৰ ৰাজনীতিকৰ মন অকণো টলাব পৰা নাই। সেই চিতাৰ কাষত ৰৈ মৃত আত্মাক সদ্গতি কামনা কৰিছো সঁচা কিন্তু তাৰপাছতে আমি ৰাজনীতিৰ প্ৰতিযোগিতাৰ হৰা জিকা খেলৰ মন্ত্ৰণাত মত্ত হৈছোহি। হাস্পতালত অক্সিজেনৰ অভাৱ, বেডৰ অভাৱ, ভেক্চিনৰ অভাৱ যাৰ বাবে নিতৌ সন্ধ্যাৰ বাতৰিয়ে কৰ'নাক্ৰান্তৰ খবৰ, মৃত্যুৰ খবৰে ভাৰাক্ৰান্ত কৰি তুলিছে অসমবাসীৰ প্ৰাণ, কোনে কেতিয়া আহি দিব পৰিত্ৰাণ?

ফোন ঃ ৮৪৮৬৪০১৩৬২

দৈনিক অগ্ৰদূত

সাহিত্য আৰু জীৱন

গুৱাহাটী, ১০ মে', ২০২১ সোমবাৰ পৃষ্ঠা ৫

ৰেলচৰ 'আণ্ডাৰ দ্য নাইফ'ৰ ৰোগীজনৰ মনোজগত

সাহিত্যৰ ৰূপৰেখা

ড° নিভাৰাণী ফুকন

দীৰ্ঘদিনীয়া ৰোগপীড়িত ব্যক্তি এগৰাকীৰ মনোজগত কেনে তাৰ আভাস এইছ জি ৰেলচৰ 'আণ্ডাৰ দ্য নাইফ' গল্পত মনোজ্ঞ ৰূপত উপস্থাপন কৰা হৈছে। ৰোগ পীড়িত ব্যক্তি এগৰাকীৰ মন অলেখ জঁট লগা লেহুকা জালৰ দৰে। সেই জালখনৰ জঁট ভঙা কামটো প্ৰত্যাহ্বানপূৰ্ণ। পৰিয়াল-পৰিজন আৰু বন্ধুবৰ্গয়ো সেই কাৰ্য সমাধা কৰিব নোৱাৰে যদিহে ব্যক্তিগৰাকীয়ে নিজেই সেই পৰিস্থিতিৰ পৰা নিজকে উলিয়াই নানে। এই বিশেষ গল্পটোত তেনে এটা পৰিস্থিতিৰ সৃষ্টি হৈছে য'ত গল্পটোৰ কেন্দ্ৰীয় চৰিত্ৰটি ৰোগজনিত স্থিতিৰ বাবে অন্য দহজনৰ দৰে স্বাভাৱিক আনন্দপূৰ্ণ জীৱন অতিবাহিত কৰিব পৰা নাই। অহৰহ মৃত্যুভয়ে যেন তেওঁক খেদি ফুৰিছে। অহৰহ এক শূন্যতাবোধ এক অজান শংকা, তেওঁৰ চৌপাশৰ পাৰিপাৰ্শ্বিকতাৰ প্ৰতি এক অব্যক্ত অবিশ্বাসৰ ভাবনা, হতাশাবোধ ক্ৰিয়াশীল। তেওঁৰ অৱচেতন মনত অহৰহ ক্ৰিয়াশীল মৃত্যু চেতনাই বিশাল ৰূপ ধাৰণ কৰিছে। বিশেষ প্ৰয়োজনত তেওঁ এফালে যাবলগীয়া হোৱাত তেওঁ গন্তব্য স্থানলৈ পদব্ৰজে আগবাঢ়িছিল। বাটত ভাগৰ লগাত তেওঁ উদ্যান এখনৰ ভিতৰত পাৰি থোৱা চকীত বহি টোপনি গৈছিল। তেওঁ এটা সপোন দেখিছিল য'ত তেওঁ সেই একেখন চকীতে বহি আছিল; কিন্তু তেওঁৰ চৌপাশৰ পৰিৱেশ সম্পূৰ্ণ পৃথক। ঠাইডোখৰ এখন শ্মশানলৈ পৰিৱৰ্তিত হৈছিল। তেওঁ এটা জীৰ্ণ-শীৰ্ণ মৃতদেহলৈ পৰিৱৰ্তিত হৈছে আৰু তেওঁৰ এটা চকু চৰাইয়ে খুটিয়াই খুটিয়াই কোটৰৰ পৰা উলিয়াই দিছে। উদ্যানখনৰ সেউজীয়া গছবোৰৰ সলনি তাত দেখা গৈছে এলানি জৰাজীৰ্ণ ভগ্নস্তুপৰ আকাৰ ধাৰণ কৰিবলৈ আৰম্ভ কৰা কবৰৰ শাৰী। কবৰত চিৰ নিদ্ৰাৰ কোলাত ঢলি পৰা মৃতদেহবোৰৰ যেন পুনৰুত্থান ঘটিছে। তেওঁৰ কোণত বাজি উঠিল কোলাহলৰ শব্দ। কবৰৰ পৰা মৃতদেহসমূহে নিজৰ গাৰ জোৰ প্ৰয়োগ কৰি মুকলিলৈ ওলাই আহিবলৈ আপ্ৰাণ চেষ্টা চলাইছে। সেই চেষ্টাত সিবিলাকৰ দেহত লাগি থকা ৰঙা মঙহৰ টুকুৰাবোৰ বগা জিকমিকাই থকা হাড়ৰ পৰা খহি যাব ধৰিছে। তেওঁ সেই বীভৎস দৃশ্য চাই থাকিব নোৱাৰি চকু দুটা মুদি দিছিল। তেনেতে কোনোবাই তেওঁক তেওঁৰ বাহু দুটাত জোৰকৈ ধৰি চিঞৰা শুনিবলৈ পাই তেওঁ সাৰ পাই দেখিলে যে উদ্যানৰ টিকট বিক্ৰেতাগৰাকীয়ে তেওঁক উদ্দেশ্য কৰি চিঞৰি চিঞৰি তেওঁক টোপনিৰ পৰা উঠিবলৈ সকীয়াইছে। তেওঁ উদ্যানত প্ৰৱেশ কৰাৰ বাবদ দিবলগীয়া ধন দি নিজৰ গন্তব্য স্থানলৈ আগবাঢ়িছিল।

তাৰ কেইদিনমানৰ পিছতে তেওঁৰ নিজৰ বাসগৃহত তেওঁৰ ওপৰত তেওঁৰ চিকিৎসকে এটা অস্ত্ৰোপচাৰ চলায়। মৃত্যু চেতনাই গ্ৰাস কৰা এটা ৰুগ্ন শৰীৰত অস্ত্ৰোপচাৰৰ ক্ৰিয়া-প্ৰতিক্ৰিয়া কেনে হয় সেয়া এক পৃথক বিষয় গল্পটোত লেখকে অস্ত্ৰোপচাৰৰ সম্পূৰ্ণ প্ৰক্ৰিয়াটোৰ বিৱৰণ দিয়াৰ লগতে অচেতন অৱস্থাত থাকোতে কেন্দ্ৰীয় চৰিত্ৰটোৱে যি অৱস্থাৰ সন্মুখীন হৈছিল তাৰ মনোজ্ঞ লেখ আগবঢ়াইছে। কল্প বিজ্ঞান সাহিত্যৰ স্ৰষ্টা এইছ জি ৰেল্চে চৰিত্ৰটোক তাৰ ভৌতিক দেহৰ বাহিৰত অৱস্থান কৰাই প্ৰকৃতিক জয় কৰিবলৈ মানুহে কৰা বৈজ্ঞানিক অনুসন্ধান আৰু আৱিষ্কাৰৰ টুকুৰা লেখ দিবলৈ প্ৰয়াস কৰিছে।

বিজ্ঞানে আমাক যি জ্ঞান দিছে সেই জ্ঞানৰ জোৰত আমি মানুহে প্ৰকৃতিক পৰাভূত কৰিবলৈ ওলাইছো। জটিল মানৱ দেহটোৰ পৰীক্ষা-অন্বেষণৰ বাবে বিজ্ঞানে আমাক যি জ্ঞান প্ৰদান কৰিছে আমি তাকে সাৰথি কৰি সেই অভিযানত নামিছো। পিছে আমাৰ সেই যাত্ৰাত নামিছো। পিছে আমাৰ সেই যাত্ৰাত প্ৰতিটো খোজতে যে আমি জয়ী হৈছো



সেইটোৱো নহয়। চৰিত্ৰৰ দেহৰ ওপৰত অস্ত্ৰোপচাৰ চলাবলৈ অহা চিকিৎসক হেডন আৰু মৌব্ৰে' তেনে এক দোদুল্যমান স্থিতিত পৰিছিল যেতিয়া ৰোগীৰ দেহত ৰুগ্ন অংশছোৱাত অস্ত্ৰোপচাৰ চলাওঁতে ৰোগীৰ অধিক ৰক্তক্ষৰণ হৈছিল। ৰোগী অৰ্থাৎ চৰিত্ৰৰ সেই (মূৰ্চিত) অৱস্থাত তেওঁৰ দেহৰ পৰা তেওঁৰ 'আত্মা'টো ক্ৰমাৎ এই পৃথিৱী, সৌৰমণ্ডল অতিক্ৰম কৰি মহাশূন্যত অৱস্থান কৰিছিল। আজিৰ সময়ত আমি সেই বিৱৰণী পঢ়িলে আমাৰ চকুৰ মানস পৰ্দাত ভাহি উঠিব সৌৰ জগতৰ এখন সজীৱ চিত্ৰ য'ত অলেখ তৰা, নক্ষত্ৰ, ধুমকেতু, লক্ষ, অযুত গ্ৰহ-উপগ্ৰহই নিজ নিজ কক্ষপথত ঘূৰিব লাগিছে। এইখিনিতে এইটো উল্লেখ কৰা ভাল হ'ব যে এই বিশেষ চুটিগল্পটো পোন প্ৰথম বাৰৰ বাবে ১৮৯৬ত প্ৰকাশিত হৈছিল। এতিয়া যদি আমি সেই সময়ছোৱাত সৌৰ বিজ্ঞানৰ অধ্যয়নৰ অগ্ৰগতিৰ বুজ লওঁ তেতিয়া হ'লে আমি দেখিম যে সেই সময়ছোৱাত সৌৰবিজ্ঞানৰ অধ্যয়ন ক্ষেত্ৰৰ লগত প্ৰত্যক্ষভাৱে জড়িত তেনে ধৰণৰ কোনো উল্লেখযোগ্য কাম হোৱা নাছিল। বিংশ শতিকাৰ আৰম্ভণিৰ পৰাহে সৌৰ জগত বিষয়ক অধ্যয়ন-গৱেষণাই শিপা মেলিছিল। সেই ফালৰ পৰা বিচাৰ কৰিলে এইছ জি ৰেল্চক আমি এনে এগৰাকী বিজ্ঞান স্ৰষ্টাৰূপে জ্ঞান কৰিব পাৰো যি গৰাকীয়ে নিজৰ অনবদ্য কল্প-বিজ্ঞান সৃষ্টিৰাজিৰ মাধ্যমেদি পাঠকক এখন ভিন্ন ক্ষেত্ৰৰ লগত জড়িত কথা শিল্পৰ আস্বাদ প্ৰদানৰ লগতে 'বিজ্ঞান সাহিত্য'ক সৰ্বসাধাৰণৰ কাষ চপাই দিয়াত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল।

এই বিশেষ চুটি গল্পটোত এগৰাকী ৰুগ্ন ব্যক্তিৰ মানসিক স্থিতি চিত্ৰণৰ লগতে তেওঁৰ অভূতপূৰ্ব মানসিক যাত্ৰা (সময় যাত্ৰা?) ৰ মাধ্যমেদি কল্প-বিজ্ঞানৰ কেইটামান আকৰ্ষণীয় দিশৰ লগত লেখকে পাঠক সমাজক পৰিচিত কৰাইছে। সেয়েই গল্পটোৰ মনোগ্ৰাহিতা বৃদ্ধি কৰিছে। *(আগলৈ) ইমেইল-neevarani11@gmail.com*

ৰঙা, কমলা, হালধীয়া, নীলা নানা ৰঙৰ তৰাৰ মেলা

ড° ইন্দিৰা বৰদলৈ আৰু ড° তেজেন্দ্ৰ বৰদলৈয়ে যুটীয়াভাৱে প্ৰণয়ন কৰা 'ৰঙা, কমলা, হালধীয়া, নীলা- নানা ৰঙৰ তৰাৰ মেলা' এখন সুখপাঠ্য শিশু গ্ৰন্থ। শিশুৰ মানসিকতা সামাজিক আৰু পৰিয়ালৰ পৰিৱেশৰ ওপৰত গঢ় লৈ উঠে। শিশুসকলে সাধাৰণতে সঁচা-মিছা, ভাল-বেয়া, ইত্যাদি কথাবোৰ বিচাৰ নকৰে। শিশুৰ বয়সৰ কথা মনত ৰাখি তেওঁলোকৰ আচৰণ, বুদ্ধি আৰু জ্ঞান অৰ্জনৰ সমৰ্থতাৰ ওপৰত ভিত্তি কৰি শিশু সাহিত্য ৰচনা কৰা হয়। শিশুক কেন্দ্ৰ কৰি লিখা সকলো ৰচনা (গল্প, কবিতা, উপন্যাস, জীৱনী, বৈজ্ঞানিক কাহিনী ইত্যাদি) আৰু শিশুৰ বৌদ্ধিক বিকাশত সহায় কৰা লেখাকে কোৱা হয় শিশু সাহিত্য। শিশু সাহিত্যত লেখকে পশু-পক্ষী, দেৱতা-দানৱ, ৰজা-ৰাজকুমাৰী, গছ-লতা, শিশুৱে বুজিব পৰা বিজ্ঞানৰ কাহিনী ইত্যাদি শিশুৰ মনস্তত্ত্বৰ লগত ৰজিতা খুৱাই ৰচনা কৰে। সেই একেধৰণে বিষয়ৰ লগত সংগতি থকা ছবি আৰু সহজ-সৰল শিশুৱে বুজিব পৰা ভাষা শিশু সাহিত্যৰ অন্যতম গুৰুত্বপূৰ্ণ দিশ। কিন্তু শিশুৰ উপযোগী সাহিত্য ৰচনা বৰ সহজ কাম নহয়। মেটাৰলিংকৰ ভাষাত, 'Writing Children literautre is a tent amounts to lifting up of the Mountain Olympriad in one hand'. অৰ্থাৎ যেনেকৈ এখন হাতেৰে এখন পৰ্বত উঠাব নোৱাৰি, সেইদৰে শিশু সাহিত্য ৰচনা কৰাটোও সহজ নহয়। প্ৰকৃতিত থকা সকলো বস্তুৱে শিশুৰ মানসিকতাক আকৰ্ষণ কৰিব পৰাকৈ শিশু সাহিত্য চৰ্চা কৰা হয়। বহুত সময়ত শিশুৱে নজনা কথা জানিবলৈ যি উৎকণ্ঠা অনুভৱ কৰে সেয়া মাক-দেউতাক বা জ্যেষ্ঠজনক সুধিবলৈ কুণ্ঠাবোধ কৰে। সেই কাৰণে শিশুৰ মানসিক, বৌদ্ধিক, সামাজিক আৰু নৈতিক বিকাশৰ বাবে শিশু সাহিত্যৰ প্ৰয়োজন।

অসমীয়া ভাষাত শিশু সাহিত্যৰ সংখ্যা তুলনামূলকভাৱে কম যদিও, কুৰি শতিকাৰ আৰম্ভণিতে 'ভীম চৰিত', 'কাণ খোৱা' 'শিশুলীলা' আদিৰ সূচনা কৰা শিশু সাহিত্যই শিশু আৰু জ্যেষ্ঠ দুয়োৰে মানসিক খোৰাক যোগাইছিল। অৱশ্যে, তাৰ আগতে শিশু সাহিত্য মৌখিক ৰূপতহে প্ৰচলিত আছিল। উদাহৰণ স্বৰূপে 'ৰ'দালি এ ৰ'দ দে..', 'অ ফুল অ' ফুল, নুফুল কিয়..' ইত্যাদি। অসমীয়া সাহিত্যত শিশু সাহিত্যৰ বাটকটীয়া আছিল মিত্ৰদেৱ মহন্ত, অতুল চন্দ্ৰ হাজৰিকা, হৰেন্দ্ৰ নাথ শৰ্মা আৰু কেইজনমান। পাছলৈ ড° ভৱেন্দ্ৰ নাথ শইকীয়া, নৱকান্ত বৰুৱা, ড° নিৰ্মলপ্ৰভা বৰদলৈ, ড° দীনেশ চন্দ্ৰ গোস্বামী আদিয়ে অসমীয়া শিশু সাহিত্যৰ ভঁৰাল মেটমৰা কৰিছিল। 'সঁফুৰা', 'মৌচাক', 'কিশোৰ', 'জ্ঞানদীপ', 'আৱিষ্কাৰ' আৰু 'বিজ্ঞান জ্যোতি' আদি আলোচনীৰ অসমীয়া শিশু সাহিত্যলৈ গুৰুত্বপূৰ্ণ ভূমিকা আৰু অনবদ্য বৰঙণি মনত পেলাব লাগিব।

ড° ইন্দিৰা বৰদলৈ আৰু ড° তেজেন্দ্ৰ বৰদলৈৰ সদ্য প্ৰকাশিত 'ৰঙা, কমলা, হালধীয়া, নীলা—নানা ৰঙৰ তৰাৰ মেলা'ত ওপৰত উল্লিখিত শিশু সাহিত্যৰ বৈশিষ্ট্যসমূহ সুন্দৰভাৱে পৰিস্ফুট হৈছে। গ্ৰন্থখনত মুঠ ১৩টা কাহিনী সন্নিবিষ্ট হৈছে। ইয়াৰে চাৰিটা তথ্য ভিত্তিক বিজ্ঞানৰ গল্প, চাৰিটা মহাকাশ বিজ্ঞানী আৰু ভাৰতৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ড° আব্দুল কালামৰ সদগুণৰ কথা আৰু নীতি শিক্ষাৰ পাঁচটা শিশু গল্প। ড° কালামৰ সদগুণৰ কথাৰ গল্পকেইটা যোগ কৰি লেখকদ্বয়ে এটা অতি ভাল কাম কৰিছে। শিশুৰ দৰে মানসিকতাৰ অধিকাৰী ড° কালামে শিশু আৰু চেমনীয়া সংগ সততে উপভোগ কৰিছিল। কাৰণ তেওঁ গভীৰভাৱে উপলব্ধি কৰিছিল যে আজিৰ শিশু, কাইলৈ নিজ নিজ ক্ষেত্ৰত জিলিকি উঠি এজন সচেতন নাগৰিক হৈ দেশৰ উন্নতিত সহায়ক হ'ব। বৰদলৈ দম্পতীৰ ভাষা সহজ আৰু সৰল। গ্ৰন্থখনত সংলগ্নিত ছবি আৰু ৰৈখিক চিত্ৰ পৰিষ্কাৰ, বেটুপাত আৰু বেটুপাতত দিয়া ছবিসমূহ ৰঙীন আৰু অৰ্থপূৰ্ণ, যিয়ে শিশুক কিতাপখনৰ প্ৰতি সহজে আকৰ্ষণ কৰিব। বেটুপাত সুন্দৰ আৰু শিশুৰ উপযোগী। প্ৰতিটো গল্পই শিশুকেন্দ্ৰিক। গল্পসমূহ বিজ্ঞান, বিজ্ঞানীৰ জীৱন আৰু দৈনন্দিন ঘৰুৱা ঘটনা ভিত্তিক। আটাইকেইটা কাহিনীয়ে শিশুৰ মন চুব পাৰিব বুলি আমাৰ বিশ্বাস। প্ৰতিটো গল্পৰ সামৰণিত শিশু পাঠকলৈ একোটা নীতি শিক্ষা দিয়া বাবে লেখকদ্বয় ধন্যবাদৰ পাত্ৰ। বিজ্ঞানৰ গল্পকেইটাত লেখকদ্বয়ে এক নতুনত্বৰ আংগিক দাবী কৰিব পাৰে। কাৰণ গল্পৰ দৰে বিজ্ঞানৰ জটিল তত্ত্বসমূহ, তাত আকৌ মহাকাশ বিজ্ঞানৰ, আইতা বা দেউতাক বা বায়েকৰ লগত শিশুৰ কথোপকথনৰ যোগেদি সাৱলিলভাৱে ফুটাই তুলিছে। পঢ়োতে শিশুৰ আমনি নালাগিবলৈ বিজ্ঞানৰ কাহিনীৰ পাছত, বিজ্ঞানীৰ সদগুণ তাৰ পাছত ঘৰুৱা গল্পৰ ক্ৰমত শিশুৰ উপাদেয় কৰি তুলিছে। সংখ্যাত কম যদিও দুই এটা বৰ্ণাশুদ্ধিৰ আৱশ্যক আছে। গ্ৰন্থখনৰ নামটো অকণমান দীঘলীয়া হৈছে যেন লাগে। 'নানা ৰঙৰ তৰাৰ মেলা'তে হয়তো সীমাবদ্ধ কৰিব পৰা গ'লহেঁতেন। গ্ৰন্থখনৰ আখৰ বিন্যাস আৰু কাগজ উচ্চমানৰ। শিশুৰ বাবে শিশুৰ উপযোগীকৈ এনে এখন গ্ৰন্থ অকণিহঁতক দিয়াৰ বাবে লেখক বৰদলৈ দম্পতীৰ লগতে প্ৰকাশক 'কৃষ্ণালয়া প্ৰকাশন'কো অভিনন্দন জনালো। মুঠৰ ওপৰত ড° ইন্দিৰা বৰদলৈ আৰু ড° তেজেন্দ্ৰ বৰদলৈয়ে এখন সৰ্বাংগসুন্দৰ শিশু গ্ৰন্থৰে অসমীয়া শিশু সাহিত্য ভঁৰালৰ অভাৱ পূৰণ কৰাত সফল হৈছে। গ্ৰন্থকাৰৰ শিশু সাহিত্যত প্ৰথম পদক্ষেপ যদিও, অতি পৈণত লেখকৰ দৰে তেওঁলোকে গ্ৰন্থখন লিখি উলিয়াইছে। অনাগত দিনত দুই বৰদলৈয়ে এনেকৈ যুটীয়াভাৱে সুন্দৰ লেখাৰে অসমীয়া শিশু সাহিত্যৰ ভঁৰাললৈ আৰু অৱদান আগবঢ়াব বুলি আশা কৰিলো।

ড° বীৰেন্দ্ৰ কুমাৰ শৰ্মা

ফোন : ৯৪৩৫১৪০০৭১

আধুনিক অসমীয়া ব্যাকৰণ



ড° জগত চন্দ্ৰ কলিতাৰ 'আধুনিক অসমীয়া ব্যাকৰণ'খন সঁচা অৰ্থত এখন আধুনিক ব্যাকৰণ। ভাষা-শিকাৰুৰ বাবে ই এখন অতি উপযোগী ব্যাকৰণ হৈছে। ব্যাকৰণৰ প্ৰতিটো বিষয় পুংখানুপুংখ বিচাৰ কৰি লিখকে বিৱৰণ দিছে। প্ৰতিটো পদ, বাক্যতত্ত্ব, সমাসৰ প্ৰতিবিধৰে বিৱৰণ আদিয়ে ন-শিকাৰুক সহায় কৰিব। ব্যাকৰণৰ কমাৰশালত কোনো আকৃতি বা ৰূপ নথকা মনোজগতৰ অমূৰ্ত, বিপুল শব্দৰ অৰ্থ সম্ভাৰ মূৰ্তিমান হৈ পৰে, সি লিখিত ৰূপতে হওক বা কথিত ৰূপতে হওক, ড° কলিতাৰ 'আধুনিক অসমীয়া ব্যাকৰণ'খন অসমীয়া ভাষাৰ ভাষা তাত্ত্বিক তথ্য আৰু তত্ত্বৰ পৰিধি অধিক বহল আৰু সমৃদ্ধ কৰিছে। ভাষা-বিজ্ঞানৰ অধ্যাপক ড° জ্যোতিপ্ৰকাশ তামুলীয়ে ব্যাকৰণখনৰ পাতনিত লিখিছে—'ড° কলিতাৰ এই ব্যাকৰণখনত আধুনিক ভাষাতত্ত্বৰ সমসাময়িক চৰ্চাত উন্মোচিত হোৱা বাক্যগত পৰিধিত অসমীয়া ভাষাটোৰ বিভিন্ন দিশৰ উত্থাপন আৰু আলোচনা কৰা হৈছে। বাক্যৰ কেন্দ্ৰীয় উপাদান ক্ৰিয়াপদ বা ক্ৰিয়া বাক্যাংশ, তাৰ কৰ্তা, কৰ্ম আদি উপাদানৰ প্ৰতিনিধিত্বকাৰী বিশেষ্যপদ আৰু বিশেষ্য বাক্যাংশ আৰু এই দুয়োবিধৰ বিতৰণকাৰী পদসমূহৰ (ক্ৰিয়া বিশেষণ, বিশেষণ) বাক্যত প্ৰয়োগৰ ক্ষেত্ৰত—সিহঁতৰ গাঁথনিক স্বৰূপ, সিহঁতৰ ভূমিকা, সিহঁতৰ পাৰস্পৰিক সম্পৰ্ক, বচন, লিংগ, পুৰুষ আদি ব্যাকৰণগত বিষয়সমূহত সেইবোৰ বিৰোধ আৰু দুই পদৰ মাজত সেইবোৰ বিষয়ত সংগতি, গাঁথনিক জটিলতাৰ তাৰতম্যৰ ভিত্তিত বাক্যৰ শ্ৰেণীবিভাজন ইত্যাদি বিষয় ভাষাতত্ত্বৰ যথাবিহিত ধাৰা আৰু বিধান অনুযায়ী গ্ৰন্থখনত আলোচনা কৰা হৈছে।'

৩০৪ পৃষ্ঠাৰ এই উৎকৃষ্ট ব্যাকৰণখন সকলো ধৰণৰ অসমীয়া মাধ্যমৰ ছাত্ৰ-ছাত্ৰীৰ বাহিৰেও ইংৰাজী মাধ্যমত অসমীয়া বিষয় অধ্যয়ন কৰা ছাত্ৰ-ছাত্ৰীকো অসমীয়া ভাষা শিকাত সহায় কৰিব। 'লয়াৰ্চ বুক ষ্টল'ে প্ৰকাশ কৰা ব্যাকৰণখনৰ মূল্য ২৩০ টকা। পঢ়ুৱৈ সমাজে ব্যাকৰণখন আদৰি ল'লে উপকৃত হোৱাটো নিশ্চিত।

হিৰণ শইকীয়া লহকৰ

ফোন : ৮৬৩৮৩৭১৩৬৪

নিভা ৰহমানৰ কবিতা



অধিবক্তা নিভা ৰহমানৰ প্ৰকাশিত প্ৰথমখন কবিতা পুথি 'মনৰ কেইখিলামান পৃষ্ঠা'। ভিন্নসুৰী ডেৰকুৰি কবিতা সংকলনখনত সন্নিবিষ্ট হৈছে। সচৰাচৰ থকাৰ দৰে কবিতাৰ শিৰোণামৰ পৰিৱৰ্তে ক্ৰমিক নম্বৰ দিয়াটো পুথিখনৰ এক বৈশিষ্ট্য। সেয়া পুথিখনৰ নামকৰণতেই প্ৰতিফলিত হৈছে।

নিভা ৰহমানৰ কবিতাসমূহ আপেক্ষিকভাৱে চুটি কিন্তু ভাবগধুৰ। কবিতাসমূহত সামাজিক সচেতনতা প্ৰকট। সমাজত বিৰাজ কৰা নেতিবাচক প্ৰৱণতাসমূহক লৈ কবি চিন্তিত, ব্যথিত। সেয়ে হয়তো শ্যেলীয়ে কৈছিল—'কবিসকল সকলো সময়তে পৃথিৱীৰ অস্বীকৃতিপ্ৰাপ্ত সংস্কাৰক।'

কবিতা আৰু জীৱনৰ মাজত এটা নিবিড় সম্পৰ্ক থাকে। অধিবক্তাৰূপে কবিয়ে প্ৰাত্যহিক জীৱনত মুখামুখি হোৱা বহু ঘটনা, ব্যক্তিগত অনুভৱ, অনুভূতি কবিতাত পৰিস্ফুট হৈছে। চাকিৰ পোহৰত জিলিকিছে/এখন সুন্দৰ মুখ/চকুকেইটা চলচলীয়া/পিন্ধনত হাফ্ পেণ্ট পৰিহিত/এটা চাৰি বছৰীয়া শিশু/ জুইৰ লেলিহান শিখাই/ভস্মীভূত কৰিছিল মাতৃক/ জন্মৰ পাছতে পিতৃহাৰা শিশুটিৰ/চকুৰ আগতে পুৰি শেষ হৈছিল/ মাতৃৰ সুঠাম দেহা/একেদৰে কোনো দৃষ্টিহীনৰ কৰুণ বিননিতো কঁপি উঠে কবিৰ হৃদয়।

সংকলনখনৰ কে'বাটাও নৈসৰ্গিক কবিতা অন্তৰ্ভুক্ত হৈছে। মহাবাহু ব্ৰহ্মপুত্ৰ আৰু সৌন্দৰ্যনগৰী তেজপুৰকলৈয়ো দুটা কবিতা ৰচনা কৰিছে। প্ৰকৃতিৰ কোলাত নিবিড় শান্তি বিচৰা নিভা ৰহমানে 'মোৰ ক'বলগীয়া'ত নিজেই স্বীকাৰ কৰি লিখিছে—'প্ৰকৃতিৰ বিনন্দীয়া ৰূপটোৱেও মোক বৰ আকৰ্ষণ কৰে।' পিছে কবিৰ ভাষাত প্ৰাত্যহিক ভাষাৰ ছাপ আছে। কবিতাৰ এক সুকীয়া ভাষা থাকে। প্ৰতীকবাদী কবি পল ভালেৰীয়ে কোৱাৰ দৰে প্ৰাত্যহিক ভাষা 'কাব্যিক অনুভূতি' প্ৰকাশৰ উপযুক্ত মাধ্যম হ'ব নোৱাৰে। সমালোচক টি. ই হিউমৰ মতে কবিতাৰ ভাষা চিত্ৰধৰ্মী বা চিত্ৰকল্প প্ৰধান হোৱা উচিত।

কবিতা শব্দ শিল্প। সেয়ে শব্দই অৰ্থক ব্যঞ্জনা, অনুষংগ আদি দান কৰাটো কবিতাৰ পাঠকসকলে বিচাৰে। শব্দ আৰু অৰ্থৰ সহযোগে কবিতাক আটিল আৰু অৰ্থঘন কৰে বুলি কাব্য সমালোচক আনন্দ বৰমুদৈয়ে অভিমত প্ৰকাশ কৰিছে। কবি নিভা ৰহমান শব্দ নিৰ্বাচনত অধিক সতৰ্ক হোৱা প্ৰয়োজন। ভৱিষ্যতে আৰু অধিক মান বিশিষ্ট কবিতা ৰহমানৰ পৰা আশা কৰিব পাৰি। সদৌ অসম লেখিকা সমাৰোহ সমিতি, কেন্দ্ৰীয় কাৰ্যালয়, তেজপুৰে প্ৰকাশ কৰা গ্ৰন্থখনৰ মূল্য ১২০ টকা।

ড° ভূপেন শইকীয়া

ফোন : ৯৪৩৫২২০৬৬৬

আটকীয়া শব্দ কথকতা

চন্দিকা দত্ত কোঁৱৰ



ইয়াতে এই খিনিতে আৰণ্যক খবৰবোৰে বাহৰ পাতিছে।
যি খবৰ কুৰুকি কুৰুকি সোমাই আহে
জনাৰণ্যৰ পৰা।
দিশে দিশে বিয়পি পৰে অসুখী খবৰবোৰ।
মংগলময় বাঢ়তাই বাট এৰি অবাটে যায় ধূলিয়ৰি
পথৰ ধূলি উৰুৱাই ফাগুনৰ পছোৱা হৈ।
বাৰ্তালাপত ফুলা নাই আয়তী ওঁঠৰ আঁচুফুল।
সিয়নি হিয়া সময়বোৰে কৰি আছে উখল-মাখল।
নিমাতে নিজানে পৰি ৰয় ঢোৰা সাপৰ ফুচফুচনি।
গাভাৰী পথাৰখনো শুকাই আছে লঘোনীয়া ভোকত।
যেনেদৰে বাৰিষাৰ গাভাৰী নদীখন স্তব্ধ হৈ আছে নদীময় খবৰৰ অভাৱত।
ক'ত কেনেকৈ উপঙি আছে সেউজীয়া বতৰা? শ্মশান যাত্ৰাৰ নিতে হৈ আছে শুভাৰম্ভ।
দোভাগ ৰাতি ভাহি আহে শিয়াল কুকুৰৰ আৰাও।
আক্ৰান্তিত সময়।
সপোনৰ ডেউকা ভাঙে। সপোনৰ ছেই সৰে।
আপাততঃ আঙুৰ বুলীয়া বতৰাৰ পম খেদি আটকীয়া
শব্দবোৰ নামি আহিবনে আইটাৰ চোতাললে,
অথবা জোনাক হৈ থটিয়াব নে জেউতি ভৰা আভা।
ভৰুণ শব্দবোৰৰ যে লাহে লাহে হৈ আছে গৰ্ভপাত।
দিনে দিনে হৈ আছে ধৰাশায়ী।

ছুমিলা ৰংহাংপীৰ সোঁৱৰণত

বিশ্বজিৎ দত্ত



এপাহি
নিস্পাপ ফুলৰ নাম
ছুমিলা ৰংহাংপী
এখন পাহাৰ আৰু এটা
শান্ত নিজৰাৰ নাম
ছুমিলা
সহজ সৰল কণমানি ছুমিলাই
বুজি নাপালে
মানুহো যে হ'ব পাৰে দানৱ
কিছুমান মানুহে যে
দিন-ৰাতিয়ে
ভদ্ৰতাৰ মুখা পিন্ধি থাকে
কণমানি ছুমিলাৰ ওপৰত
পাশৱিক অত্যাচাৰ

তাইৰ কষ্টবোৰ আমি নেদেখিলো
তাইৰ দুঃখবোৰ
তাইৰ কান্দোনবোৰ
তাইৰ চকুপানীবোৰ
আমি কোনেও দেখা নাপালো
নৰক যন্ত্ৰণা ভুগি ভুগি
ছুমিলা গুচি গ'ল
অজান দেশলৈ
তোমাৰ ভালৰ বাবে আমি
কোনেও একো কৰিব নোৱাৰিলো
তুমি আমাক সকলোকে
ক্ষমা কৰি দিবা
ছুমিলা।

বিষণ্ণ সময়

জ্ঞান শংকৰ খাখলাৰী

পৃথিৱী নৰিয়াত
দেহা থৰক বৰক
যমজকিনীৰ কিৰিলি
আতংক সময়
বিভীষিকা হয়
নৰমনিচে বিচাৰে নিৰাময়
কবিৰ ছন্দ পতন
দাৰ্শনিকৰ চিন্তা হৰণ
সুগায়কৰ কণ্ঠ ৰুদ্ধ
মৌসনা সুৰেৰে কোনে মানৱতাৰ গীত গাব(!)
সভ্যতা জহি-খহি যাব
দৰ্প চূৰ্ণ হ'ব
জীয়াই থকাৰ মহাযুঁজ

মানৰে বুজিও অবুজ।
ক্ষমতা লোভীৰ ৰণকৌশল
ভোগবাদীৰ টিঘিলঘিলনি
কেৱল যাতনা আৰু যাতনা
বাগৰি যায় বহু ঘটনা
তাৰে মাজেদি—
বগা কপৌ জাক উৰি উৰি যায়
শান্তিৰ নিজৰা বয়
আশাৰ বতৰা
জীয়াই থকাৰ বিস্তাৰিত আখৰা
কিন্তু.......
পৃথিৱীৰ ভীষণ জ্বৰ
দেহা থৰবৰ।

অমৃত মন্থন

কল্পতৰু চৌধুৰী

কালৰ কুটিল গতি
সময়ত বুজিবলৈ বৰ টান

ৰামধেনুৰ আকাশ
ৰং তুলিকাৰে হাত বাউলি
জিঞা পাখিৰ দৰে ফৰকাল
অভিলাষী মনৰ স্নিগ্ধতাত
জীৱনৰ অনুৰণন

ভাস্কৰ্য্যৰ ধামধুমীয়া
অচিন কাঠত জীৱন মহঙা
মন আকাশৰ ঢৌ
হৃদয় পখালি উজাই আহে
এজাক বনৰীয়া মৌ

পুৰাতন পৃথিৱীত সপোন ধিয়াই
জ্ঞান সাগৰত শস্য উপাসক জোনাকৰ বৰষুণ
সৃষ্টি ৰসায়নত ভাগৰৰ লালটি তিয়াই
সেউজ অৰণ্যত অমৃত মন্থন।।



পাখি লগাই উৰি যাওঁ প্ৰসংগৰে

'পাখি লগাই উৰি যাওঁ' এখন কবিতা পুথিৰ নাম—ৰচিয়তা জাগীৰোডত কৰ্মসূত্ৰে থকা ৰুমী লস্কৰ বৰা নামৰ এগৰাকী মহিলাৰ প্ৰথম কবিতা পুথিখন পঢ়ি মোৰ অনুভৱ ৰুমী উৰিব পাৰিব আকাশৰ এটা সীমালৈ। সঁচাই ৰুমী উৰিছিল দুৰন্ত গতিত। এদিন সেই গতিৰুদ্ধ হৈ গ'ল নীলমণি ফুকন বংগৰ মধুসূদন দত্তৰ দৰে। য'ত ন'বেল বঁটা পোৱাৰ পাছত এচাম দেশীয় কেঁকোৰাই সমালোচনা কৰিলে লীলন ফকীৰৰ গীত চুৰি কৰি ৰবীন্দ্ৰ নাথে ন'বেল বঁটা পালে, নীলমণি ফুকনে বিদেশী কবিতাৰ হুবহুৰ অনুবাদ কৰি টোপনিতো (সপোনতো?) মোক তেওঁ খেদি ফুৰিছিল বুলি প্ৰচাৰ চলাই দিলে—কলম সামৰিলে প্ৰখ্যাত কবিগৰাকীয়ে। (সংলাপ নামৰ আলোচনীখনত এই কথা বিস্তৃতভাৱে লিখা হৈছিল এইটোক কুম্ভীলক বৃত্তি বুলি)। ৰুমী লস্কৰ বৰা উৰিছিল দুৰন্ত গতিত। ঢৌ, সাক্ষাৎ মাইম বৰা, বৰ্ণিল মোনাকুচিৰ স্বপ্নীল অধ্যায়, বিষন্নতাৰ বেহেলা, এজন যুৱকৰ সন্ধানত, দামফু (যিখন নেপালী ভাষালৈ অনূদিত হৈছে) কালাগ্নি আৰু কে'বাখনো গ্ৰন্থ ৰবলৈ সময় নাই ৰুমীৰ। লেখাৰ মাজতে লেখাৰ সমল বিচাৰি ক্ষেত্ৰ অধ্যয়ন আদি ইয়াৰ মাজতে তেওঁ পালে অসম সাহিত্য সভাৰ বিষ্ণুপ্ৰসাদ ৰাভা বঁটা। লাগি গ'ল হুৱাদুৱা সংবাদ জগতত। অসমৰ প্ৰথমগৰাকী ফুকন উপাধিৰ মহিলা ইঞ্জিনীয়াৰৰ ক্ষেত্ৰত (Old Man and the Sea উপন্যাসৰ চাৰ্কবোৰৰ দৰে) কলমজীৱী সকল লাগি গ'ল ৰুমীৰ কুৎসা ৰটনা কৰাত এখন জনপ্ৰিয় দৈনিক কাকতে বঁটাৰ লগতে ৰুমীৰ চৰিত্ৰ হননত লাগি গ'ল। ৰুমী ভাঙি পৰা নাই চৰিত্ৰ হনন চলি থকাৰ মাজতো। এনে সময়তে ৰুমী লস্কৰৰ স্বামী তপন বৰালৈ দুঃখবৰ আহিল। তেওঁ কাম কৰা নগাঁও কাগজ কলটো বন্ধ হৈ গ'ল। আজি ৫০ মাহে কলৰ কৰ্মচাৰী ৰূপে ৰুমী আৰু স্বামী তপন বৰাই দৰমহা পোৱা নাই। তথাপি ৰুমী ভাঙি পৰা নাই। কলম চলাই গৈছে নিৰন্তৰে।

ড° নৰকান্ত বৰদলৈ

লকডাউনৰ সৃষ্টিপট

কবি গীতিকাৰ কীৰ্তিকমল ভূঞাৰ 'এটি বতৰীয়া গীত'ৰে আৰম্ভ কৰি কল্যাণ কলিতাৰ 'অৱশেষত তোমাক আলিংগন কৰিলো' কবিতাৰে সামৰণি ঘটোৱা 'লকডাউনৰ সৃষ্টিপট' শীৰ্ষক গ্ৰন্থখন ৩৮টা প্ৰবন্ধ, এটা কথা-কবিতা, ৪৮টা কবিতা আৰু ১৬টা গল্পৰে সংকলিত হৈছে। দিলীপ শৰ্মা আৰু কল্যাণ কলিতাই সম্পাদনা কৰা এই গ্ৰন্থখন পুথি প্ৰকাশনে প্ৰকাশ কৰি পঢ়ুৱৈ সমাজলৈ আগবঢ়াইছে। গ্ৰন্থখনৰ সমস্ত লেখা যোৱা বছৰৰ কৰ'না ভাইৰাছৰ সময়-সন্ধিত সৃষ্ট। তলাবন্ধৰ দুৰ্বিষহ সময়খিনিক সৃষ্টিশীল মনৰ অনুভূতিৰে প্ৰকাশযোগ্য হোৱাকৈ লেখক-লেখিকাসকলৰ কাপ-মৈলামেৰে 'লকডাউনৰ সৃষ্টিপট'ক প্ৰকাশ কৰি উলিয়াইছে। জীৱন আৰু প্ৰকৃতিৰ মায়া-মমতাক গ্ৰাস কৰি মানুহৰ যি দুৰ্বিষহ যন্ত্ৰণাৰ সৃষ্টি হ'ল, সেই যন্ত্ৰণাৰ মাজতে জীৱনক ৰঙীন কৰি তোলাৰো স্বপ্ন বাস্তৱায়িত হ'ল। উল্লেখ্য যে প্ৰতিগৰাকী লেখক-লেখিকাই তলাবন্ধৰ অনুভূতিক নিজৰ নিজৰ লেখাৰ মাজেৰে প্ৰকাশ কৰাৰ যি চেষ্টা অব্যাহত ৰাখিছে, সেই চেষ্টাৰ ফলশ্ৰুতিত তেওঁলোকৰ শংকা আৰু দুৰ্বল শ্বাস-প্ৰশ্বাসেই বেছিকৈ প্ৰাধান্য পাইছে। মান-অভিমান, বিশ্বাস-অন্ধবিশ্বাস, সামাজিক দূৰত্ব আৰু সুৰক্ষা, অৰ্থসংকট, ধৰ্মসংকট, পৰিয়াল বিভাজন ইত্যাদিৰ উপৰি স্বাস্থ্যবিধিত ৰাজনীতিৰ হাতোৰা থকা বুলি যি কু-মনোবৃত্তিয়ে মানুহৰ মন-মগজুত থিতাপি ল'লে, সেই সকলো কৰ্ম-দৃশ্যৰ আৱহ-স্বৰ কবিতা, গল্প আৰু প্ৰবন্ধসমূহৰ মূল উপজীব্য বিষয়ৰূপে পৰিগণিত হৈছে। অৱশ্যে 'লকডাউনৰ সৃষ্টিপট'ত কেইটামান অন্য মাত্ৰাদান কৰা লেখাও সংকলিত হৈছে। যিকেইটা লেখাত তলাবন্ধ বা কৰ'না ভাইৰাছ সম্পৰ্কীয় কথাৰ বিপৰীতে ভাষা-সংস্কৃতি, লোকসংস্কৃতিৰ লগতে ইতিহাস সমৃদ্ধ একোটা সংঘটনৰ প্ৰকাশ ঘটিছে। প্ৰণিধানযোগ্য যে সাহিত্যাচাৰ্য ড° পৰাগ কুমাৰ ভট্টাচাৰ্য, কীৰ্তিকমল ভূঞা, শিৱানন্দ কাকতি, নবীন চন্দ্ৰ লহকৰ প্ৰভৃতি লেখক-লেখিকাৰ লেখাই গ্ৰন্থখনৰ সুৱাগ চৰোৱাত সহৃদয় পঢ়ুৱৈ সমাজৰ বাবে 'লকডাউনৰ সৃষ্টিপট' মনোগ্ৰাহী হৈছে। কৰ'না অতিমাৰীৰত স্তব্ধ জনজীৱন-যাত্ৰাত উদ্ভাসিত বিননিৰ মাজতে মানৱতাবোধৰ স্তুতি গ্ৰন্থখনৰ কবিতা, গল্প আৰু প্ৰবন্ধসমূহত প্ৰকটিত হৈছে। তদুপৰি পৰিয়াল-পৰিজনৰ লগতে সামাজিক বান্ধোন নীতিগত আদৰ্শৰে পৰিচালিত হোৱাৰ দিকনিৰ্ণায়ক চিত্ৰপটকো কাব্যিক কল্পচিত্ৰ আৰু গল্পৰ কথোপকথনৰ মাজেৰে চিত্ৰায়িত কৰিছে। দুখ-দুৰ্গতিৰ মাজতো যে জীৱনৰ মোহত বন্দী মানৱ, সেয়েহে মানৱাত্মাৰ পৰিচৰ্যাই সুখ-সংহতিৰ ৰেখা -পথৰূপে লেখক-লেখিকাৰ ভাষান্তৰত বিন্যাস ঘটিছে। নেতিবাচক ক্ৰিয়া-কাণ্ডক ত্যাগ কৰি প্ৰেমানন্দৰ মায়াজালেৰে জীৱন-সংহতিৰ পৰিকাঠামো গঢ়ি তোলাৰ প্ৰাসংগিকতাহে কৰ'নাকালৰ মৌলিকত্ব। প্ৰণিধানযোগ্য যে সম্পাদকদ্বয়ৰ শ্ৰম এই ক্ষেত্ৰত সফল হৈছে। আমাৰ দৃঢ়বিশ্বাস, গ্ৰন্থখন সৰ্বস্তৰৰ পঢ়ুৱৈয়ে আদৰি ল'লে নিশ্চয় নিজৰ ভাবানুভূতিৰ লগতে লেখক-লেখিকা আৰু সম্পাদকদ্বয়ৰ অনুভূতিক একাকাৰ কৰি সমাজৰ পৰা অশিষ্ট অসূয়া-অনীতি দূৰ কৰাৰ উপৰি কৰ'না কালৰ দুৰ্বিষহ যন্ত্ৰণা ৰোধৰো উপায় অৱলম্বনত সহায় হ'ব।



হেমন্ত কুমাৰ চৌধুৰী

ফোন : ৭৫৭৮০৮৬৬৪১



পুখুৰীৰ পৰা বোকা মাটি

তিনি পৃষ্ঠাৰ পৰা ইছলামৰ আক্ৰমণত আব্দুলৰ থিতাতে মৃত্যু হোৱাৰ লগতে তেওঁৰ পত্নী গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। সম্প্ৰতি তেওঁ ধিং এফ আৰ ইউত চিকিৎসাধীন হৈ আছে। স্থানীয় লোকৰ খবৰৰ ভিত্তিত লগে লগে ঘটনাস্থলীত ধিং আৰক্ষী উপস্থিত হৈ মৃতদেহ উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁৱলৈ প্ৰেৰণ কৰে যদিও সম্প্ৰতি সমগ্ৰ অঞ্চলটোতে চেপা উত্তেজনা বিৰাজ কৰিছে। কিন্তু বৰ্তমানলৈকে ধিং আৰক্ষীয়ে এজনো অভিযুক্তক কৰায়ত্ত কৰিবলৈ সক্ষম হোৱা নাই।

কৰ'নাৰ দ্ৰুত সংক্ৰমণত উদ্বিগ্ন

তিনি পৃষ্ঠাৰ পৰা সেয়া মানি চলিবলৈ যেন মুঠেই তৎপৰ নহয়। দুয়োটা অঞ্চলত থকা হাট-বজাৰসমূহত জনতাৰ ভিৰেও কৰ'না সংক্ৰমণ বৃদ্ধিৰ অন্যতম কাৰণ হিচাপে বিবেচিত হোৱা বুলি একাংশই সদৰী কৰিছে। তদুপৰি তলাবন্ধৰ ভয়-শংকাৰ লগতে ঈদৰ বাবে গৃহাভিমুখে আহি থকা ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে বহিঃৰাজ্যত থকা শ্ৰমজীৱী আৰু চাকৰিজীৱী লোকসকলৰ একাংশ কৰ'না বাহক হোৱাটো নিশ্চিত বুলি বিবেচিত হৈছে। কিয়নো বহিঃৰাজ্যৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা আহি থকা লোকসকলৰ প্ৰয়োজনীয় ক'ভিড পৰীক্ষাৰ লগতে অন্যান্য সাৱধানতামূলক পৰীক্ষা-নিৰীক্ষাসমূহ কৰা পৰিলক্ষিত হোৱা নাই। এনে অৱস্থাত নিজ গৃহত প্ৰৱেশ কৰিয়েই এইসকলে নিজকে হোম কোৱাৰেণ্টাইন নকৰি জধে-মধে গাঁও, হাট-বজাৰত মুক্তভাৱে ঘূৰি ফুৰিছে। ইয়াৰ উপৰি ইতিমধ্যে ক'ভিড আক্ৰান্ত কে'বাশ লোক চৰকাৰী নীতি-নিৰ্দেশনা মানি চলা নাই বুলি অভিযোগ উঠিছে। আক্ৰান্তসকলৰ একাংশই সৰ্বসাধাৰণ লোকৰ অজ্ঞাতে ঘূৰি ফুৰাৰো অভিযোগ উঠিছে। এনেবোৰ একাধিক কাৰণত কামৰূপ জিলাৰ বৃহত্তৰ নগৰবেৰাৰ লগতে দক্ষিণ বৰপেটাৰ চৰাঞ্চলত দ্ৰুতগতিত বৃদ্ধি পাইছে ক'ভিড আক্ৰান্তৰ সংখ্যা। তথ্য মতে, বিগত এমাহত নগৰবেৰা ব্লক প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অন্তৰ্গত বিভিন্ন অঞ্চলত প্ৰায় তিনি শতাধিক লোক ক'ভিডত আক্ৰান্ত হোৱাৰ বিপৰীতে বৰপেটা জিলাৰ আলোপতি ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ আৰু বাঘমাৰাচৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ প্ৰায় দুশৰ ঘৰ অতিক্ৰম কৰিছে আক্ৰান্তৰ সংখ্যাই। এই পৰিসংখ্যা দুয়োটা অঞ্চলৰ বাবে নিশ্চিতভাৱে উদ্বেগজনক। সেয়ে গৃহাভিমুখী শ্ৰমজীৱী আৰু চাকৰিয়ালসকলৰ প্ৰাথমিক স্বাস্থ্য পৰীক্ষাৰ লগতে ক'ভিড পৰীক্ষা বাধ্যতামূলক কৰিবলৈ ৰাজ্য চৰকাৰৰ লগতে জিলা প্ৰশাসনক দাবী জনাইছে সচেতন মহলে।

নাগ্ৰীজুলি ক'ভিড কেয়াৰ চেণ্টাৰত

তিনি পৃষ্ঠাৰ পৰা সৰ্বত্ৰ ব্যাপক চৰ্চা লাভ কৰিছে। পৰিয়ালৰ সূত্ৰই অভিযোগ কৰা মতে, যোৱা ২৭ এপ্ৰিলৰ পৰা ক'ভিডত আক্ৰান্ত হৈ ঘৰতে কোৱাৰেণ্টাইন হৈ থকা তামুলপুৰৰ সাংবাদিক গুণজিৎ দাসৰ হঠাৎ অক্সিজেন লেভেল হ্ৰাস পোৱাত তামুলপুৰ স্বাস্থ্যকেন্দ্ৰৰ চিকিৎসকৰ পৰামৰ্শক্ৰমে জৰুৰীভাৱে নাগ্ৰীজুলি আদৰ্শ চিকিৎসালয়ত থকা ক'ভিড কেয়াৰ চেণ্টাৰলৈ ভৰ্তিৰ বাবে লৈ যোৱা হয়। কিন্তু নাগ্ৰীজুলিত থকা ক'ভিড কেয়াৰ চেণ্টাৰৰ চিকিৎসকে মধুমেহ থকা বাবে ক'ভিড ৰোগীগৰাকীক কেৱল অক্সিজেন লেভেলটো পৰীক্ষা কৰিয়েই উন্নত চিকিৎসাৰ বাবে বৰপেটাস্থ ফখৰুদ্দিন আলি আহমেদ চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰে। চিকিৎসকে পৰিয়ালক জনোৱা মতে, সেই সময়ত ক'ভিড ৰোগীগৰাকীৰ অক্সিজেন লেভেল ৯০ শতাংশৰ কম আছিল (প্ৰায় ৮৭ শতাংশ)। চিকিৎসকে ইয়াত মধুমেহ ৰোগীৰ বাবে প্ৰয়োজনীয় চিকিৎসাৰ অভাৱ বুলি পৰিয়ালক জানিবলৈ দি প্ৰায় এশ কিলোমিটাৰৰো অধিক দূৰত্বৰ বৰপেটা ফখৰুদ্দিন আলি আহমেদ চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ কোনো ধৰণৰ প্ৰাথমিক চিকিৎসা তথা অক্সিজেন প্ৰদান নকৰাকৈ খৰধৰকৈ প্ৰেৰণ কৰিয়েই নিজৰ দায়িত্ব সামৰে। ফলত এশ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথছোৱাত ক'ভিড ৰোগীজন যথেষ্ট কষ্টৰ সন্মুখীন হ'ব লগা হয়। ইফালে, গোটেই পথত অক্সিজেন নোহোৱাকৈ অনাৰ ফলত লেবেজান হৈ পৰা ৰোগীজনক বৰপেটা ফখৰুদ্দিন আলি আহমেদ চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ চিকিৎসকে লগে লগে অক্সিজেন প্ৰদান কৰি চিকিৎসা আৰম্ভ কৰে। নাগ্ৰীজুলিৰ আদৰ্শ চিকিৎসালয়ত থকা ক'ভিড চেণ্টাৰৰ চিকিৎসকৰ এনে অমানৱীয় আৰু দায়িত্বহীন কাণ্ডত বৰপেটা ফখৰুদ্দিন আলি আহমেদ চিকিৎসালয় মহাবিদ্যালয় হাস্পতালখনৰ অধ্যক্ষ, ক'ভিড চিকিৎসকসকলে আশ্চৰ্য প্ৰকাশ কৰাই নহয় খৰ্গহস্তও হৈ পৰে। পৰিয়ালৰ সূত্ৰই জানিবলৈ দিয়া মতে, শেহতীয়াভাৱে ৰোগীজন সুস্থ হৈ বৰপেটাস্থ ফখৰুদ্দিন আলি আহমেদ চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ পৰা উভতি আহিছে। পৰিয়ালৰ পৰা ভৱিষ্যতে যাতে নাগ্ৰীজুলি ক'ভিড কেয়াৰ চেণ্টাৰে কোনো ৰোগীৰ ক্ষেত্ৰত এনে দায়িত্বহীন ব্যৱস্থা ল'বলৈ সাহস নকৰে তাৰ বাবে উচিত তদন্ত সাপেক্ষে এক বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ স্বাস্থ্য বিভাগৰ বৰমুৰীয়ালৈ আহ্বান জনাইছে।

খহনীয়াত মাটি-ভেটি হেৰুৱাই দিশহাৰা

তিনি পৃষ্ঠাৰ পৰা শতাধিক পৰিয়ালৰ বাসস্থান হিচাপে পৰিগণিত নেপালীখুঁটি অঞ্চলৰ একমাত্ৰ প্ৰাথমিক শিক্ষাৰ প্ৰাণকেন্দ্ৰ স্বৰূপ চাৰি নম্বৰ নেপালীবস্তি প্ৰাথমিক বিদ্যালয়খনো ধনশিৰিৰ গৰাখহনীয়াৰ কবলত পৰাত স্থানান্তৰিত কৰিব লগা হয়।

ইপিনে, অঞ্চলটোৰ বৰগৰীয়া চাপৰিৰ 1836তে স্থাপিত মাজাৰো সম্প্ৰতি খহনীয়াৰ ফলশ্ৰুতিত তীব্ৰ সংকটৰ সন্মুখীন হৈছে। ইয়াৰ ফলশ্ৰুতিত অঞ্চলটোত থকা বাকী লোকসকলো শংকিত হৈ পৰিছে। অঞ্চলটোৰ এজন সচেতন লোক ভুৱন কাৰ্কীয়ে কয়, 'ধনশিৰিয়ে কালৰূপ ধাৰণ কৰি খহনীয়া অব্যাহত ৰাখিছে। বাৰিষাৰ সময়ছোৱাত বানপানীৰ কৱলত পৰি নৈপৰীয়া মাটি কোমল হৈ থাকে আৰু সামান্য ৰ'দ দিলেই চপৰা-চপৰে নদীৰ গৰা খহিবলৈ ধৰে। চৰকাৰ তথা বিভাগীয় লোকসকলক কতবাৰ অভিযোগ দিয়া হ'ল যদিও আজি পৰ্যন্ত আমাৰ সমস্যাৰ সমাধান সূত্ৰ উলিয়াই খহনীয়া প্ৰতিৰোধৰ কোনো ফলপ্ৰসূ পদক্ষেপ গ্ৰহণ কৰা নহ'ল। ধৃতৰাষ্ট্ৰৰ ভূমিকাত অৱতীৰ্ণ হৈ আমাৰ বুজ ল'বলৈকো নাহিল।' ইপিনে, সমস্যাটোৰ ক্ষেত্ৰত মৰঙি আঞ্চলিক গোৰ্খা ছাত্ৰ সন্থাৰ সভাপতি সুভাষ কটোৱালে কয়, 'গোৰ্খা জনবসতি প্ৰধান অঞ্চলটোত ৰাইজে যথেষ্ট কষ্টৰে জীৱন ধাৰণ কৰি আহিছে। জলসম্পদ বিভাগে বিষয়টোৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা ল'ব লাগে। কিন্তু কিয় এনেদৰে ৰাইজৰ সমস্যাৰ প্ৰতি পিঠি দি আহিছে; সেইটোহে বুজি নাপালো। অতি শীঘ্ৰেই সমস্যাটোৰ সমাধান নকৰিলে ভয়াৱহ অঞ্চলটোৰ ৰাইজৰ প্ৰতি সংকট নামি আহিব।' আনহাতে, মৰঙি প্ৰেছ ক্লাবৰ সভাপতি হেমন্ত শইকীয়াই কয়, 'চৰকাৰে এশ বছৰৰ ওপৰৰ মঠ-মন্দিৰ আদি পুনৰ নিৰ্মাণৰ ব্যৱস্থা কৰিছে। সেই সময়তে দেশী-বিদেশী পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰ স্বৰূপ অঞ্চলটোৰ ঐতিহ্য বহন কৰা পুৰণি 'মাজাৰ' ধনশিৰিৰ খহনীয়াত জাহ যোৱাৰ উপক্ৰম হোৱাটো দুৰ্ভাগ্যজনক। এই ক্ষেত্ৰত বিহীত ব্যৱস্থা গ্ৰহণ কৰি মাজৰখনৰ সংৰক্ষণৰ ব্যৱস্থা কৰাটো আমি মৰঙিবাসী হিচাপে হিন্দু-মুছলমান সকলোৱেই আন্তৰিকতাৰে কামনা কৰো।

তদুপৰি নেপালীখুঁটি অঞ্চলতো অতি শীঘ্ৰেই মথাউৰি অথবা জিঅ' বেগৰ জৰিয়তে গৰাখহনীয়া প্ৰতিৰোধৰ ব্যৱস্থা কৰিব লাগে। অঞ্চলটোৰ কৃষিজীৱী ৰাইজে বছৰ বছৰ ধৰি একেদৰে সমস্যাৰ সন্মুখীন হৈ আহিব লগা হোৱাত তেওঁলোকৰ খেতিৰ মাটিও সংকুচিত হৈ পৰা দেখা গৈছে।' উল্লেখ্য যে জলসম্পদ বিভাগে খহনীয়া প্ৰতিৰোধৰ কোনো ব্যৱস্থা গ্ৰহণ নকৰা বিষয়টোৰে সচেতন মহলৰ মাজতো তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।

এনে ক্ষেত্ৰত অনাগত সময়ছোৱাত নতুনকৈ গঠন হোৱা বিজেপি-মিত্ৰজোঁটৰ চৰকাৰৰ সৰুপথাৰ বিধানসভা সমষ্টিৰ নৱ-নিৰ্বাচিত বিধায়ক বিশ্বজিৎ ফুকন আৰু নৱ-নিৰ্বাচিত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বিষয়টো গুৰুত্ব সহকাৰে গ্ৰহণ কৰি ৰাইজক সকাহ দিব পৰাকৈ আঁচনি গ্ৰহণ কৰাৰ বাবে ভুক্তভোগী ৰাইজে আহ্বান জনাইছে।

দৰং-ওদালগুৰিক বানমুক্ত কৰিবলৈ নতুন

তিনি পৃষ্ঠাৰ পৰা দীৰ্ঘদিনৰ বাবে ৰাইজে বানপানীৰ পৰা সকাহ পাইছিল; কিন্তু বান্ধটোৰ কোনো মেৰামতি নোহোৱাৰ লগতে ভূটানৰ খৰস্ৰোতা পানীৰ সোঁতে বান্ধটোৰ ক্ষতিসাধন কৰি আহিছে। বৰ্তমান বান্ধটোৰ প্ৰায় পাঁচশ মিটাৰ জাহ গৈছে। ফলত নৈখনৰ এটা সুঁতিৰে সিংহভাগ পানী কুলশী নৈ (মঙলদৈত শাকতোলা)ত সোমাই বিধানসভা সমষ্টি ক্ৰমে ওদালগুৰি, পানেৰী (আংশিক), কলাইগাঁও, মঙলদৈ আৰু ছিপাঝাৰত প্ৰলয়ংকৰী বানৰ সৃষ্টি কৰে। বানৰ সংহাৰত বহু ঘৰ-বাৰী থানবান হোৱাৰ উপৰি গৰাখহনীয়াই আতংকৰ সৃষ্টি কৰে। সেয়ে এই সমস্যাৰ স্থায়ী সমাধান কৰিবলৈ নতুন চৰকাৰক আগতীয়াকৈ আহ্বান জনায়। তদুপৰি জলসম্পদ বিভাগৰ অকৰ্মণ্যতাক ধিক্কাৰ দি এক ধৰ্ণা কাৰ্যসূচীও ৰূপায়ণ কৰে।

ইয়াৰ পাছতে কৃষক মুক্তিৰ দলটোই বহুদূৰ বাটকুৰি বাই দুৰ্গম ভোলা নদীৰ উৎস পৰিদৰ্শন কৰে। উল্লেখ্য যে ভোলা নৈ তথা স্থানীয় ভাষাত 'ভল্লা' নৈৰ এটা সুঁতি কুলশী-শাকতোলাত আৰু আনটো সুঁতি নামনিৰ নোৱানৈত পৰিছে। তাৎপৰ্যপূৰ্ণভাৱে ভূটান পাহাৰৰ নামনিৰ এই অংশত বিজ্ঞানসন্মত ব্যৱস্থাৰে পানী বিতৰণৰ ব্যৱস্থা নোহোৱাত বানে সংহাৰী ৰূপ ধাৰণ কৰে। আনহাতে, খৰালি স্থানীয় অঞ্চলটোত কৃষিকৰ্মৰ বাবে পানীৰ নাটনিৰ জোৰা মাৰিবলৈ ৰাজহুৱা বান্ধ নিৰ্মাণ সমিতি এখন গঠন কৰা হৈছে। ৰাইজে নৈখনৰ বিভিন্ন ঠাইত ভেটা দি কৃষিভূমিলৈ বোৱাই নিয়ে। জলসিঞ্চন বিভাগৰ প্ৰচুৰ সমল থকা সত্বেও আজিলৈকে বিভাগটোৱে কোনো পদক্ষেপেই গ্ৰহণ কৰা নাই। আনকি জনপ্ৰতিনিধিৰো কোনো কাণসাৰ নাই। কৃষক মুক্তিৰ প্ৰতিনিধি দলটোৰ নেতৃত্ব দিয়ে ওদালগুৰি জিলাৰ সভাপতি দীপক শৰ্মা, সম্পাদক সৎৰাম বৰা, সাংগঠনিক সম্পাদক নিবাৰণ ৰাভা, খৈৰাজুলি মৰাডোবা বান্ধ দোং পথাৰ পৰিচালনা সমিতিৰ সভাপতি হীৰালাল প্ৰজা, উপ-সভাপতি বিকাশ চাওৰা, বনগুৰং মাজুলী আঞ্চলিক দোং বান্ধ সমিতিৰ সভাপতি নাগেশ্বৰ দাসে আদিয়ে।

শিৱসাগৰৰ সমাজকৰ্মী-প্ৰাক্তন পৌৰপতি

তিনি পৃষ্ঠাৰ পৰা আৰক্ষীত যোগদান নকৰি দৌল্লাই শিৱসাগৰ পৌৰসভাত কিছুদিন নিম্নবৰ্গৰ সহায়কৰূপে কৰ্তব্য পালন কৰিছিল। পৰৱৰ্তী সময়ত তেওঁ শিৱসাগৰ জিলা সমবায় বিভাগৰ চাকৰিত যোগদান কৰি 2001ত সহকাৰী পঞ্জীয়কৰূপে অৱসৰ গ্ৰহণ কৰে। 2009ত দুই নম্বৰ ৱাৰ্ডৰ পৰা কংগ্ৰেছ দলৰ প্ৰাৰ্থীৰূপে পৌৰসভালৈ নিৰ্বাচিত হোৱাৰ পাছত তেওঁ শিৱসাগৰ পৌৰসভাৰ পৌৰপতিৰ আসনত বহে। দৌল্লা পৰিয়ালটোৱে দীৰ্ঘ সময় ধৰি কংগ্ৰেছী ৰাজনীতিৰ স'তে জড়িত হৈ আছিল। ৪০ দশকৰ অসম আন্দোলনৰ সময়ত জাতীয়তাবাদী শিবিৰে কংগ্ৰেছ দলক বৰ্জন কৰাৰ সময়তো দৌল্লা পৰিয়ালৰ সদস্য সকলে কংগ্ৰেছৰ পতাকাখন শক্তিশালীভাৱে ধৰি ৰাখিবলৈ সক্ষম হৈছিল। তেওঁ শিৱসাগৰ নগৰ ব্লক কংগ্ৰেছ আৰু মণ্ডল কংগ্ৰেছৰ সভাপতিৰ দায়িত্বতো থাকি নগৰখনত কংগ্ৰেছৰ স্থিতি শক্তিশালী কৰাত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। ৰাজনৈতিক পথাৰখনৰ সমান্তৰালভাৱে প্ৰয়াত মণিৰুদ দৌল্লাই সামাজিক, সাংস্কৃতিক আৰু খেল জগতখনতো সক্ৰিয় ভূমিকা পালন কৰি আহিছিল। শিৱসাগৰৰ অগ্ৰণী ক্ৰীড়া তথা সামাজিক অনুষ্ঠান তৰুণ সংঘ ৰিডিং ক্লাবৰ তেওঁ মৃত্যু পৰ্যন্ত সভাপতিৰূপে কাৰ্যনিৰ্বাহ কৰি আছিল। শিৱসাগৰ সন্মিলিত ৰঙালী বিহু উদ্‌যাপন সমিতিৰ প্ৰাক্তন সভাপতি, শিৱসাগৰ ৰংপুৰজ্যোতি ক্লাৱ আৰু বৰ্ণালী সংঘৰ উপদেষ্টা, অৰুনোদয় সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সভাপতিৰ লগতে শিৱসাগৰৰ একাধিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে মৃত্যু পৰ্যন্ত বিভিন্ন দায়িত্ব পালন কৰি আহিছিল। ঐতিহাসিক শিৱসাগৰ নগৰৰ শিৱদ'লৰ গাতে লাগি থকা দেৱীদ'লৰ দুৰ্গাপূজাৰ সময়ত বলিৰ বাবে অনা ছাগলী দৌল্লা পৰিয়াললৈ আগবঢ়োৱা এক পৰম্পৰা দ'ল পৰিচালনা সমিতিয়ে পালন কৰি আহিছিল। আৰু এই পৰম্পৰা দৌল্লা পৰিয়ালে সাদৰৰে গ্ৰহণ কৰি আহিছিল যদিও আজি দুটা বছৰমান পূৰ্বে দল পৰিচালনা সমিতিয়ে প্ৰখ্যাত দৌল্লা পৰিয়াললৈ ছাগলী আগবঢ়োৱাৰ পৰিৱৰ্তে নৈবেদ্যহে আগবঢ়াই আহিছিল। তেওঁৰ মৃত্যুত শিৱসাগৰ পৌৰসভা, তৰুণ সংঘ ৰিডিং ক্লাব, শিৱসাগৰ নাট্য সমাজ, শিৱসাগৰ যুৱদ'ল, অৰুনোদয় সাহিত্য সভা, সৃজনী সাহিত্য সভা, উজনি অসম মুছলিম কল্যাণ পৰিষদ, ৰংপুৰজ্যোতি ক্লাৱ, শিৱসাগৰ জিলা ছাত্ৰ সন্থা, ধাইআলি মছজিদ পৰিচালনা সমিতি, কেৰিমুদ্দিন আহমেদ স্মৃতি ৰক্ষা সমিতি, অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সম্পাদক প্ৰশান্ত গগৈ, শিৱসাগৰ জিলা কংগ্ৰেছ, মণ্ডল কংগ্ৰেছ, ব্লক কংগ্ৰেছ, মহিলা কংগ্ৰেছৰ লগতে বিজেপিৰ শিৱসাগৰ জিলা যুৱ মৰ্চাৰ সভাপতি ৰূপম দত্ত আৰু সাধাৰণ সম্পাদক ৰাহুলজ্যোতি গগৈ, ঐক্য সেনা অসম, সংগ্ৰামী যুৱ ছাত্ৰ পৰিষদ, অসম আদি দল-সংগঠনসমূহে তেওঁৰ মৃত্যুত শোক প্ৰকাশ কৰিছে। উল্লেখ কৰাৰ প্ৰয়োজন যে আজি কিছুদিন পূৰ্বে প্ৰয়াত মণিৰুদ দৌল্লাৰ বৌৱেক কভিড-19ত আক্ৰান্ত হৈয়েই মৃত্যু হৈছিল। মৃত্যুৰ সময়ত মণিৰুদ দৌল্লাই দুগৰাকী জীয়াৰী, জোঁৱাই আৰু নাতি-নাতিনীৰ স'তে এটা বৃহৎ পৰিয়াল ইহ-সংসাৰত এৰি থৈ যায়। আজি বিয়লি ক'ভিড নীতি-নিৰ্দেশনাৰে দৰবাৰ ফিল্ড কবৰস্থানত তেওঁৰ জানাজা সম্পন্ন কৰা হয়।

খাৰুপেটীয়াত ১০১ বছৰত

তিনি পৃষ্ঠাৰ পৰা ২৩ ফেব্ৰুৱাৰীত তেওঁ দলগাঁৱৰ বৰালিমাৰী এল পি স্কুলৰ পৰা অৱসৰ গ্ৰহণ কৰে। তেওঁৰ মৃত্যুত আমছুৰ দৰং জিলা সমিতি, সংখ্যালঘু সংগ্ৰাম সমিতি, দৰং জিলা প্ৰাথমিক শিক্ষক সন্মিলনী, ইত্তেহাদ ফ্ৰন্টকে ধৰি বিভিন্ন সংগঠনে শোক প্ৰকাশ কৰিছে।

বজাৰত গ্ৰাহকৰ ব্যাপক ভিৰ

তিনি পৃষ্ঠাৰ পৰা কৰিছে বহুসংখ্যক লোকে। আজি তেজপুৰৰ দেওবৰীয়া বিন্দুকুৰি সাপ্তাহিক বজাৰত গ্ৰাহকৰ ব্যাপক ভিৰ আৰু এইসকল গ্ৰাহকৰ অধিকাংশই মাস্ক পৰিধান নকৰা তথা কোনো সামাজিক দূৰত্ব নমনা সন্দৰ্ভত ইতিমধ্যে শোণিতপুৰৰ উপায়ুক্তকো অৱগত কৰা হয়। চাহ বাগিচা অঞ্চলৰ বহুসংখ্যক গ্ৰাহকৰ আগমন ঘটা এইখন বজাৰত কৰ'না প্ৰতিৰোধী সামান্যতম ব্যৱস্থাও গ্ৰহণ নকৰাৰ পৰিণতিত চাহ বাগিচা অঞ্চলত কৰ'নাৰ সংক্ৰমণ তীব্ৰতৰ হোৱাৰো আশংকা কৰা হৈছে। ইপিনে, শোণিতপুৰৰ চাৰিদুৱাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত অঞ্চলত কৰ'নাৰ গণ সংক্ৰমণ ঘটাৰ তথ্য লাভ কৰা হৈছে। উল্লেখ্য যে চাৰিদুৱাৰস্থিত পাৱাৰ গ্ৰীড কৰ্প'ৰেছন লিমিটেডৰ ১৭ জন কৰ্মচাৰীৰ দেহত কৰ'নাৰ সংক্ৰমণ ধৰা পৰাৰ পাছতে ইয়াৰ বিষয়া-কৰ্মচাৰীসকল চিন্তিত হৈ পৰিছে। আনহাতে, জিলাখনৰ বালিপৰাৰ খনামুখৰ ৰাজগড় অঞ্চলতো কৰ'নাৰ গণ সংক্ৰমণ ঘটাত এই অঞ্চলটো কণ্টেইনমেণ্ট জ'ন হিচাপে ঘোষণা কৰিছে স্থানীয় প্ৰশাসনে। এই ৰাজগড় অঞ্চলত আজি চাৰিদিনত ২৩ জন লোকৰ দেহত কৰ'নাৰ সংক্ৰমণ ধৰা পৰে। বৰ্তমান এই অঞ্চলটো কণ্টেইনমেণ্ট জ'ন হিচাপে প্ৰশাসনে ঘোষণা কৰাত ইয়াৰ সন্মুখত বাঁহৰ ভেটা দি অঞ্চলটোত বাহিৰা লোকৰ প্ৰৱেশ বন্ধ কৰা হৈছে। ইপিনে, চাৰিদুৱাৰ অঞ্চলৰ বহুসংখ্যক পৰিয়ালৰ সদস্য কৰ'নাত আক্ৰান্ত হোৱাৰ বিপৰীতে এনে পৰিয়ালৰ বাকীসকল সদস্য মুকলিভাৱে ঘূৰি ফুৰা বুলিও অভিযোগ উঠিছে।

ৰহাত নগাঁও জিলা অনুসূচিত

তিনি পৃষ্ঠাৰ পৰা ফেচবুক একাউণ্টৰ দ্বাৰা তেওঁৰ কাৰ্যকালত একাংশ কংগ্ৰেছী নেতাক কিদৰে চৰকাৰী আঁচনি বিতৰণ কৰিছিল সেই সন্দৰ্ভত এক প'ষ্ট প্ৰেৰণ কৰিছিল আৰু উক্ত প'ষ্টটোত সাঙোৰ খাইছিল নৱ নিৰ্বাচিত বিধায়ক শশীকান্ত দাসৰ নাম। কিন্তু সেই প'ষ্টটো দেখি একাংশ কংগ্ৰেছৰ সদস্যই দীপ দাসক তীব্ৰ ভাষাৰে সমালোচনা কৰাৰ লগতে নিশা খাইগড়ৰ বাসভৱনৰ পদূলিত উপস্থিত হয় একাংশ কংগ্ৰেছ কৰ্মীৰ লগতে বিধায়কজন। দীপ দাসৰ ভাষ্য অনুসৰি একালৰ দলীয় সতীৰ্থ তথা বৰ্তমানৰ বিধায়কজনৰ লগতে বাৰ্তালাপ কৰি থকাৰ সময়তে তেওঁক কোনো লোকে পিছফালৰ পৰা মূৰত আঘাত কৰি বগৰাই দিয়াৰ লগতে ১০-১৫ জনীয়া দলটোৱে কাঠ-বাঁহ-লোহা আদিৰে উপৰ্যুপৰি আক্ৰমণ কৰি অতি মুমূৰ্ষু অৱস্থাত পেলাই থৈ গুচি যায়। পাছত তেওঁৰ ঘৰত থকা গাড়ীচালকে দাসক নগাঁও চিকিৎসালয়লৈ নিয়ে যদিও আঘাত গুৰুতৰ দেখি নিশাই গুৱাহাটী জি এন আৰ চি চিকিৎসালয়ত ভৰ্তি কৰে। এই ঘটনাৰ সন্দৰ্ভত দাসৰ মাতৃ ডিম্বেশ্বৰী দাসে দেওবাৰে ৰহা আৰক্ষী থানাত এক এজাহাৰ দাখিল কৰাত ৰহা আৰক্ষীয়ে ১১১/২১ নম্বৰত ১৪৩/৩২৬/৩০৭ ভাৰতীয় দণ্ড বিধি আইনৰ ধাৰাত এক গোচৰ ৰুজু কৰে। ৰহা আৰক্ষীৰ প্ৰাথমিক তদন্ত এই ঘটনাৰ সন্দৰ্ভত অৰুণাংশু ভূঞা (৩১), মনোজ কুমাৰ বৰদলৈ (৪২), বিশ্বজ্যোতি ডেকা (২৬) আৰু দিগন্ত পাটৰ (৪১) নামৰ চাৰিজন কংগ্ৰেছ কৰ্মীক সোধ-পোছৰ বাবে আটক কৰিছে। আনহাতে, এই মাৰপিট ঘটনাটো বৰ্তমানৰ বিধায়কগৰাকী জড়িত বুলি দীপ দাসে উত্থাপিত কৰা অভিযোগ খণ্ডন কৰি এই ঘটনা এক ৰাজনৈতিক উদ্দেশ্য প্ৰণোদিত বুলিহে মন্তব্য কৰে নৱনিৰ্বাচিত বিধায়ক দাসে। বিধায়কজনে এই ঘটনাত মিছাতে তেওঁৰ নাম সাঙুৰি লৈ জনমানসত হেয় প্ৰতিপন্ন কৰিবলৈ চেষ্টা কৰাৰ লগতে ই এক ৰাজনৈতিক ষড়যন্ত্ৰ বুলি মন্তব্য কৰি যদিহে এই ঘটনাত দলীয় কোনো কৰ্মী জড়িত আছে তেন্তে সেইসকলৰ বিপক্ষে বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে।

হাতত চোকা অস্ত্ৰ লৈ

তিনি পৃষ্ঠাৰ পৰা এগৰাকী বিশেষভাৱে সক্ষম কিশোৰৰ ঘৰত অনধিকাৰ প্ৰৱেশ কৰাৰ অভিযোগ পৰিয়ালৰ লোকৰ লগতে গাঁৱৰ একাংশ লোকে লালুক আৰক্ষীক অৱগত কৰে। সেই মৰ্মে লালুক আৰক্ষীয়ে উৎপলক সেইদিনাই লালুক থানালৈ লৈ আনে। পৰৱৰ্তী সময়ত লালুক আৰক্ষীয়ে উৎপলৰ পিতৃ-মাতৃৰ স'তে যোগাযোগ কৰি গতাই দিবলৈ পিতৃ হৰেন দত্তলৈ ফোন কৰে। দত্তই ভাৰপ্ৰাপ্ত বিষয়াক ফোনত অশ্ৰাব্য গালি-গালাজ কৰি প্ৰাণে মৰাৰ ভাবুকি দিয়ে। আনকি এছ পি, ডি আই জিৰ কথা কৈ আৰক্ষী বিষয়াজনক লাঞ্ছনা কৰে। আৰক্ষীয়ে আঠ মে' গধূলিলৈকে বহুবাৰ উৎপলৰ পিতৃ-মাতৃৰ লগত যোগাযোগ কৰে যদিও প্ৰতিবাৰতে দত্তই আৰক্ষীক ফোনত ভাবুকি প্ৰদান কৰে। উল্লেখ্য যে আজিৰ পৰা দুবছৰ পূৰ্বে হৰেনে পুত্ৰ উৎপল দত্তই চোকা অস্ত্ৰৰে গাঁৱৰ অৱসৰপ্ৰাপ্ত শিক্ষক গোপাল ভূঞাক গাঁৱৰ নামঘৰৰ পৰা ওলাই আহোতে পদূলিতে চোকা অস্ত্ৰৰে প্ৰহাৰ কৰিছিল। এই ঘটনাক লৈ উৎপলে জেলৰ ভাতো খাব লগা হৈছিল। এই ঘটনাৰ পাছত হৰেন দত্তৰ পৰিয়ালটো গাঁৱৰ পৰা স্থানান্তৰিত হৈছিল। কালি উৎপলে গাঁওখনৰ এগৰাকী বিশেষভাৱে সক্ষম কিশোৰৰ ঘৰত অনাধিকাৰ প্ৰৱেশ কৰিছিল বুলি লালুক আৰক্ষীয়ে কয়। আজি হৰেনে নিজ গাঁও বৈষ্ণৱপুৰলৈ আহে আৰু লালুক থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষীক চোকা অস্ত্ৰৰে দুছেও কৰাৰ হুমকি দিয়ে। লালুক অচি সুৰয দলেসহ এটা আৰক্ষীৰ দল হৰেনৰ বাসগৃহত প্ৰৱেশ কৰোতে দত্তই হাতত চোকা অস্ত্ৰলৈ আৰক্ষীক আক্ৰমণ কৰে। ঘটনাত কল্পজ্যোতি শইকীয়া নামৰ গৃহৰক্ষী জোৱানজন আহত হয়। পাছত আৰক্ষীয়ে কৌশলেৰে হৰেন দত্তক কৰায়ত্ত কৰি লালুক থানালৈ আনে। লালুক আৰক্ষীয়ে নিজাববীয়াকৈ উদণ্ড স্বভাৱৰ হৰেন দত্ত (৪০)ৰ বিৰুদ্ধে গোচৰ ৰুজু কৰিছে।

চাহ জনগোষ্ঠী জাতীয়

তিনি পৃষ্ঠাৰ পৰা প্ৰচাৰ সম্পাদক সন্তোষ চিক, প্ৰাক্তন আটছা নেতা বাবুল চিক, আটছা নেতা বুন কুৰ্মী, দিলেশ্বৰ ঘাঁচি, ফটিক উৰাং আদিয়ে সহযোগ কৰে।

ইপিনে, জাতীয় মহাসভাই নৱ নিৰ্বাচিত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ লগতে চৰকাৰ আৰু চাহ জনগোষ্ঠীৰ বিধায়ক তেৰছ গোৱালা, সঞ্জয় কিষাণ, ৰূপেশ গোৱালা, কৃষ্ণ কমল তাঁতী আৰু ৰূপজ্যোতি কুৰ্মীক অভিনন্দন জনাইছে। এক বিবৃতিত চৰকাৰ আৰু শাসকীয় বিধায়কসকলক জনগোষ্ঠীটোৰ জ্বলন্ত সমস্যাসমূহ সমাধানৰ বাবে বলিষ্ঠ ভূমিকা পালন কৰিবলৈ জাতীয় মহাসভাই আহ্বান জনায়। বিৰোধী দলৰ চাহ জনগোষ্ঠীয় বিধায়ক কুৰ্মীকো শক্তিশালী বিৰোধী বিধায়কৰূপে কাম কৰি চাহ জনগোষ্ঠীৰ দীৰ্ঘদিনীয়া সমস্যাসমূহ বিধানসভাৰ মজিয়াত উত্থাপন কৰিবলৈও জাতীয় মহাসভাই আহ্বান জনাইছে।

আনহাতে, জাতীয় মহাসভাৰ ভাৰপ্ৰাপ্ত সভাপতি ৰাজেন কুমাৰ আৰু সাধাৰণ সম্পাদক অৰুণ কোঁৱৰে সদ্যঘোষিত নিৰ্বাচনী ফলাফলৰ লগতে চৰকাৰ গঠনত চাহ জনগোষ্ঠীয় সমাজসমূহৰ এক গুৰুত্বপূৰ্ণ অৱদান আছে বুলি উল্লেখ কৰি জনসংখ্যাৰ দিশৰ পৰা চাহ জনগোষ্ঠীৰ চাৰিওগৰাকী শাসকীয় বিধায়ক অসম চৰকাৰৰ মন্ত্ৰীসভাত অন্তৰ্ভুক্ত কৰিবলৈ দাবী জনাইছে। সেই মৰ্মে চাহ জনগোষ্ঠীৰ শতাধিক জাতি-উপজাতিক সামাজিকভাৱে নেতৃত্ব প্ৰদান কৰা জাতীয় মভাসভাৰ সভাপতি তথা দ্বিতীয়বাৰৰ বিধায়ক তেৰছ গোৱালাক কেবিনেট মন্ত্ৰিত্বৰ লগতে আন তিনিগৰাকীকো জ্যেষ্ঠতা আৰু যোগ্যতাৰ ভিত্তিত মন্ত্ৰিত্ব প্ৰদান কৰিবলৈ আহ্বান জনাইছে জাতীয় মহাসভাই। বিধায়কৰূপে নিৰ্বাচিত হোৱা কংগ্ৰেছৰ কুৰ্মীক কংগ্ৰেছে বিৰোধী দলপতিৰ আসন দিব লাগে বুলিও দাবী জনাইছে জাতীয় মহাসভাই।

তিনি বছৰে মেৰবাংচুবাত নহ'ল

তিনি পৃষ্ঠাৰ পৰা কৰিছে ৰাইজে। এই লৈ সংশ্লিষ্ট বিভাগীয় ঠিকাদাৰগৰাকীৰ লগতে বিভাগীয় কৰ্তৃপক্ষৰ প্ৰতি সচেতন ৰাইজে ভীষণ অসন্তুষ্ট হোৱা পৰিলক্ষিত হৈছে। জৰাজীৰ্ণ পথটো নিৰ্মাণৰ দাবীত নৱ নিৰ্বাচিত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, বিভাগীয় কৰ্তৃপক্ষক ৰাইজে স্মাৰকপত্ৰ প্ৰেৰণ কৰিব বুলি জনাইছে। ১৯৩৬ তে স্থাপিত ঐতিহাসিক মেৰবাংচুৰা গাঁৱৰ এক দীঘলীয়া ইতিহাস আছে যদিও ভাল বাট পথৰ অভাৱে দুৰ্ভোগ ভুগিছে ৰাইজক। এই বাটপথ জৰাজীৰ্ণ গাঁৱত নিৰ্বাচনৰ সময়ত নেতা-পালিনেতাই ভোট বিচাৰি এখনো কাঠৰ দলং নাথাকিব, পথ পকীকৰণ হ'ব বুলি বিভিন্ন প্ৰতিশ্ৰুতিৰে দম্ভালি মাৰি কথাৰ ফুলজাৰি মাৰিলে যদিও গাঁওবাসীৰ আজিও নহ'ল আশাপূৰ্ণ। জৰুৰীকালীন সময়ত এখন এম্বুলেন্স সোমাই ৰোগীৰ উপকাৰ কৰিব নোৱাৰা, ৰিক্সা, ঠেলাৰেহে ৰোগীক উন্নত চিকিৎসা কৰিবলৈ বাধ্য হয়। বিভিন্ন সমস্যাৰে ভাৰাক্ৰান্ত গাঁওবাসীয়ে বিটিচি গঠন হোৱাৰ পাছত কিছু পৰিৱৰ্তন দেখিছিল যদিও সিয়ো এপাচি শাকত এটি জলকীয়াৰ দৰে। অৱশেষত প্ৰধানমন্ত্ৰী গ্ৰামচড়ক যোজনাৰ জৰিয়তে বাটপথ দলঙৰ কামৰ শুভাৰম্ভ কৰাত ৰাইজে কিছু আশা দেখিছিল যদিও আজি তিনি বছৰৰ পাছতো গাঁওখনৰ মেৰুদণ্ড স্বৰূপ মূল পথটোৰ কামৰ অগ্ৰগতি নোহোৱাত গাঁওবাসীয়ে হতাশাত ভুগি ঠিকাদাৰক ধিক্কাৰ দিয়াই নহয় ব্লেকলিষ্টেড কৰিব লাগে বুলি সজোৰে দাবী উত্থাপন কৰিছে। বিগত সময়ছোৱাত ৰিহণ দৈমাৰীয়ে কেবিনেট মন্ত্ৰী লাভ কৰাৰ পাছতো নিজৰ গৃহ সমষ্টিৰ অন্তৰ্গত মেৰবাংচুৰা গাঁৱৰ ৰাইজৰ বাট পথ দলং আধুনিকীকৰণ নকৰাকৈ ২০ বছৰ অতিক্ৰম কৰিলে। এইটো চৰম লজ্জাজনক কথা বুলিও অভিহিত কৰে স্থানীয় ৰাইজে। ৰাইজে অতি শীঘ্ৰে তেওঁলোকৰ উক্ত পথটো পুনৰ নিৰ্মাণ কৰাৰ লগতে অন্যান্য সমস্যাসমূহ সমাধান কৰিবলৈ সংশ্লিষ্ট বিভাগৰ ওচৰত দাবী জনাইছে।

মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদনৰ নামত

তিনি পৃষ্ঠাৰ পৰা অন্যথা মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদন লাভ কৰাত কিছু পলম হ'ব বুলি কয়। কন্যাক হেৰুৱাই মানসিকভাৱে ভাগি পৰা দুৰ্ভগীয়া পৰিয়ালটোৱে মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদন নিয়াৰ বাবে ১০-১২ দিন চিকিৎসালয়লৈ আহিয়ে কোনো সুফল নোপোৱাত উপায়ান্তৰ হৈ নীলিমাৰ পিতৃ হোমেশ্বৰ বড়োই হালৰ গৰু বিক্ৰী কৰি দুটা কিস্তিত চিকিৎসকজনক ২০ হেজাৰ টকা দিয়ে। অৱশ্যে চিকিৎসকজনৰ কৰ্ম-কাণ্ডক লৈ অতিষ্ঠ পৰিয়ালটোৱে মানৱ সেৱাৰ নামত ব্যৱসায় আৰম্ভ কৰা চিকিৎসকজনক ধন দিয়াৰ সময়ত এই সমগ্ৰ দৃশ্য নিজৰ ম'বাইলত আবদ্ধ কৰি ৰাখে। তাৰ পাছতো কিন্তু চিকিৎসকজনৰ কুকীৰ্তি ফাদিল নকৰি কন্যাৰ মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদনৰ বাবে অপেক্ষা কৰে। কিন্তু আজিলৈকে ভুক্তভোগী পৰিয়ালটোৱে মৰণোত্তৰ পৰীক্ষাৰ প্ৰমাণপত্ৰ পাবলৈ সক্ষম নহ'ল। ইফালে, স্বামীৰ পৰিয়ালে কন্যাক হত্যা কৰাৰ অভিযোগৰ তদন্ত বিচাৰি সৰ্বস্বান্ত হোৱা নীলিমাৰ পিতৃ পৰিয়ালে সমগ্ৰ বিষয়টো জিলা আৰক্ষী অধীক্ষকক অৱগত কৰে। কিন্তু তাৰপাছতো কোনো সুফল নোপোৱাত আজি সংবাদ মাধ্যমক চিকিৎসক ডাঃ তেৰণে মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদনৰ নামত উৎকোচ লোৱাৰ সমগ্ৰ দৃশ্য সংবাদ মাধ্যমক প্ৰদান কৰে। সম্প্ৰতি চিকিৎসকজনৰ এই কৰ্মকাণ্ড পোহৰলৈ অহাত জিলাখনত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। মানৱ সেৱাৰ দৰে পৱিত্ৰ বৃত্তিত জড়িত হৈও বাগসাৰ এই ঘোচখোৰ চিকিৎসকজনৰ বিৰুদ্ধে এতিয়া স্বাস্থ্য বিভাগৰ লগতে জিলা প্ৰশাসনে কি পদক্ষেপ গ্ৰহণ কৰে সেয়া লক্ষণীয় হ'ব। উল্লেখ্য যে চিকিৎসকজনে পূৰ্বেও গাড়ী চালনাত অনুজ্ঞাপত্ৰৰ প্ৰ-পত্ৰত চিকিৎসকৰ আপত্তিবিহীন প্ৰমাণপত্ৰ দিয়াৰ নামত প্ৰতিজনৰ পৰা এশ টকাকৈ উৎকোচ লোৱাৰ ভিডিঅ' ভাইৰেল হৈছিল। যি সময়ত ক'ভিড-১৯এ ৰাজ্যত ভয়াৱহ পৰিস্থিতিৰ সৃষ্টি কৰিছে, ইয়াকে লৈ বিভাগীয় মন্ত্ৰীৰ পৰা চিকিৎসকৰ লগতে ৱাৰ্ড বয়ৰ লগতে ৰাইজক সেৱা আগবঢ়াই আহিছে সেই সময়তে মৰণোত্তৰ পৰীক্ষাৰ নামত চিকিৎসকজনৰ এনে উৎকোচ গ্ৰহণৰ দৃশ্যত ঘৃণাত নাক কোঁচাইছে বহুজনে।

কংগ্ৰেছ-ইউ ডি এফসহ দল-সংগঠনৰ

এক পৃষ্ঠাৰ পৰা পূৰ্বৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ ঠাইত ড° হিমন্ত বিশ্ব শৰ্মাক স্থলাভিষিক্ত কৰাত আনন্দৰ জোৱাৰ উঠিছে বিজেপি কৰ্মী-সমৰ্থকৰ মাজত। ড° শৰ্মা মুখ্যমন্ত্ৰীৰূপে নিৰ্বাচিত হোৱাত ৰাজ্যজুৰি দলীয় সমৰ্থকসকলে আৱতৰীয়া দীপাৱলীৰ সৃষ্টি কৰে। ইপিনে, একক সংখ্যাগৰিষ্ঠতা লাভ কৰিও দ্বিতীয়বাৰৰ বাবে মুখ্যমন্ত্ৰীৰ আসনৰ পৰা বঞ্চিত হোৱাত নিমাওমাও পৰিৱেশ বিৰাজ কৰিছে মাজুলীৰ সৰ্বত্ৰে।

এআইইউডিএফৰ শুভেচ্ছা

অসমৰ পৰৱৰ্তী মুখ্যমন্ত্ৰীৰূপে ড° হিমন্ত বিশ্ব শৰ্মা নিৰ্বাচিত হোৱাত আদৰণি জনাইছে এআইইউডিএফে। দলটোৰ সভাপতি বদৰুদ্দিন আজমলে এক বিবৃতিত কয়, 'বিভিন্ন সময়ত বিভিন্ন সভাত মুখ্যমন্ত্ৰী পদৰ প্ৰাৰ্থীৰূপে ড° হিমন্ত বিশ্ব শৰ্মা এজন দক্ষ ব্যক্তি বুলি উল্লেখ কৰিছিলো। এই কথা আজি বাস্তৱত পৰিণত হ'ল।' ধুবুৰীৰ সাংসদজনে লগতে কয় যে ড° শৰ্মাই অভিজ্ঞতা আৰু পাৰদৰ্শিতাৰ জৰিয়তে অসমক আজিৰ এই জটিল পৰিস্থিতিত মোকাবিলা কৰিবলৈ সক্ষম হ'ব। তেওঁৰ অনাগত কাৰ্যকালৰ বাবে সভাপতিজনে শুভেচ্ছা জ্ঞাপন কৰে।

প্ৰদেশ কংগ্ৰেছৰ অভিনন্দন

বিজেপিৰ বিধায়িনী দলৰ তথা মিত্ৰজোঁটৰ নেতাৰূপে নিৰ্বাচিত হোৱাত ড° হিমন্ত বিশ্ব শৰ্মাক অভিনন্দন জনাইছে অসম প্ৰদেশ কংগ্ৰেছ কমিটীয়ে। এক বিবৃতিত প্ৰদেশ কংগ্ৰেছৰ সাধাৰণ সম্পাদক তথা জ্যেষ্ঠ মুখপাত্ৰ অপূৰ্ব কুমাৰ ভট্টাচাৰ্যই কয় যে কাইলৈ ৰাজ্যখনত পৰৱৰ্তী মুখ্যমন্ত্ৰীৰূপে শপত গ্ৰহণৰ লগতে দায়িত্ব গ্ৰহণ কৰিবলগীয়া ড° শৰ্মাৰ প্ৰতি আমাৰ আন্তৰিক শুভেচ্ছা যাচিলো। লগতে পৰৱৰ্তী কালত ৰাজ্যখনৰ সকলো উন্নয়নমূলক কামত যোগাত্মক সহযোগিতা আগবঢ়াবলৈ উল্লেখ কৰি তেওঁ সাম্প্ৰতিক সময়ত ক'ভিড মহামাৰী সৃষ্ট পৰিস্থিতিৰ মোকাবিলা কৰাৰ লগতে জনসাধাৰণৰ জীৱন আৰু জীৱিকা সুৰক্ষিত ৰাখিবলৈ গ্ৰহণ কৰা প্ৰতিটো পদক্ষেপতে কংগ্ৰেছৰ লগতে মহাজোঁটৰ অংশীদাৰ সকলো দলৰে সমৰ্থন অব্যাহত থাকিব বুলি কয়।

অসম জাতীয় পৰিষদৰ অভিনন্দন

ইপিনে, এইবাৰৰ বিধানসভা নিৰ্বাচনত সংখ্যাগৰিষ্ঠতা লাভ কৰা বিজেপিয়ে ড° হিমন্ত বিশ্ব শৰ্মাক বিধায়িনী দলৰ নেতা নিৰ্বাচিত কৰাত অসম জাতীয় পৰিষদে অভিনন্দন জ্ঞাপন কৰিছে। এক বিবৃতিত দলৰ সভাপতি লুৰীণজ্যোতি গগৈ আৰু সাধাৰণ সম্পাদক জগদীশ ভূঞাই কয় যে বৰ্তমানৰ জটিল সময়ত মুখ্যমন্ত্ৰীৰূপে দায়িত্ব লাভ কৰি ড° শৰ্মাই নিঃসন্দেহে প্ৰত্যাহ্বানৰ মোকাবিলা কৰিব লাগিব। এনে জটিল পৰিস্থিতিত জাতীয় পৰিষদে এটা যোগাত্মক বিৰোধী দলৰূপে প্ৰয়োজনীয় সহযোগিতা আগবঢ়াব। আনহাতে, যোগাত্মক বিৰোধী দলৰ ভূমিকা পালন কৰি জাতীয় পৰিষদে চৰকাৰৰ কাম-কাজ পৰ্যবেক্ষণ কৰি থাকিব বুলি উল্লেখ কৰি জাতীয় পৰিষদৰ সভাপতি আৰু সাধাৰণ সম্পাদকে অনাগত দিনত জাতীয় স্বাৰ্থ জড়িত বিষয়ত যাতে নতুন চৰকাৰখনে আপোচ নকৰে তাৰ বাবেও নতুন মুখ্যমন্ত্ৰীজনেও সচেষ্ট হৈ থাকিব বুলি আশা প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীৰূপে শপত গ্ৰহণৰ পূৰ্বে ড° শৰ্মালৈ আগতীয়া অভিনন্দন জনাই জাতীয় পৰিষদে তেওঁৰ সুস্বাস্থ্য আৰু অধিক কৰ্মদক্ষতাও কামনা কৰে।

বৰক'লা শিখ সমাজৰ অভিনন্দন

নগাঁৱৰ বিশেষ সংবাদদাতা/বেবেজীয়াৰ অগ্ৰদূত বাৰ্তা ঃ অসমৰ নৱনিৰ্বাচিত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰিছে নগাঁও জিলাৰ বৰক'লাৰ অসমীয়া শিখ সমাজে। ঐতিহ্যমণ্ডিত বৰক'লাত এক সমন্বয়ৰ আদৰ্শ গঢ়িবলৈ সক্ষম হোৱা শিখ সমাজে আগন্তুক সময়ত এজন দক্ষ আৰু গতিশীল মুখ্যমন্ত্ৰীৰ নেতৃত্বত অসম উন্নতিৰ শিখৰত আগুৱাই যাব বুলি আশা প্ৰকাশ কৰে। ড° শৰ্মাক বিজেপি আৰু মিত্ৰজোঁট চৰকাৰে নেতাৰূপে নিৰ্বাচিত কৰাত সকলোৰে প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰে শিখ সমাজৰ সভাপতি চন্তৰ সিং আৰু বিত্ত সম্পাদক দৰবৰ সিঙে।

বিটিএডিৰ সাংবাদিক সন্থাৰ অভিনন্দন

মুছলপুৰৰ অগ্ৰদূত বাৰ্তা ঃ বিজেপি চৰকাৰৰ দ্বিতীয়টো কাৰ্যকালৰ মুখ্যমন্ত্ৰীৰূপে আজি নিৰ্বাচিত হোৱা ড° হিমন্ত বিশ্ব শৰ্মাক অভিনন্দন জ্ঞাপন কৰিছে বিটিএডিৰ সাংবাদিক সন্থাই। আজি এক বিবৃতিযোগে সন্থাৰ কেন্দ্ৰীয় উপ-সভাপতি নীৰেণ কুমাৰ শৰ্মাই কয় যে বিগত সময়ত সাংবাদিকসকলে বহু নিৰাপত্তাহীনতাত ভুগি আহিছে। আজিলৈকে কোনো এখন চৰকাৰে সাংবাদিকসকলৰ সমস্যা সমাধান কৰিবলৈ আগ্ৰহ প্ৰকাশ নকৰিলে। বিগত ১৯৯১ৰ পৰা ২৫ গৰাকীতকৈ অধিক সাংবাদিক ছহিদ হ'ল। সন্থাই এইসকল ছহিদ সাংবাদিকসকলৰ পৰিয়ালৰ সদস্যৰ পৰ্যায়ক্ৰমে কৰ্ম সংস্থাপনৰ ব্যৱস্থা কৰিবলৈও নতুন মুখ্যমন্ত্ৰীক দাবী জনায়। তদুপৰি নৱনিযুক্ত মুখ্যমন্ত্ৰীয়ে ৰাজ্যত সকলো সাংবাদিকৰ সমস্যা সমাধান কৰিব বুলিও আশা প্ৰকাশ কৰে। একেদৰে মুছলপুৰ প্ৰেছ ক্লাবত সভাপতি কাৰ্তিক, বিটিএডিৰ সাংবাদিক সন্থা বাগ্‌সা জিলাৰ সভানেত্ৰী জুলিমা ডেকা আৰু কাৰ্যকৰী সভাপতি বিনয় কুমাৰ বড়ো, জুৱাৰ বাগ্‌সা জিলা সমিতিৰ সভাপতি দামোদাৰ তালুকদাৰ আদিয়ে ড° শৰ্মাক অভিনন্দন জ্ঞাপন কৰে।

দৰঙত আনন্দ-উল্লাস

দৰঙৰ অগ্ৰদূত বাৰ্তা ঃ অসমৰ ১৫ সংখ্যক মুখ্যমন্ত্ৰীৰূপে ড° হিমন্ত বিশ্ব শৰ্মাৰ নাম আজি সৰ্বসন্মতভাৱে বিধায়িনী দলে বাছনি কৰাত দৰঙত সৰ্বত্ৰে আনন্দৰ জোৱাৰ উঠিছে। ক'ভিড প্ৰট'কলৰ বাবে ৰাজপথত মুকলিকৈ ৰাইজে আনন্দ প্ৰকাশ কৰিব পৰা নাই যদিও ইতিমধ্যে বিভিন্ন মাধ্যমেৰে আনন্দ প্ৰকাশ কৰা পৰিলক্ষিত হৈছে। মঙলদৈৰ প্ৰাক্তন বিধায়ক গুৰুজ্যোতি দাস, বৰ্তমানৰ বিধায়ক বসন্ত দাস, বিজেপিৰ ৰাজ্যিক উপ-সভাপতি নীলিমা দেৱী, মঙলদৈ মিডিয়া চাৰ্কোলৰ সভাপতি হিতেশ হাজৰিকা, সদৌ দৰং কোচ ৰাজবংশী সন্মিলন, মঙলদৈ ক্ৰীড়া সন্থা, স্বেচ্ছাসেৱী সংগঠন মানুহে মানুহৰ বাবে আদিকে ধৰি বিভিন্ন সংগঠনে নৱনিৰ্বাচিত মুখ্যমন্ত্ৰীজনক শুভেচ্ছা জ্ঞাপন কৰে।

মৰাণত মৰাণৰ দল-সংগঠনৰ শুভেচ্ছা

মৰাণৰ অগ্ৰদূত বাৰ্তা ঃ সকলো জল্পনা-কল্পনাৰ অন্ত পেলাই আজি বিজেপি মিত্ৰজোঁটৰ নতুন মুখ্যমন্ত্ৰীৰূপে ড° হিমন্ত বিশ্ব শৰ্মাৰ নাম ঘোষণা কৰাত মৰাণৰ বিভিন্ন দল-সংগঠনে শুভেচ্ছা জ্ঞাপন কৰিছে। তাই আহোম যুৱ পৰিষদ, মৰাণ ব্যৱসায়ী সন্থা, মৰাণৰ জ্যেষ্ঠ নাগৰিক সমাজেও মুখ্যমন্ত্ৰীজনক শুভেচ্ছা জ্ঞাপন কৰে।

নতুন মুখ্যমন্ত্ৰীলৈ অভিনন্দন 'আগেটা'ৰ

জুৰীয়াৰ অগ্ৰদূত বাৰ্তা ঃ ৰাজ্যৰ পৰৱৰ্তী মুখ্যমন্ত্ৰীৰূপে ড° শৰ্মাক দায়িত্ব অৰ্পণ কৰাৰ বাবে 'সদৌ অসম স্নাতক প্ৰাথমিক শিক্ষক সন্থা' (আগেটা)ৰ তৰফৰ পৰা শুভেচ্ছা জ্ঞাপন কৰিছে। এক বিবৃতিত সন্থাৰ সভাপতি ভূপেন চন্দ্ৰ সুত আৰু সাধাৰণ সম্পাদক ফকৰুল ইছলামে কয় যে মেধাৰ ভিত্তিত শিক্ষক নিযুক্তি প্ৰক্ৰিয়াৰে অসমৰ চৰকাৰী শিক্ষাখণ্ডৰ বিদ্যালয়সমূহক নতুন মাত্ৰা প্ৰদান কৰি ৰাজ্যৰ শিক্ষাখণ্ডত আমূল পৰিৱৰ্তনৰ সূচনা কৰি নিজৰ দক্ষতাৰ পৰিচয় দাঙি ধৰিছিল তেনে দক্ষতাৰে পৰৱৰ্তী কালছোৱাত অসমৰ প্ৰাথমিক বিদ্যালয়সমূহৰ বিভিন্ন সমস্যাসমূহ সমাধানৰ দায়িত্ব ল'ব বুলি আশা প্ৰকাশ কৰে।

অসম নাগৰিক মঞ্চৰ শুভেচ্ছা

হোজাইৰ অগ্ৰদূত বাৰ্তা ঃ পূৰ্বৰ চৰকাৰৰ জ্যেষ্ঠ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ৰাজ্যৰ নতুন মুখ্যমন্ত্ৰীৰূপে নিৰ্বাচিত হোৱাত অসম নাগৰিক মঞ্চই শুভেচ্ছা জ্ঞাপন কৰিছে। মঞ্চৰ সম্পাদক বিজয় চক্ৰৱৰ্তীয়ে এক বিবৃতিত কয় যে ৰবীন্দ্ৰনাথ ঠাকুৰৰ ১৬০ সংখ্যক জন্ম জয়ন্তীত অসমে এজন বাঙালী প্ৰেমী মুখ্যমন্ত্ৰী লাভ কৰিলে। যিজনে সৰ্বানন্দ সোণোৱাল চৰকাৰৰ শিক্ষামন্ত্ৰীৰূপে বাঙালী প্ৰধান হোজাইত ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয় স্থাপন কৰি আশীৰ্বাদ লাভ কৰিছে। সেয়েহে আজি তেওঁ অসমৰ ১৫ সংখ্যক মুখ্যমন্ত্ৰী হ'বলৈ গৈ থকাত হোজাইৰ সমূহ বাঙালী সংগঠনসমূহে অভিনন্দন জ্ঞাপন কৰে।

বিধায়ক ৰূপজ্যোতি কুৰ্মীৰ অভিনন্দন

মৰিয়নিৰ অগ্ৰদূত বাৰ্তা ঃ মৰিয়নিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে নৱনিযুক্ত মুখ্যমন্ত্ৰী ড° শৰ্মাক আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছে। এক বিবৃতিত তেওঁ অনাগত সময়ত অসমে এজন সুদক্ষ মুখ্যমন্ত্ৰী লাভ কৰিব বুলি আশা প্ৰকাশ কৰি নিৰ্বাচনৰ পূৰ্বে তেওঁ ৰাইজৰ আগত দিয়া প্ৰতিশ্ৰুতিসমূহ পূৰণ কৰিবলৈ দাবী জনায়। নিৰ্বাচনৰ সময়ত ড° শৰ্মাই দিয়া ভাষণ আৰু প্ৰতিশ্ৰুতিসমূহ সম্পূৰ্ণৰূপে কেৱল ফুলজাৰি নহ'বলৈ কামনা কৰি সেয়া পূৰণ কৰাৰ লগতে বিৰোধী দলসমূহকো নতুন মুখ্যমন্ত্ৰীজনক সন্মান দিবলৈ আহ্বান জনায়।

কোচ ৰাজবংশী সন্মিলনীৰ শুভেচ্ছা

কমতাপুৰ স্বায়ত্ত শাসিত পৰিষদৰ কাৰ্যবাহী সদস্য তথা সদৌ অসম কোচ ৰাজবংশী সন্মিলনীৰ সাধাৰণ সম্পাদক হিমু ৰাজবংশীয়ে নৱ নিৰ্বাচিত মুখ্যমন্ত্ৰী শৰ্মাক আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছে। এক বিবৃতিত তেওঁ বিজেপি নেতৃত্বাধীন চৰকাৰখনৰ নতুন মুৰব্বীজনে ৰাজ্যখনত দক্ষতাৰে সকলো সমস্যা সমাধান কৰিবলৈ সক্ষম হ'ব বুলি আশা প্ৰকাশ কৰে।

মাজুলীৰ সৰ্বত্ৰে নিমাওমাও পৰিৱেশ

কমলাবাৰীৰ অগ্ৰদূত বাৰ্তা ঃ নতুন মুখ্যমন্ত্ৰীৰূপে ড° হিমন্ত বিশ্ব শৰ্মা বাছনি হোৱাত ৰাজ্যজুৰি বিভিন্ন দল-সংগঠনে অভিনন্দন জনোৱাৰ লগতে আনন্দ-উল্লাস প্ৰকাশ কৰাৰ বিপৰীতে মাজুলীত সৰ্বত্ৰে এতিয়া নিমাওমাও পৰিৱেশ বিৰাজ কৰিছে। উল্লেখ্য যে মাজুলী বিধানসভা সমষ্টিক প্ৰতিনিধিত্ব কৰি অসমৰ মুখ্যমন্ত্ৰীৰ আসন অলংকৃত কৰা সৰ্বানন্দ সোণোৱাল দ্বিতীয়টো কাৰ্যকালত মুখ্যমন্ত্ৰী পদৰ পৰা বঞ্চিত হোৱাত মাজুলীবাসীয়ে তীব্ৰ অসন্তুষ্টি প্ৰকাশ কৰিছে। সমগ্ৰ ৰাজ্যৰ লগতে সমস্যা বহুল বিশ্বৰ বৃহত্তৰ নদীদ্বীপটোৰ সমস্যাসমূহ একাদিক্ৰমে সমাধান কৰাত মনোনিৱেশ কৰা মুখ্যমন্ত্ৰী সোণোৱালে মাজুলীবাসীয়ে কোনো দিনে আশা নকৰা বহুতো প্ৰকল্প জিলাখনত ৰূপায়ণ কৰিছিল। সোণোৱাল দ্বিতীয়বাৰৰ বাবে মুখ্যমন্ত্ৰীৰ আসন অলংকৃত কৰি আধৰুৱা কামসমূহ সমাধান কৰিব বুলি মাজুলীবাসীয়ে আশা প্ৰকাশ কৰিছিল যদিও আদৰৰ নেতাজনক মুখ্যমন্ত্ৰীৰূপে নাপাই এতিয়া গভীৰ হতাশাত ভুগিছে মাজুলীবাসীয়ে। বিগত এসপ্তাহজোৰা উৎকণ্ঠাৰ অন্তত আজি দুপৰীয়া সকলো জল্পনা-কল্পনাৰ অন্ত পেলাই বিধায়িনী দলৰ নেতাৰূপে ড° শৰ্মা সৰ্বসন্মতিক্ৰমে নিৰ্বাচিত হোৱাত মাজুলীবাসীৰ মাজত এক গোমা পৰিৱেশৰ সৃষ্টি হয়। বিশেষকৈ বিজেপিৰ নেতা-কৰ্মীসকল দুখত ম্ৰিয়মাণ হৈ পৰিছে। কাৰণ মাজুলীবাসীয়ে কোনো দিনে নভবা যোৰহাট-মাজুলী সংযোগী দলং, মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়, আয়ুৰ্বেদিক মহাবিদ্যালয়, জিলাখনৰ জল আৰু স্থল যাতায়াতৰ ক্ষেত্ৰত আমূল পৰিৱৰ্তন, হেলিপৰ্ট নিৰ্মাণৰ উপৰি অন্যান্য বিভাগসমূহৰ জৰিয়তে মুখ্যমন্ত্ৰীৰূপে সোণোৱালে মাজুলীলৈ পৰিৱৰ্তনৰ জোৱাৰ আনিছে। তদুপৰি দ্বিতীয়বাৰ মুখ্যমন্ত্ৰী হৈ জিলাখনৰ পিছ পৰি ৰোৱা বানপানী আৰু খহনীয়াৰ সমস্যাৰ সমাধান, স্বাস্থ্য আৰু শিক্ষাৰ ক্ষেত্ৰত থকা সমস্যাসমূহ সমাধান কৰিব বুলি আশা কৰিছিল যদিও আজি দ্বিতীয়বাৰ মুখ্যমন্ত্ৰীৰূপে নাপাই হতাশাত ভুগিছে মাজুলীবাসীয়ে। দুপৰীয়া মুখ্যমন্ত্ৰী সোণোৱালে পদত্যাগ কৰাৰ বাতৰি বিয়পি পৰাৰ লগে লগে মাজুলীত এক নিমাওমাও পৰিৱেশৰ সূচনা হয়। মাজুলীবাসীয়ে অহা পাঁচটা বছৰ বিধায়কৰূপে সোণোৱালক মাজুলীবাসীৰ কাষত থাকি কাম কৰি যাবলৈ আহ্বান জনাই কয় যে মাজুলীবাসীৰ হৃদয়ত সোঁৱৰণী হৈ চিৰদিনলৈ থাকি যাব সোণোৱাল। ইপিনে, নৱ নিৰ্বাচিত মুখ্যমন্ত্ৰী ড° শৰ্মাক আদৰণি জনাই প্ৰাক্তন মুখ্যমন্ত্ৰী সোণোৱালৰ সপোনৰ মাজুলীখন নিৰ্মাণত সহযোগিতা আগবঢ়াবলৈ আহ্বান জনাইছে মাজুলীৰ সত্ৰাধিকাৰৰ লগতে বিশিষ্ট ব্যক্তিসকলে। আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱগোস্বামী, মাজুলী জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা সত্ৰীয়া সংস্কৃতিৰ সাধক নতুন কমলাবাৰী সত্ৰৰ প্ৰভাত বুঢ়াভকতকে ধৰি বিভিন্নজনে অভিনন্দন জ্ঞাপন কৰিছে।

শিঙিমাৰীত আনন্দ বিজেপিৰ কৰ্মী-সমৰ্থকৰ

হাজোৰ অগ্ৰদূত বাৰ্তা, ৯ মে' ঃ ইফালে ৰাজ্যৰ সৰ্বত্ৰে হিমন্ত বিশ্ব শৰ্মাই মুখ্যমন্ত্ৰী লাভ কৰাত আনন্দ উল্লসিত হৈ পৰিছে অগপ-বিজেপি সমৰ্থকসকল। হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ আসন লাভ কৰাত কামৰূপ জিলাৰ শিঙিমাৰীত একাংশ বিজেপি সমৰ্থকে ফটকা ফুটাই আনন্দ-উল্লাহ কৰা পৰিলক্ষিত হৈছে। দীঘলীয়া ৰাজনীতিৰে ৰাজ্যত প্ৰভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হোৱা শৰ্মাক মুখ্যমন্ত্ৰীৰ বাবে নিৰ্বাচিত কৰাত বিভিন্ন অঞ্চলৰ লগতে শিঙিমাৰীতো দেখা গৈছে আনন্দ-উল্লাহ।

'আশ্বাস'ৰ অভিনন্দন

ৰঙিয়াৰ অগ্ৰদূত বাৰ্তা ঃ ৰাজ্যৰ নৱ নিৰ্বাচিত মুখ্যমন্ত্ৰী ড° শৰ্মাক আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছে অসম ৰেলযাত্ৰী সন্থাই। এক বিবৃতিত সন্থাৰ সাধাৰণ সম্পাদক দীপাংকৰ শৰ্মাই নৱ নিৰ্বাচিত মুখ্যমন্ত্ৰীজনক সকলো ধৰণৰ আশ্বাস প্ৰদান কৰে। আনহাতে, বিবৃতিটোত তেওঁ অসমৰ অসংগঠিত ক্ষেত্ৰত কাম কৰা কৰ্মচাৰী, ক্ষুদ্ৰ ব্যৱসায়ী তথা ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা গুৱাহাটীলৈ সৰু-সুৰা কাম কৰি সংসাৰ পোহপাল দিয়া দুখীয়া ৰাইজৰ জীৱনৰেখা স্থানীয় ৰেল বিশেষকৈ মানাহ ৰাইন' যাত্ৰীবাহী ৰেলসহ অন্যান্য ৰেলসমূহ ক'ভিডৰ গইনা লৈ বন্ধ নকৰিবলৈ আহ্বান জনায়। তেওঁ কয় যে ক'ভিডৰ বিৰুদ্ধে ৰাজ্যৰ প্ৰতিগৰাকী সচেতন ব্যক্তিয়ে পাৰ্যমানে যুঁজ দি আহিছে। ইয়াৰ মাজতে ৰাজ্যৰ সাধাৰণ ৰাইজে নিজৰ নিজৰ জীৱন বচাবলৈ নিজ নিজ কৰ্মক্ষেত্ৰত নামি পৰিছে। সেয়েহে কোনো পৰিস্থিতিতে মানাহ ৰাইন' যাত্ৰীবাহী ৰেলসহ অন্য অন্য স্থানীয় ৰেলসমূহ বন্ধ নকৰিবলৈ তেওঁক দাবী উত্থাপন কৰে।

দৈনিক অগ্রদূত

দেশ-দেশান্তৰ

গুৱাহাটী, ১০ মে', ২০২১ সোমবাৰ, পৃষ্ঠা ৭

এবছৰ ধৰি সংগীৰ স'তে ঘৰতে থাকিও কৰ'নাত আক্রান্ত লেখিকা তছলিমা

নিউজ ব্যুৰ', নতুন দিল্লী, ৯ মে' ঃ কৰ'নাত সংক্রমিত হ'ল বাংলাদেশৰ স্বনির্বাসিত লেখিকা তছলিমা নাছৰিণ। টুইট কৰি আজি এই কথা প্রকাশ কৰি কৰ'নাত আক্রান্ত হোৱাৰ বাবে আশ্চর্য প্রকাশ কৰিলে বিতর্কিত লেখিকাগৰাকীয়ে। বিগত এবছৰ ধৰি তছলিমাই নিজকে ঘৰতে আবদ্ধ ৰাখিছে। তেওঁৰ ঘৰলৈকো কোনো ব্যক্তি ইমানদিনে অহা নাই। কিন্তু তাৰ পাছতো কেনেকৈ কৰ'নাত সংক্রমিত হ'ল বুলি উদ্বিগ্নতা প্রকাশ কৰিলে তছলিমাই। তছলিমাই টুইট কৰি কয়, 'অকলশৰীয়া ঘৰটোত মোৰ সংগী কেৱল এটা মেকুৰী। কিন্তু ইয়াৰ পাছতো মই ক'ভিডত আক্রান্ত। কেনেকৈ সংক্রমিত হ'লো সেই কথা জানিব পৰা হ'লে?' ঘৰৰ বাহিৰলৈ নোলোৱাকৈ আৰু আন কোনো ব্যক্তিৰ সংস্পর্শলৈ নহাৰ পাছতো তছলিমা ক'ভিডক সংক্রমিত হোৱাক লৈ চিন্তা প্রকাশ কৰিলে চিকিৎসকলকলে। উল্লেখ্য যে যোৱা বছৰত ভাৰতত দিল্লীৰ নিজামুদ্দিনত হোৱা তবলিগি জামাতৰ সন্মিলনক কৰ'না সংক্রমণৰ বাবে জগৰীয়া কৰিছিল তছলিমাই। তবলিগি জামাতত নিষিদ্ধ কৰিবলৈকো বাংলাদেশী মূলৰ বিতর্কিত লেখিকাগৰাকীয়ে দাবী জনাইছিল।

ব্রিটেইনত আগষ্টত নিয়ন্ত্রণলৈ আহিব ক'ভিড সংক্রমণ ঃ গৱেষক

নিউজ ব্যুৰ', লণ্ডন, ৯ মে' ঃ ব্রিটেইনত শেহতীয়াভাৱে পুনৰ কৰ'নাৰ সংক্রমণ বৃদ্ধি পাইছে। এইবাৰ দেশখনত কৰ'নাৰ ভাৰতীয় ষ্ট্রে'নৰ সংক্রমণ দ্রুতগতিত বিয়পিছে। এই সংক্রমণ ইমানে দ্রুত হৈছে যে ব্রিটিছ জনস্বাস্থ্য বিশেষজ্ঞসকল চিন্তিত হৈছে। কৰ'নাৰ এনে সংক্রমণৰ মাজতে ভেকচিন টাস্ক ফ'ৰ্চৰ বিদায়ী মুৰব্বী ক্লাইভ ডিক্সে দাবী কৰি কয় যে অহা আগষ্টৰ ভিতৰতে ব্রিটেইনত সম্পূর্ণৰূপে নিয়ন্ত্রণলৈ আহিব ক'ভিডৰ সংক্রমণ। এখন ব্রিটিছ সংবাদপত্রৰ স'তে হোৱা সাক্ষাৎকাৰত ডিক্সে কয়, 'আগষ্টৰ ভিতৰতে ব্রিটেইনত আৰু ভাই�ৰাছটোৰ সংক্রমণ নাথাকিব।' তেওঁ লগতে কয় যে ২০২২ৰ আৰম্ভণিতে ব্রিটেইন চৰকাৰে দেশবাসীক প্রতিষেধকৰ বুষ্টাৰ পালি প্রদান আৰম্ভ কৰিব। বর্তমানে স্বাস্থ্য বিজ্ঞানীয়ে সবাতোকৈ কার্যকৰী বুষ্টাৰৰ সন্ধানত গৱেষণা অব্যাহত ৰাখিছে বুলিও ভেকচিন টাস্ক ফ'ৰ্চৰ বিদায়ী মুৰব্বীজনে জানিবলৈ দিয়ে। অহা জুলাইৰ ভিতৰত দেশৰ সকলো বাসিন্দাই প্রতিষেধকৰ কমেও এপালিৰ যোগান লাভ কৰিব বুলিও ডিক্সে মন্তব্য কৰে। প্রতিষেধক সকলোৰে লাভ কৰাৰ ফলত অহা আগষ্টৰ ভিতৰত ব্রিটেইন কৰ'নামুক্ত হ'ব পাৰিব বুলি বিশেষজ্ঞজনে মত প্রকাশ কৰে।

এসপ্তাহলৈ দিল্লীত তলাবন্ধ বৃদ্ধি, সম্পূর্ণ বন্ধ মেট্র' ৰেল

নিউজ ব্যুৰ'

নতুন দিল্লী, ৯ মে' ঃ দিল্লীত তলাবন্ধৰ ম্যাদ পুনৰ এসপ্তাহলৈ বৃদ্ধি কৰিলে। আজি দিল্লীৰ মুখ্যমন্ত্রী অৰবিন্দ কেজৰিৱালে এই কথা ঘোষণা কৰি কয়, 'দিল্লীত সংক্রমণৰ হাৰ কমিছে, কিন্তু আমি এতিয়াই শিথিল কৰিব নোৱাৰো। আমি তলাবন্ধৰ ম্যাদ বৃদ্ধি কৰিব লাগিব। বর্তমানে দিল্লীত সংক্রমণৰ হাৰ ৩৫ শতাংশৰ পৰা ২৩ শতাংশলৈ হ্রাস পাইছে। চিকিৎসকলকলে প্রকাশ কৰা মতে, এই পৰিসংখ্যাও যথেষ্ট। আমি স্বাস্থ্য সেৱাৰ আন্তঃগাঁথনিৰ উন্নয়নৰ বাবে তলাবন্ধৰ সময়ক ব্যৱহাৰ কৰিছো। দিল্লীৰ মূল সমস্যা আছিল অক্সিজেনৰ সমস্যা। কেন্দ্রৰ সাহায্যত অৱস্থা এতিয়া উন্নত হৈছে। অহা ১৫ মে'ৰ পুৱা পাঁচ বজালৈকে তলাবন্ধ বাহাল থাকিব। এই সময়ছোৱাত দিল্লীত মেট্র' ৰেলৰ সেৱাও বন্ধ থাকিব।'

কাবুলত বোমা বিস্ফো�ৰণত নিহত কমেও ৫০ জন লোক

নিউজ ব্যুৰ', কাবুল, ৯ মে' ঃ আফগানিস্তানৰ ৰাজধানী কাবুলৰ শিয়া অধ্যুষিত পশ্চিম অঞ্চলত যোৱা নিশা এখন বিদ্যালয়ৰ কাষত হোৱা বোমা বিস্ফো�ৰণৰ ঘটনাত কমেও ৫০ জন লোকৰ মৃত্যু হ'ল। এই ঘটনাত ১২ জনৰো অধিক লোক গুৰুতৰভাৱে আহত হৈছে। আফগান চৰকাৰে আজি এই কথা প্রকাশ কৰি জনোৱা মতে, দস্ত-এ-বাৰচি অঞ্চলত অৱস্থিত ছৈয়দ-অল-ছাহদা বিদ্যালয়ৰ কাষতে এই বিস্ফোৰণ সংঘটিত হৈছিল। বিস্ফোৰণৰ আঁৰত তালিবান বিদ্রোহী জড়িত থকাৰ সন্দেহ কৰা হৈছে। প্রত্যক্ষদর্শীয়ে প্রকাশ কৰা মতে, অঞ্চলটোত তিনিটাকৈ প্রকাণ্ড বিস্ফোৰণ হৈছিল। এতিয়ালৈকে কোনো দল-সংগঠনে বিস্ফোৰণৰ দায়িত্ব স্বীকাৰ কৰা নাই।

আমেৰিকাৰ চেণ্টাৰ ফৰ ডিজিজ কন্ট্র'ল এণ্ড প্রিভেনচনৰ সকীয়নি, দাবী অস্বীকাৰ ভা�ৰতৰ

বতাহৰে বিয়পিছে ভাই�ৰাছ, ঘৰৰ বাহিৰত বেছি সময় নাথাকিব

নিউজ ব্যুৰ'

ৱাশ্বিংটন, ৯ মে' ঃ আমেৰিকাৰ চেণ্টাৰ ফৰ ডিজিজ কন্ট্র'ল এণ্ড প্রিভেনচন (চি ডি চি)-এ দাবী কৰা মতে, বর্তমানে ক'ভিড ভাইৰাছ বতাহৰ জৰিয়তে বিয়পিব ধৰিছে। দীর্ঘ সময় ধৰি ঘৰৰ বাহিৰত থাকিলে এজন ব্যক্তি এনে ভাইৰাছত সংক্রমিত হোৱাৰ শংকা আছে বুলি সকীয়নি দি চি ডি চিয়ে আমেৰিকাবাসীক ক'ভিডৰ সম্ভাব্য সংক্রমণৰ পৰা নিজক সুৰক্ষিত ৰাখিবলৈ হ'লে প্রয়োজনীয় কৰ'না

বিধি পালন কৰাৰ লগতে বেছি সময় ঘৰৰ বাহিৰত নাথাকিবলৈ পৰামর্শ দিছে।

আমেৰিকা, ব্রিটেইন আৰু কানাডাৰ ছজন সদস্যৰ বিশেষজ্ঞৰ গোটে অধ্যয়ন চলাই লাভ কৰা তথ্য অনুসৰি ক'ভিড-১৯ ভাইৰাছ সম্প্রতি বতাহৰ জৰিয়তে সংক্রমিত হৈছে। অৱশ্যে ভাৰত চৰকাৰৰ স্বাস্থ্য মন্ত্রণালয়ে আমেৰিকাৰ এই দাবী অস্বীকাৰ কৰিছে। ভা�ৰতৰ স্বাস্থ্য বিভাগৰ মতে, এই ভাইৰাছ বতাহৰ জৰিয়তে বিয়পাৰ কোনো প্রমাণ এতিয়ালৈকে লাভ কৰা হোৱা নাই। ক'ভিড ভাইৰাছ ব্যক্তিৰ পৰা ব্যক্তিলৈ সংক্রমিত হয় বুলি ভাৰতে দাবী কৰিছে। চি ডি চিৰ মতে, বতাহত থকা ক'ভিডৰ ভাইৰাছ উশাহ-নিশাহৰ জৰিয়তে মানৱ শৰীৰত প্রৱেশ কৰে। মানৱ দেহত প্রৱেশ কৰাৰ পাছত ই হাওঁফাওঁত প্রথমতে সংক্রমণ আৰম্ভ কৰে আৰু পাছলৈ ৰোগ প্রতিৰোধ ক্ষমতা কম থকা ব্যক্তিক আন কে'ৰা ধৰণৰে ক্ষতি কৰিব পাৰে।

এইবাৰ টাইমছ স্কো�ৰেৰত বন্দুকধাৰীৰ আক্রমণত শিশুসহ আহত তিনিজন

নিউজ ব্যুৰ', নিউ য়র্ক, ৯ মে' ঃ আমেৰিকাৰ নিউ য়র্কৰ টাইমছ স্কোৰেৰত দুর্বৃত্তই ধাৱাযাৰ গুলিবর্ষণলৈ ভয়াৱহ আক্রমণ সংঘটিত কৰিলে। জনপ্রিয় পর্যটনস্থল তথা ব্যস্ত অঞ্চলটোত সংঘটিত হোৱা এই আক্রমণে চাঞ্চল্যৰ সৃষ্টি কৰিছে। এই ঘটনাত শিশুসহ মুঠ তিনিজন লোক গুৰুতৰভাৱে আহত হয়। আহত আন দুগৰাকী হৈছে মহিলা। বর্তমানে তেওঁলোক মানহাট্টনৰ চিকিৎসালয়ত চিকিৎসাধীন হৈ আছে। কিয় আৰু কোনে এই আক্রমণ সংঘটিত কৰিছিল সেয়া এতিয়াও আৰক্ষীয়ে চিনাক্ত কৰিব পৰা নাই। ক'ভিড পৰিস্থিতিত পর্যটকৰ ভিৰ নাথাকিলেও টাইমছ স্কোৰেৰত পূর্বৰ দৰে ব্যস্ততা থকাৰ সময়তে হঠাতে অঞ্চলটোত গুলিবর্ষণৰ শব্দ শুনা গৈছিল। ইয়াৰ পাছতে অঞ্চলটোত থকা দুগৰাকী মহিলা আৰু এটি শিশু গুলিবিদ্ধ হৈছিল।

অসন্তৰক সম্ভৱ কৰিলে ভূটানে, কৰ'নাত মৃত মাত্র এজন

নিউজ ব্যুৰ', থিম্পু, ৯ মে' ঃ সমগ্র বিশ্বই ক'ভিডৰ সংক্রমণত থৰকাছুটি হেৰুওৰাৰ সময়ত ক'ভিড নিয়ন্ত্রণৰ ক্ষেত্রত নিদর্শন দাঙি ধৰিলে ভাৰতৰ প্রতিবেশী ৰাষ্ট্র ভূটানে। বিগত ডেৰ বছৰত ভাৰতত কৰ'নাৰ দুটা ঢৌ আহিল। ভাৰতত প্রতিদিনে ক'ভিডত মৃতকৰ সংখ্যা ঊর্ধ্বমুখী হৈছে। কিন্তু ভূটানত এই পর্যন্ত কৰ'নাত মৃত্যু হ'ল মাত্র এজন লোকৰ। বিশ্বৰ বিভিন্ন দেশে কৰ'না নিয়ন্ত্রণ কৰিবলৈ গৈ মুখ থকেচা খোৱাৰ সময়ত ভূটানে সম্পূর্ণৰূপে ক'ভিড নিয়ন্ত্রণত সফলতা লাভ কৰিলে। যোৱা সাত জানুৱাৰীত ৩৬ বছৰীয়া যুৱক এজনক যকৃত আৰু বৃক্কৰ ৰোগত থিম্পুৰ এখন চিকিৎসালয়ত ভর্তি কৰোৱা হৈছিল। যুৱকজনৰ শৰীৰত ক'ভিডৰ সংক্রমণ ধৰা পৰিছিল আৰু পাছত তেওঁৰ মৃত্যু হৈছিল। এইজন ব্যক্তিয়ে হৈছে ভূটানত ক'ভিডত মৃত একমাত্র ব্যক্তি। মাত্র ৩৩৭ জন চিকিৎসক আৰু তিনি হেজাৰ স্বাস্থ্য কর্মীৰে কৰ'নাৰ বিৰুদ্ধে যুঁজত অৱতীর্ণ হৈ বিৰল সফলতা অর্জন কৰিলে প্রতিবেশী ৰাষ্ট্রখনে। ভূটানত ক'ভিড প্রতিৰোধৰ কঠোৰ ব্যৱস্থা লোৱা হৈছে আৰু আক্রান্তৰ সংস্পর্শলৈ অহা সকলো লোকক চিহ্নিত কৰি পৰীক্ষা কৰা হয়। কোনো লোক আক্রান্ত হ'লে তেনে ব্যক্তিক ১৪-২১ দিনৰ কোৱাৰেণ্টাইনলৈ প্রেৰণ কৰা হয়। এইদৰে ভূটানে ক'ভিড নিয়ন্ত্রণত ৰাখিবলৈ সফম হৈছে।

কৰ'নাৰ ফলত বৃদ্ধি পাইছে বুকুৰ বিষ-শ্বাসকষ্টৰ সমস্যা ঃ ৰোগী হওক সাৱধান

নিউজ ব্যুৰ'

নতুন দিল্লী, ৯ মে' ঃ ভাৰতত কৰ'নাৰ সংক্রমণৰ দ্বিতীয়টো ঢৌত প্রতিদিনে ক'ভিড আক্রান্তৰ সংখ্যা বৃদ্ধি পাইছে। একাংশ ৰোগীৰ ক্ষেত্রত কম সময়তে শাৰীৰিক অৱস্থাৰ অৱনতি ঘটা প্রত্যক্ষ হৈছে। চিকিৎসক-গৱেষকসকলে পৰামর্শ আগবঢ়াই কৈছে যে কৰ'না ৰোগীয়ে কোনো সমস্যা অনুভৱ কৰিলে তাক আওকাণ কৰা অনুচিত। বিশেষকৈ এইবাৰৰ সংক্রমণত ৰোগীৰ মাজত বুকুৰ বিষ আৰু শ্বাসকষ্টৰ সমস্যা সর্বাধিক প্রত্যক্ষ হৈছে। এনে সমস্যাত ভুগিলে ৰোগী সাৱধান হোৱা আৰু চিকিৎসকৰ পৰামর্শ লোৱাটো জৰুৰী। সৱহসংখ্যক



কৰ'না আক্রান্তৰ ক্ষেত্রত জ্বৰ, ফ্লু হোৱা দেখা যায়। ৪০ শতাংশ কৰ'না আক্রান্তৰ মাজত শ্বাসকষ্টৰ সমস্যাই দেখা দিয়ে। যদিহে ৰোগীৰ শৰীৰত অক্সিজেনৰ পৰিমাণ ৯৪ শতাংশতকৈ হ্রাস পায় তেন্তে লগে লগে চিকিৎসকৰ স'তে যোগাযোগ কৰা জৰুৰী। একাংশ ৰোগীৰ ক্ষেত্রত ৰক্ত সংক্রমণৰ সমস্যায়ো দেখা দিছে। কৰ'না আক্রান্ত হৃদৰোগীসকলে চিকিৎসকৰ পৰামর্শ লোৱা প্রয়োজন। হাওঁফাওঁৰ কোনো ৰোগ থকা ব্যক্তিয়েও ক'ভিডত সংক্রমিত হ'লে চিকিৎসকৰ স'তে যোগাযোগ কৰা উচিত। ক'ভিডত আক্রান্ত হ'লে ৰোগীৰ নিম'নিয়া হ'ব পাৰে। শুকান কাহ হ'লেও আক্রান্ত ব্যক্তি সাৱধান থকা জৰুৰী। চিকিৎসকৰ পৰামর্শত ভাল কফচিৰাপ গ্রহণ কৰা উচিত। বুকুত বিষ অনুভৱ কৰিলে ততালিকে চিকিৎসকৰে যোগাযোগ কৰক। বুকুৰ বেদনাৰ কাৰণ হৃদৰোগ বা হাওঁফাওঁৰ সংক্রমণ হ'ব পাৰে।

নিৰাপত্তা বাহিনীক আক্রমণৰ পৰিকল্পনা, পুঞ্চত বৃহৎ পৰিমাণৰ গ্রেণেড জব্দ

নিউজ ব্যুৰ'

জম্মু, ৯ মে' ঃ জম্মু-কাশ্মীৰৰ পুঞ্চ জিলাত নিৰাপত্তা বাহিনীয়ে সন্ত্রাসবাদীৰ এক বৃহৎ ষড়যন্ত্র বিফল কৰিলে। অঞ্চলটোত থকা সন্ত্রাসবাদীৰ ঘাটিৰ পৰা নিৰাপত্তা বাহিনীয়ে জব্দ কৰিলে ১৯টা হেণ্ড গ্রেণেড। সেনাই সন্দেহ কৰা মতে, নিৰাপত্তা বাহিনীক আক্রমণৰ পৰিকল্পনাৰে সন্ত্রাসবাদীয়ে এই বৃহৎ পৰিমাণৰ গ্রেণেড মজুত কৰিছিল। ৰাষ্ট্রীয় ৰাজপথৰ ১৪৪-এত সন্ত্রাসবাদীয়ে নিৰাপত্তা বাহিনীক আক্রমণৰ পৰিকল্পনা যুগুত কৰিছিল।

কৰ'নাৰ নতুন প্রজাতি কে'বাগুণ ভয়ংকৰ, ভা�ৰতে বঢ়াব লাগিব টিকাকৰণ ঃ বিশ্ব স্বাস্থ্য সংস্থা



নিউজ ব্যুৰ', জেনেভা, ৯ মে' ঃ বিশ্ব স্বাস্থ্য সংস্থা (হু)ৰ মুখ্য বিজ্ঞানী ডাঃ সৌম্যা স্বামীনাথনে ভাৰতৰ কৰ'না সংক্রমণৰ সন্দর্ভত গুৰুত্বপূর্ণ মত প্রকাশ কৰিলে। বিজ্ঞানীগৰাকীয়ে প্রকাশ কৰা মতে, ভাৰতত হঠাতে কৰ'নাৰ সংক্রমণে অতি ভয়াৱহ ৰূপ ধা�ৰণ কৰাৰ অন্যতম কাৰণটো হৈছে নতুন প্রজাতিৰ ক'ভিডৰ সংক্রমণ আৰু এই প্রজাতিৰ ভাইৰাছ যথেষ্ট সংক্রামক হোৱাৰ লগতে প্রাণঘাতক প্রমাণিত হৈছে। কৰ'নাৰ নতুন প্রজাতি পূর্বৰ তুলনাত কে'বাগুণ অধিক ভয়াৱহ বুলি জানিবলৈ দি ডাঃ স্বামীনাথনে কয় যে এই ভয়াৱহ পৰিস্থিতিৰ পৰা সকাহ লাভ কৰিবলৈ হ'লে ভাৰতে টিকাকৰণ অভিযানক ব্যাপক কৰি তোলাত গুৰুত্ব দিয়াৰ গত্যন্তৰ নাই। স্বামীনাথনে কয় যে ভাৰতত কৰ'নাই যি ধৰণৰে তাণ্ডৱ চলাইছে ইয়াৰ পৰা স্পষ্টভাৰে বুজিব পাৰি যে এই নতুন প্রজাতিৰ ভাইৰাছ পূর্বৰ তুলনাত অধিক সংক্রামক আৰু প্রাণঘাতক। যোৱা অক্টোবৰত ভাৰতত চিনাক্ত হোৱা কৰ'নাৰ নতুন প্রজাতিৰ ভাইৰাছৰ সংক্রমণত বর্তমানে দৈনিক চাৰি লাখৰো অধিক লোক ৰোগাক্রান্ত হৈছে। এই ভাইৰাছৰ দ্রুত চৰিত্রৰ পৰিৱর্তন হৈ আহিছে আৰু আগন্তুক সময়ত ক'ভিডৰ এই ষ্ট্রে'ন অধিক প্রাণঘাতক হোৱাৰ শংকা আছে বুলিও মত প্রকাশ কৰিলে বিশ্ব স্বাস্থ্য সংস্থাৰ মুখ্য বিজ্ঞানীগৰাকীয়ে।

মৃত্যুৰ পূর্বে কৰ'না আক্রান্ত অভিনেতাই ফে'চবুকত লিখিলে ঃ চিকিৎসা পোৱা হ'লে মই জীয়াই থাকিলোহেঁতেন

নিউজ ব্যুৰ', মুম্বাই, ৯ মে' ঃ কৰ'নাৰ স'তে যুঁজ দি অৱশেষত শেষ নিশ্বাস ত্যাগ কৰিলে অভিনেতা ৰাহুল ভহৱাই। শনিবাৰে ৰাহুলে ফে'চবুকত এক বার্তা প্রেৰণ কৰি সকলোৰে পৰা সহায় বিচাৰিছিল। কিন্তু দেওবাৰে তেওঁ শেষ নিশ্বাস ত্যাগ কৰে। কৰ'না ভাইৰাছত আক্রান্ত হোৱা অভিনেতাজনৰ স্বাস্থ্যৰ অৱনতি ঘটিছিল আৰু অৱশেষত তেওঁৰ মৃত্যু হ'ল। মৃত্যুৰ পূর্বে ফে'চবুকত এক প'ষ্টত ৰাহুলে কৈছিল, 'মই যদি ভাল চিকিৎসা লাভ কৰিলোহেঁতেন তেন্তে নিশ্চয় জীয়াই থাকিলোহেঁতেন।' উল্লেখ্য যে উত্তৰাখণ্ডত জন্মলাভ কৰা ৰাহুল ডিজিটেল প্লেটফর্মৰ এজন জনপ্রিয় অভিনেতা আছিল। নেটফ্লিক্সৰ একাধিক ধাৰাবাহিকত তেওঁ অভিনয় কৰিছিল। 'আনফ্রিডম'ত কৰা অভিনয়ৰ বাবে তেওঁ বহুলভাৱে প্রশংসিত হৈছিল।

কৰ'নাত দ্রুত সুস্থ হ'বলৈ সলনি কৰক জীৱনশৈলী, মানি চলক এইবোৰ নিয়ম

নিউজ ব্যুৰ'

নতুন দিল্লী, ৯ মে' ঃ স্বাস্থ্য বিশেষজ্ঞৰ মতে, ক'ভিড-১৯ত সংক্রমিত হোৱা ব্যক্তিসকলে নিজৰ স্বাস্থ্য আৰু জীৱনশৈলীৰ প্রতি বিশেষ যতন লোৱা উচিত। কৰ'নাত আক্রান্ত হ'লেও ভয় বা শংকা নকৰি ৰোগীয়ে স্বাস্থ্য ৰক্ষাত গুৰুত্ব দিব লাগে। সংক্রমণৰ পৰা সোনকালে সুস্থ হ'বলৈ হ'লে প্রথমতে জীৱনশৈলীৰ প্রতি ৰোগীয়ে সতর্কতা অৱলম্বন কৰিব লাগিব। ভাৰতীয় চিকিৎসকসকলৰ মতে, যিসকল ক'ভিড আক্রান্তই এই ভাইৰাছত আক্রান্ত হোৱাৰ লগে লগে জীৱনশৈলীৰ প্রতি গুৰুত্ব আৰোপ কৰিছে, তেওঁলোকে কম সময়ৰ ভিতৰত কৰ'নাক পৰাভূত কৰিবলৈ সফল হৈছে। স্বাস্থ্য বিশেষজ্ঞৰ মতে, ক'ভিড-

১৯ত সংক্রমিত হোৱাৰ পাছত কিছুদিনলৈ ব্যক্তিজনে নিজৰ যতন নিজে ল'ব লাগিব আৰু জীৱনশৈলী সম্পূর্ণৰূপে স্বাস্থ্যসম্মত ৰখাত মনোযোগ ৰাখিব লাগিব। ৰোগীয়ে পুৱাৰ সূর্যৰ পোহৰ লোৱা জৰুৰী, কিয়নো পুৱাৰ ৰ'দত পর্যাপ্ত পৰিমাণৰ ভিটামিন 'ডি' থাকে। ৰোগীয়ে পুৱা সোনকালে শুই উঠি ১০-১৫ মিনিট সময় এইদৰে ৰ'দ ল'ব লাগিব। ক'ভিড ৰোগীৰ বাবে এক অত্যাৱশ্যকীয় ব্যায়াম হৈছে প্রাণায়ামৰ অভ্যাস। অন্যান্য ব্যায়ামৰ লগতে শৰীৰত অক্সিজেনৰ পৰিমাণ অটুট ৰাখিবলৈ প্রাণায়াম কৰা জৰুৰী। ক'ভিড ৰোগীয়ে দ্রুত সুস্থতাৰ বাবে নিজৰ খাদ্য তালিকাত খেজুৰ, খিচমিচ, বাদাম, আখৰুট আদি অন্তর্ভুক্ত কৰা প্রয়োজন। শুকান ফলৰ লগতে আহাৰ তালিকাত সতেজ ফলমূল, চালাড, সেউজীয়া পাচলি পর্যাপ্ত পৰিমাণত গ্রহণ কৰা জৰুৰী। ক'ভিড ৰোগীৰ বাবে আন এক উপকাৰী আহাৰ হৈছে ছুপ। আমিষ বা নিৰামিষ উভয় ধৰণৰ ছুপ খাব পাৰিব। তদুপৰি দৈ, স্মুডিও দৈনিক খোৱা ভাল। মা-মচলা হিচাপে ক'ভিড ৰোগীয়ে আহাৰত জিৰা, জালুক, নহৰু, আদা, ধনীয়া নিতৌ ব্যৱহাৰ কৰক। তদুপৰি হালধিৰ ৰস মিশ্রিত দুগ্ধ পান কৰিলেও ক'ভিড ৰোগীয়ে উপকাৰ লাভ কৰিব পাৰিব। ৰোগীয়ে নিতৌ পর্যাপ্ত পৰিমাণ পানী আৰু জুলীয়া আহাৰ খোৱা ভাল। দিনটোত নির্দিষ্ট সময়ৰ বিৰতিত বিশেষকৈ দুই-তিনিঘণ্টাৰ পাছত লঘু আহাৰ গ্রহণ কৰা উচিত। তেতিয়া ৰোগীয়ে প্রয়োজনীয় পৰিপুষ্টি লাভ কৰিব পাৰে।

এইবাৰ ইনষ্টাগ্রামে মচিলে কংগনাৰ প'ষ্ট, কি ক'লে অভিনেত্রীয়ে?

নিউজ ব্যুৰ', মুম্বাই, ৯ মে' ঃ প্রায়ে বিতর্কিত মন্তব্য প্রকাশ কৰি অহা বলিউডৰ অভিনেত্রী কংগনা ৰণৌটৰ টুইটাৰ একাউণ্ট অলপতে মাইক্র' ব্লগিং সংস্থাটোৱে স্থায়ীভাৱে বন্ধ কৰিছিল। এইবাৰ কংগনাৰ এটা প'ষ্ট ডিলিট কৰিলে ইনষ্টাগ্রামে। অভিনেত্রীগৰাকী অলপতে ক'ভিডত আক্রান্ত হৈছিল আৰু এই কথা সামাজিক মাধ্যমৰ জৰিয়তে তেওঁ ৰাজহুৱা কৰিছিল। কিন্তু হঠাতে ইনষ্টাগ্রামে কংগনাৰ উক্ত প'ষ্ট মচি দিয়ে। ইয়াৰ পাছতে ইনষ্টাগ্রামৰ বিৰুদ্ধে তীব্র প্রতিক্রিয়া প্রকাশ কৰিলে বলিউডৰ অভিনেত্রীগৰাকীয়ে। কংগনাই ক'ভিড প'জিটিভ হোৱাৰ কথা ৰাজহুৱা কৰি ইনষ্টাগ্রামত এক প'ষ্টত কৈছিল, 'আপোনালোকে ভয় নাখাব, ই এক ধৰণৰ সাধাৰণ ফ্লু।' কংগনাৰ এই প'ষ্ট কিছু সময়ৰ পাছতে ইনষ্টাগ্রামে মচি দিছিল। ইয়াৰ পাছত প্রতিক্রিয়া প্রকাশ কৰি কংগনাই কয়, 'ইনষ্টাগ্রামে মোৰ এটা প'ষ্ট 'ডিলিট' কৰি দিলে, য'ত মই ক'ভিডক ধ্বংস কৰাৰ ধমক দিছিলো। হয়তো মোৰ মতামতে কাৰোবাক আঘাত হানিলে। টুইটাৰত সন্ত্রাসবাদী আৰু কমিউনিষ্টৰ প্রতি সহানুভূতি থকা ব্যক্তিৰ কথা শুনিছিলো, কিন্তু ক'ভিড ফেন ক্লাবৰ কথা শুনা নাছিলো। বাহ, আচৰিত। ইনষ্টাগ্রামত মোৰ দুদিন হ'ল, কিন্তু এনে লাগিছে ইয়াত এসপ্তাহ টিকি থকা কঠিন হ'ব।'

মাৰাঠা সংৰক্ষণ ঃ ন্যায়ালয়ৰ সিদ্ধান্তৰ সমীক্ষণ কৰিব মহাৰাষ্ট্র চৰকাৰৰ সমিতিয়ে

নিউজ ব্যুৰ', মুম্বাই, ৯ মে' ঃ মাৰাঠাসকলৰ সংৰক্ষণৰ সন্দর্ভত উচ্চত ন্যায়ালয়ৰ সিদ্ধান্তৰ সমীক্ষণৰ বাবে মহাৰাষ্ট্র চৰকাৰে এখন সমিতি গঠনৰ সিদ্ধান্ত ল'লে। যোৱা নিশা অনুষ্ঠিত হোৱা এখন বৈঠকত ৰাজ্য চৰকাৰে এই

সিদ্ধান্ত গ্রহণ কৰে। সমিতিখনে উচ্চতম ন্যায়ালয়ৰ সিদ্ধান্তৰ সমীক্ষণ চলোৱাৰ লগতে নির্ধাৰিত 'সংৰক্ষণৰ কোটা'ৰ সমস্যাৰ সমাধানৰ উপায় প্রতিবেদনত উল্লেখ কৰিব। অহা দুসপ্তাহৰ ভিতৰত সমিতিখনে এই সন্দর্ভত ৰাজ্য চৰকাৰক প্রতিবেদন দাখিল কৰিব। উচ্চ ন্যায়ালয়ৰ অৱসৰপ্রাপ্ত ন্যায়াধীশৰ অধ্যক্ষতাত সমিতিখন গঠন কৰা হৈছে। এই সমিতিত ন্যায়াধীশৰ লগতে পাঁচৰ পৰা ছজন সদস্য থাকিব। উল্লেখ্য যে উচ্চতম ন্যায়ালয়ে মাৰাঠাসকলৰ সংৰক্ষণৰ দাবী প্রত্যাখ্যান কৰি দিয়া ৰায়ৰ সন্দর্ভত আলোচনাৰ বাবে শনিবাৰে মহাৰাষ্ট্র চৰকাৰে উক্ত বৈঠকত মিলিত হৈছিল।

একেৰাহে চাৰিদিন দেশত দৈনিক সংক্ৰমণ চাৰি লক্ষাধিক

এক পৃষ্ঠাৰ পৰা সংখ্যাও দেশত চাৰি হেজাৰৰ অধিক আছিল। শনিবাৰৰ তুলনাত অৱশ্যে সামান্য হ্ৰাস পালে ক'ভিডত মৃতকৰ সংখ্যা। যোৱা ২৪ ঘণ্টাত মৃত্যু হ'ল ৪,০৯২ জন লোকৰ। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি, দেওবাৰ পৰ্যন্ত ভাৰতত মুঠ দুই কোটি ২২ লাখ ৯৬ হেজাৰ ৪১৪ জন লোক কৰ'নাত আক্ৰান্ত হ'ল। বৰ্তমানলৈকে দেশত কৰ'নাত আক্ৰান্ত হৈ মুঠ দুই লাখ ৪২ হেজাৰ ৩৬২ জন লোকৰ মৃত্যু হ'ল। দেশত ক'ভিড সংক্ৰমণৰ হাৰ প্ৰতিদিনে বৃদ্ধি পাইছে। যোৱা ২৪ ঘণ্টাত এই সংক্ৰমণৰ হাৰ আছিল ২১.৬৪ শতাংশ। বৰ্তমানলৈকে দেশত কৰ'নাৰ মুঠ সংক্ৰমণৰ হাৰ হৈছে ৭.৩৮ শতাংশ।

অৱশ্যে দেশত আক্ৰান্তৰ সংখ্যা বৃদ্ধিৰ লগে লগে ক'ভিডত সুস্থ হোৱা লোকৰ সংখ্যাও বৃদ্ধি পাইছে। যোৱা ২৪ ঘণ্টাত ভাৰতত তিনি লাখ ৮৬ হেজাৰ ৪৪৪ জন ক'ভিড ৰোগী সুস্থ হ'ল। বৰ্তমানলৈকে দেশখনত এক কোটি ৮৩ লাখ ১৭ হেজাৰ ৪০৪ জন ক'ভিড ৰোগী সুস্থ হৈ উঠিছে। এই মুহূৰ্তত ভাৰতত ৩৭ লাখ ৩৬ হেজাৰ ৬৪৮ জন সক্ৰিয় কৰ'না ৰোগী আছে। ভাৰতত ক'ভিডৰ সংক্ৰমণ বৃদ্ধিৰ প্ৰতি লক্ষ্য ৰাখি চিকিৎসকসকলে নমুনা পৰীক্ষা আৰু টিকাকৰণৰ গতি বৃদ্ধি কৰিবলৈ পৰামৰ্শ দিছে। যোৱা ২৪ ঘণ্টাত দেশত মুঠ ১৮ লাখ ৬৫ হেজাৰ ৪২৮ জন লোকৰ নমুনা পৰীক্ষা কৰা হৈছিল। বৰ্তমানলৈকে ভাৰতৰ মুঠ ৩০ কোটি ২২ লাখ ৭৫ হেজাৰ ৪৭১ জন লোকৰ নমুনা পৰীক্ষা কৰা হৈছে। আনহাতে, ক'ভিডৰ এনে ভয়াৱহ সংক্ৰমণ নিয়ন্ত্ৰণ কৰিবলৈ দেশত টিকাকৰণ অভিযান অব্যাহত আছে। যোৱা ২৪ ঘণ্টাত ভাৰতত ২০ লাখ ৯৩ হেজাৰ ১১৯ জন লোকক ক'ভিড প্ৰতিষেধক প্ৰদান কৰা হ'ল। দেশত টিকাকৰণ অভিযান আৰম্ভ কৰাৰ পৰা এতিয়ালৈকে মুঠ ১৬ কোটি ৯৪ লাখ ৩৯ হেজাৰ ৬৬৩ জন লোকৰ টিকাকৰণ সম্পন্ন হ'ল। দেশত কৰ'নাৰ আক্ৰান্তৰ সংখ্যা বৃদ্ধি পোৱাৰ লগে লগে প্ৰায়বোৰ ৰাজ্যতে কৰ'না ৰোগীয়ে চিকিৎসাৰ ক্ষেত্ৰত সমস্যাৰ সন্মুখীন হৈছে। বহু ৰাজ্যত ৰোগীয়ে চিকিৎসালয়ত শয্যা, আই চি ইউ লাভৰ পৰা বঞ্চিত হৈছে।

দেশত কৰ'না পৰিস্থিতিক 'নিজে সৃষ্টি

এক পৃষ্ঠাৰ পৰা পালন আৰু ৰাজনৈতিক সভাৰ দৰে অতি সংক্ৰামক অনুষ্ঠান অনুষ্ঠিত হ'বলৈ দিলে। এই ধৰণৰ অতি সংক্ৰামক অৰ্থাৎ 'ছুপাৰ স্প্ৰেডাৰ' অনুষ্ঠানেই ভাৰতলৈ বিপদ মাতি আনিলে। সমালোচকসকলক অংগুষ্ঠ প্ৰদৰ্শন কৰি আৰু মুকলি মনৰে পৰামৰ্শ গ্ৰহণ নকৰাৰ চৰকাৰী মনোভাৱৰ ফলত ভাৰতত কৰ'না সংকট বাঢ়িছে আৰু ইয়াৰ বাবে চৰকাৰক কোনোপধ্যে ক্ষমা কৰিব নোৱাৰি।'

উল্লেখ্য যে ক'ভিডৰ ব্যাপক সংক্ৰমণৰ ফলত ভাৰতৰ স্বাস্থ্য খণ্ডত ভয়াৱহ সমস্যাই দেখা দিছে। বিগত কে'বাদিন ধৰি দেশত ক'ভিড আক্ৰান্তৰ সংখ্যাই চাৰি লাখৰ সীমা অতিক্ৰম কৰিছে। ইমান বৃহৎ সংখ্যক লোক এই মাৰাত্মক ভাইৰাছত আক্ৰান্ত হোৱাৰ ফলত দেশৰ চিকিৎসালয়ত শয্যাৰ অভাৱ, অক্সিজেনৰ নাটনি, টিকাৰ অভাৱ আদি সমস্যাই দেখা দিছে। আন্তৰ্জাতিক চিকিৎসা পত্ৰিকাখনে সম্পাদকীয়ত এইদৰে কয়, 'কৰ'না নিয়ন্ত্ৰণত মোদী চৰকাৰে প্ৰথম পৰ্যায়ত লাভ কৰা সফলতা দ্বিতীয় পৰ্যায়ত নিজে তচনচ কৰিলে। ভাৰত চৰকাৰে কৰ'না নিয়ন্ত্ৰণৰ বাবে প্ৰথম পৰ্যায়ত যি টাস্ক ফৰ্চ গঠন কৰিছিল, এপ্ৰিলৰ পূৰ্বে বিগত কে'বামাহ ধৰি ইয়াৰ এখনো বৈঠক অনুষ্ঠিত কৰা নাছিল। ইচ্ছা কৰা হ'লে ভাৰতে এই বিপদ এৰাই চলিব পাৰিলেহেঁতেন। কিন্তু মোদী চৰকাৰৰ ভুল স্বীকাৰ নকৰাৰ মনোভাৱেই সমস্যাটো গুৰুতৰ কৰিলে। ভাৰতৰ সাম্প্ৰতিক কৰ'না পৰিস্থিতি হৈছে মোদী চৰকাৰে নিজে সৃষ্টি কৰা এক সংকট। ভুলৰ পৰা শিক্ষা গ্ৰহণ কৰি কৰ'না নিয়ন্ত্ৰণৰ পৰৱৰ্তী পদক্ষেপ ভাৰতে গ্ৰহণ কৰা উচিত।'

সোণোৱালৰ দিল্লী যাত্ৰাৰ সম্ভাৱনা ক্ষীণ

এক পৃষ্ঠাৰ পৰা উপস্থিত হয় আৰু ৰাজ্যপাল জগদীশ মুখীৰ হাতত পদত্যাগপত্ৰ দাখিল কৰে। ইয়াৰ পাছতে বিভিন্ন পক্ষৰ মাজত সোণোৱালৰ পৰৱৰ্তী পদক্ষেপ কি হ'ব তাকে লৈ প্ৰশ্ন উত্থাপিত হয়। এই সময়ত ৰাজ্যৰ ৰাজনৈতিক মহলত সোণোৱালৰ সন্দৰ্ভত যিবোৰ প্ৰশ্নৰ অৱতাৰণা হৈছে তাৰ ভিতৰত আছে— সোমাব নেকি নতুন মন্ত্ৰীসভাত? নে দিল্লীলৈ তেওঁক লৈ যোৱা হ'ব? নে এজন সাধাৰণ বিধায়ক হৈ তেওঁ আগন্তুক দিনবোৰত দায়িত্ব পালন কৰিব? নিজৰ ভৱিষ্যৎ পৰিকল্পনা সন্দৰ্ভত সোণোৱালে এই পৰ্যন্ত মুখ খোলা নাই। অৱশ্যে তেওঁ আজি বিধায়িনী দলৰ বৈঠকত স্পষ্ট ঘোষণা কৰে যে অসমক আগবঢ়াই নিয়াৰ যাত্ৰাত তেওঁ নতুন মুখ্যমন্ত্ৰীক সহযোগ কৰি যাব।

নতুন দিল্লী উচ্চস্তৰীয় সূত্ৰই সদৰী কৰা অনুসৰি, সোণোৱাল এই মুহূৰ্তত কেন্দ্ৰীয় মন্ত্ৰীসভাত অন্তৰ্ভুক্ত হোৱাৰ সম্ভাৱনা নাই। কাৰণ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সদ্যহতে তেওঁৰ মন্ত্ৰীসভা সম্প্ৰসাৰণ কৰাৰ সম্ভাৱনা নাই। ইতিমধ্যে জ্যোতিৰাদিত্য সিন্ধিয়া প্ৰমুখ্যে আন কে'বাজনো গুৰুত্বপূৰ্ণ নেতা মন্ত্ৰীসভাত অন্তৰ্ভুক্ত হ'বলৈ শাৰী পাতি আছে। কিন্তু মোদীয়ে মন্ত্ৰীসভা সম্প্ৰসাৰণৰ ইচ্ছুক নোহোৱা হেতুকে সোণোৱালৰ কেন্দ্ৰীয় মন্ত্ৰীসভাত সম্ভাৱনা ক্ষীণ হৈ পৰিছে। তাৰ বিপৰীতে তেওঁক দলৰ কেন্দ্ৰীয় পদৰ দায়িত্বও দিয়া হ'ব পাৰে বুলিও চৰ্চা অব্যাহত আছে।

দিল্লীৰ এনে ৰাজনীতিৰ বিপৰীতে সোণোৱাল পুনৰ ৰাজ্যিক বিজেপিৰ সভাপতি হ'ব পাৰে বুলিও দলীয় মহলত গুণাগঁথা চলিছে। মুখ্যমন্ত্ৰী পদৰ বিকল্প হিচাপে সোণোৱালক এই দায়িত্ব দলে দিব পাৰে বুলি ঘনিষ্ঠ সূত্ৰই সদৰী কৰে। কিয়নো ইয়াৰ পূৰ্বেও ২০১৬ত বিধানসভাৰ নিৰ্বাচনত তেওঁৰ সভাপতিত্বৰ কালতে বিজেপিয়ে জয়লাভ কৰি প্ৰথমবাৰলৈ ৰাজ্যৰ ক্ষমতা দখল কৰিবলৈ সক্ষম হৈছিল। উল্লেখ্য যে ৰাজ্যিক বিজেপিৰ সভাপতি পদ অতিশীঘ্ৰে খালী হোৱাটো নিশ্চিত হৈছে। কাৰণ বৰ্তমানৰ সভাপতি ৰঞ্জিত দাসে নতুন মন্ত্ৰীসভাত স্থান পোৱাৰ সম্ভাৱনা অতি উজ্জ্বল। দাস মন্ত্ৰী হ'লে সভাপতিৰ পদ খালী হৈ পৰিব। তদুপৰি দ্বিতীয়টো কাৰ্যকালৰ বাবে অসমত দলক নেতৃত্ব দিয়া দাসৰ সভাপতি পদৰ ম্যাদ দুবছৰহে আছে। দাস মন্ত্ৰী হ'লে তেওঁৰ স্থানত ভাৰপ্ৰাপ্তৰূপে এজনক সভাপতিৰ দায়িত্ব অৰ্পণ কৰিবই লাগিব। তেনে ক্ষেত্ৰত সোণোৱালক পূৰ্ণ পৰ্যায়ৰ সভাপতিৰূপে দায়িত্ব অৰ্পণৰ সম্ভাৱনা আছে বুলি চৰ্চিত হৈছে।

হিমন্ত বিশ্ব মুখ্যমন্ত্ৰী, আজি শপত

এক পৃষ্ঠাৰ পৰা প্ৰস্তাৱটো সমৰ্থন কৰে ৰাজ্যিক বিজেপিৰ সভাপতি তথা বিধায়ক ৰঞ্জিত কুমাৰ দাস আৰু বিধায়িকা নন্দিতা গাৰ্লোচাই। টোমৰে নিয়ম অনুসৰিয়ে আৰু কোনোবাৰ নাম প্ৰস্তাৱ কৰিব নেকি বুলি বিধায়কসকলক প্ৰশ্ন কৰে। অৱধাৰিতভাৱে দ্বিতীয়টো নাম প্ৰস্তাৱ কৰিবলৈ কোনো থিয় নহ'ল। ফলস্বৰূপে টোমৰে ড° শৰ্মা এইবাৰ বিজেপিৰ বিধায়িনী দলৰ নেতা বুলি এক বজাত ঘোষণা কৰে। সেই অনুসৰি, ড° শৰ্মা হ'ব অসমৰ নতুন মুখ্যমন্ত্ৰী। ইয়াৰ পাছতে আৰম্ভ হয় ড° শৰ্মাক অভিনন্দন জ্ঞাপন পৰ্ব। প্ৰথমে টোমৰে তেওঁক অভিনন্দন জনায়। তাৰ পাছত সোণোৱালে ডিঙিত গামোচা পিন্ধাই অভিনন্দন জনায় নৱনিৰ্বাচিত মুখ্যমন্ত্ৰীক। শৰ্মাৰ পিঠিত কে'বাবাৰো চপৰিয়াই শেষত গাত ধৰাধৰিকৈ দুয়োজন নেতাই থিয় হৈ ফটোৰ বাবে প'জ দিয়ে। তৃতীয়তে ৰাজ্যিক বিজেপিৰ সভাপতি ৰঞ্জিত কুমাৰ দাসে অভিনন্দন জনায় ড° শৰ্মাক। ইয়াৰ পাছতে অন্যান্য নেতা তথা নৱনিৰ্বাচিত বিধায়কে অভিনন্দন জনায়। আজিৰ এই বৈঠকখনৰ বাবে অসম বিধানসভা ভৱনৰ বাহিৰে ভিতৰে সৃষ্টি হয় উছৱমুখৰ পৰিৱেশ। ভিৰত ক'ভিডৰ নীতি-নিৰ্দেশনাও ধোঁৱাচাঙত উঠে। ১২ বজাৰ বৈঠকখনৰ বাবে পুৱা ১০-৩০বজাৰ পৰাই উক্ত স্থানলৈ বিজেপিৰ নেতা-পালিনেতাৰ সোঁত বয়। ফলস্বৰূপে ভিৰ যথেষ্ট বৃদ্ধি পায়। এনে পৰিৱেশৰ মাজতে আৰম্ভ হৈ শেষো হয় বৈঠকখন।

নিৰ্বাচনী প্ৰতিশ্ৰুতি পূৰণেৰে ৰাইজৰ প্ৰত্যাশা পূৰণ কৰিব

সম্বৰ্ধনা গ্ৰহণ কৰি নৱনিৰ্বাচিত মুখ্যমন্ত্ৰীৰূপে দিয়া প্ৰথমটো ভাষণত ড° শৰ্মাই কয় যে কাইলৈ শপত গ্ৰহণৰ পাছৰে পৰা অসমৰ ৰাইজৰ প্ৰত্যাশা পূৰণৰ দৌৰ আৰম্ভ হ'ব। তেওঁ কয়, 'আমি নিৰ্বাচনত ৰাইজক যিবোৰ প্ৰতিশ্ৰুতি দিছিলো আৰু তাৰ ওপৰত আস্থা পোষণ কৰি ৰাইজে আমাক যি দায়িত্ব অৰ্পণ কৰিলে তাক কৰ্মৰ মাজেৰে ৰাইজক ওভতাই দিম। আমি প্ৰত্যেকে অসমক দেশৰ পাঁচখন সৰ্বশ্ৰেষ্ঠ ৰাজ্যৰ ভিতৰত এখন কৰিবলৈ কাম কৰিব লাগিব। কাইলৈৰ পৰাই আমাৰ প্ৰতিশ্ৰুতি পূৰণৰ দায়িত্ব আৰম্ভ হ'ব। জাতিটোক, ৰাজ্যখনক অসমৰ সৰ্বাংগীণ বিকাশ আমাৰ সাধনা আৰু তপস্যা হ'ব লাগিব। প্ৰতিজন বিধায়কে এই লক্ষ্যৰে কাম কৰিব লাগিব। সাধনা আৰু তপস্যাৰে সেৱাৰ নিৰ্মল বন্তি আমি জ্বলাব লাগিব। দীনদয়াল উপাধ্যায়ে কোৱাৰ দৰে মানুহৰ ঘৰত নহয়, সমাজৰ শেষৰ জন ব্যক্তিৰ অন্তৰতো আমি স্থান পাব লাগিব। অসম আমাৰ তপস্যা, অসম আমাৰ কৰ্মভূমি।' তেওঁ লগতে কয় যে অসমে আজি আন এক অভিলেখো স্থাপন কৰিবলৈ সক্ষম হ'ল। সেয়া হ'ল কোনো অকংগ্ৰেছী চৰকাৰে প্ৰথমবাৰলৈ উপৰ্যুপৰি দ্বিতীয়বাৰ চৰকাৰ গঠনৰ বাবে আগবাঢ়িছে। ভাষণৰ আৰম্ভণিতে নিৰ্বাচনত বিজেপিয়ে এইবাৰ অদ্ভুত বিজয় লাভ কৰা বুলি মন্তব্য কৰি তাৰ বাবে সন্মুখৰ পৰা নেতৃত্ব দিয়া প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ড° শৰ্মাই তেওঁক কৃতজ্ঞতা জনায়। প্ৰসংগক্ৰমে তেওঁ কয় যে প্ৰধানমন্ত্ৰী মোদীৰ বাবে অসম তথা উত্তৰ-পূৰ্বাঞ্চলে ভাৰতৰ বিকাশৰ মানচিত্ৰত স্থান পাবলৈ সক্ষম হৈছে। প্ৰধানমন্ত্ৰীয়ে প্ৰতি মুহূৰ্ততে অসমৰ লগত নিজক সংপৃক্ত কৰি ৰখা বুলি উল্লেখ কৰি তেওঁ কয়, 'আমাৰ প্ৰতি তেওঁৰ আন্তৰিকতাই আবেগিক কৰি তোলে। ড° ভূপেন হাজৰিকাক ভাৰতৰত্ন প্ৰদান কৰা মোদী ডাঙৰীয়াই ভেকচিন ল'বলৈ গ'লেও ডিঙিত গামোচাখন লৈ যায়। তেৰেঁই একমাত্ৰ প্ৰধানমন্ত্ৰী যিয়ে সৰ্বাধিক অসমলৈ আহিছে।' বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নড্ডা, গৃহমন্ত্ৰী অমিত শ্বাহকো ড° শৰ্মাই কৃতজ্ঞতা জনায়। একেদৰে বিজেপিৰ সকলো স্তৰৰ নেতা-কৰ্মী, মিত্ৰদল অসম গণ পৰিষদ আৰু ইউপিপিএলৰো সকলোকে তেওঁ কৃতজ্ঞতা জনায়। তেনেদৰে নাম উল্লেখ কৰে নৰেন্দ্ৰ সিং টোমৰ, ড° জিতেন্দ্ৰ সিং, বি এল সন্তোষ আদিকে ধৰি বিজেপিৰ আন আন নেতাসকলৰো।

ভাষণত বিদায়ী মুখ্যমন্ত্ৰী সোণোৱালকো ড° শৰ্মাই ভূৰি ভূৰি প্ৰশংসা কৰে। চৰকাৰৰ বিগত পাঁচ বছৰৰ কাৰ্যকালক প্ৰশংসা কৰি ড° শৰ্মাই কয় যে সোণোৱালৰ নেতৃত্বত যোৱা পাঁচ বছৰে তেওঁলোকে জাতিটোক আগবঢ়াই নিবলৈ সক্ষম হৈছিল। এই পাঁচ বছৰতে অসমত শান্তি-প্ৰগতিৰ নতুন ধাৰা বয়। সোণোৱালৰ দ্বাৰা অসমে মূল্যবোধৰ ৰাজনীতি লাভ কৰিলে বুলি উল্লেখ কৰি তেওঁ কয়, 'চন্দ্ৰতো দাগ আছে; কিন্তু সৰ্বানন্দ সোণোৱাল চৰকাৰৰ এটাও দাগ নাই। সৰ্বানন্দ সোণোৱালৰ মূল্যবোধৰ ৰাজনীতিয়ে জাতিটোক বহুখিনি আগবঢ়াই নিছে। তেওঁ দেখুৱাই দিয়া চিন্তা আৰু আদৰ্শৰে আমিও আগবাঢ়িম। সৰ্বানন্দ সোণোৱাল আমাৰ নেতা আছিল। অনাগত দিনতো তেওঁ আমাৰ নেতা হৈ থাকিব আৰু আমাক দিক দৰ্শন কৰি থাকিব। যোৱা পাঁচ বছৰত মোৰ ওপৰত গভীৰ আস্থাৰে বহু গুৰুদায়িত্ব অৰ্পণ কৰিছিল। ব্যক্তিগত আৰু পৰিয়ালৰ হৈ মই তেওঁক কৃতজ্ঞতা জনাইছো।'

যোগ্যতাৰে অসমক নেতৃত্ব দিব হিমন্ত বিশ্বই

বিধায়িনী দলৰ পাছত মিত্ৰদলৰ লগত হোৱা এখন বৈঠকত ভাষণ প্ৰদান কৰি বিদায়ী মুখ্যমন্ত্ৰী সোণোৱালে দৃঢ়তা প্ৰকাশ কৰে যে ড° হিমন্ত বিশ্ব শৰ্মাৰ কান্ধত যি গধুৰ দায়িত্ব অৰ্পণ কৰা হৈছে সেয়া তেওঁ যোগ্যতাৰে নেতৃত্ব দি পালন কৰিব পাৰিব। সেই বিশ্বাস তেওঁৰ ওপৰত আছে বুলি উল্লেখ কৰি সোণোৱালে কয় যে ড° শৰ্মাৰ নেতৃত্বতে অসম আত্মনিৰ্ভৰশীল ৰাজ্য হৈ উঠিব। ড° শৰ্মাক ভ্ৰাতৃপ্ৰতীম আখ্যা দি সোণোৱালে প্ৰতিশ্ৰুতি দিয়ে যে তেওঁৰ ওপৰত সদায় আশীৰ্বাদ থাকিব লগতে সহযোগিতা থাকিব। তেওঁলোক সকলোৱে মিলি অসমৰ বাবে কাম কৰিব। তদুপৰি সোণোৱালে কয়, 'যোৱা পাঁচ বছৰ সকলোকে লগত লৈ নিষ্ঠাৰে সম্পূৰ্ণ কৰিলো। শান্তি, প্ৰগতি আৰু সুৰক্ষা — এই তিনিটা দিশত যোৱা পাঁচ বছৰত কাম কৰাত চৰকাৰখনৰ ওপৰত ৰাইজৰ আস্থা আৰু বিশ্বাস জন্মিছিল। সেয়েহে আমাক পুনৰ নিৰ্বাচিত কৰে। সেই কথা আগন্তুক দিনবোৰতো মনত ৰাখি আমি কাম কৰিব লাগিব। প্ৰধানমন্ত্ৰী মোদীৰ আদৰ্শৰে আমি আগবাঢ়িব লাগিব। তেওঁৰ বক্তব্যই সমাজখনক শক্তিশালী কৰে। মোৰ এই বিশ্বাস আছে যে অসমেও ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত আগবাঢ়ি যাবলৈ সক্ষম হ'ব। পাঁচ বছৰত বহুত কথা শিকিলো। ক্ৰুটি-বিচ্যুতি দেখিলো। ভুলবোৰ সংবাদ মাধ্যমেও আঙুলিয়াই দিছে। তাৰ বাবে সংবাদ মাধ্যমকো ধন্যবাদ দিছো। হিমন্ত বিশ্ব শৰ্মাৰ দীঘলীয়া অভিজ্ঞতা আছে। সেই অভিজ্ঞতাৰে তেওঁ অসমক শ্ৰেষ্ঠ ৰাজ্য কৰিব পাৰিব বুলি মই আশাবাদী।' বিধায়কসকলৰ উদ্দেশ্যি সোণোৱালে কয় যে ব্যক্তিগত কথাতকৈ সমাজখনৰ কথা তেওঁলোকে অধিক ভাবিব লাগিব। কাৰণ ৰজাৰ বাবে দেশ নহয়, ৰজাহে দেশৰ বাবে। যোৱা পাঁচ বছৰত অসম চৰকাৰে সততা, নিষ্ঠা আৰু দুৰ্নীতিৰ বিৰুদ্ধে কাম কৰাৰ ফল তেওঁ পোৱা বুলি কয়। চৰকাৰখনক বিশ্বাসত লোৱা বাবে তেওঁ অসমৰ কোটি কোটি জনতাক প্ৰণিপাত জনায়। নতুন চৰকাৰখনৰ প্ৰথম কাম ক'ভিডৰ বিৰুদ্ধে যুদ্ধ হ'ব বুলি সোণোৱালে কয়; কিন্তু সেই যুদ্ধত অসমে জয়লাভ কৰিব বুলিও তেওঁ দৃঢ়তা প্ৰকাশ কৰে।

অসমে পাঁচ বছৰত সফলতা আৰ্জিছে

কেন্দ্ৰীয় মন্ত্ৰী টোমৰে তেওঁৰ চমু ভাষণত উল্লেখ কৰে যে যোৱা পাঁচ বছৰত অসমে উন্নয়নৰ দ্ৰুত গতি লাভ কৰে। ইয়াৰ ফলতে ৰাইজে বিজেপিক পুনৰ শাসনভাৰ অৰ্পণ কৰিছে। যোৱা পাঁচ বছৰত চৰকাৰখনে কঠোৰ পৰিশ্ৰমেৰে কাম কৰিছিল বুলি তেওঁ মন্তব্য কৰে। কেন্দ্ৰীয় মন্ত্ৰীজনে প্ৰধানমন্ত্ৰী মোদীৰ নেতৃত্বত ভাৰতেও বিকাশৰ দ্ৰুত গতি লাভ কৰা বুলি কয়। মোদীৰ শক্তি অধিক বৃদ্ধি কৰিবলৈ অসমেও আগন্তুক দিনবোৰত অধিক দক্ষতাৰে কাম কৰিব লাগিব বুলি টোমৰে পৰামৰ্শ আগবঢ়ায়।

একেখন গাড়ীতে সোণোৱাল-ড° শৰ্মা

বিধায়িনী দল আৰু মিত্ৰদলৰ সভালৈ আজিও একেখন বাহনতে দিছপুৰলৈ আহে বিদায়ী মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু নৱনিৰ্বাচিত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা। ইয়াৰ পূৰ্বে কালি দিল্লীলৈয়ো তেওঁলোক একেখন চাৰ্টাৰ্ড বিমানেৰে গৈ উভতিও আহিছিল।

সোমবাৰে ১২ বজাত শপত গ্ৰহণ

বিধায়িনী দলৰ নেতা নিৰ্বাচিত হোৱাৰ পাছতে চৰকাৰ গঠনৰ দাবী লৈ দলে-বলে আজি বিয়লি ৰাজভৱনত ৰাজ্যপাল জগদীশ মুখীক সাক্ষাৎ কৰে নৱনিৰ্বাচিত মুখ্যমন্ত্ৰী ড° শৰ্মাই। সংখ্যাগৰিষ্ঠতা প্ৰদৰ্শনেৰে ৰাজ্যপালৰ ওচৰত উত্থাপন কৰা এই দাবীৰ ভিত্তিত ৰাজ্যপালে ড° শৰ্মাক ৰাজ্যৰ নতুন মুখ্যমন্ত্ৰীৰূপে নিযুক্তি প্ৰদান কৰে।

কাইলৈ ৰাজ্যৰ নতুন মুখ্যমন্ত্ৰীসহ চৰকাৰৰ মন্ত্ৰীসভাই শপত গ্ৰহণ কৰিব। শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত ইয়াৰ বাবে বৃহৎ আয়োজন কৰা হৈছে। অৱশ্যে কাইলৈ পূৰ্ণাংগ মন্ত্ৰীসভা গঠন নহয় বুলি উচ্চস্তৰীয় সূত্ৰই সদৰী কৰে।

ছাত্ৰ নেতাৰ পৰা মুখ্যমন্ত্ৰিত্বলৈ

এক পৃষ্ঠাৰ পৰা ৰাজ্য চৰকাৰৰ দ্বিতীয় শীৰ্ষ নেতা তথা সেনানীৰূপে তেওঁ দক্ষতাৰ পৰিচয় দিছে। ৰাজনৈতিক বিশ্লেষকৰ মতে, আগন্তুক সময়ছোৱাত অসমৰ শাসনৰ বাঘজৰী হাতত তুলি লোৱা ড° শৰ্মাৰ বাবে এই পদপ্ৰাপ্তিৰ বাট দীঘলীয়া আৰু ই কাহানিও নিষ্কণ্টক নাছিল। তদুপৰি সময়ে সময়ে তেওঁ বিভিন্ন বিতৰ্কত সাঙোৰ খাই পৰিছিল। বিগত দুটা দশকৰ অধিক সময়জুৰি সক্ৰিয়তা, দক্ষতা আৰু কৌশলী ৰাজনীতিকৰ পৰিচয় লাভ কৰা ড° শৰ্মাই পূৰ্বৰ কংগ্ৰেছ চৰকাৰৰ কাৰ্যকালৰ পাছৰছোৱাত বিসম্বাদী ৰাজনীতিকৰূপেও পৰিচিত হৈছিল। প্ৰয়াত তৰুণ গগৈ চৰকাৰৰ মূল চালিকা শক্তি আছিল ড° শৰ্মা আৰু পৰৱৰ্তী সোণোৱাল চৰকাৰৰ দিনতো তেওঁ সেই খিতাপ অটুট ৰাখিবলৈ সক্ষম হয়। সময়ে সময়ে এনে পৰিস্থিতিত ড° শৰ্মা 'ছুপাৰ চিয়েম' নামেৰেও পৰিচিত হৈছে।

ছাত্ৰ নেতাৰ পৰা ৰাজনীতিলৈ ড° শৰ্মাৰ পৰিক্ৰমা দীঘলীয়া আৰু বহুবৰ্ণময়ী। সদ্য বিদায়ী মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ কাৰ্যকালত স্বাস্থ্য, বিত্ত, শিক্ষা, গড়কাপ্তানীৰ দৰে দায়িত্ব চম্ভালা শৰ্মা আছিল সদৌ অসম ছাত্ৰ সন্থা (আছু)ৰ সদস্য। ১৯৬৯ত যোৰহাটত তেওঁৰ জন্ম। পিতৃ প্ৰয়াত কৈলাশ নাথ শৰ্মা আৰু মাতৃ মৃণালিনী দেৱী। যোৰহাটৰ বাল্য ভৱনত তেওঁৰ শিক্ষাৰ আৰম্ভণি হৈছিল। ১৯৭২ত তেওঁ নিম্ন মণ্টেছৰীত নামভৰ্তি কৰাৰ পাছত উচ্চ মণ্টেছৰী শ্ৰেণী পৰ্যন্ত যোৰহাটত অধ্যয়ন কৰিছিল। ১৯৭৫ত তেওঁ মহানগৰীৰ গান্ধীবস্তিৰ নতুন শৰণীয়া প্ৰাথমিক বিদ্যালয়ত আৰু ১৯৭৯ত কামৰূপ একাডেমী আৰু তাৰ পাছত ১৯৮৫ত মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হৈ ঐতিহ্যমণ্ডিত কটন কলেজত নামভৰ্তি কৰে। ১৯৮৭ত উচ্চতৰ মাধ্যমিক শ্ৰেণীৰ শিক্ষা সমাপ্ত কৰি ৰাজনীতি বিজ্ঞান বিষয়ক গুৰু বিষয় হিচাপে লৈ কটন কলেজত অধ্যয়ন কৰে। তাৰ পাছত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ৰাজনীতি বিজ্ঞান বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰি আইনৰ স্নাতক ডিগ্ৰীও অৰ্জন কৰে। তেওঁ পৰৱৰ্তী সময়ত ডক্টৰেট ডিগ্ৰীও লাভ কৰে। ছাত্ৰ ৰাজনীতিত সিদ্ধহস্তৰূপে পৰিচিতি লভা শৰ্মাই ১৯৮৮ৰ পৰা ১৯৯২লৈ একেৰাহে তিনিটা কাৰ্যকালৰ বাবে কটন কলেজৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ দায়িত্ব চম্ভালে।

অসমৰ ৰাজনীতিৰ এজন ভাস্কৰৰূপে পৰিচিত প্ৰয়াত মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াই মুখ্যমন্ত্ৰী ড° শৰ্মাক কংগ্ৰেছত স্থান দিয়ে। সেয়া ১৯৯০ৰ মাজভাগৰ কথা। জালুকবাৰী সমষ্টিৰ অভেদ্য দুৰ্গস্বৰূপ কৰি তোলা ৰাজ্যৰ প্ৰয়াত গৃহমন্ত্ৰী অগপৰ ভৃগু কুমাৰ ফুকনক ২০০১ত পৰাজিত কৰি ৰাজ্যৰ ৰাজনীতিত বহুল চৰ্চিত হৈ পৰে ড° শৰ্মাই। ইয়াৰ পাছত ২০২১কে ধৰি একেৰাহে সমষ্টিৰ পৰা পঞ্চমবাৰলৈ তেওঁ বিধায়ক নিৰ্বাচিত হয়। এজন বাকপটু আৰু কঠোৰ পৰিশ্ৰমী ৰাজনীতিক ড° শৰ্মা প্ৰয়াত তৰুণ গগৈৰ নয়নৰ মণিৰূপে খ্যাত আছিল যদিও পৰৱৰ্তী সময়ত সেই মধুৰতা তিক্ততালৈ পৰ্যবসিত নহ'লেও গভীৰ ক্ষতযুক্ত হৈ পৰে। পৰিশেষত গগৈ চৰকাৰৰ বিসম্বাদী ৰাজনীতিক হৈ পৰা শৰ্মাই ১০জন বিধায়কসহ ২০১৫ত বিজেপিত যোগদান কৰে। ২০১৪ত গগৈ মন্ত্ৰীসভাৰ পৰা পদত্যাগ কৰা শৰ্মাই তাৰ পূৰ্বে ২০০২ৰ পৰা কৃষি, স্বাস্থ্য, শিক্ষা, গুৱাহাটী উন্নয়নকে ধৰি গুৰুত্বপূৰ্ণ দপ্তৰৰ মন্ত্ৰিত্ব চম্ভালে। সম্প্ৰতি ড° শৰ্মাৰ সমুখত থকা বাট কিদৰে নিৰ্ণয় হ'ব তালৈ অসমবাসীয়ে আগ্ৰহেৰে অপেক্ষা কৰিছে।

দুই শতাধিক দোকানসহ ১৫

এক পৃষ্ঠাৰ পৰা পৰিচয় হৈ পৰা চ'ক বজাৰৰ কালি দিনৰ দুই বজালৈকে গ্ৰাহকৰ ভিৰ থকা ছবিখন চিৰদিনলৈ সলনি হ'ল এই বিধ্বংসী অগ্নিকাণ্ডৰ ফলত। বহুসংখ্যক পৰিয়ালৰ জীৱিকাৰ উৎস চ'ক বজাৰত কৰ'না প্ৰতিৰোধী নিৰ্দেশনা অনুসৰি বন্ধ হৈ পৰাৰ পাছত চ'ক বজাৰৰ বৃহৎ অংশ নিশা প্ৰায় ১২ বজাৰ পৰাই জ্বলি উঠে দপ্‌দপকৈ। লগে লগে তেজপুৰৰ বিভিন্ন অঞ্চলত লাগে হাহাকাৰ। দোকানসমূহৰ গৰাকী আৰু তেওঁলোকৰ অসহায় পৰিয়ালে ঢাপলি মেলে চ'ক বজাৰলৈ; কিন্তু ইতিমধ্যে চ'ক বজাৰৰ ভিতৰৰ দুই শতাধিক দোকান দাউ দাউকৈ জ্বলি নিঃশেষ হয় বিধ্বংসী অগ্নিকাণ্ডত। ব্যৱসায়ীসকলে দোকান গৃহৰ ভিতৰত থকা কোনো সামগ্ৰীয়েই বাহিৰলৈ উলিয়াব নোৱাৰিলে। উল্লেখ্য যে তেজপুৰ, কলিয়াবৰ, ওৰাং, ৰঙাপৰা, বায়ুসেনা বাহিনীৰ অগ্নিনিৰ্বাপক বাহিনীৰ ২০খন অগ্নি নিৰ্বাপক গাড়ীয়ে দীৰ্ঘ সময় চেষ্টা কৰিও বহু সময় এই অগ্নি নিৰ্বাপন কৰিবলৈ সক্ষম হোৱা নাছিল। অধিকাংশ কাপোৰৰ দোকানৰ লগতে ভালেসংখ্যক মনিহাৰী দোকান, হাৰ্ডৱেৰ তথা সুতাকে ধৰি বেগ, জোতা-ছেণ্ডেলৰ দোকানৰে ভৰি থকা তেজপুৰৰ চ'ক বজাৰত প্ৰৱেশৰ চাৰিটা পথ আৰু ভিতৰত আন চাৰিটা উপ-পথ আছিল। কিন্তু মূল পথসমূহতো দোকান বহুৱাই ঠেক কৰি পেলোৱাৰ পৰিণতিত ইয়াত অগ্নিনিৰ্বাপক বাহিনীৰ বাহন প্ৰৱেশ কৰাত যথেষ্ট সমস্যাৰ উদ্ভৱ হয়। উল্লেখ্য যে ব্ৰিটিছৰ শাসনকালতে অস্থায়ী হাট-বজাৰৰূপে স্থাপিত এই চ'ক বজাৰৰ স্থায়ী গৃহ নিৰ্মাণ তেজপুৰ পৌৰসভাই ১৯৬২ত আৰম্ভ কৰাৰ পাছত ১৯৬৫ত সম্পূৰ্ণ হোৱা বুলি প্ৰকাশ কৰিছে তেজপুৰ পৌৰ সভাৰ প্ৰাক্তন পৌৰপতি আলাউদ্দিন আহমেদে। তদুপৰি ইয়াত বাহিৰে-ভিতৰে প্ৰায় ৩৬৬খন দোকান গৃহ আছিল যদিও পাছত ব্যৱসায়ীসকলৰ একাংশই নিজাববীয়াকৈ কিছু দোকানগৃহ বৃদ্ধি কৰে আৰু বৰ্তমান চ'ক বজাৰত বাহিৰে-ভিতৰে মিলাই প্ৰায় চাৰিশ দোকানগৃহ আছিল। কিছুদিন পূৰ্বে বিহু আৰু আগন্তুক ঈদ উপলক্ষে ব্যৱসায়ীসকলে সামগ্ৰী অধিক ৰূপত মজুত ৰখাত এই অগ্নিকাণ্ডটোত ক্ষতিৰ পৰিমাণ অধিক বৃদ্ধি পাইছে। আনহাতে, ২০০৩-০৪ত শোণিতপুৰৰ তদানীন্তন উপায়ুক্ত ড° আৰিজ আহমেদে এই চ'ক বজাৰ নতুনকৈ নিৰ্মাণৰ বাবে নক্সা আদি প্ৰস্তুত কৰি আগবঢ়াৰ সময়তে স্থানীয় একাংশ ব্যৱসায়ীয়ে ইয়াত বাধা দিয়ে। ইয়াৰ পাছত ২০১০ত তেজপুৰ পৌৰসভাৰ তদানীন্তন পৌৰনেত্ৰী শোভা ভট্টাচাৰ্যৰ কাৰ্যকালত হাডক'ৰ সহযোগত ইয়াত অত্যাধুনিক বজাৰ প্ৰকল্প নিৰ্মাণৰ আন এক পৰিকল্পনা কৰা হৈছিল যদিও সেয়াও কাৰ্যকৰী নহ'ল ইয়াৰে একাংশ ব্যৱসায়ীৰ বাবেই। এনে অৱস্থাত ২০১৪ত দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ তৰফৰ পৰা চ'ক বজাৰৰ গৃহসমূহ বিপজ্জনক হৈ পৰা বুলি তেজপুৰ পৌৰসভাক জাননী জাৰি কৰা হয় আৰু তেজপুৰ পৌৰসভাই ইয়াৰ ব্যৱসায়ীসকলক এই দোকান গৃহসমূহ খালী কৰাৰ বাবে জাননী জাৰি কৰে; কিন্তু এইবাৰো ব্যৱসায়ীসকলে এনে কৰিবলৈ অমান্তি হয়। উল্লেখ্য যে যোৱা ১৮ এপ্ৰিলত হোৱা ভূমিকম্পত চ'ক বজাৰৰো কিছু ক্ষতিসাধন হৈছিল। স্মৰ্তব্য যে তেজপুৰ পৌৰসভাক অতি কম পৰিমাণৰ ভাড়া আদায় দিয়াৰ বিপৰীতে চ'ক বজাৰৰ বহু দোকান গৃহ যিসকলৰ নামত আবণ্টিত হৈ আছে ইয়াৰে বহু সংখ্যকে আনক বৃহৎ পৰিমাণৰ আগধন লৈ সেই গৃহসমূহ ভাড়ালৈ দিছে। এনে অৱস্থাত বৰ্তমান সৰ্বস্বান্ত হোৱা বহু ব্যৱসায়ীয়ে বীমাৰ ধনো লাভ নকৰাৰ আশংকা কৰিছে। আজি বিয়লি পৰ্যন্ত জুই সম্পূৰ্ণৰূপে নিৰ্বাপণ নোহোৱা তথা তেজপুৰৰ মূল বজাৰ ৰূপে সৰ্বসাধাৰণৰ আৱেগ জড়িত থকা চ'ক বজাৰৰ এই শোকাবহ ঘটনা বৈদ্যুতিক বিজুতিৰ বাবে সংঘটিত হোৱা বুলি ব্যৱসায়ীসকলে অভিযোগ কৰি কয় যে কালি বিয়লি ইয়াৰ বিদ্যুৎ সংযোগত শ্বৰ্ট চাৰ্কিট হোৱাৰ বিষয়ে বিদ্যুৎ পৰিষদৰ কাৰ্যালয়ক জনোৱা হৈছিল যদিও তেওঁলোকে এই সেয়া পৰীক্ষা কৰিবলৈ নাহিল। তেজপুৰ চহৰৰ ব্যৱসায়িক হৃদপিণ্ডস্বৰূপ চ'ক বজাৰ এনেদৰে নিঃশেষ হোৱা আৰু ব্যৱসায়ী তথা তেওঁলোকৰ পৰিয়াল আৰু ইয়াৰে জড়িত কৰ্মচাৰীসকলৰ ভৱিষ্যত নিশাটোৰ ভিতৰতে অন্ধকাৰাচ্ছন্ন হৈ পৰাত গভীৰ শোক প্ৰকাশ কৰি তেজপুৰৰ নৱ নিৰ্বাচিত বিধায়ক পৃথ্বিৰাজ ৰাভাই নিশাই গুৱাহাটীৰ পৰা তেজপুৰত উপস্থিত হৈ পুৱাই পৰিস্থিতিৰ বুজ লয়। বিধায়কজনে নতুন চৰকাৰে দায়িত্বভাৰ লোৱাৰ পাছতে তেজপুৰ চ'ক বজাৰৰ পুনৰনিৰ্মাণ তথা ক্ষতিগ্ৰস্ত ব্যৱসায়ীসকলৰ পুনৰ সংস্থাপনৰ বাবে কেনেধৰণৰ পদক্ষেপ গ্ৰহণ কৰিব পাৰি সেইক্ষেত্ৰত সংশ্লিষ্ট সকলো পক্ষৰে আলোচনা কৰি আগবাঢ়িব বুলি প্ৰকাশ কৰে। ইপিনে, এই হৃদয়বিদাৰক ঘটনাৰ সময়ত শোণিতপুৰৰ উপায়ুক্ত মানবেন্দ্ৰ প্ৰতাপ সিং, আৰক্ষী অধীক্ষক মুগ্ধজ্যোতি মহন্ত ঘটনাস্থলীত উপস্থিত হৈ অগ্নি নিৰ্বাপণৰ কামৰ তদাৰক কৰে।

আনহাতে, যোৱা নিশাৰ বিধ্বংসী অগ্নিকাণ্ডত তেজপুৰৰ চ'ক বজাৰ জাহ যোৱাক লৈ গভীৰ উদ্বেগ প্ৰকাশ কৰি এছ ইউ চি আই (কমিউনিষ্ট)ৰ অসম ৰাজ্যিক কমিটিৰ সম্পাদক চন্দ্ৰলেখা দাসে আজি এক বিবৃতিত কয় যে তেজপুৰ চহৰৰ মূল ব্যৱসায়িক স্থান চ'ক বজাৰৰ ভয়াৱহ অগ্নিকাণ্ডত এইবোৰ দোকানকে জীৱিকাৰ একমাত্ৰ অৱলম্বন কৰা মালিক আৰু কৰ্মচাৰীৰ পৰিয়ালকে ধৰি প্ৰায় পাঁচ সহস্ৰাধিক মানুহৰ জীৱনত এক কঠিন পৰিস্থিতিৰ সৃষ্টি হৈছে। তেওঁ কয় যে কৰ'না অতিমাৰীৰ কাৰণে সৰু সৰু ব্যৱসায়ীসকল নানান ধৰণৰ সমস্যাত ভুগি আছে। তাৰ ওপৰতে এই অগ্নিকাণ্ডই এই ব্যৱসায়ীসকলক অধিক বিপৰ্যস্ত কৰি তুলিছে। এই কঠিন পৰিস্থিতিত ক্ষতিগ্ৰস্তসকলক তৎকালীনভাৱে প্ৰয়োজনীয় ক্ষতিপূৰণ আদায়ৰ লগতে এই অগ্নিকাণ্ড কেনেকৈ সংগটিত হ'ল, দোকানবিলাকৰ অনুমোদন বা বিদ্যুৎ সংযোগৰ ক্ষেত্ৰত নিয়ম বহিৰ্ভুত কোনো কাম দায়ী হয় নে নহয় তাৰ উচিত তদন্ত কৰাৰ দাবী জনাইছে।

উপ-মুখ্যমন্ত্ৰী পদ লাভৰ বাবে আশাবাদী

এক পৃষ্ঠাৰ পৰা শীৰ্ষ সূত্ৰই কয়, 'বিষয়টো আমি শুনিবলৈ পাইছো। যদি বিজেপিৰ নেতৃত্বই এই পদ প্ৰদান কৰে, আমি নিশ্চয় আনন্দিত হ'ম। মিত্ৰদল হিচাপে এনে সন্মান লাভ কৰিলে দলৰ প্ৰতিজন কৰ্মীয়েই অধিক সুখী হ'ব আৰু অনাগত দিনত মিত্ৰজোঁটৰ হৈ দুগুণ উৎসাহেৰে সেৱা আগবঢ়াব।' লগতে নৱগঠিত মন্ত্ৰীসভাত অগপৰ তিনিজনে স্থান লাভ কৰিব বুলি আশা ব্যক্ত কৰে। সূত্ৰটোৱে কয় যে পশ্চিম গুৱাহাটীৰ বিধায়ক তথা দলৰ জ্যেষ্ঠ নেতা ৰমেন্দ্ৰ নাৰায়ণ কলিতাইও এইবাৰ মন্ত্ৰী পদ দাবী কৰিছে। এই সন্দৰ্ভত দলৰ বিধায়িনী দলে আলোচনা কৰি সিদ্ধান্ত গ্ৰহণ কৰিব বুলি সূত্ৰটোৱে কয়। বিধায়ক কলিতাই এই সন্দৰ্ভত আজি সাংবাদিকৰ আগত কয়, 'সমষ্টিবাসীয়ে মোক এইবাৰ মন্ত্ৰী হোৱাটো কামনা কৰিছে আৰু মই মন্ত্ৰীৰ পদ বিচাৰিম। দলে দিয়ে নে নিদিয়ে সেয়া বিবেচনা কৰিব; কিন্তু ৰাইজৰ সেৱা সদায় কৰি যাম।'

জালুকবাৰী সমষ্টিৰ বিভিন্ন স্থানত মন্দিৰ

এক পৃষ্ঠাৰ পৰা পোৱাৰ বাবে যিদৰে জালুকবাৰীৰ ৰাইজ আপ্লুত হৈ পৰিছে, সেইদৰে গাঁৱৰ স'তে সম্পৰ্ক থকা এজন লোকৰ এনে উত্তৰণত গৌৰৱান্বিত হৈ পৰিছে নলবাৰীৰ লাটিমা গাঁৱৰ নিবাসীসকল।

উল্লেখ্য যে নিৰ্বাচনৰ ফলাফল ওলোৱাৰ এসপ্তাহৰ পাছত আজি বিধায়িনী দলৰ নেতা নিৰ্বাচিত হয় ড০ শৰ্মা। লগে লগে তেওঁ মুখ্যমন্ত্ৰী হোৱাটো নিশ্চিত হৈ পৰাত উৎফুল্লিত হৈ পৰে জালুকবাৰী সমষ্টিবাসী। ইয়াৰ কিছুসময়ৰ পাছতে অসমৰ পঞ্চদশ মুখ্যমন্ত্ৰীৰূপে ড০ শৰ্মাৰ নাম ঘোষিত হয়। স্বাধীনতাৰ পাছত প্ৰথমবাৰলৈ জালুকবাৰীৰ কোনো বিধায়কে মুখ্যমন্ত্ৰীৰ আসনত অধিষ্ঠিত হোৱাৰ গৌৰৱ অৰ্জন কৰিলে। ফলত আজি সমষ্টিটোৰ বাসিন্দাসকল অধিক আনন্দিত আৰু গৌৰৱান্বিত হৈ পৰে। বিশেষকৈ সমষ্টিটোৰ অন্তৰ্গত বস্ত্ৰনগৰী শুৱালকুছিতো আনন্দৰ ঢল বয়। শুৱালকুছি মণ্ডল বিজেপিৰ সভাপতি হেমচন্দ্ৰ বৈশ্যই এই সন্দৰ্ভত প্ৰতিক্ৰিয়া ব্যক্ত কৰি কয়, 'আমাৰ পৰম সৌভাগ্য যে জালুকবাৰী সমষ্টিৰ বিধায়কগৰাকী অসমৰ মুখ্যমন্ত্ৰী হ'ল। তাতকৈ আনন্দৰ কথা আন একো হ'ব নোৱাৰে। অসমবাসীয়ে বহু বছৰৰ মূৰত এজন যোগ্য মুখ্যমন্ত্ৰী লাভ কৰিলে, যিজন সকলো দিশতে পাৰ্গত। নিশ্চিতভাৱে অসমবাসীয়ে যোগ্যজনৰ পৰা যোগ্য ফল লাভ কৰিব আৰু আগন্তুক দিনত অসম দেশৰ ভিতৰতে সৰ্বশ্ৰেষ্ঠ ৰাজ্যত পৰিগণিত হ'ব।' বৈশ্যই লগতে আশা প্ৰকাশ কৰে যে শুৱালকুছিৰ ঐতিহ্যমণ্ডিত বস্ত্ৰশিল্পয়ো এক নতুন জীৱন লাভ কৰিব আৰু শিপিনী-বোৱনীসকলেও আশাৰ বাৰ্তা লাভ কৰিব। ইপিনে, পশ্চিম শুৱালকুছি গাঁও পঞ্চায়তৰ সভাপতি কবিন দাসে গভীৰ সন্তুষ্টি প্ৰকাশ কৰি আগন্তুক দিনত ৰাজ্যখনত শান্তিৰ পৰিৱেশ সৃষ্টি হোৱাৰ লগতে সকলো দিশতে অসমৰ উন্নতি সম্ভৱপৰ হৈ উঠিব বুলি মতপ্ৰকাশ কৰে। দাসে লগতে কয়, 'ড০ হিমন্ত বিশ্ব শৰ্মা এনে এজন ৰাজনীতিবিদ, যিয়ে সকলো শ্ৰেণীৰ মানুহৰ মনৰ কথা উপলব্ধি কৰিব পাৰে। মানুহে তেওঁৰ আগত কিবা ক'বলৈ মুখ মেলিলেই তেওঁ বুজি উঠে মানুহজনে তেওঁক কি ক'ব বিচাৰিছে। স্মৃতি শক্তিও তেওঁৰ অতি প্ৰখৰ। সমষ্টিৰ যিকোনো মানুহক এবাৰ দেখাৰ পাছত তেওঁ পুনৰ পাহৰি নাযায়। পাছত দেখিলে কনিষ্ঠ হ'লে নাম কাঢ়ি মাতে আৰু জ্যেষ্ঠ হ'লে 'অমুক খুড়া', 'তমুক দাদা' বুলি সম্বোধন কৰি মাতে। লগতে কেতিয়াবা ক'ৰবাত কিবা কাম কৰি দিব বুলি কৈছিল যদিও লগ পালে কামটো হ'ল নে নাই বুলি সোধে।' ড০ শৰ্মা মুখ্যমন্ত্ৰী নিৰ্বাচিত হোৱাত পৰম আহ্লাদিত হৈ পৰা গাঁও পঞ্চায়তৰ সভাপতিজনে লগতে কয়, 'সমষ্টিটোৰ সকলো খবৰ তেওঁৰ নখ-দৰ্পণত থাকে। কোনোৱে ফাকি দি সাৰিব নোৱাৰে। গতিকে এনে ৰাজনীতিবিদ দেশত হয়তো বহুত তাকৰ। ড০ শৰ্মা বহুদিনৰ আগতেই মুখ্যমন্ত্ৰী হ'ব লাগিছিল। তেতিয়া হ'লে অসমৰ একো সমস্যাই নাথাকিলহেঁতেন। আজি মই অসমবাসীৰ বাবে এইটোৱেই ভাল খবৰ বুলি ক'ব বিচাৰো।' সেইদৰে শুৱালকুছি জিলা পৰিষদৰ প্ৰাক্তন সদস্য কৃষ্ণ দাসে কয় যে ড০ শৰ্মাৰ দৰে দক্ষ ৰাজনীতিবিদ দেশত বিৰল। দাসে কয়, 'সকলো ফালতে তেওঁ অতি দক্ষ। এতিয়াহে অসম সকলো দিশতে জয়জয় ময়ময় হৈ পৰিব। মাত্ৰ আমি তেওঁক সৰ্বতোপ্ৰকাৰে সৰ্ব সহযোগ আগবঢ়াব লাগিব। তেওঁ অসমৰ ইমূৰৰ পৰা সিমূৰলৈ ঘূৰি ৰাজ্যখনত ক'ত কি সমস্যা সেয়া জ্ঞাত। গতিকে এই পাঁচ বছৰত কিছু হ'লেও সমস্যাৰ সমাধান হ'ব আৰু ৰাইজে ভবা মতে অসমত শাসন চলিব। ৰাইজে কিছু ধৈৰ্য ধৰিব লাগিব। মুঠতে আগন্তুক পাঁচ বছৰত অসমত বেয়া শব্দটো নাইকিয়া হ'ব যেন লাগিছে।' শুৱালকুছিৰ আন বহুজনেও প্ৰায় অনুৰূপ মন্তব্যৰে ড০ শৰ্মা মুখ্যমন্ত্ৰী হোৱাত সন্তুষ্টি আৰু আনন্দ ব্যক্ত কৰে। ইফালে, ড০ শৰ্মা মুখ্যমন্ত্ৰীৰূপে নিৰ্বাচিত হোৱাৰ পাছতে পূৰ শুৱালকুছি হিমন্ত বিশ্ব শৰ্মা অনুৰাগী দলে শুৱালকুছিৰ নামঘৰ সমূহত বন্তি প্ৰজ্বলন কৰি তেওঁৰ উজ্জ্বল ভৱিষ্যৎ আৰু সু-স্বাস্থ্যৰ লগতে দীৰ্ঘ জীৱন কামনা কৰি ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনায়। সেইদৰে সমষ্টিটোৰ অন্তৰ্গত গন্ধমৌ, বংশৰ, শিঙিমাৰীতো আদিতো সমৰ্থকসকলে বন্তি প্ৰজ্বলন কৰাৰ লগতে ফটকা ফুটাই আনন্দ প্ৰকাশ কৰে।

একেদৰে নলবাৰী জিলাৰ লাটিমা গাঁৱতো আজি আনন্দৰ বন্যা পৰিলক্ষিত হয়। ড০ শৰ্মাৰ পিতৃৰ ওপজা গাঁওখনৰ আবাল-বৃদ্ধ-বনিতাই আজি ক'ভিড বিধি ৰক্ষা কৰিও আনন্দ-উল্লাসত মতলীয়া হৈ পৰে। উল্লেখ্য যে পিতৃৰ জন্মগাঁও লাটিমাৰ লগতে সমগ্ৰ জিলাখনতে আজি উছৱমুখৰ পৰিৱেশে বিৰাজ কৰে। আজি ড০ শৰ্মা বিধায়িনী দলৰ নেতা নিৰ্বাচিত হোৱাৰ লগে লগে লাটিমা গাঁৱৰ ৰাইজে খোল-তাল বজাই আনন্দ প্ৰকাশ কৰাৰ সমান্তৰালকৈ সন্ধিয়া পৰত সকলোৱে অঞ্চলটোৰ বিভিন্ন মন্দিৰ আৰু নামঘৰত নৱনিৰ্বাচিত মুখ্যমন্ত্ৰীজনৰ সু-স্বাস্থ্য আৰু সফলতা কামনা কৰি বন্তি প্ৰজ্বলন কৰে। ড০ শৰ্মাৰ ৰাজনৈতিক উত্তৰণত আনন্দ প্ৰকাশ কৰি তেওঁৰ খুড়াক তথা লাটিমা গাঁৱৰ নিবাসী প্ৰভাত শৰ্মাই 'দৈনিক অগ্ৰদূত'ক কয়, 'আমি বহুত আনন্দ লাভ কৰিছো। সুখী হৈছো। পূৰ্বৰে পৰাই হিমন্তৰ পৰিয়ালে সমাজৰ কাৰণে বহুত ত্যাগ কৰিছে। গাঁওখনত তেওঁলোকৰ ভূমিতে বিশ্বনাথ শৰ্মা মজলীয়া বিদ্যালয়, গোপাল গোসাঁইঘৰ, লাটিমা ৰাজ্যিক চিকিৎসালয় প্ৰতিষ্ঠা হৈছে। ত্যাগৰ মনোভৱ শৈশৱৰ পৰাই আছিল, সেইবাবে ঈশ্বৰে দেশসেৱাৰ ভাৱ দিছে। মুখ্যমন্ত্ৰীৰূপে গাঁওখনৰ লগতে ৰাজ্যখনৰ আৰু উন্নয়ন হ'ব, সেইটোৱেই আমি কামনা কৰিছো।' আনহাতে, ড০ শৰ্মাৰ পিতৃগৃহত আশ্ৰয় লোৱা সম্পৰ্কীয় খুড়াক দণ্ডপানী শৰ্মা আকু খুড়ীয়েক ভৱানী দেৱীয়েও সন্তুষ্টি প্ৰকাশ কৰি কয়, 'হিমন্ত বিশ্বৰ পুৰণি ঘৰখন আমি দুয়ো চাই আছো। আমাক থাকিবলৈ আৰু চোৱা-চিতা কৰাৰ দায়িত্ব দিছে। তেওঁ আমাক ঘৰখন ভালকৈ ৰাখিবলৈ প্ৰায়ে কয়। মেডিকেল কলেজ হোৱাৰ পাছত ঘৰখনলৈ প্ৰায়ে আহে হিমন্ত।' দুয়ো পৰৱৰ্তী মুখ্যমন্ত্ৰীৰূপে ড০ শৰ্মাৰ সফলতা আৰু সু-স্বাস্থ্য কামনা কৰে। আন এজন সম্পৰ্কীয় খুড়াক বীৰেন শৰ্মাই কয়, 'আমি গৌৰৱ অনুভৱ কৰিছো। আমাৰ ভতিজা ল'ৰা এতিয়া অসমৰ মুখ্যমন্ত্ৰী, ইয়াতকৈ সুখৰ খবৰ কি হ'ব পাৰে? অকল আমি বা গাঁওবাসীয়েই নহয়, সমগ্ৰ জিলাখনেই আজি গৌৰৱান্বিত হৈছে।' আনহাতেস লাটিমা গাঁৱৰ গাঁওবুঢ়া ফলমুদ আলীয়ে গৌৰৱান্বিত হোৱা বুলি মন্তব্য কৰি কয়, 'মই মুখ্যমন্ত্ৰীৰ ওপজা গাঁৱৰ গাঁওবুঢ়া হিচাপে যথেষ্ট সুখী হৈছো।' গাঁওখনৰ জ্যেষ্ঠ নাগৰিক দেৱন দাস, উপেন দাস, গৌৰী দাস, ফুকন দাস আদিয়েও সমানে আনন্দ প্ৰকাশ কৰি মুখ্যমন্ত্ৰীৰূপে ড০ শৰ্মাই ৰাজ্যৰ সকলো জাতি-জনগোষ্ঠীৰ সম উন্নয়ন আৰু সম বিকাশেৰে উন্নয়নৰ গতি অধিক ত্বৰান্বিত কৰিব বুলি আশা প্ৰকাশ কৰে। উল্লেখ্য যে ড০ শমাৰ প্ৰয়াত পিতৃ কৈলাশ শৰ্মাৰ জন্ম লাটিমা গাঁৱত যদিও নৱ নিৰ্বাচিত মুখ্যমন্ত্ৰীজনৰ জন্ম হৈছিল যোৰহাটত।

অৱশেষত ড° হিমন্ত বিশ্ব শৰ্মা

এক পৃষ্ঠাৰ পৰা আজি বাস্তৱত পৰিণত হ'ল। বিগত এক দশকৰ ওপৰকাল তেওঁ মুখ্যমন্ত্ৰী পদত অধিষ্ঠিত হোৱাটো একপ্ৰকাৰ সময়ৰ অপেক্ষাৰ দৰেই আছিল; কিয়নো বিগত দুই দশকৰ অসমৰ ৰাজনৈতিক পৰিক্ৰমাত তেওঁ এনে এক ব্যক্তিত্ব হৈ উঠিছিল যাক কোনোবাই ভাল পাব পাৰে অথবা বেয়া পাব পাৰে; কিন্তু তেওঁক অৱজ্ঞা কৰিব নোৱাৰে। ছাত্ৰনেতাৰূপে ভুমুকি মৰাৰ সময়ৰে পৰা বিভিন্ন বিতৰ্কত জড়িত হ'লেও এই কালছোৱাত তেওঁ শক্তি আহৰণত সফল হৈছে। তেওঁ এইবাৰ মুখ্যমন্ত্ৰী পদৰ বাবে বাছনি হোৱাৰ প্ৰক্ৰিয়াতে সেয়া অধিক স্পষ্ট হৈ উঠিল; কিয়নো সাধাৰণ দৃষ্টিত সৰ্বানন্দ সোণোৱালক দ্বিতীয়টো কাৰ্যকালৰ বাবে মুখ্যমন্ত্ৰীৰূপে সুযোগ নিদিয়াৰ বিশেষ কাৰণ ৰাইজৰ চকুত পৰা নাছিল। বিগত পাঁচ বছৰীয়া কাৰ্যকালত কোনো ধৰণৰ বিতৰ্কত সাঙোৰ নোখোৱাকৈয়ে সোণোৱালে ৰাজ্য শাসন কৰিছিল। কিন্তু হিমন্ত বিশ্বৰ সন্মুখত তেওঁ কোনো বাধাৰ সৃষ্টি কৰিবলৈ সক্ষম হোৱা পৰিলক্ষিত নহ'ল। দিল্লীত বহি ৰাষ্ট্ৰীয় দলসমূহৰ হাইকমাণ্ডে নিৰ্ধাৰিত কৰি দিয়া নেতাকেই মুখ্যমন্ত্ৰী পদত অধিষ্ঠিত কৰি অহা এক পৰম্পৰা গঢ় লৈ উঠিছে। ৰাজ্যত কোনজন নেতাই কিমানসংখ্যক বিধায়কৰ সমৰ্থন লাভ কৰিছে, সেয়া মুখ্যমন্ত্ৰী পদ লাভৰ ক্ষেত্ৰত বিচাৰ্য হোৱা দেখা নাযায় আৰু এইদৰেই হাইকমাণ্ডে চাবিকাঠি নিজৰ হাতত ৰাখি আহিছে— সেয়া সাত দশক ধৰি দেখি অহা কংগ্ৰেছৰ ক্ষেত্ৰতে হওক অথবা সাম্প্ৰতিক বিজেপিৰ ক্ষেত্ৰতে হওক। সেয়েহে প্ৰকাশ পোৱা অনুসৰি বিজেপি নেতৃত্বাধীন মিত্ৰজোঁটৰ গৰিষ্ঠসংখ্যক বিধায়কৰ সমৰ্থন লাভ কৰিলেও ড° হিমন্ত বিশ্বই মুখ্যমন্ত্ৰীৰ পদ লাভৰ ক্ষেত্ৰত হাইকমাণ্ডৰ সেউজ সংকেত পাবই বুলি শনিবাৰ পৰ্যন্ত বহুতেই নিশ্চিত হ'ব পৰা নাছিল। তদুপৰি বহু সময়ত নিজৰ কৰ্তৃত্ব সুদৃঢ় কৰি ৰখাৰ লক্ষ্যৰে হাইকমাণ্ডে একোখন ৰাজ্যত একাধিক সমপৰ্যায়ৰ নেতা সৃষ্টি কৰে। যাতে সংশ্লিষ্ট মুখ্যমন্ত্ৰী অথবা দলীয় নেতাই প্ৰয়োজনাধিক শক্তিশালী হৈ এককভাৱে সকলো ক্ষমতা হস্তগত কৰিব নোৱাৰে। তৰুণ গগৈ চৰকাৰৰ কাৰ্যকালত এই ক্ষেত্ৰত সফল নহ'লেও এইবাৰ ড° হিমন্ত বিশ্বই বিজেপি নেতৃত্বক বলাবলৈ সক্ষম হ'ল।

অকল সেয়ে নহয়, অসমৰ ৰাজনীতিত সুদীৰ্ঘ কাল ধৰি বদ্ধমূল ধাৰণা প্ৰচলিত হৈ আহিছে যে বৃহৎসংখ্যক জাতি-জনগোষ্ঠীৰে পৰিবেষ্টিত অসমত ব্ৰাহ্মণ সম্প্ৰদায়ৰ পৰা কোনো লোকে মুখ্যমন্ত্ৰী পদত অধিষ্ঠিত হোৱাৰ সুযোগ নাই। একেদৰে নীচাম্বিকাৰ মনোভাৱ যেন লাগিলেও নামনি অসমৰ নেতাৰ ক্ষেত্ৰতো একে কথাই প্ৰচলিত হৈ আহিছে, অথচ হিমন্ত বিশ্বই এই ধাৰণাক ওফৰাই বাজিমাৎ কৰিবলৈ সক্ষম হ'ল। বিজেপিৰেই কেতবোৰ মহলে ব্যাখ্যা দাঙি ধৰি আহিছে যে দলৰ শাসিত ৰাজ্যসমূহৰ অধিকাংশতে উচ্চবৰ্ণৰ নেতাই মুখ্যমন্ত্ৰীৰূপে কাৰ্যনিৰ্বাহ কৰি আছে। সেয়েহে জনজাতীয় নেতা সোণোৱালক মুখ্যমন্ত্ৰী পদত বাছনি নকৰি দলে সমগ্ৰ দেশক এক ভুল বাৰ্তা দিব নিবিচাৰিব; কিন্তু এনেবোৰ ধাৰণা হিমন্ত বিশ্বই বিচক্ষণতাৰে পাৰ কৰিবলৈ সক্ষম হৈ অৱশেষত মুখ্যমন্ত্ৰীৰ পদত অধিষ্ঠিত হ'বলৈ আগবাঢ়িছে। তদুপৰি এই কথা অস্বীকাৰ কৰিব নোৱাৰি যে বিগত দুটা দশকত চৰকাৰৰ নেতৃত্ব লাভ নকৰিলেও তেওঁ এগৰাকী সুদক্ষ সেনাপতিৰূপে সফলতাৰে দায়িত্ব পালন কৰি আহিছে।

এই কথাত সন্দেহ নাই যে নতুন চৰকাৰ গঠনৰ লগে লগে মুখ্যমন্ত্ৰীৰূপে ড° হিমন্ত বিশ্ব শৰ্মাই বিভিন্ন প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব লাগিব। ইতিমধ্যে গুৰুতৰ ৰূপ ধাৰণ কৰা কৰ'নাৰ সংক্ৰমণ ৰোধ কৰাটোৱেই প্ৰাথমিক দায়িত্ব হ'ব, কিয়নো ইতিমধ্যে তেওঁৰ লগতে কৰ'নাৰ চিকিৎসা আৰু ব্যৱস্থাপনাৰ স'তে জড়িতসকলে স্পষ্ট কৰি দিছে যে বৰ্তমানৰ পৰিস্থিতি অব্যাহত থাকিলে আৰু এসপ্তাহৰো কম সময়ৰ ভিতৰতে অসমতো দিল্লীৰ দৰে অৱস্থাৰ সৃষ্টিৰ আশংকা আছে। ইতিমধ্যে গুৱাহাটী মহানগৰীকে ধৰি কমেও চাৰিখন জিলাত প্ৰতিদিনে সংক্ৰমণৰ হাৰ ১০ শতাংশৰ অধিক হৈছে। তদুপৰি আই চি ইউ শয্যা আৰু অক্সিজেনৰ অভাৱ ঘটাৰ আগজাননী দিয়া হৈছে। কেন্দ্ৰীয় চৰকাৰে ইতিমধ্যে জাৰি কৰা নিৰ্দেশনাত স্পষ্টভাৱে কৈছে যে সংক্ৰমণৰ হাৰ ১০ শতাংশৰ অধিক হ'লে সংশ্লিষ্ট ৰাজ্যত সৰ্বাত্মক তলাবন্ধৰ বিবেচনা কৰা উচিত। উচ্চতম ন্যায়ালয়েও একে ধৰণৰ পৰামৰ্শই দিছে। শেহতীয়া জটিল পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত কৰ'নাৰ সংক্ৰমণ ৰোধৰ বাবে তলাবন্ধ ঘোষণাৰ বাধ্যবাধকতা সাধাৰণ ৰাইজেও উপলব্ধি কৰিব পাৰিছে। তদুপৰি বিগত সময়ছোৱাত স্বাস্থ্যমন্ত্ৰীৰূপে হিমন্ত বিশ্বই কৰ'নাৰ ব্যৱস্থাপনা পৰিচালনা কৰি অহাৰ ফলস্বৰূপে পৰিস্থিতিৰ মোকাবিলাৰ ক্ষেত্ৰত যথেষ্ট সহায়ক হ'ব বুলি সকলোৱে আশা কৰে। কিন্তু মূল প্ৰত্যাহ্বান হৈছে, কৰ'না আৰু তলাবন্ধৰ ফলত কৰ্মহীন হোৱাসকলৰ লগতে বিভিন্ন ব্যৱসায়-বাণিজ্য স্তব্ধ হৈ পৰাৰ ফলত আৰ্থিকভাৱে বিপৰ্যয়ৰ সন্মুখীন হোৱাসকলক সকাহ দিয়াৰ ক্ষেত্ৰত। কৰ'নাৰ ব্যৱস্থাপনাৰ সমান্তৰালভাৱে এই ক্ষেত্ৰতো নতুন চৰকাৰখনে সৰ্বাধিক গুৰুত্ব প্ৰদান কৰিব লাগিব। অন্যথা একেৰাহে দুবছৰ এনে গুৰুতৰ আঘাত সহ্য কৰাটো সেইসকলৰ বাবে সম্ভৱপৰ নহ'ব।

লক্ষ্যণীয় যে ইমানদিনে এগৰাকী দক্ষ সেনাপতিৰূপে হিমন্ত বিশ্বই বিগত চৰকাৰসমূহৰ সন্মুখত আহি পৰা প্ৰত্যাহ্বানৰ মোকাবিলাৰ ক্ষেত্ৰত সক্ৰিয় ভূমিকা লৈছিল। কিন্তু এইবাৰ তেওঁ নিজে চৰকাৰৰ নেতৃত্ব লোৱাৰ পাছত সুদক্ষ সেনাপতি বিচাৰি উলিয়াব লাগিব যিয়ে প্ৰত্যাহ্বানৰ মোকাবিলাৰ ক্ষেত্ৰত তেওঁক সহযোগ কৰিব পাৰে। ইতিমধ্যে হিমন্ত বিশ্বই ৰাজ্যৰ যুৱচামৰ মাজত যথেষ্ট জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সক্ষম হৈছে। সেয়া নতুন ৰাজনৈতিক কৰ্মীসকলৰ মাজতে হওক অথবা সাধাৰণ উদীয়মান যুৱচামৰ মাজত হওক। তেওঁক কাংক্ষিত মুখ্যমন্ত্ৰীৰূপে লাভ কৰাৰ পাছত যাতে সেই সকলৰ আচৰণ নিয়ন্ত্ৰণৰ বাহিৰলৈ যাব নোৱাৰে, সেয়া তেওঁ নিশ্চিত কৰিব লাগিব। এবাৰ এজন মাৰ্কিন ৰাষ্ট্ৰপতিয়ে সাধাৰণতে মূৰত পৰিধান কৰা কেপ নোহোৱাকৈয়ে পুৱাৰ জ'গিং কৰিবলৈ ল'লে। কিছুদিন পাছত দেখা গ'ল সাধাৰণ ৰাইজেও তেওঁলোকৰ প্ৰিয় ৰাষ্ট্ৰপতিক অনুসৰণ কৰি পুৱাৰ জ'গিঙত কেপ পৰিধান কৰিবলৈ এৰিলে। ফলস্বৰূপে কেপৰ বিক্ৰী অভাৱনীয়ভাৱে হ্ৰাস পাবলৈ ধৰিলে আৰু সংশ্লিষ্ট কোম্পানীয়ে আৰ্থিক লোকচানৰ সন্মুখীন হ'বলগীয়া হ'ল। পৰিস্থিতি বেগতিক দেখি কোম্পানীসমূহে ৰাষ্ট্ৰপতিক পুনৰ কেপ পৰিধান কৰিবলৈ আহ্বান জনালে। ৰাষ্ট্ৰপতিয়ে সেই আহ্বানলৈ সঁহাৰি দিয়াতহে পৰিস্থিতি আকৌ স্বাভাৱিক হ'ল। কোৱাৰ অৰ্থ এয়ে যে সাধাৰণতে ৰাইজে তেওঁলোকৰ প্ৰিয় নেতাক অনুসৰণ কৰি ভাল পায়। সেয়েহে কোনো অনুগামীয়ে যাতে অত্যুৎসাহী হৈ অবাঞ্ছিত পৰিস্থিতিৰ সৃষ্টি নকৰে তাক নিশ্চিত কৰাৰ দায়িত্ব নেতাগৰাকীয়ে ল'ব লাগিব।

নিৰ্বাচনী প্ৰচাৰৰ সময়ছোৱাত বিজেপিয়ে আকাশলংঘী প্ৰতিশ্ৰুতি দি ৰাইজৰ সমৰ্থন আদায় কৰিলে। চৰকাৰ গঠনৰ পাছত সেইবোৰ অগ্ৰাধিকাৰৰ ভিত্তিত ৰূপায়ণ কৰাটো চৰকাৰৰ প্ৰধান দায়িত্ব হ'ব। অসমৰ দীৰ্ঘদিনীয়া বান-গৰাখহনীয়াৰ সমস্যা, ৰাজ্যখনক আৰ্থিকভাৱে স্বাৱলম্বী কৰি তোলা, কৰ্মসংস্থাপন সৃষ্টি, কৃষিখণ্ডৰ আধুনিকীকৰণ আৰু নতুন নতুন বজাৰ সৃষ্টি, ছয় জনগোষ্ঠীৰ জনজাতিকৰণকে ধৰি বিভিন্ন জাতি-জনগোষ্ঠীসমূহৰ মাজত ভাৰসাম্য ৰক্ষা, অসমীয়াৰ সুৰক্ষা নিশ্চিতকৰণ, শিক্ষা-স্বাস্থ্য খণ্ডৰ আধুনিকীকৰণ আদি সূচল কৰি তোলাই নতুন চৰকাৰৰ ঘাই কৰ্মসূচী হ'ব। একেৰাহে চাৰিখনকৈ চৰকাৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি অহা ড° হিমন্ত বিশ্ব শৰ্মাই এনেবোৰ প্ৰত্যাহ্বানক সফলভাৱেই মোকাবিলা কৰিবলৈ সক্ষম হ'ব বুলি অসমবাসীৰ লগতে আমিও আশাৰে বাট চাই ৰৈছো।

শিৱসাগৰৰ ৩৭ নম্বৰৰ ৰাষ্ট্ৰীয় পথৰ কাষত চলিছে দেশী-বিদেশী সুৰাৰ ৰমৰমীয়া বেহা

অগ্ৰদূত বাৰ্তা
গৌৰীসাগৰ, ৯ মে’ ঃ সমগ্ৰ ৰাজ্যৰ লগতে শিৱসাগৰ জিলাতো কৰ’নাৰ প্ৰকোপ বৃদ্ধি পোৱাত চৰকাৰে তলাবন্ধকে ধৰি বিভিন্ন নীতি-নিৰ্দেশনা জাৰি কৰাত স্বাভাৱিক জনজীৱন ইতিমধ্যে অচলাৱস্থালৈ গতি কৰিছে। দৈনন্দিন জীৱন যাত্ৰাত জনসাধাৰণে বিভিন্ন অসুবিধাৰ সন্মুখীন হ’ব লগা হ’লেও সুৰাপায়ী আৰু সুৰা ব্যৱসায়ীসকলৰ বাবে এই ক’ভিড প্ৰট’কলসমূহ যেন আৰ্শীবাদ হৈ পৰিছে। কিয়নো জিলাখনৰ নগৰ-চহৰ আৰু গ্ৰামাঞ্চলসমূহত দুগুণ উৎসাহেৰে সুৰাৰ ৰমৰমীয়া ব্যৱসায় চলি আছে। জিলাখনৰ বিভিন্ন প্ৰান্তৰ লগতে ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ জাঁজীৰ পৰা শিৱসাগৰ নগৰৰ দৰিকাপাৰলৈকে থকা বিভিন্ন ধাবা আৰু হোটেলত পিছদুৱাৰেদি চলি আছে দেশী-বিদেশী অবৈধ সুৰাৰ ব্যৱসায়। কেৱল ধাবাসমূহতেই নহয় বিভিন্ন অঞ্চলত থকা একাংশ গেলামাল আৰু পাণ-তামোলৰ দোকানতো এই অবৈধ সুৰা সুলভ হৈ পৰিছে। চৰকাৰৰ নিৰ্দেশনা মানি এইসকল ব্যৱসায়ীয়ে ধাবা অথবা দোকানসমূহ আৰক্ষীক দেখুৱাই বন্ধ কৰে যদিও পিছদুৱাৰ খোলা ৰাখি দুপৰ নিশালৈকে সুৰপায়ীসকলক সুৰা বিক্ৰী কৰি অহাৰ অভিযোগ উত্থাপিত হৈছে। আনহাতে, ভিতৰুৱা গ্ৰামাঞ্চলসমূহত অলিয়ে-গলিয়ে থকা অবৈধ সুৰাৰ দোকানসমূহত সন্ধ্যাটো বাদে দিন দুপৰতে সুৰাপায়ীসকলৰ সঘন আহ-জাহ বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। কিন্তু আন একাংশ চতুৰ ব্যৱসায়ীয়ে পথৰ কাষত থকা মদৰ দোকানসমূহ নিজ গৃহলৈ স্থানান্তৰিত কৰি অবৈধ সুৰাৰ ৰমৰমীয়া ব্যৱসায় চলাই আছে। ক’ভিড নিয়ম ভংগ কৰি এনেদৰে দেশী-বিদেশী সুৰাৰ ৰমৰমীয়া ব্যৱসায় চলি থকা সত্বেও শিৱসাগৰ আৰু আমগুৰি আবকাৰী বিভাগে নিৰ্লিপ্ত ভূমিকা পালন কৰি আহিছে। এই ক্ষেত্ৰত কেৱল আবকাৰী বিভাগে নহয় আৰক্ষী বিভাগেও দেখিও নেদেখা ভাও ধৰি অহাৰ ৰাজহুৱা অভিযোগ উত্থাপন হৈছে।

উত্তৰ গুৱাহাটীৰ বেচৰকাৰী অনুষ্ঠানৰ সাংবাদিকৰ লগতে ৰাইজক মাস্ক বিতৰণ

অগ্ৰদূত বাৰ্তা
উত্তৰ গুৱাহাটী, ৯ মে’ ঃ উত্তৰ গুৱাহাটীৰ আগশাৰীৰ বেচৰকাৰী সামাজিক অনুষ্ঠান শৰাইঘাট পুথিভড়াল আৰু সংঘ আৰু শৰাইঘাট ট্ৰেডাৰ্ছৰ উদ্যোগত কালি উত্তৰ গুৱাহাটীৰ মাজগাঁও অভয়পুৰ দিহিংসত্ৰ কলেজনগৰকে ধৰি কে’বা ঠাইতো বিনামূলীয়াকৈ কৰ’না ৰোধ কৰাৰ অন্যতম আহিলা মাস্ক বিতৰণ কৰে। অঞ্চলটোৰ বজাৰ সমাৰলৈ অহা লোক তথা দোকানী সকলোকে মাস্ক বিতৰণ কৰে। তদুপৰি উত্তৰ গুৱাহাটী আৰু আমিনগাঁৱৰ সাংবাদিকক মাস্ক বিতৰণ কৰে। প্ৰায় পাঁচ শতাধিক মাস্ক বিতৰণ কৰি শৰাইঘাট ট্ৰেডাৰ্ছৰ সভাপতি আৰু সমাজকৰ্মী তথা উত্তৰ গুৱাহাটীৰ জ্যেষ্ঠ বিজেপি নেতা প্ৰদীপ হাজৰিকাই সকলো ৰাইজকে ঘৰত থাকিবলৈ আহ্বান জনায় আৰু বাহিৰলৈ ওলালে প্ৰতিগৰাকী লোককে মাস্ক পৰিধান কৰিবলৈ আহ্বান জনায়। লগতে আগন্তুক সময়ত আৰু মাস্ক তথা খাদ্য সামগ্ৰী বিতৰণ কৰাৰ আশা মনত পুহি ৰখাৰ কথা ব্যক্ত কৰে। উল্লেখ্য যে মাস্ক বিতৰণ অনুষ্ঠানৰ শৰাইঘাট পুথিভড়াল আৰু সংঘৰ কাৰ্তিক কলিতা, কনক বৈশ্য, যমুনা দাস দিলীপ হাজৰিকাৰ উপৰি জ্যেষ্ঠ সাংবাদিক মধুসূদন মেধি, দিলীপ দাস, ৰন্টু বৈশ্য, কৌশিক দাস, নিতুপম মেধি, অনুপ দাস প্ৰমুখ্যে কে’বাগৰাকী লোক উপস্থিত থাকে।

পশ্চিম নলবাৰী প্ৰেছ ক্লাবৰ সপ্তবিংশতিতম প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

অগ্ৰদূত বাৰ্তা
চামতা, ৯ মে’ ঃ নলবাৰী জিলাৰ চামতাস্থিত পশ্চিম নলবাৰী প্ৰেছ ক্লাবৰ সপ্তবিংশতিতম প্ৰতিষ্ঠান দিৱস কালি অনুষ্ঠুপীয়া কাৰ্যসূচীৰে উদ্‌যাপন কৰা হয়। উল্লেখ্য যে সম্পূৰ্ণ ক’ভিড নীতি-নিৰ্দেশনা মানি আটাইবোৰ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। এই উপলক্ষে পুৱা প্ৰায় ১০ বজাত প্ৰেছ ক্লাবৰ কাৰ্যকৰী সভাপতি দ্বীপেন মেনাই প্ৰেছ ক্লাব প্ৰাংগণত পতাকা উত্তোলন কৰে। প্ৰেছ ক্লাবৰ সম্পাদক ৰাজেন বৈশ্যই আঁত ধৰা এই অনুষ্ঠানত যুৱ সমাজসেৱী অমল বৰ্মনে শুভেচ্ছামূলক বক্তব্য আগবঢ়ায়। বিয়লি প্ৰায় চাৰি বজাত সম্পন্ন বন্তি প্ৰজ্বলন অনুষ্ঠানত অৱসৰী অধ্যক্ষ তথা কুলবিল ৰাজহুৱা শিৱালয় পৰিচালনা সমিতিৰ সভাপতি বলেন্দ্ৰ কুমাৰ গোস্বামী আৰু চামতা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ বীৰেন্দ্ৰ নাথ বৰ্মনে বন্তি প্ৰজ্বলকৰূপে অংশগ্ৰহণ কৰে। ইয়াৰ পাছতে প্ৰেছ ক্লাবৰ সম্পাদক ৰাজেন বৈশ্যই আঁত ধৰা প্ৰতিষ্ঠা দিৱস অনুষ্ঠানত শিক্ষাবিদ বীৰেন্দ্ৰ নাথ বৰ্মন, বলেন্দ্ৰ কুমাৰ গোস্বামী, প্ৰেছ ক্লাবৰ কাৰ্যকৰী সভাপতি দ্বীপেন মেনা, সহকাৰী সম্পাদক জোন কুমাৰ হালৈ, সাংগঠনিক সম্পাদক অতুল ভূএগ, তপন কুমাৰ শৰ্মা আৰু সৃষ্টি ডেন্স গ্ৰুপৰ সঞ্চালক হিৰণ্য ৰাজে বক্তব্য ৰাখি পশ্চিম নলবাৰী প্ৰেছ ক্লাবৰ সদস্য, সংবাদসেৱীসকলৰ ধাৰাবাহিক সেৱাৰ স্মৃতি ৰোমন্থন কৰে। সভাৰ পূৰ্বে ‘অসমীয়া খবৰ’ৰ জ্যেষ্ঠ সংবাদকৰ্মী মুকুল নাথ প্ৰমুখ্যে ৰাজ্য তথা দেশৰ কৰ’নাত আক্ৰান্ত হৈ মৃত্যুক আঁকোৱালি লোৱা সাংবাদিক, সংবাদকৰ্মীসকলৰ বিদেহ আত্মাৰ চিৰশান্তি কামনাৰে প্ৰাৰ্থনা জনোৱা হয়।

গৰুভাষা অঞ্চলত কণ্টেইনমেণ্ট জ’ন ঘোষণা, দেওবাৰে।

উত্তৰ গুৱাহাটী গৌৰীপুৰৰ ডেম্প চোৰ-ডকাইতৰ ঘাটি

বেটাৰী চুৰিৰ অভিযোগত চাৰি ডেম্প শ্ৰমিকক গ্ৰেপ্তাৰ



অগ্ৰদূত বাৰ্তা
উত্তৰ গুৱাহাটী, ৯ মে’ ঃ উত্তৰ গুৱাহাটীত এক আজব ঘটনা। পুখুৰীত মাছৰ পৰিৱৰ্তে গণ্ডাই গণ্ডাই ওলাল বেটাৰী। ঘটনাটো সংঘটিত হৈছে উত্তৰ গুৱাহাটী ৰুদ্ৰেশ্বৰৰ। দুদিন পূৰ্বে ৰুদ্ৰেশ্বৰৰ ‘ষ্টাল এণ্ড ষ্টাইল’ নামৰ ফাৰ্ণিচাৰ নিৰ্মাণ প্ৰতিষ্ঠানৰ ৪০ টাকৈ ইউ পি এছ বেটাৰী হৰলুকি হৈছিল আৰু ঘটনাৰ পাছত আৰক্ষীয়ে গৌৰীপুৰৰ এটি ডেম্পত উদ্ধাৰ কৰে কেইটামান চুৰি বেটাৰী। গৌৰীপুৰ আৰক্ষীয়ে সোধপোছত, উদ্যোগৰ সমীপত বেটাৰী লুকোৱাৰ কথা প্ৰকাশ কৰে। পুখুৰীৰ পৰা ৩৬ টা বেটাৰী আৰক্ষীয়ে উদ্ধাৰ কৰাৰ লগতে ঘটনাৰ লগত জড়িতৰ সন্দেহত আজনুৰ আলী, মইনুল হক, ৰহিজ্জুদ্দিন আলী, আজদুল ৰহমান নামৰ কেইজনমান ডেম্পৰ লোকক গ্ৰেপ্তাৰ কৰি জেল হাজোতলৈ প্ৰেৰণ কৰে। ইফালে, আমিনগাঁও শীততাপ নিয়ন্ত্ৰিত জিৰণি কোঠাৰ পৰাও বেটাৰী চুৰি হয়। ঘটনা সন্দৰ্ভত উত্তৰ গুৱাহাটী আৰক্ষীয়ে আৰম্ভ কৰিছে তদন্ত। উত্তৰ গুৱাহাটী গৌৰীপুৰ আৰক্ষী চকীৰ সমীপৰ হাইৱেৰ মাতি বেদখল কৰি এচাম সন্দেহযুক্ত লোকে গঢ়িছে ২০টাকৈ অধিক ডেম্প। যি ডেম্প এতিয়া চুৰি-ডকাইতৰ আখৰাৰ কেন্দ্ৰ হৈ পৰিছে। সন্দেহযুক্ত এই সকল লোকৰ প্ৰতি কামৰূপ আৰক্ষীয়ে কিয় নমনীয় স্থিতি লৈ আহিছে তাকে লৈ এতিয়া সৰ্বত্ৰে চৰ্চিত হৈছে। অপৰাধৰ ঘাটি ডেম্প উচ্ছেদৰ বাবে ৰাইজে প্ৰশাসনৰ ওচৰত সজোৰে দাবী উত্থাপন কৰিছে।

সন্ধান নাই মৎস্য ব্যৱসায়ীৰ

অগ্ৰদূত বাৰ্তা
মেলামাটি, ৯ মে’ ঃ তিতাবৰ আৰক্ষী থানাৰ অন্তৰ্গত মাধপুৰ আৰক্ষী চকীৰ অধীনত মাধপুৰ খ্ৰীষ্টান গাঁৱৰ জান ৰহমানৰ ভাড়া ঘৰৰ পৰা ২৯ এপ্ৰিলতে সন্ধানহীন হ’ল ৰূপম দাস ওৰফে দিগন্ত দাস। চাৰিবছৰ ধৰি মৎস্য ব্যৱসায়ী আছিল যোৰহাট নিমাতীৰ ভিতৰ ককিলা গাঁৱৰ স্থায়ী নিৱাসী ৰূপম। এই সন্দৰ্ভত তেওঁৰ পত্নী অনিতা দাসে মাধপুৰ আৰক্ষী চকীত এজেহাৰ দিয়ে যদিও কোনো সুফল নোপোৱাত সাত মে’ত তিতাবৰ আৰক্ষী থানাত এজাহাৰ দাখিল কৰে। উল্লেখ্য যে যোৱা ২৪ এপ্ৰিলত তেওঁৰ পত্নী শিৱসাগৰৰ চামগুৰিলৈ যায় মাকৰ ঘৰলৈ। তদুপৰি পত্নীয়ে উল্লেখ কৰা মতে ২৯ এপ্ৰিলত তেওঁৰ স্বামীৰ ফোনটো বন্ধ হৈ থাকে। আজি পৰ্যন্ত ৰূপমৰ কোনো সন্ধান উলিয়াবলৈ সক্ষম হোৱা নাই মাধপুৰ আৰু তিতাবৰ থানাৰ আৰক্ষীয়ে। অনিতাই অভিযোগ কৰি কয় যে আৰক্ষী প্ৰশাসনে তেওঁৰ স্বামীৰ সন্ধান উলিয়াবলৈ আৰক্ষী তৎপৰ হোৱা পৰিলক্ষিত হোৱা নাই।

আক্ৰাছুৰ চিৰাং জিলাৰ ভাৰপ্ৰাপ্ত সভাপতি-সাধাৰণ সম্পাদকক সংগঠনৰ পৰা অব্যাহতি

অগ্ৰদূত বাৰ্তা
গৰুভাষা, ৯ মে’ ঃ যোৱা সাত মে’ত চিৰাং জিলা আক্ৰাছুৰ চিদলীস্থিত মুখ্য কাৰ্যালয়ত এখন কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। আক্ৰাছুৰ জিলা সমিতিৰ ভাৰপ্ৰাপ্ত সভাপতি ৰঞ্জিত বৰ্মনৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে ভাৰপ্ৰাপ্ত সম্পাদক দিলীপ ৰায়ে। উক্ত সভাত কে’বাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। সভাখনত সংগঠনটোৰ জিলা সমিতিৰ ভাৰপ্ৰাপ্ত সভাপতি বিমল ৰায় আৰু সাধাৰণ সম্পাদক শংকৰ ৰায়ৰ কিছুমান অসাংবিধানিক কাৰ্যকলাপত জড়িত থকাৰ বাবে অসন্তুষ্টি প্ৰকাশ কৰি জিলা আৰু আঞ্চলিক সমিতিৰ বিষয়ববীয়াসকলৰ মতামত গ্ৰহণ কৰি তাৎকালানীভাৱে কাৰ্যকৰী হোৱাকৈ দুয়োজনক সংগঠনৰ পৰা অব্যাহতি দিয়া হয়। উক্ত সভাত ৰঞ্জিত বৰ্মন আৰু সম্পাদক দিলীপ ৰায়ক ক্ৰমে ভাৰপ্ৰাপ্ত সভাপতি আৰু সম্পাদক হিচাপে দায়িত্বভাৰ অৰ্পণ কৰাৰ লগতে এমাহৰ ভিতৰতে পূৰ্ণাংগ সমিতি গঠন কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰে।

নাজিৰাৰেলৰ চেপাত প্ৰাণ গ’ল বিবাহিত যুৱকৰ

অগ্ৰদূত বাৰ্তা
নাজিৰা, ৯ মে’ ঃ নাজিৰা নগৰৰ মাজমজিয়াত উত্তৰ-পূব সীমান্ত ৰেলপথত যোৱা নিশা এখন ৰেলৰ চেপাত এজন বিবাহিত যুৱকে অকালতে প্ৰাণ হেৰুওৱা ঘটনাত অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰিছে। কালি পুৱা প্ৰায় আঠ বজাত লাকুৱাৰ পত্নীৰ ঘৰৰ পৰা দিন হাজিৰাৰ বাবে ওলাই আহি দিনৰ ভাগত কাম শেষ কৰি সন্ধিয়াৰ পৰা ওপৰ নাজিৰাৰ আইতাকৰ ঘৰত থাকি নিশা প্ৰায় ন বজাত ভাত খাই প্ৰায় দুশ মিটাৰ দূৰত্বৰ কলেজ তিনিআলিৰ পিতৃৰ গৃহত নিশা কটোৱাৰ উদ্দেশ্যে ৰেল পথেদি ওলাই যায় বিশাল গোৱালা নামৰ ২১ বছৰীয়া যুৱকজনে। কিন্তু পিতৃ গৃহ গৈ পোৱাৰ পূৰ্বে এখন দ্ৰুতবেগী ৰেলে চেপাত যুৱকজনৰ ঘটনাস্থলীতে কৰুণভাৱে মৃত্যুক আঁকোৱালি লয়। পুৱাৰ ভাগত স্থানীয় ৰাইজে ৰেলপথত ছিন্ন-ভিন্ন হৈ পৰি থকা মৃতদেহটো দেখা পাই বিশাল নামৰ যুৱকজন বুলি চিনাক্ত কৰি লগে লগে শিমলুগুৰি ৰেল জংচনৰ ৰেলৱে আৰু অসম আৰক্ষীক খবৰ দিয়াত আৰক্ষীয়ে মৃতদেহ জিম্মাত লৈ মৰণোত্তৰ পৰীক্ষাৰ বাবে জয়সাগৰস্থ শিৱসাগৰ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে।

বেংতলৰ দেউলগুৰিত অগ্নিকাণ্ড

অগ্ৰদূত বাৰ্তা
গৰুভাষা, ৯ মে’ ঃ চিৰাং জিলাৰ বেংতল ৰাজহ চক্ৰৰ অন্তৰ্গত দেউলগুৰিত যোৱা নিশা সংঘটিত অগ্নিকাণ্ডত এটা পৰিয়ালৰ বিস্তৰ ক্ষতি হয়। জানিব পৰা মতে, গাঁওখনৰ বাসিন্দা প্ৰয়াত এবাও বসুমতাৰীৰ পুত্ৰ সঞ্জয় বসুমতাৰীৰ গৃহত নিশা ছয় বজাত জুই লাগে। গেছ চিলিণ্ডাৰ বিস্ফোৰণৰ ফলত অগ্নিকাণ্ডৰ সূত্ৰপাত হোৱা বুলি জানিব পৰা গৈছে। অৱশ্যে অগ্নিকাণ্ডত কোনো লোক হতাহত হোৱা নাই যদিও ঘৰটো সম্পূৰ্ণৰূপে ভস্মীভূত হয়।

পশ্চিম নলবাৰীৰ আঠখনকৈ সাপ্তাহিক বজাৰ বন্ধ জিলা প্ৰশাসনৰ

অগ্ৰদূত বাৰ্তা
চামতা, ৯ মে’ ঃ নলবাৰী জিলাত ক’ভিড আক্ৰান্ত লোকৰ সংখ্যা বৃদ্ধিলৈ লক্ষ্য কৰি নলবাৰী জিলা প্ৰশাসনে পশ্চিম নলবাৰীৰ প্ৰায় আঠখনকৈ সাপ্তাহিক বজাৰ, সকলো গধূলি বজাৰ বন্ধ কৰি দিয়াত সচেতন লোকসকলে জিলা প্ৰশাসনৰ সিদ্ধান্তক আদৰণি জনাইছে। কালি নলবাৰী জিলা প্ৰশাসনে জিলাখনৰ সকলো দৈনিক, সাপ্তাহিক বজাৰ অনিৰ্দিষ্ট কাললৈকে বন্ধ কৰাৰ নিৰ্দেশৰ পাছত স্বাভাৱিকতে জনসমাগমৰ পথ বন্ধ হয় যদিও আজি পুৱাৰে পৰা চামতাৰ মটৰ ষ্টেণ্ড বজাৰৰ স্থায়ী বজাৰত যথেষ্ট সংখ্যক জনতাৰ সমাগম পৰিলক্ষিত হয়। সকলোৱে অসমত মন্ত্ৰীসভা গঠনৰ পাছতে তলাবন্ধৰ সন্দেহত আজি বজাৰ-সমাৰ কৰে। ক’ভিড প্ৰট’কল ধোঁৱাচাঙত তুলি সকলোৱে বজাৰত ব্যস্ত থকাত ক’ভিডৰ হটস্পটত পৰিণত হৈছে। জনসাধাৰণৰ সকলো দিশ অধ্যয়ন কৰি চৰকাৰে সম্পূৰ্ণ ক’ভিড প্ৰট’কল মানি দিনৰ দুই বজাৰ ভিতৰত নিজৰ সকলো অত্যাৱশ্যকীয় সামগ্ৰী ক্ৰয়ৰ বাবে সুবিধা কৰি দিয়াৰ পাছতো একাংশ অচেতন লোকে পুৱা ১০-১১ বজাৰ ভিতৰতে সকলো অত্যাৱশ্যকীয় সামগ্ৰী ক্ৰয় কৰাৰ বাবে চামতালৈ ওলাই অহাৰ ফলতে এনে অভূতপূৰ্ব ভয়ংকৰ পৰিৱেশৰ সৃষ্টি হয়। জিলা প্ৰশাসনে শক্তিৰে সকলো পৰিৱেশ জনসাধাৰণৰ মংগলৰ বাবে গঢ়ি তুলিবলৈ আহ্বান জনায়।

লাহৰীঘাটৰ গড়কাপ্তানী পথৰ দুয়োকাষে বেদখলমুক্ত কৰাৰ দাবী

দুৰ্ঘটনাৰ আশংকা ঠেক পথত

অগ্ৰদূত বাৰ্তা
লাহৰীঘাট, ৯ মে’ ঃ মৰিগাঁও জিলাৰ লাহৰীঘাটৰ এটি গড়কাপ্তানী পথ বেদখলমুক্ত কৰিবলৈ ৰাইজে সজোৰে দাবী উত্থাপন কৰিছে। উল্লেখ্য যে লাহৰীঘাট বজাৰৰ দক্ষিণে গৰু মহলৰ পৰা নগাঁও-ভূৰাগাঁও সংযোগী গড়কাপ্তানী পথলৈকে এই পকী পথটো দুকাষে একাংশ লোকে অবৈধভাৱে বেদখল কৰাৰ অভিযোগ উঠিছে। উক্ত পথটোৰ দুকাষে চৰকাৰী ভূমি বেদখলৰ ফলত ৰাইজে যাতায়াতত অসুবিধাৰ সন্মুখীন হৈছে। নিজৰ নিজৰ ঘৰৰ সন্মুখত গড়কাপ্তানী পথটোৰ দুয়ো কাষে বেদখল কৰি কোনোবাই নিজে দোকান খুলিছে।আকৌ কোনোবাই চৰকাৰী ভূমি দখল কৰি বজাৰ সৃষ্টি কৰি আনক ভাড়াত দিছে। ইয়াক লৈ ৰাইজৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। বিশেষকৈ পথটোৰ বিদ্যাসাগৰ বিদ্যাপীঠ নামৰ ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানখনৰ পৰা বজাৰৰ গৰু মহললৈকে অংশখিনিত বেদখল কৰি বিভিন্ন দোকান-পোহাৰ, ব্যৱসায়িক প্ৰতিষ্ঠান আদি খোলাৰ ফলত পথটো অতি ঠেক হৈ পৰিছে। গড়কাপ্তানী পথটোৰ দুয়োকাষে ওখকৈ মাটি পেলোৱাৰ ফলত পথটো ঠেক হৈ পৰাৰ লগতে অলপ বৰষুণ দিলেই পানী জমা হৈ পথটো কদৰ্যময় হৈ পৰে। দক্ষিণ অঞ্চলৰ ৰাইজে চলাচল কৰা এই পথটোৰে বিভিন্ন কৃষিজাত সামগ্ৰী বিক্ৰীৰ বাবে লাহৰীঘাট বজাৰত আনিব লাগে। দৈনিক শ শ বাহন, কণ কণ ছাত্ৰ-ছাত্ৰী চলাচল কৰা ব্যস্ত পথটো দীৰ্ঘদিন ধৰি একাংশ লোকে বেদখল কৰি ৰাখিছে। বৰ্তমান পথটোত পুখুৰী সদৃশ গাঁতৰ সৃষ্টি হৈ যাতায়াতৰ অনুপযোগী হৈ পৰাত ৰাইজক চলাচল কৰাত সমস্যাত পেলাইছে। ঠেক হৈ পৰা পথটোত যিকোনো মুহূৰ্তত ভয়াৱহ দুৰ্ঘটনা সংঘটিত হোৱাৰ আশংকা ঘনীভূত হৈ পৰিছে। বিপদসংকুল হৈ পৰা পথটো শীঘ্ৰে বেদখলমুক্ত কৰাৰ লগতে সম্প্ৰসাৰণ কৰি যাতায়াতৰ সুবিধা কৰি দিবলৈ ৰাইজে সংশ্লিষ্ট বিভাগক দাবী জনাইছে।

গোৱালপাৰাত এমজিএনৰেগা আঁচনি ৰূপায়ণত অনিয়ম

অগ্ৰদূত বাৰ্তা
মাটিয়া, ৯ মে’ ঃ চৰকাৰে গ্ৰাম্য অঞ্চলৰ উন্নয়নৰ বাবে জিলা পৰিষদ, আঞ্চলিক পঞ্চায়ত আৰু গাঁও পঞ্চায়তসমূহৰ জৰিয়তে কোটি কোটি টকা ব্যয় কৰি আহিছে, কিন্তু বাস্তৱ ক্ষেত্ৰত গোৱালপাৰা জিলাত আঁচনি ৰূপায়ণৰ নামত অঘোষিত হাৰত কমিছনৰাজ চলা বুলি অভিযোগ উত্থাপিত হৈছে। বিশেষকৈ চতুৰ্দশ বিত্তীয় আয়োগ আৰু এমজিএনৰেগা আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত বিভাগীয় শীৰ্ষ বিষয়াৰ ছত্ৰছায়াত পঞ্চায়ত কৰ্তৃপক্ষই ব্যাপক দুৰ্নীতিত লিপ্ত হোৱা বুলি অভিযোগ উত্থাপিত হৈছে। উল্লেখ্য যে জিলাখনৰ অধিকাংশ গাঁও পঞ্চায়তেই চতুৰ্দশ বিত্তীয় আয়োগৰ আঁচনিৰ অনুমোদন আৰু ৰূপায়ণৰ নামত জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া, ডি আৰ ডি এৰ ভাৰপ্ৰাপ্ত কাৰ্যবাহী অভিযন্তা, খণ্ড উন্নয়ন বিষয়া, কনিষ্ঠ অভিযন্তা, পঞ্চায়ত সভাপতি, আঞ্চলিক পঞ্চায়তৰ সদস্য, পঞ্চায়ত সচিবৰ লগতে স্থানীয় বিধায়কসকলৰ নামত ন্যূনতম ১০ শতাংশৰ পৰা উৰ্ধ্বতম ২০ শতাংশকৈ কমিছন আদায় দিবলগীয়া হোৱা বুলি অভিযোগ উত্থাপিত হৈছে। ইপিনে, চতুৰ্দশ বিত্তীয় আয়োগৰ আঁচনিৰ ইণ্টাৰেষ্ট ফাণ্ডৰ পুঁজিৰে ৰূপায়ণ কৰা আঁচনিৰ অনুমোদনৰ বাবে স্থানীয় বিধায়কৰ লগতে জিলা পৰিষদত ফাইল পুটআপৰ নামত বুজন পৰিমাণৰ কমিছন আদায় দিবলগীয়া হয় বুলি একাংশ পঞ্চায়ত প্ৰতিনিধি আৰু সচিবৰ মন্তব্যই অভিযোগ কৰিছে। এমজিএনৰেগা আঁচনিৰ অনুমোদনৰ নামতো অঘোষিত হাৰত নিৰ্ধাৰণ কৰা মতে কমিছন আদায় দিবলগীয়া হোৱা বুলি অভিযোগ উঠিছে।

উল্লেখ্য যে বিভাগীয় নিয়ম উলংঘন কৰি একাংশ কনিষ্ঠ অভিযন্তা তথা এ ইয়ে ঘৰত বহিয়েই এমজিএনৰেগা আৰু চতুৰ্দশ বিত্তীয় আয়োগৰ আঁচনিৰ প্ৰাক্কলন প্ৰস্তুত কৰি অহাটো একপ্ৰকাৰ অঘোষিত নিয়মত পৰিণত হৈছে। এইদৰে অতি ঢিলা (লুজ) প্ৰাককলন প্ৰস্তুত কৰি পঞ্চায়ত কৰ্তৃপক্ষই ব্যাপক হাৰে লুণ্ঠনৰাজ চলোৱাৰ অভিযোগ উঠিছে। অৱশ্যে লুণ্ঠনৰাজৰ জৰিয়তে আহৰণ কৰা ধনৰ অংশ বিভাগীয় শীৰ্ষ মহলৰ লগতে সংশ্লিষ্ট সকলো পক্ষই লাভ কৰে বুলিও এক গুৰুতৰ অভিযোগ উঠিছে। ইপিনে প্ৰাক্‌কলনৰ কাৰিকৰী অনুমোদনৰ নামত গোৱালপাৰা ডি আৰ ডি এৰ ভাৰপ্ৰাপ্ত কাৰ্যবাহী অভিযন্তায়ো। শেহতীয়াকৈ উক্ত পথেৰে নিতৌ বালি-মাটি কঢ়িয়াই অনা ডাম্পাৰৰ বাবে পথটোৰ সাধাৰণ মানুহৰ আহ-যাহ কৰাত ভীষণ সমস্যাই দেখা দিছে।এইদৰে সংশ্লিষ্ট সকলো পক্ষকে মেনেজ কৰি সমগ্ৰ জিলাখনতে চতুৰ্দশ বিত্তীয় আয়োগ আৰু আঁচনি ৰূপায়ণৰ নামত ব্যাপক দুৰ্নীতি সংগঠিত হোৱাত ৰাইজে আশানুৰূপ সুফল নোপোৱা বুলি অভিযোগ উঠিছে। বৃহত্তৰ স্বাৰ্থৰ খাতিৰতে সম্প্ৰতি গ্ৰামোন্নয়নৰ আঁচনি ৰূপায়ণৰ নামত জিলাখনত চলি থকা দুৰ্নীতিৰ বিৰুদ্ধে উচ্চ পৰ্যায়ৰ তদন্ত কৰি বিহিত ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে।

যাতায়াতৰ অনুপযোগী হৈছে এছ অ’ এছ-কাহিকুছি সংযোগী পথ

গড়কাপ্তানী বিভাগৰ চকু মুদা কুলিৰ ভাও

অগ্ৰদূত বাৰ্তা
আজাৰা, ৯ মে’ ঃ আজাৰা ৰাজহ চক্ৰ অঞ্চলৰ এছ অ’ এছ-কাহিকুছি পথ, মিৰ্জাপুৰ-গড়ল সংযোগী পথকে ধৰি কে’বাটাও গড়কাপ্তানী পথৰ অৱস্থা একেবাৰে শোচনীয় হৈ পৰিছে। গড়কাপ্তানী বিভাগে পথসমূহৰ উন্নয়নৰ বাবে বছৰ বছৰ ধৰি কোনো বিশেষ ব্যৱস্থা গ্ৰহণ নকৰাত অঞ্চলবাসী ৰাইজে যাতায়াতৰ নামত হাৰাশাস্তিৰ সন্মুখীন হ’বলগীয়া হৈছে। বৃহত্তৰ অঞ্চলটোৰ গ্ৰাম্য পথসমূহৰ উন্নয়নৰ বাবে গাঁও পঞ্চায়তৰ জৰিয়তে ব্যৱস্থা গ্ৰহণ কৰি থকা হৈছে যদিও গড়কাপ্তানী বিভাগৰ পথসমূহৰ উন্নয়নৰ বাবে সংশ্লিষ্ট বিভাগে কোনো ব্যৱস্থা নোলোৱাত ৰাইজৰ মাজত প্ৰতিক্ৰিয়া হৈছে। উল্লেখ্য যে এছ অ’ এছ-কাহিকুছি সংযোগী গড়কাপ্তানী পথটোৰ কে’বা অংশ খহি গৈছে। ফলত পথটোৰ কোনো কোনো অংশ প্ৰায় তিনি ফুটহে অৱশিষ্ট ৰৈছে। এনে অৱস্থাত পথটোৰে গাড়ী-মটৰ চলাচল কৰাত ভীষণ অসুবিধাৰ সৃষ্টি হৈছে। অকল সেয়াই নহয় বৰষুণৰ বতৰত পথটোৰ কোনো কোনো অংশ বোকা-পানীত বুৰ গৈ থকাত খোজ কাঢ়ি আহ-যাহ কৰাতোত সমস্যাই দেখা দিছে। শেহতীয়াকৈ উক্ত পথেৰে নিতৌ বালি-মাটি কঢ়িয়াই অনা ডাম্পাৰৰ বাবে পথটোৰে সাধাৰণ মানুহৰ আহ-যাহ কৰাত ভীষণ সমস্যাই দেখা দিছে।

ইপিনে গড়ল-মিৰ্জাপুৰ সংযোগী গড়কাপ্তানী পথটোৰ বছৰ বছৰ ধৰি উন্নয়নৰ কোনো ব্যৱস্থা নোলোৱাত পথটো যাতায়াতৰ বাবে একেবাৰে অনুপযোগী হৈ পৰিছে। পথটোৰ ওপৰৰ কাৰ্পেটিংবোৰ এৰাই গৈ মাজে মাজে দ গাঁতৰ সৃষ্টি হৈছে। আনকি পথটোৰ কোনো কোনো অংশ এজাক বৰষুণতে পানীত বুৰ গৈ থাকে। ফলত পথটোৰে চাইকেল-স্কুটাৰ আদিৰ লগতে সৰু-সৰু যানবাহন চলাচল কৰা অসম্ভৱ হৈ পৰিছে। অকল সেয়াই নহয় বৰষুণৰ বতৰত উক্ত পথটোৰে ৰাইজে বোকা-পানী গচকিহে আহ-যাহ কৰিবলগীয়া হৈছে। বৃহত্তৰ অঞ্চলটোৰ ৰাইজে গড়কাপ্তানী বিভাগৰ পথসমূহৰ শীঘ্ৰে উন্নয়ন কৰিবলৈ সংশ্লিষ্ট বিভাগক দাবী জনাইছে।

লালুকৰ বজাৰত ক’ভিড বিধি উলংঘা

৩১ হেজাৰ জৰিমনা সংগ্ৰহ লালুক আৰক্ষীৰ

অগ্ৰদূত বাৰ্তা
লালুক, ৯ মে’ ঃ মহামাৰী ক’ভিড-১৯ৰ ভয়াৱহতাই ৰাজ্যৰ লগতে সমগ্ৰ দেশৰ জনগণক শংকিত কৰি তোলাৰ সময়তো একাংশ লোক ক’ভিডক লৈ এতিয়াও তিলমানো সজাগ হোৱা নাই। একাংশই আকৌ মাস্কৰ নামত প্ৰশাসনৰ ভয়ত থুঁতৰিত পিন্ধি টিঘিলঘিলাই ফুৰিছে। মনা নাই কোনো সামাজিক দূৰত্ব। স্বাস্থ্য বিভাগ তথা চৰকাৰে ক’ভিডক লৈ বিভিন্ন এছ অ’ পি জাৰি কৰি ৰাইজক ক’ভিড সংক্ৰমণ ৰোধ কৰিবলৈ জনসাধাৰণক নীতি-নিৰ্দেশনাসমূহ মানি চলিবলৈ বাৰম্বাৰ আহ্বান জনাই আহিছে। মাস্ক পিন্ধা, সামাজিক দূৰত্ব বৰ্তাই ৰখা, সঘন ছেনিটাইজাৰ ব্যৱহাৰ কৰা আদি নীতি-নিৰ্দেশনা জাৰি কৰিলেও এইসকল লোকে এই নীতি-নিৰ্দেশনা উলংঘা কৰি আহিছে। নাওবৈচা সমষ্টিৰ গুৰুত্বপূৰ্ণ বজাৰ হিচাপে পৰিগণিত লালুক বজাৰত অঞ্চলটোৰ কাষৰীয়া গাঁৱৰ জনগণে বিহু, পূজা, ঈদ আদিত কে’বাদিনৰ আগৰে পৰা লালুক দৈনিক বজাৰত ভিৰ কৰাটো অতীতৰ পৰাই চলি আহিছে। ইছলামধৰ্মী লোকসকলৰো পৱিত্ৰ ঈদলৈ মাজত কেইটামান দিন বাকী থকা অৱস্থাত লালুক বজাৰত ক্ৰমাগতভাৱে বিভিন্ন লোকৰ সমাগম তথা দোকানসমূহত ভিৰ বৃদ্ধি পাইছে। কাপোৰৰ দোকানকে ধৰি অন্যান্য দোকানত গ্ৰাহকৰ ভিৰ বৃদ্ধি পাইছে। একাংশ ব্যৱসায়ীয়ে মানি চলা নাই ক’ভিড নিয়ম। ব্যৱসায়ীসকলে মুনাফা লাভৰ আশাত ক’ভিডৰ নীতি-নিয়ম ভংগ কৰাত এইসকলৰ কাৰ্যত লালুকৰ সচেতন ৰাইজৰ চকু কপালত উঠিছে। একাংশ গ্ৰাহকেও সামাজিক দূৰত্ব নমনাকৈ মুখৰ মাস্ক থুঁতৰিত পিন্ধি দোকানসমূহত ভিৰ কৰা ঘটনাই শংকিত কৰিছে ৰাইজক। লালুক আৰক্ষীয়ে নিয়মিতভাৱে টহল দি ৰাইজক ক’ভিড বিধি সম্পৰ্কে সতৰ্ক কৰি আহিলেও এইসকল লোকৰ এই লৈ ভ্ৰূক্ষেপেই নাই। লালুক আৰক্ষীয়ে বৰ্তমানলৈকে মাস্ক নিপিন্ধাৰ বাবদ ৩১ হেজাৰ টকা জৰিমনা সংগ্ৰহ কৰা বুলি লালুক থানাৰ ভাৰপ্ৰাপ্ত বিষয়া সূৰয দলেই সদৰী কৰিছে।

গোসাঁইগাঁও মহকুমাৰ শেজাৰীত ৰবীন্দ্ৰনাথ ঠাকুৰৰ জন্মজয়ন্তী উদ্‌যাপন



অগ্ৰদূত বাৰ্তা
দোতমা/শ্ৰীৰামপুৰ, ৯ মে’ ঃ কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ ১৬০সংখ্যক জন্মজয়ন্তী দিৱসখন আজি গোসাঁইগাঁও মহকুমাৰ শেজাৰীস্থিত সদৌ অসম বাঙালী যুৱ ছাত্ৰ ফেডাৰেছনৰ শেজাৰী সাতবিল শাখা সমিতি কাৰ্যালয়ত উদ্‌যাপন কৰা হয়। ৰাজ্যত ক’ভিড-১৯ৰ ভয়াৱহতাৰ প্ৰতি লক্ষ্য ৰাখি সম্পূৰ্ণ ক’ভিড নিয়ম মানি অনুষ্ঠুপীয়াকৈ উদ্‌যাপন কৰে ৰবীন্দ্ৰজয়ন্তী। কেৱল মাত্ৰ ৰবীন্দ্ৰনাথ ঠাকুৰৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ আৰু শ্ৰদ্ধাঞ্জলিৰে কাৰ্যসূচী সমাপন কৰে। আজিৰ এই ৰবীন্দ্ৰজয়ন্তীত উপস্থিত থাকে সদৌ অসম বাঙালী যুৱ ছাত্ৰ ফেডাৰেছন বিটিআৰ জ’নেল কমিটীৰ সভাপতি গোপাল ঘোষ, কোকৰাঝাৰ জিলা কমিটীৰ সভাপতি ইন্দ্ৰজিৎ দেৱনাথ, কোকৰাঝাৰ জিলা কমিটীৰ কাৰ্যকৰী সভাপতি সমৰ দাস লগতে সদৌ অসম বাঙালী যুৱ ছাত্ৰ ফেডাৰেছন শেজাৰী সাতবিল শাখা কমিটীৰ সভাপতি, সম্পাদকৰ লগতে দলীয় কৰ্মী। ঘোষে নতুন মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ লগতে হ’বলগীয়া নতুন চৰকাৰক শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে বাঙালীসকলৰ ‘ডি’ ভোটাৰৰ সমস্যা, এন আৰ চি, ডিটেনছন কেম্পৰ সমস্যা সমাধানৰ বাবে নতুন চৰকাৰক আহ্বান জনায়।

ভালুকডুবিৰ টিলাপাৰাত চুলাই মদৰ ৰমৰমীয়া ব্যৱসায়

অগ্ৰদূত বাৰ্তা
মাটিয়া, ৯ মে’ ঃ গোৱালপাৰা চহৰৰ ভালুকডুবিৰ টিলাপাৰাত চুলাই মদৰ ৰমৰমীয়া ব্যৱসায় চলি থকা বুলি গুৰুতৰ অভিযোগ উঠিছে। আবকাৰী বিভাগৰ ছত্ৰছায়াতে অঞ্চলটোত ১২ টাকৈ চুলাই মদৰ কাৰখানা গঢ়ি উঠা বুলি স্থানীয় ৰাইজে অভিযোগ উত্থাপন কৰিছে। দীৰ্ঘদিনৰ পৰাই চলি থকা এই অবৈধ চুলাই মদৰ ব্যৱসায়ীসকলে আৰক্ষী প্ৰশাসনকো সদায় মেনেজ কৰি ৰখা বুলিও গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। অৱশ্যে ৰাইজক দেখুৱাবলৈ মাজে সময়ে দুই এটা চুলাই মদৰ ঘাটিত অভিযান চলায়ে আৰক্ষী তথা আবকাৰী বিভাগে দায়িত্ব সামৰে বুলিও সৰৱ চৰ্চা চলিছে। সম্প্ৰতি অতিমাৰী কৰ’না ভাইৰাছে ভয়ংকৰ ৰূপ ধাৰণ কৰাৰ সময়তো ক’ভিড প্ৰট’কল উলংঘন কৰি প্ৰতিদিনে পুৱাৰে পৰা সন্ধিয়ালৈকে শ শ লোকে চুলাই মদ খাবলৈ অহা-যোৱা কৰাত অঞ্চলবাসী ৰাইজে গণ সংক্ৰমণৰ আশংকাত আতংকিত হৈ পৰিছে। কিন্তু চুলাই মদৰ কাৰখানাৰ স্বত্বাধিকাৰীৰ আক্ৰমণৰ আশংকাত জিলা প্ৰশাসন তথা আৰক্ষী প্ৰশাসনক অভিযোগ দাখিল কৰিবলৈ সাহস পোৱা নাই। বৃহত্তৰ স্বাৰ্থৰ খাতিৰত অতি শীঘ্ৰেই অঞ্চলটোৰ পৰা চুলাই মদৰ অবৈধ ঘাটিসমূহ স্থায়ীভাৱে উৎখাত কৰাৰ দাবী জনাইছে সচেতন মহলে।

কলিয়াবৰৰ বুঢ়াপাহাৰত পথ দুৰ্ঘটনাত আহত ১১

অগ্ৰদূত বাৰ্তা
কলিয়াবৰ, ৯ মে’ ঃ কলিয়াবৰৰ বুঢ়াপাহাৰ ৩৭ নম্বৰ ঘাইপথৰ দলঙৰ ওপৰত আজি পুৱা সংঘটিত হয় এক পথ দুৰ্ঘটনা। যাত্ৰীবাহী এ এছ-০৩ এ চি-৫৬৩৮ আল্ট্ৰা বাছ আৰু এন এল-০১ এ এ-৫০৩৬ নম্বৰৰ কণ্টেইনাৰ ট্ৰাকৰ মুখামুখি সংঘৰ্ষৰ ফলতে সংঘটিত হয় দুৰ্ঘটনাটো। দুৰ্ঘটনাত শিশু-মহিলাসহ ১১জন লোক আহত হয়। আনহাতে, দুৰ্ঘটনাটোত গুৰুতৰভাৱে আহত হৈছে কণ্টেইনাৰখনৰ চালক যুগল বানাইক। দুৰ্ঘটনাটোৰ পাছতে সংকটজনক অৱস্থাত আৰক্ষীয়ে চালকজনক উদ্ধাৰ কৰি জখলাবন্ধা চিকিৎসালয়ত ভৰ্তি কৰায়। পাছত আহত আন সকলকো জখলাবন্ধা চিকিৎসালয়ত ভৰ্তি কৰে আৰক্ষীয়ে।

বঙাইগাঁৱত মাতৃ দিৱসত ২১গৰাকী মহিলাক সম্বৰ্ধনা

অগ্ৰদূত ব্যুৰ’
বঙাইগাঁও, ৯ মে’ ঃ আজি মাতৃ দিৱস। মাতৃ দিৱসৰ দিনটোত বঙাইগাঁও সদৰস্থিত মহিলাৰ বাবে সংৰক্ষিত মানসিক স্বাস্থ্য কেন্দ্ৰত চিকিৎসাধীন হৈ থকা মুঠ ২১গৰাকী মহিলা মাতৃক সম্বৰ্ধনা জনায় ‘সেৱা’ নামৰ এন জি অ’টোৰ কৰ্মকৰ্তাসকলে। সেৱা এন জি অ’ৰ তৰফৰ পৰা তেওঁলোকৰ মাজত মাস্ক আৰু ছেনিটাইজাৰো বিতৰণ কৰে। উল্লেখ্য যে বঙাইগাঁও মানসিক চিকিৎসালয়খনত পুত্ৰ-কন্যা তথা একাংশ পৰিয়ালৰ পৰা নিৰ্যাতিত হৈ মানসিকভাৱে অসুস্থ হোৱা কে’বাগৰাকী মহিলা চিকিৎসাধীন হৈ আছে। আজি এই মাতৃ দিৱসৰ দিনাই সেৱা এন জি অ’ৰ পৰা মাতৃসকলক সেৱা কৰাৰ উদ্দেশ্যে তথা ক’ভিড মহামাৰীৰ দিনত তেওঁলোকক সজাগ আৰু সতৰ্ক হৈ থাকিবলৈ অনুৰোধ আৰু সচেতন কৰে। স্বাভাৱিকতে আজিৰ এই দিনটোত মানসিকভাৱে অসুস্থ মহিলাসকলক উমৈহতীয়াকৈ সম্বৰ্ধনা জনোৱাত চিকিৎসাধীন এইসকল মাতৃয়ে কিছু আনন্দিত হোৱা পৰিলক্ষিত হয়। উল্লেখ্য যে সমাজৰ অৱহেলিত, আৰ্ত মহিলাক সহায় কৰাৰ বাবে গঠন কৰা হৈছে এই সেৱা এন জি অ’ৰ। আজিৰ এই অনুষ্ঠানত সেৱা এন জি অ’ৰ সম্পাদক প্ৰশান্ত ৰায়, কাৰ্যকৰী সভাপতি চিত্তৰঞ্জন সিংহ, সদস্যসকল ক্ৰমে সুজিৎ কুমাৰ ৰায়, উত্তম কুমাৰ আৰু সদস্যা তৰালী উপাধ্যায়ে ক’ভিডৰ নীতি মানি চিকিৎসালয়ত মাতৃসকলক সম্বৰ্ধনা জনায়।

জনবিস্ফোৰণে সলনি কৰিছে নগাঁৱৰ জনগাঁথনি-সামাজিক-ৰাজনৈতিক ছবি

বিশেষ সংবাদদাতা
নগাঁও, ৯ মে’ ঃ ব্যাপক জনবিস্ফোৰণ ঘটিছে অবিভক্ত নগাঁও জিলাত। ফলত ক্ৰমাৎ সলনি হৈছে অবিভক্ত নগাঁও জিলাৰ জনগাঁথনি। সলনি হৈছে সামাজিক-ৰাজনৈতিক-সাংস্কৃতিক ক্ষেত্ৰখনৰ ছবিও। বিগত ১৯৯১ৰ লোকপিয়লত অবিভক্ত নগাঁও জিলাৰ মুঠ জনসংখ্যা আছিল ২০,৭৩,৬৩৬গৰাকী। সেই সময়ত অবিভক্ত জিলাখনৰ জনবসতিৰ ঘনত্ব আছিল প্ৰতি বৰ্গকিলোমিটাৰত ৪৫৮গৰাকী। কিন্তু ২০১১ৰ লোকপিয়লৰ তথ্য অনুসৰি অবিভক্ত জিলাখনৰ মুঠ জনসংখ্যা হয়গৈ ২৮,২৩,৭৬৮গৰাকী। একেদৰে অবিভক্ত জিলাখনৰ জনবসতিৰ ঘনত্ব প্ৰতি কিলোমিটাৰত ৭১১গৰাকী হয়গৈ। লোকপিয়ল হৈ যোৱা ইতিমধ্যে প্ৰায় ন বছৰ উকলিছে। এই পৰ্যন্ত অবিভক্ত জিলাখনৰ জনসংখ্যা প্ৰায় ৩৯ লাখৰো অধিক হৈছেগৈ। সেয়েহে বৰ্তমান অবিভক্ত নগাঁও জিলাৰ জনবসতিৰ ঘনত্ব প্ৰতি বৰ্গকিলোমিটাৰত ৮৩০গৰাকীৰো অধিক হোৱাৰ সম্ভাৱনাই প্ৰকট হৈ উঠিছে। উল্লেখ্য যে ১৯০১ত অবিভক্ত নগাঁও (নগাঁও, মৰিগাঁও, হোজাই) জিলাৰ মুঠ জনসংখ্যা আছিল মাত্ৰ ২,৬১,১৬০গৰাকী। সেই সময়ত অবিভক্ত জিলাখনৰ জনবসতিৰ ঘনত্ব আছিল প্ৰতি বৰ্গকিলোমিটাৰত ৩৪গৰাকী। ১৯১১ত জিলাখনৰ জনসংখ্যা ৩,০১,৬৫৫ গৰাকী, ১৯২১ত ৩,৯৭,৭৯৩ গৰাকী, ১৯৩১ত ৫,৬২,২৮১ গৰাকী, ১৯৪১ত ৬,৪৮,৭৯৮ গৰাকী, ১৯৫১ত ৮,৮৬,৯৫৫ গৰাকী, ১৯৬১ত ১২,১০,৭৬১ গৰাকী, ১৯৭১ত ১৬,৭৫,৭৭৩ গৰাকী, ১৯৮১ত ১৮,৯৩,১৭১ গৰাকী আছিল। ১৯৮৯ত নগাঁও জিলা দুভাগত বিভক্ত হয়। সৃষ্টি হয় মৰিগাঁও জিলাৰ। তৎসত্ত্বেও নগাঁও জিলাত ঘটা জনবিস্ফোৰণৰ প্ৰকোপ নকমিল। কিয়নো ১৯৯১ৰ লোকপিয়লৰ তথ্য অনুসৰি নগাঁও জিলাৰ (নগাঁও, কলিয়াবৰ, হোজাই মহকুমা)ৰ জনসংখ্যা হয়গৈ ২০,৭৩,৬৩৬গৰাকী। আনহাতে, ২০০১ৰ লোকপিয়লত জিলাখনৰ জনসংখ্যা ২৩,১৫,৩৮৭জনলৈ বৃদ্ধি পায়। উল্লেখ্য যে বিগত ২০১৫ত নগাঁও জিলা পুনৰবাৰ বিভাজিত হয়। নগাঁও জিলাৰ বুকুৰ পৰাই জন্ম হয় হোজাই জিলাৰ। সেই সময়ত (২০১১ৰ লোকপিয়লৰ তথ্য অনুসৰি) নগাঁও জিলাৰ মুঠ জনসংখ্যা আছিল ২৮ লাখ ২৩ হেজাৰ ৭৬৮গৰাকী আৰু নৱগঠিত হোজাই জিলাৰ মুঠ জনসংখ্যা আছিল ন লাখ ৩১ হেজাৰ গৰাকী। সেই সময়ত নগাঁও জিলাৰ জনবসতিৰ ঘনত্ব প্ৰতি বৰ্গকিলোমিটাৰত ৮২৮গৰাকী আৰু হোজাই জিলাৰ জনবসতিৰ ঘনত্ব প্ৰতি বৰ্গকিলোমিটাৰত আছিল ৬০৩গৰাকী। অবিভক্ত নগাঁও জিলাৰ অস্বাভাৱিক হাৰত জনসংখ্যা বৃদ্ধি পাইছে ৰহা, ধিং, বটদ্ৰৱা, ৰূপহীহাট, যমুনামুখ, হোজাই সমষ্টিত। সংখ্যালঘু অধ্যুষিত এই সমষ্টিকেইটাত জন্ম নিয়ন্ত্ৰণ আঁচনি ব্যৰ্থ হোৱা, বহু বিবাহ, বাল্য বিবাহ, অন্ধ বিশ্বাস, কুসংস্কাৰ আদিৰ বাবেই অস্বাভাৱিক হাৰত জনসংখ্যা বৃদ্ধি হৈছে। জনসংখ্যাৰ অস্বাভাৱিক বৃদ্ধিৰ ফলত সমষ্টিকেইটাৰ জনগাঁথনি সলনি হৈ পৰাৰ লগতে সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক ছবিখনো সলনি হৈ পৰা পৰিলক্ষিত হৈছে। অবিভক্ত জিলাখনত অব্যাহত থকা ব্যাপক জনবিস্ফোৰণৰ বাবেই চৰকাৰী ভূমি, চৰ-চাপৰি, নদী-বিলৰ পাৰৰ চৰকাৰী ভূমি, গ্ৰেজিং ৰিজাৰ্ভ, বনাঞ্চল আদিৰ মাটিতো অবাধ বেদখল হোৱা পৰিলক্ষিত হৈছে।

ৰূপহীহাটৰ গেৰেকীত দুৰ্ধৰ্ষ ডকাইতক কৰায়ত্ত ৰাইজৰ

অগ্ৰদূত বাৰ্তা
ৰূপহীহাট, ৯ মে’ ঃ ৰূপহীহাট আৰক্ষী থানাৰ অন্তৰ্গত গেৰেকীত আজি এজন দুৰ্ধৰ্ষ ডকাইতক ৰাইজে কৰায়ত্ত কৰে। ডকাইতজনৰ কবলৰ পৰা এটা অবৈধ পিষ্টল উদ্ধাৰ হয়। আজিকুল ইছলাম নামৰ ডকাইতজনৰ পৰা স্থানীয় ৰাইজে দুই জাঁই সক্ৰিয় গুলিও উদ্ধাৰ কৰে। স্থানীয় ৰাইজে উত্তম মাধ্যম শোধাই ডকাইতজনক গছত বান্ধি থৈ আৰক্ষীক খবৰ দিয়ে। ৰূপহীহাট থানাৰ আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ পিষ্টল উদ্ধাৰ কৰাৰ লগতে ডকাইতজনক নিজৰ জিম্মালৈ নিয়ে। উল্লেখ্য যে পূৰ্বতেও ধৃত ডকাইত আজিকুল ৰঙাঘৰলৈ গৈছিল।

যুৱতীক যৌন নিৰ্যাতন চলোৱা যুৱকক গ্ৰেপ্তাৰ

অগ্ৰদূত বাৰ্তা
লংকা, ৯ মে’ ঃ লংকাৰ লস্কৰপথাৰৰ এজন যুৱকে ভুৱা পৰিচয়ৰে এগৰাকী যুৱতীক যৌন নিৰ্যাতন চলোৱাৰ অভিযোগত আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। লস্কৰপথাৰৰ ইকবাল হুছেইন নামৰ যুৱকজনে ভুৱা পৰিচয়ৰে এগৰাকী অসহায় যুৱতীৰ স’তে সম্পৰ্ক গঢ়ি যৌন নিৰ্যাতন চলায়। যুৱকজনে যুৱতীগৰাকীৰ ম’বাইল ফোনটো কৌশলেৰে আয়ত্ত কৰি যুৱতীগৰাকীৰ ম’বাইলটোত থকা ফটো সম্পাদন কৰি ভাইৰেল কৰাৰ ভাবুকিৰে ডেৰ বছৰ ধৰি যৌন নিৰ্যাতন চলাই আহিছিল। আনকি যুৱতীগৰাকীক ডিমাপুৰলৈ নি কে’বাবাৰো ধৰ্ষণ কৰা বুলিও অভিযোগ উঠিছে। যুৱকজনে কামৰ প্ৰলোভনৰে মহাৰাষ্ট্ৰলৈ নি তাত পতিতালয়ত বিক্ৰী কৰাৰ চক্ৰান্ত কৰাৰ বিষয়ে জানিব পাৰি যুৱতীগৰাকীয়ে বজৰং দলৰ কেইজনমান সদস্যক অৱগত কৰাত সদস্যকেইজনৰ সহায়ত লংকা আৰক্ষী থানাত গোচৰ দিয়ে। পাছত আৰক্ষীয়ে লস্কৰপথাৰৰ পৰা ইকবালক গ্ৰেপ্তাৰ কৰে।

কৃষ্ণাইত ৩০ ডাল শালগছ জব্দ

অগ্ৰদূত বাৰ্তা
কৃষ্ণাই, ৯ মে’ ঃ চোৰাং কাঠ ব্যৱসায়ীয়ে কাটি লুকুৱাই থোৱা ৩০ ডাল কুমলীয়া শালগছ জব্দ কৰিলে গোৱালপাৰা জিলাৰ কৃষ্ণাই আঞ্চলিক বন বিভাগে। এক বিশেষ সূত্ৰৰ পম খেদি আজি পুৱা শালপাৰা কালপানীৰ বননিৰ পৰা কটা শালগছ জব্দ কৰে বন বিভাগে। জব্দ কৰা শালগছৰ কুণ্ডাখিনিৰ মূল্য প্ৰায় কুৰি হেজাৰ টকা হ’ব বুলি বন বিভাগে জানিবলৈ দিছে।

বাগ্‌সাৰ খাৰিজা বিজনীত বজাৰ বন্ধলৈ সমৰ্থন ৰাইজ-ব্যৱসায়ীৰ

অগ্ৰদূত বাৰ্তা
শালবাৰী, ৯ মে’ ঃ সমগ্ৰ দেশৰ লগতে ৰাজ্যত অব্যাহত আছে কৰ’না ভাইৰাছৰ দ্বিতীয়টো ঢৌ। যাৰ বাবে বাগ্‌সা জিলা প্ৰশাসনে জাৰি কৰিছে সকলো ধৰণৰ বজাৰ বন্ধৰ নিৰ্দেশনা। এই নিৰ্দেশনা সম্পূৰ্ণ সমৰ্থন জনাইছে বাগ্‌সাৰ খাৰিজা বিজনীৰ ব্যৱসায়ী তথা স্থানীয় ৰাইজে। প্ৰশাসনৰ বজাৰ বন্ধ ঘোষণাৰ প্ৰতি সমৰ্থন জনাই বন্ধ ৰাখিছে বাৰাপেটা মিলন বজাৰকে ধৰি অঞ্চলটোৰ বহুকেইখন দৈনিক আৰু সাপ্তাহিক বজাৰ। কৰ’না ভাইৰাছৰ সংক্ৰমণ ৰোধৰ স্বাৰ্থতেই এই নিৰ্দেশনাক সমৰ্থন জনোৱাৰ কথা ব্যক্ত কৰে ব্যৱসায়ী আৰু স্থানীয় ৰাইজে। ইফালে, জিলাখনৰ শালবাৰী মহকুমাৰ আনন্দ বজাৰ আৰু বাগান বজাৰত আজি পুৱাৰ ভাগত সামাজিক দূৰত্বক জলাঞ্জলি দি একাংশ ব্যৱসায়ী, গ্ৰাহকে বিৰ দি বাট নোপোৱা অৱস্থাৰ সৃষ্টি কৰাৰ পাছতে আৰক্ষীয়ে ব্যৱসায়ী, গ্ৰাহকসকলক খেদি পঠিয়ায়।

মাঞ্জাত কিশোৰী ধৰ্ষণৰ অভিযুক্তক গ্ৰেপ্তাৰ

বিশেষ সংবাদদাতা
ডিফু, ৯ মে’ ঃ ৰাজ্যজুৰি মহিলা আৰু কিশোৰীৰ ওপৰত যৌন নিৰ্যাতনৰ ঘটনা ব্যাপক হাৰত বৃদ্ধি পাবলৈ লোৱাৰ সময়তে কাৰ্বি আংলং জিলাৰ মাঞ্জাত পুনৰ আন এক ধৰ্ষণ-কাণ্ডৰ তথ্য পোহৰলৈ আহিছে। মাঞ্জা থানাৰ অন্তৰ্গত লাংভকু চিংথং টেৰাং গাঁও পথৰ দুটি সন্তানৰ মাতৃ তথা এগৰাকী ২৩ বছৰীয়া মহিলাক সন্তোষ কুমাৰ নামৰ এজন লোকে ধৰ্ষণ কৰে। যোৱা সপ্তাহতে উক্ত ঘটনা সংঘটিত হয় যদিও মহিলাগৰাকীয়ে আজিহে মাঞ্জা থানাত এই বিষয়ে অৱগত কৰে।



অভিযোগ লাভ কৰাৰ পিছতে মাঞ্জা থানাৰ ভাৰপ্ৰাপ্ত বিষয়া জিতুমণি ডেকাৰ নেতৃত্বত মাঞ্জা আৰক্ষীৰ এটা দলে তৎপৰতাৰে স্থানীয় গাঁওবুঢ়াৰ সহায়ত সন্তোষক গ্ৰেপ্তাৰ কৰে। ধৃত সন্তোষৰ ঘৰ বিহাৰত আৰু মাঞ্জাৰ এটা ক্ৰাছাৰত ইলেক্ট্ৰিচিয়ানৰ কামত নিয়োজিত আছিল। এই সন্দৰ্ভত ভাৰতীয় দণ্ডবিধিৰ ৩৭৬ ধাৰাৰ অধীনত মাঞ্জা থানাত ২৫/২১ নম্বৰত এক গোচৰ পঞ্জীয়ন কৰিছে।

গোসাঁইগাঁৱত অগ্নিনিৰ্বাপক বাহিনী আৰু পৌৰ নিগমৰ উদ্যোগত ছেনিটাইজেছন

অগ্ৰদূত বাৰ্তা
শ্ৰীৰামপুৰ,/দোতমা/ফকিৰাগ্ৰাম, ৯ মে’ ঃ ক’ভিডৰ ভয়াৱহতাৰ প্ৰতি লক্ষ্য কৰি ৰাজ্য চৰকাৰে কেতবোৰ নতুন নতুন নিৰ্দেশনা জাৰি কৰাৰ লতে ক’ভিডৰ পৰা পৰিত্ৰাণৰ পদক্ষেপ গ্ৰহণ কৰিছে। সামাজিক দূৰত্ব বজাই ৰাখি মাস্ক পৰিধান কৰা বাধ্যতামূলক কৰাৰ লগতে ৰাজ্যৰ সকলো হাট-বজাৰ-ৰাজহুৱা স্থানসমূহ ছেনিটাইজেছন কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছে। সমগ্ৰ ৰাজ্যৰ লগত সংগতি ৰাখি আজি গোসাঁইগাঁৱত অগ্নিনিৰ্বাপক বাহিনী দুৰ্যোগ নিবাৰণ সেৱা আৰু গোসাঁইগাঁও পৌৰ নিগমৰ যৌথ উদ্যোগত চহৰৰ বিভিন্ন অঞ্চল ছেনিটাইজেছন কৰা হয়। অগ্নিনিৰ্বাপক বাহিনীৰ বাহনৰ জৰিয়তে সদৰ চহৰৰ মাছ-মাংস, পাচলি বজাৰৰ লগতে বজাৰ অঞ্চলৰ মূল পথৰ দুয়োকাষে সম্পূৰ্ণৰূপে ছেনিটাইজেছন কৰা হয়। তদুপৰি মহকুমা আৰক্ষী বিষয়াৰ কাৰ্যালয়, খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ লগতে কে’বাটাও গুৰুত্বপূৰ্ণ কাৰ্যালয়সমূহত ছেনিটাইজেছন কৰে। উক্ত কাৰ্যসূচীত অংশগ্ৰহণ কৰি অগ্নিনিৰ্বাপক বাহিনীৰ ভাৰপ্ৰাপ্ত বিষয়া তৰুণ চন্দ্ৰ ৰায়ে ক’ভিডৰ সকলো নীতি-নিয়ম পালন কৰাৰ লগতে বাহিৰত ওলালেই মাস্ক পৰিধান কৰিবলৈ আৰু সামাজিক দূৰত্ব বজাই ৰাখিবলৈ আহ্বান জনায় এই কাৰ্যসূচীত পৌৰ নিগমৰ বিষয়া যুৱৰাজ বসুমতাৰীও উপস্থিত থাকে আৰু ৰাইজক ক’ভিড সংক্ৰান্ত নিয়ম-নীতি মানি চলিবলৈ আহ্বান জনায়।

মাকুমত পথ দুৰ্ঘটনাত নিৰাপত্তাৰক্ষী নিহত

বিশেষ সংবাদদাতা
ডুমডুমা, ৯ মে’ ঃ তিনিচুকীয়া জিলাৰ মাকুম বাইপাছ পথত নিশা সংঘটিত এক পথ দুৰ্ঘটনাত ডুমডুমা ডিভিজন হিন্দুস্তান ইউনিলিভাৰ পাৰ্চেল প্ৰডাক্ট ফেক্টৰীৰ নিৰাপত্তাৰক্ষী হিচাপে নিয়োজিত গ্ৰুপ ফ’ৰৰ নিৰঞ্জন সোণোৱাল (৩৩)ৰ মৃত্যু হয়।



কালি আবেলি পাঁচ বজাত সোণোৱালে কৰ্তব্য সামৰি পাৰ্চেল প্ৰডাক্ট ফেক্টৰীটোৰ পৰা মাকুমস্থিত বঙালী গাঁৰৰ স্বগৃহলৈ মটৰ চাইকেলেৰে যাত্ৰাৰ পথত মাকুম বাইপাছত পথৰ মাজত শুই থকা এটা গৰুক খুন্দিয়াই গুৰুতৰভাৱে আহত হয়। প্ৰত্যক্ষদৰ্শীয়ে আহত নিৰঞ্জনক ততাতৈয়াকৈ ডুমডুমাৰ ৰূপাই চাইডিংস্থিত ডাঃ বৰা নাৰ্চিংহোমত ভৰ্তি কৰোৱায় যদিও চিকিৎসকে তেওঁক উন্নত চিকিৎসাৰ বাবে ডিব্ৰুগড়লৈ প্ৰেৰণ কৰে। চিকিৎসাধীন অৱস্থাতে নিশা ১১-৫০ বজাত নিৰঞ্জন সোণোৱালে শেষ নিশ্বাস ত্যাগ কৰে। মৃত্যুৰ সময়ত তেওঁ পত্নী, এটি কণমানি পুত্ৰ সন্তান এৰি যায়।

নৱ নিৰ্বাচিত মুখ্যমন্ত্ৰীক অভিনন্দন গুমা মণ্ডল বিজেপিৰ

অগ্ৰদূত বাৰ্তা
দোতমা/ফকিৰাগ্ৰাম, ৯ মে’ ঃ মুখ্যমন্ত্ৰী পদত ড° হিমন্ত বিশ্ব শৰ্মাৰ নাম ঘোষণা হোৱাত উৎফুল্লিত হৈছে বিজেপিৰ কৰ্মী-সমৰ্থকসকল। এই ক্ষেত্ৰত পিছ পৰি ৰোৱা নাই কোকৰাঝাৰ জিলাৰ অন্তৰ্গত বিজেপিৰ গুমা মণ্ডল সমিতিৰ। আজি গুমা মণ্ডল বিজেপিৰ সভাপতি নীলেশ্বৰ ৰায়ে ড° শৰ্মাক অভিনন্দন জ্ঞাপন কৰে। তদুপৰি নীলেশ্বৰ ৰায়ে সদ্য বিদায়ী মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালক কেন্দ্ৰীয় মন্ত্ৰী সভাত অন্তৰ্ভুক্ত কৰিবলৈ আহ্বান জনায়।

ছেৰফাংগুৰিৰ দেবৰগাঁও কালিবাৰীৰ বাৰ্ষিক পূজা

অগ্ৰদূত বাৰ্তা
দোতমা/ফকিৰাগ্ৰাম, ৯ মে’ ঃ কোকৰাঝাৰ জিলাৰ অন্তৰ্গত ছেৰফাংগুৰিৰ দেবৰগাঁও কালিবাৰীৰ ৯৬ সংখ্যক বাৰ্ষিক পূজা অনুষ্ঠিত হয়। চৰকাৰে বান্ধি দিয়া ক’ভিড-১৯ৰ নীতি-নিৰ্দেশনা মানি পূজাৰ আয়োজন কৰা হয়। ১৯২৭ত প্ৰথমবাৰৰ বাবে এই পূজা আয়োজন কৰা হৈছিল। লোকবিশ্বাস মতে এই মন্দিৰত পূজা দিলে মনৰ আশা পূৰণ হয়।

মাঞ্জাত পথ দুৰ্ঘটনাত স্কুটী আৰোহী নিহত

বিশেষ সংবাদদাতা
ডিফু, ৯ মে’ ঃ কালি বিয়লি কাৰ্বি আংলং জিলাৰ মাঞ্জা থানাৰ অন্তৰ্গত ৰংবং পথাৰত সংঘটিত হোৱা এক শোকাৱহ পথ দুৰ্ঘটনাত এজন স্কুটী আৰোহী নিহত হয়। ঘটনাৰ বিৱৰণ অনুসৰি, কালি বিয়লি প্ৰায় ৫.৩৭ বজাত লংনিটৰ দিশৰ পৰা মাঞ্জাৰ দিশে গৈ থকা এএছ-০৯-ডি-৮৭৯৮ নম্বৰৰ স্কুটীখনত পিছফালৰ পৰা অহা এখন ৰূপালী ৰঙৰ তীব্ৰবেগী স্ক’ৰপিঅ’ বাহনে প্ৰচণ্ড জোৰেৰে খুন্দা মাৰে। দুৰ্ঘটনাটোত অতি গুৰুতৰভাৱে আহত স্কুটী আৰোহীজনক লগে লগে চিকিৎসালয়লৈ নিয়াৰ ব্যৱস্থা কৰা হয় যদিও চিকিৎসালয় পোৱাৰ পূৰ্বেই লোকজন নিহত হয়। নিহত লোকজন ডিফু থানাৰ অন্তৰ্গত ইংলং চেৰপ নিবাসী পৱন ইংলেং (৪৫) বুলি চিনাক্ত কৰা হৈছে। মাঞ্জা আৰক্ষীয়ে ইতিমধ্যে চালকসহ দুৰ্ঘটনা সংঘটিত কৰা স্ক’ৰপিঅ’খন জব্দ কৰিবলৈ সক্ষম হোৱা বুলি জানিব পৰা গৈছে। নিহত লোকজনৰ পৰিয়ালৰ এজাহাৰৰ ভিত্তিত মাঞ্জা থানাত এই সন্দৰ্ভত এক গোচৰ পঞ্জীয়ন কৰা হৈছে।

ডিমৌত ক’ভিডৰ নিয়ম উলংঘা কৰি সাপ্তাহিক বজাৰ

অগ্ৰদূত বাৰ্তা
ডিমৌ, ৯ মে’ ঃ সমগ্ৰ ৰাজ্যতে এতিয়া কৰ’নাতংক। অতিমাৰী কৰ’নাৰ সংহাৰী ৰূপৰ ফলত জনজীৱন প্ৰায় স্তব্ধ হৈ পৰিছে। আনহাতে, জনসাধাৰণৰ স্বাস্থ্য আৰু সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি অসম চৰকাৰে বিভিন্ন সময়ত বহুতো নীতি-নিৰ্দেশনা জাৰি কৰিছে। কালি অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ নিৰ্দেশ মৰ্মে দুৰ্যোগ প্ৰশমন আইন ২০০৫ৰ অধীনত শিৱসাগৰ জিলাৰ উপায়ুক্ত বিষ্ণু কমল বৰাই জনসাধাৰণৰ স্বাস্থ্য আৰু সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি শিৱসাগৰ জিলাৰ অধীনৰ সকলো সাপ্তাহিক বজাৰ বন্ধ ৰখাৰ নিৰ্দেশ জাৰি কৰে; কিন্তু উপায়ুক্তৰ নিৰ্দেশ অমান্য কৰি আজি ডিমৌত আৰু ডিমৌৰ সমীপৰ ৰাজমাইত ক’ভিডৰ নিয়ম উলংঘা কৰি বহিল সাপ্তাহিক বজাৰ।

ইতিমধ্যে ডিমৌ সামূহিক স্বাস্থ্য কেন্দ্ৰৰ অধীনত ক’ভিড-১৯ত আক্ৰান্ত ৰোগীৰ সংখ্যাই পাৰ কৰিছে শতকৰ ঘৰ। তথাপি এই পৰ্যন্ত কোনো ধৰণৰ শংকা নাই একাংশ লোকৰ। ক’ভিড প্ৰট’কল নামানি বজাৰলৈ উলাই আহিছে একাংশ লোক। পাছত ডিমৌ ৰাজহ চক্ৰ বিষয়া ফিলিপ ৰাংচাল আৰু ডিমৌ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া মনোৰঞ্জন গগৈৰ তৎপৰতাত প্ৰশাসন, আৰক্ষীৰ এটা দলে ডিমৌত আৰু ৰাজমাইত বহা সাপ্তাহিক বজাৰকেইখন বন্ধ কৰি দিয়াৰ লগতে সকলো লোককে সেই ঠাইৰ পৰা আঁতৰাই পঠায়। ডিমৌৰ স্থানীয় প্ৰশাসন, আৰক্ষী বিভাগ আৰু স্বাস্থ্য বিভাগ কৰ’না অতিমাৰীৰ বিৰুদ্ধে যুঁজিবলৈ সক্ষম হৈছে। জনসাধাৰণে যদি কোনো কাৰণত চৰকাৰে দিয়া নিৰ্দেশনা পালন নকৰে তেনেহ’লে কঠোৰ আইনী ব্যৱস্থা হাতত ল’বলৈ বাধ্য হ’ব ডিমৌৰ প্ৰশাসনে। আনহাতে, ডিমৌৰ ৰাজহ চক্ৰ বিষয়া ফিলিপ ৰাংচালে সকলো লোককে মাস্ক পৰিধান কৰি, ছেনিটাইজাৰ ব্যৱহাৰ কৰি আৰু সামাজিক দূৰত্ব মানি চলিবলৈ আহ্বান জনাইছে ৰাইজক।

আদিবাসী ৰাইজৰ সমস্যা সমাধানৰ আহ্বান আছাৰ

অগ্ৰদূত বাৰ্তা
শালবাৰী, ৯ মে’ ঃ নতুনকৈ গঠন হোৱা ৰাজ্য চৰকাৰখনক আজি আদৰণি জনাইছে সদৌ অসম আদিবাসী ছাত্ৰ সন্থা চমুকৈ আছাই। এক বিবৃতিত আছাৰ কেন্দ্ৰীয় সভাপতি প্ৰদীপ নাগ, সাধাৰণ সম্পাদক যোচেফ মিঞ্জ আৰু প্ৰচাৰ সম্পাদক মানছুখ ছানখাড়িকাই সুদক্ষ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক মুখ্যমন্ত্ৰী হিচাপে লৈ গঠিত নৱনিযুক্ত চৰকাৰখনৰ প্ৰতিগৰাকী বিভাগীয় মন্ত্ৰীকে অভিনন্দন জনোৱাৰ লগতে ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত গঠিত চৰকাৰখনে ৰাইজৰ অভূতপূৰ্ব সমস্যা সমাধানৰ ক্ষেত্ৰত আগভাগ ল’ব বুলি আশা প্ৰকাশ কৰিছে। বিবৃতিটোৰ জৰিয়তে অসমৰ আদিবাসীসকলে আজি পৰ্যন্ত ভুগি থকা সমস্যাবোৰ সমাধানৰ ক্ষেত্ৰতো যাতে নৱগঠিত চৰকাৰখনে গুৰুত্ব দিয়ে তাৰবাবে আহ্বান জনায়।

ভয়াৱহ সংক্ৰমণৰ পাছতো নাই কাণ্ডজ্ঞান

মৰিয়নিত দেওবৰীয়া সাপ্তাহিক বজাৰত ব্যাপক ভিৰ

অগ্ৰদূত বাৰ্তা
মৰিয়নি, ৯ মে’ ঃ ৰাজ্যত ভয়াৱহভাৱে ক’ভিড-১৯ সংক্ৰমণ বৃদ্ধি পোৱাৰ সমান্তৰালকৈ মৰিয়নিতো দিনে দিনে বৃদ্ধি হৈছে আক্ৰান্তৰ সংখ্যা। ইতিমধ্যে একাধিক লোকৰ ক’ভিড-১৯ আক্ৰান্ত হৈ মৃত্যু হৈছে। স্বাস্থ্য বিভাগে বিভিন্ন নীতি-নিৰ্দেশনা জাৰি কৰিছে যদিও একাংশ লোকৰ সেইবোৰক লৈ মূঠেও ভ্ৰূক্ষেপ নাই। মৰিয়নিত অধিকাংশ লোকেই এতিয়া ক’ভিড-১৯ বিধি মানি চলা নাই। আজি দেওবৰীয়া সাপ্তাহিক বজাৰত দেখা গ’ল ব্যাপক ভিৰ। ক’ভিড-১৯ বিধিৰ প্ৰতি অংগুষ্ঠ প্ৰদৰ্শন কৰি সাপ্তাহিক বজাৰত দেখা গ’ল গ্ৰাহকৰ হেতা-ওপৰা। সামাজিক ব্যৱধান কোনো এজনেও মানি চলা নাই। তদুপৰি একাংশ গ্ৰাহকৰ লগতে একাংশ ব্যৱসায়ীয়েও মাস্ক ব্যৱহাৰ কৰা নাই। মৰিয়নিৰ প্ৰশাসনৰ লগতে আৰক্ষীৰ অৱহেলা আৰু গুৰুত্বহীনতাৰ বাবেই এয়া হ’বলৈ পাইছে বুলি সচেতন ৰাইজে মন্তব্য কৰিছে। উল্লেখ্য যে মৰিয়নি নগৰৰ মাজ মজিয়াৰ ৰেলৰে ছিগনেল কল’নী পথতে বহে দেওবৰীয়া সাপ্তাহিক বজাৰ। পুৱাৰে পৰা লোকৰ ভিৰ হোৱাৰ পাছতো আৰক্ষী আৰু প্ৰশাসনে হস্তক্ষেপ কৰা নাই। কেৱল সেয়াই নহয়, মৰিয়নি নগৰৰ অধিকাংশ ব্যৱসায়িক প্ৰতিষ্ঠানেই ক’ভিড-১৯ বিধি উলংঘা কৰে। স্বাস্থ্য বিভাগে বাৰে বাৰে আহ্বান জনাই অহাৰ পাছতো কাণ্ডজ্ঞান নাই এইসকল ব্যৱসায়ীৰ। কেইটামান পইচা ঘটাৰ স্বাৰ্থতেই ক’ভিড-১৯ৰ এছ অ’ পিক জলাঞ্জলি দিছে এইসকল ব্যৱসায়ীয়ে। অথচ তেওঁলোকক ক’বলৈ কোনো নাই। আৰক্ষী আৰু প্ৰশাসনৰ কথা নক’লোৱেইবা। ইফালে, মৰিয়নি নগৰত অৱস্থিত বেংকসমূহতো দেখা গৈছে গ্ৰাহকৰ ব্যাপক ভিৰ। বিশেষকৈ পাঞ্জাৱ নেছনেল বেংক আৰু ইউনিয়ন বেংক অৱ ইণ্ডিয়াৰ মৰিয়নি শাখাৰ লগতে বন্ধন বেংকৰ মৰিয়নি শাখাতো এই ভিৰ নিতৌ দেখা যায়। মৰিয়নিত ভাৰতীয় ষ্টেট বেংক, ইণ্ডিয়ান বেংক, কানাড়া বেংককে ধৰি কে’বাটাও বেংক আৰু অন্যান্য বিত্তীয় প্ৰতিষ্ঠান আছে। মৰিয়নিত ভাৰতীয় ষ্টেট বেংক, ইণ্ডিয়ান বেংক, কানাড়া বেংককে ধৰি কে’বাটও বেংক আৰু অন্যান্য বিত্তীয় প্ৰতিষ্ঠান আছে। এই বেংকসমূহৰ কৰ্তৃপক্ষই গ্ৰাহকৰ ভিৰ নিয়ন্ত্ৰণ কৰাৰ বিপৰীতে আৰক্ষীৰহে সহায় লয়। অনুৰূপ অৱস্থা দেখা গৈছে এটিএমসমূহতো। তদুপৰি মৰিয়নি দৈনিক বজাৰ অতি স্পৰ্শকাতৰ অঞ্চলৰূপে বিবেচিত হৈছে। সদায় ভিৰ হৈ থকা এই দৈনিক বজাৰত নাই কোনো নীতি-নিয়ম। মাছৰ বজাৰৰ অৱস্থাও একেই। ফলত ক’ভিড-১৯ৰ সংক্ৰমণৰ ব্যাপক আশংকা কৰা হৈছে। কিন্তু ৰাইজে এই ক্ষেত্ৰত বিশেষ গুৰুত্ব আৰোপ নকৰা পৰিলক্ষিত হৈছে। আমোদজনক কথা যে অসমৰ বিভিন্ন ঠাইত মাস্ক নিপিন্ধা লোকৰ বিৰুদ্ধে অভিযান চলাই তেনে লোকক জৰিমনা বিহা হৈছে যদিও মৰিয়নিত তেনে কৰা দেখা নাই। আনকি দৃষ্টিকটুভাৱে একাংশ আৰক্ষীৰ লোকেই মাস্ক পৰিধান কৰা দেখা নাযায়। এই ক্ষেত্ৰত সময় থাকোতেই ফলপ্ৰসূ ব্যৱস্থা হাতত ল’বলৈ সংশ্লিষ্ট সকলোৰে প্ৰতি সচেতন ৰাইজে আহ্বান জনাইছে।

দৈনিক অগ্রদূত

ক্রীড়াভূমি/ক্রীড়াভূমি

গুৱাহাটী, ১০ মে', ২০২১
সোমবাৰ, পৃষ্ঠা ১১

মাদ্রিদ অপেনত মহিলাৰ একক শাখাত চেম্পিয়ন ছাবালেনকা

মাদ্রিদ, ১ মে' ঃ মাদ্রিদ অপেন টেনিছ প্ৰতিযোগিতাৰ মহিলাৰ একক শাখাৰ খিতাপ লাভ কৰিছে ছাবালেনকাই। ফাইনেলত ছাবালেনকাই পৰাস্ত কৰে শীৰ্ষ বাচনিৰ বাৰ্টিৰ। ব্যৱধান হ'ল 6-0, 3-6, 6-4¼ ইফালে, মাদ্রিদ অপেন টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ একক শাখাৰ ফাইনেল মেচখন অনুষ্ঠিত হ'ব জেৰভ আৰু বেৰেটিনিৰ মাজত। উল্লেখ্য যে মাদ্রিদ অপেন টেনিছ প্ৰতিযোগিতাত শীৰ্ষ বাচনিৰ জাপানৰ নাওমি অ'ছাকা, ছিমনা হালেপ, ভিক্টোৰিয়া আজাৰেনকা, প্লিছ্কভাই অংশ লৈছিল যদিও শেষ হাঁহি মাৰে ছাবালেনকাই।



আসন্ন টি-২০ বিশ্বকাপ স্থগিত কৰিবলৈ আই চি চিক আহ্বান ইয়ান চেপেলৰ

ভাৰতত খেল আয়োজনৰ পৰিৱেশ নাই

নতুন দিল্লী, ৯ মে' ঃ চলিত বৰ্ষত ভাৰতত হ'বলগা আই চি চি টি-20 বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতা স্থগিত কৰিবলৈ আই চি চিক আহ্বান জনাইছে অষ্ট্ৰেলিয়াৰ প্ৰাক্তন ক্ৰিকেটাৰ তথা ধাৰাভাষ্যকাৰ ইয়ান চেপেলে। চেপেলে কয় যে যিহেতু ভাৰতত এতিয়া কৰ'নাৰ ত্ৰাস চলি আছে সেয়ে কোনো কাৰণতে ভাৰতত হ'বলগা আই চি চি টি-20 বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতা আয়োজন কৰিব নোৱাৰি। ইতিমধ্যে আই পি এল স্থগিত কৰিছে বি চি চি আয়ে। উল্লেখ্য যে ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডে কৰ'নাৰ বাবে চলিত আই পি এল বন্ধ ৰখাৰ সিদ্ধান্ত লোৱাৰ পাছত চলিত বৰ্ষতে ভাৰতত হ'বলগা আই চি চি টি-20 বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতা আয়োজনক লৈয়ো সন্দেহ উপজিছে। উল্লেখ্য যে চলিত বৰ্ষৰ অক্টোবৰ আৰু নৱেম্বৰত ভাৰতত অনুষ্ঠিত হ'ব আই চি চি টি-20 বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতা। কিন্তু এতিয়া বি চি চি আয়ে ভাৰতৰ পৰিবৰ্তে ডুবাইত আই চি চি টি-20 বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতা আয়োজন কৰাৰ বিষয়ে চিন্তা-চৰ্চা কৰিছে। উল্লেখ্য যে ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডে বিগত বৰ্ষত আই পি এল আয়োজন কৰিছিল ডুবাইত। ইফালে, কৰ'নাৰ বাবে যোৱা বছৰ অষ্ট্ৰেলিয়াত আয়োজন নহ'ল আই চি চি টি-20 বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতা। সকলো সিদ্ধান্ত চলিত মাহতে কৰা হ'ব বুলি বি চি চি আয়ে কয়। উল্লেখ্য যে ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডে কৰ'নাৰ বাবে চলিত আই পি এল বন্ধ ৰখাৰ সিদ্ধান্ত লৈছে। আই পি এল চলি থকা সময়তে চাৰিজন ক্ৰিকেটাৰ কৰ'নাত আক্ৰান্ত হোৱাৰ পাছত এই সন্দৰ্ভত বি চি চি আয়ে সভা আয়োজন কৰি অনিৰ্দিষ্ট সময়লৈ আই পি এল বন্ধ ৰখাৰ সিদ্ধান্ত লয়।

চেম্পিয়নছ লীগৰ ফাইনেলৰ পূৰ্বে স্বগৃহত সমুখসমৰত দুই দল

চেলছিৰ বিৰুদ্ধে পৰাস্ত মানচেষ্টাৰ চিটী

লণ্ডন, ৯ মে' ঃ ইংলিছ প্ৰিমিয়াৰ লীগত যোৱানিশা অনুষ্ঠিত হোৱা এখন মেচত খিতাপ জয়ৰ দিশে আগবঢ়া মানচেষ্টাৰ চিটীক 1-2 গ'লত পৰাস্ত কৰে চেলছিয়ে। উল্লেখ্য যে ই পি এলৰ দৃষ্টিৰে এই মেচ অথবা ফলাফল সিমান গুৰুত্বপূৰ্ণ নহয় যদিও চেম্পিয়নছ লীগ ফুটবলৰ ফাইনেলৰ পূৰ্বে গুৰুত্বপূৰ্ণৰূপে বিবেচিত হৈছে। এইবাৰ চেম্পিয়নছ লীগ ফুটবলৰ ফাইনেল মেচখন অহা 29 মে'ত ইষ্টানবুলত অনুষ্ঠিত হ'ব। উল্লেখ্য যে এইবাৰৰ চেম্পিয়নছ লীগ ফুটবলৰ ফাইনেল মেচখন দুটা ইংলণ্ডৰ ক্লাবৰ মাজত অনুষ্ঠিত হ'ব। চেম্পিয়নছ লীগৰ খিতাপৰ বাবে চেলছিয়ে খেলিব মানচেষ্টাৰ চিটীৰ বিৰুদ্ধে। কিন্তু এই মেচৰ পূৰ্বে ইংলিছ প্ৰিমিয়াৰ লীগত মুখামুখি হ'ল দুই দল। স্বাভাৰিকতে এই মেচৰ প্ৰদৰ্শনে আগতীয়া অভাষ দিলে এইবাৰ চেম্পিয়নছ লীগৰ চেম্পিয়ন কোন? উল্লেখ্য যে ইংলিছ প্ৰিমিয়াৰ লীগত চিটী শীৰ্ষত থকাৰ বিপৰীতে চতুৰ্থ স্থানত আছে চেলছি। যোৱানিশা ষ্টাৰলিঙৰ (44 মিনিট) গ'লেৰে চিটীয়ে প্ৰথমে মেচত অগ্ৰগতি লয় যদিও চেলছিৰ হৈ জিয়েছ (63 মিনিট) আৰু এলেনছোই (90 মিনিট) গ'ল কৰি দলক বিজয় দিয়ে। উল্লেখ্য যে ইয়াৰপূৰ্বে এফ এ কাপৰ ছেমিফাইনেলতো চেলছিয়ে একমাত্ৰ গ'লত পৰাস্ত কৰিছিল মানচেষ্টাৰ চিটীক। গতিকে চেম্পিয়নছ লীগৰ খিতাপৰ যুঁজত যে চিটী চাপত থাকিব সেয়া নিশ্চিত। উল্লেখ্য যে ইয়াৰপূৰ্বে দুবাৰ দুটা ইংলণ্ডৰ দলে চেম্পিয়নছ লীগ ফুটবলৰ ফাইনেলত পৰস্পৰে পৰস্পৰৰ বিৰুদ্ধে খেলিছিল। 2008 ত চেম্পিয়নছ লীগ ফুটবলৰ ফাইনেলত চেলছিয়ে খেলিছিল মানচেষ্টাৰ ইউনাইটেডৰ বিৰুদ্ধে। আনহাতে, 2012 ত চেম্পিয়নছ লীগ ফুটবলৰ ফাইনেলত লিভাৰপুলে খেলিছিল ট'টেনহামৰ বিৰুদ্ধে।

হাছান আলীৰ পাঁচটা উইকেট

দ্বিতীয় টেষ্টত পাকিস্তানৰ বিৰুদ্ধে ফল'অন জিম্বাব'ৱেৰ

হাৰাৰে, ৯ মে' ঃ জিম্বাব'ৱে পাকিস্তানৰ বিৰুদ্ধে খেলা দ্বিতীয়খন টেষ্টত ফল'অনৰ সম্মুখীন হৈছে। উল্লেখ্য যে পাকিস্তানৰ 510 ৰাণৰ প্ৰত্যুত্তৰত জিম্বাব'ৱে 132 ৰাণত প্ৰথম ইনিংছ সামৰে। পাকিস্তানৰ হৈ হাছান আলীয়ে পাঁচটা উইকেট পায়। ইফালে, দ্বিতীয় ইনিংছ আৰম্ভ কৰি জিম্বাব'ৱে শেহতীয়া খবৰ অনুসৰি চাৰিটা উইকেট হেৰুৱাইছে 175 ৰাণত। উল্লেখ্য যে পাকিস্তানে আঠ উইকেটত 510 ৰাণ কৰি প্ৰথম ইনিংছ ঘোষণা কৰিছিল। টছত জয়ী হৈ পোনতে বেটিং কৰা পাকিস্তানৰ হৈ আবিদ আলীয়ে (215 ৰাণ) অপৰাজিত দ্বিশতক অৰ্জন কৰাৰ বিপৰীতে শতক অৰ্জন কৰে আজাহাৰ আলীয়ে (126 ৰাণ)। আনহাতে, নৌমান আলীয়ে কৰে 97 ৰাণ। উল্লেখ্য যে পাকিস্তানে জিম্বাব'ৱেৰ বিৰুদ্ধে খেলা প্ৰথম টেষ্টত এক ইনিংছ আৰু 116 ৰাণত জয়লাভ কৰিছিল। টেষ্টখনত জিম্বাব'ৱে 176 ৰাণত প্ৰথম ইনিংছ সামৰিছিল। প্ৰত্যুত্তৰত পাকিস্তানে প্ৰথম ইনিংছত 426 ৰাণ কৰে। দলৰ হৈ শতক অৰ্জন কৰে ফাহিম আলমে (140 ৰাণ)। ইফালে, পাকিস্তানৰ প্ৰথম ইনিংছ সমাপ্ত হোৱাৰ জিম্বাব'ৱে দ্বিতীয় ইনিংছ আৰম্ভ কৰে যদিও 134 ৰাণতে অল আউট হয়। পাকিস্তানৰ হৈ হাছান আলীয়ে পাঁচটা উইকেট দখল কৰে। মেচৰ শ্ৰেষ্ঠ হয় হাছান। উল্লেখ্য যে পাকিস্তানে জিম্বাব'ৱেৰ বিৰুদ্ধে খেলা তিনিখনীয়া টি-20 শৃংখলাটোও 2-1 ৰ ব্যৱধানত দখল কৰিছিল।

বিশ্বৰ সকলো ক্ৰিকেটাৰ ভা�ৰতৰ দ্বাৰা উপকৃত হৈছে ঃ ট্ৰেণ্ট বৌল্ট

লণ্ডন, ৯ মে' ঃ 'বিশ্বৰ কোনো ক্ৰিকেটাৰে ভাৰতৰ অৱদান অস্বীকাৰ কৰিব নোৱাৰে। ময়ো নোৱাৰো। ভাৰতে মোক বহুখিনি দিছে। আশা কৰো ভাৰতত শীঘ্ৰে পৰিৱেশ স্বাভাৰিক হ'ব।' এই মন্তব্য নিউজিলেণ্ডৰ ক্ৰিকেটাৰ ট্ৰেণ্ট বৌল্টৰ। উল্লেখ্য যে আই পি এলত মুম্বাই ইণ্ডিয়ানছৰ হৈ খেলা বৌল্ট এতিয়াও ভাৰতত আছে। ভাৰতৰ পৰাই তেওঁ ৰাওনা হ'ব লণ্ডনলৈ। অহা 18 জুনত লণ্ডনত অনুষ্ঠিত হ'ব প্ৰথম আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেল মেচখন। নিউজিলেণ্ডে খেলিব ভাৰতৰ বিৰুদ্ধে। উল্লেখ্য যে ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডে কৰ'নাৰ বাবে আধাতে চলিত আই পি এল বন্ধ ৰখাৰ সিদ্ধান্ত লৈছে। আই পি এল চলি থকা সময়তে চাৰিজন ক্ৰিকেটাৰ কৰ'নাত আক্ৰান্ত হোৱাৰ পাছত বি চি চি আয়ে সভা আয়োজন কৰি অনিৰ্দিষ্ট সময়লৈ আই পি এল বন্ধ ৰখাৰ সিদ্ধান্ত লয়। উল্লেখ্য যে আধাতে আই পি এল সমাপ্ত হোৱাৰ বাবে ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডে প্ৰায় দুশ কৌটি টকা লোকচানৰ সম্মুখীন হৈছে। ইফালে, ইংলণ্ডৰ চাৰিটা কাউণ্টি দলে আধাতে বন্ধ হোৱা আই পি এলৰ বাকী থকা মেচসমুহ আয়োজনৰ ইচ্ছা প্ৰকাশ কৰিছে। অহা ছেপ্টেম্বৰত ইংলণ্ডত আই পি এল আয়োজন কৰাৰ ইচ্ছা প্ৰকাশ কৰিছে চাৰিটা কাউণ্টি দলে। অৱশ্যে এই দিশত ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডে কোনো প্ৰতিক্ৰিয়া প্ৰকাশ কৰা নাই।

ইংলিছ প্ৰিমিয়াৰ লীগত লিভাৰপুলৰ জয়, ট'টেনহাম পৰাস্ত

লণ্ডন, ৯ মে' ঃ লিভাৰপুল আৰু ট'টেনহামে অহা বৰ্ষৰ চেম্পিয়নছ লীগলৈ যোগ্যতা অৰ্জন কৰিব পাৰিব নে নাই সেয়া এতিয়াও অনিশ্চিত। উল্লেখ্য যে চলিত ইংলিছ প্ৰিমিয়াৰ লীগত যোৱানিশা অনুষ্ঠিত হোৱা মেচত পূৰ্ব চেম্পিয়ন লিভাৰপুলে জয়লাভ কৰাৰ বিপৰীতে ট'টেনহামে পৰাজয়বৰণ কৰে। কিন্তু পইণ্ট তালিকাৰ শীৰ্ষ চাৰিত নাই লিভাৰপুল আৰু ট'টেনহাম। যোৱানিশা লিভাৰপুলে 2-0 গ'লত পৰাস্ত কৰে ছাউথহাম্পটনক। 34 খন মেচত 57 পইণ্ট লাভ কৰি লিভাৰপুল তালিকাৰ ষষ্ঠ স্থানত আছে। ইফালে, লীডছৰ বিৰুদ্ধে 3-1 গ'লত পৰাস্ত হয় ট'টেনহাম। 35 খন মেচত 56 পইণ্ট লাভ কৰি ট'টেনহাম তালিকাৰ সপ্তম স্থানত আছে। উল্লেখ্য যে চলিত ই পি এলত মানচেষ্টাৰ চিটীয়ে 35 খন মেচত 80 পইণ্ট লাভ কৰি শীৰ্ষ স্থানত আছে। দলে 13 পইণ্টৰ অগ্ৰগতি লাভ কৰি খিতাপ জয়ৰ কাষলৈ আগবাঢ়িছে। দ্বিতীয় স্থানত আছে মানচেষ্টাৰ ইউনাইটেড। দলে 33 খন মেচত 67 পইণ্ট লাভ কৰিছে। ইফালে, 35 খন মেচত 64 পইণ্ট লাভ কৰি চেলছি পইণ্ট তালিকাৰ তৃতীয় স্থানত আছে। আনহাতে, লেইচেষ্টাৰ চিটীয়ে 35 খন মেচত 63 পইণ্ট লাভ কৰি চতুৰ্থ স্থানত আছে।

স্পেনিছ লা-লিগাত ড্ৰ খেলিলে এথলেটিকো মাদ্রিদ-বার্চিলোনাই



বার্চিলোনা, ৯ মে' ঃ এথলেটিকো মাদ্রিদৰ বিৰুদ্ধে চলিত স্পেনিছ লা-লিগাত গ'লশূন্য ড্ৰ খেলি বার্চিলোনাই পইণ্ট তালিকাৰ দ্বিতীয় স্থানলৈ উত্তৰণ কৰিছে। ইফালে, যোৱানিশাৰ এই ড্ৰ মেচৰ বাবে শীৰ্ষত থকা এথলেটিকো মাদ্রিদৰ খিতাপ জয়ৰ সমীকৰণ সলনি হৈছে। উল্লেখ্য যে চলিত স্পেনিছ লা-লিগাত শীৰ্ষস্থান অক্ষুন্ন ৰাখিছে এথলেটিকো মাদ্রিদে। এথলেটিকো মাদ্রিদে 35 খন মেচত 77 পইণ্ট লাভ কৰিছে। ইফালে,বার্চিলোনাই 35 খন মেচত 75 পইণ্ট লাভ কৰি দ্বিতীয় স্থানলৈ উত্তৰণ কৰিছে। ৰিয়াল মাদ্রিদে 34 খন মেচত 74 পইণ্ট লাভ কৰিছে। আনহাতে, ছেভিলাই 33 খন মেচত 70 পইণ্ট লাভ কৰি চতুৰ্থস্থানত আছে। উল্লেখ্য যে বার্চিলোনাই বাধাহীনভাবে অগ্ৰসৰ হৈছে। অন্তিম মেচত বার্চিলোনাই 3-2 গ'লৰ ব্যৱধানত পৰাস্ত কৰে ভেলেন্সিয়াক। মেচখনত প্ৰথমে গ'ল হজম কৰাৰ পাছতো তাৰকা লিয়নেল মেছিৰ গ'লেৰে বার্চিলোনাই গুৰুত্বপূৰ্ণ তিনি পইণ্ট অৰ্জন কৰিবলৈ সক্ষম হয়। ইয়াৰপূৰ্বে গ্ৰিজমানৰ দুগ'লৰ সহায়ত বার্চিলোনাই 2-1 গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল ভিল্লা ৰিয়ালক। আনহাতে, লিয়োনেল মেছিৰ দুটা গ'লৰ সহায়ত বার্চিলোনাই পূৰ্বৰ মেচত 5-2 গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল গেতাফেক। উল্লেখ্য যে যোৱা দুটা ছিজনৰ বিতৰ্ক আৰু হাতাশাৰ পাছত বার্চিলোনাই এইবাৰ প্ৰথমটো খিতাপ লাভ কৰিবলৈ সক্ষম হৈছে। স্পেনিছ কোপা ডেলৰ খিতাপ অৰ্জন কৰিছে বার্চিলোনাই। ফাইনেলত বার্চিলোনাই 4-0 গ'লৰ ব্যৱধানত পৰাস্ত কৰে এথলেটিকো বিলবাঅ'ক। খেলৰ প্ৰথমাৰ্ধ গ'লশূণ্য ৰূপত সমাপ্ত হয় যদিও দ্বিতীয়াৰ্ধত বার্চিলোনাই চাৰিটা গ'ল কৰে 12 মিনিটৰ ভিতৰত।

ইটালীয়ান ফুটবল লীগৰ চেম্পিয়ন ইণ্টাৰ মিলানৰ জয়যাত্ৰা অব্যাহত

ৰোম, ৯ মে' ঃ লীগ সমাপ্ত হোৱাৰ পূৰ্বেই খিতাপ জয় নিশ্চিত কৰা ইণ্টাৰ মিলানে চলিত ইটালীয়ান লীগত নিজৰ জয়যাত্ৰা অব্যাহত ৰাখিছে। যোৱানিশা অনুষ্ঠিত হোৱা মেচত ইণ্টাৰ মিলানে 5-1 গ'লৰ ব্যৱধানত পৰাস্ত কৰে ছাম্পড'ৰিয়াক। উল্লেখ্য যে ইণ্টাৰ মিলানে 11 বছৰ পাছত এইবাৰ ইটালীয়ান লীগৰ খিতাপ জয় কৰাটো নিশ্চিত কৰিছে। শীৰ্ষস্থানত থকা ইণ্টাৰ মিলানে অন্তিম মেচত 2-0 গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল ক্ৰট'নক। উল্লেখ্য যে ইটালীয়ান ফুটবল লীগত জয়ৰ ধাৰাবাহিকতা অক্ষুন্ন ৰাখি ইণ্টাৰ মিলানে নিজৰ শীৰ্ষস্থানত দৃঢ় হৈ আছে। ইণ্টাৰ মিলানে 35 খন মেচৰ পৰা লাভ কৰিছে 85 পইণ্ট। দ্বিতীয় স্থানত আছে নেপ'লি। দলে 35 খন মেচৰ পৰা লাভ কৰিছে 70 পইণ্ট। যোৱানিশাৰ মেচত নেপ'লিয়ে 4-1 গ'লৰ ব্যৱধানত জয়লাভ কৰে। আনহাতে, আটলাণ্টাই 34 খন মেচৰ পৰা 69 পইণ্ট লাভ কৰি তৃতীয় স্থানত আছে। 34 খন মেচৰ পৰা 69 পইণ্ট লাভ কৰি পইণ্ট তালিকাৰ চতুৰ্থ স্থানত আছে জুভেণ্টাছ। ইফালে, এ চি মিলানেও 34 খন মেচৰ পৰা লাভ কৰিছে 69 পইণ্ট। দল পঞ্চম স্থানত আছে। অৰ্থাৎ তিনিটা দলৰ চেম্পিয়নছ লীগলৈ যোগ্যতা অৰ্জনৰ আশা সজীৱ হৈ আছে।

জয়ৰ ধাৰাবাহিকতাৰে খিতাপৰ কাষলৈ বেয়ার্ণ

মিউনিখ, ৯ মে' ঃ দুখন মেচ খেলিবলৈ বাকী থাকোতেই বেয়ার্ণ মিউনিখে জার্মান লীগৰ খিতাপ জয় কৰাটো নিশ্চিত হৈছে। যোৱানিশা অনুষ্ঠিত হোৱা লীগৰ এখন একপক্ষীয় মেচত বেয়ার্ণ মিউনিখে 6-0 গ'লৰ ব্যৱধানত পৰাস্ত কৰে মেগলাবাচক। বেয়ার্ণৰ হৈ হেট্ৰিক অৰ্জন কৰি তিনিটা গ'ল কৰে লেৰাড'স্কিয়ে। উল্লেখ্য যে এই জয়ৰ পাছত বেয়ার্ণ মিউনিখে 32 খন মেচত 74 পইণ্ট লাভ কৰি শীৰ্ষস্থানত আছে। দহ পইণ্ট অধিক লাভ কৰি পুনৰ বেয়ার্ণ মিউনিখে জার্মান লীগৰ খিতাপ জয় কৰাটো নিশ্চিত হৈছে। উল্লেখ্য যে পইণ্ট তালিকাৰ দ্বিতীয় স্থানত আছে লেইপজিগ। 32 খন মেচত 64 পইণ্ট লাভ কৰিছে দলে। কিন্তু যোৱানিশা বৰুছিয়া ড'টমুণ্ডৰ হাতত 3-2 গ'লৰ ব্যৱধানত পৰাস্ত হয় লেইপজিগ। 32 খন মেচত 58 পইণ্ট লাভ কৰি তালিকাৰ চতুৰ্থস্থানত আছে বৰুছিয়া। স্মৰ্তব্য যে চেম্পিয়নছ লীগৰ কোৱাৰ্টাৰ ফাইনেলৰ দ্বিতীয় লেগৰ মেচত পি এছ জিক জার্মানীৰ বেয়ার্ণ মিউনিখে একমাত্ৰ গ'লত পৰাস্ত কৰিছিল। অৱশ্যে তাৰপাছতো বিগত বৰ্ষৰ চেম্পিয়ন বেয়ার্ণ মিউনিখক কোৱাৰ্টাৰ ফাইনেলত হৰুৱাই ছেমিফাইনেলত প্ৰৱেশ কৰে পি এছ জি। উল্লেখ্য যে কোৱাৰ্টাৰ ফাইনেলৰ প্ৰথম লেগৰ মেচত পি এছ জিয়ে পৰাস্ত কৰিছিল বেয়ার্ণ মিউনিখক। সমাগ্ৰিকভাবে গ'লৰ ব্যৱধান 3-3 হয় যদিও পি এছ জিয়ে বিপক্ষৰ ঘৰত অধিক গ'ল কৰাৰ বাবে বেয়ার্ণক প্ৰতিহত কৰি ছেমিফাইনেলত প্ৰৱেশ কৰে।

দৈনিক অগ্ৰদূত
Regn No. RNP/GH-085/2021-2023
গুৱাহাটী, ১০ মে', ২০২১ সোমবাৰ পৃষ্ঠা ১২

বাংগালুৰুত ৩০জন মৰণাপন্ন ৰোগীৰ মাজত বাছি লোৱা হৈছে এজনক

নিউজ ব্যুৰ'
বাংগালুৰু, ৯ মে' ঃ চিকিৎসকৰ প্ৰধান কাম আৰু আদৰ্শই হৈছে এজন ৰোগীৰ প্ৰাণৰক্ষাৰ বাবে যৎপৰোনাস্তি চেষ্টা চলোৱা। কিন্তু কৰ'নাৰ ভয়াৱহ পৰিস্থিতিত কৰ্ণাটকৰ চিকিৎসকসকল সম্প্ৰতি ইমানেই অসহায় হৈ পৰিছে যে তেওঁলোকে অনিচ্ছাসত্বেও অনেক ৰোগীক মৃত্যুৰ বাবে এৰি দিবলগীয়া হৈছে। এই ৰোগীসকলক এৰি দিয়া হৈছে তেওঁলোকৰ ভাগ্যৰ ওপৰত। কৰ্ণাটকত সম্প্ৰতি কৰ'নাত আক্ৰান্ত হৈ মৃত্যুৰ সংখ্যা প্ৰতিদিনে উদ্বেগজনকভাৱে বাঢ়িছে। ইয়াৰ বিপৰীতে চৰকাৰী হাস্পতালসমূহত এই বিপুল সংখ্যক ৰোগীৰ চিকিৎসাৰ বাবে নাই পৰ্যাপ্ত আন্তঃগাঁথনি। নিৰুপায় হৈয়েই চিকিৎসকসকলে এতিয়া প্ৰতিদিনে বহু ৰোগীক মৃত্যুৰ মুখত এৰি দিবলগীয়া হৈছে।

এই সন্দৰ্ভত ৰাজ্যখনৰ এজন চিকিৎসকে কয়, 'একো একোটা দিনত ৩০জন মৰণাপন্ন ৰোগীৰ পৰা মাত্ৰ এজনক বাছি ল'বলগীয়া হৈছে। বাকীসকলৰ দুই-এদিনতে মৃত্যু হ'ব বুলি জনা সত্বেও। কাৰণ হাস্পতালত মাত্ৰ এখনেই আইচিইউৰ বিছনা খালী হৈ আছে।' লক্ষণীয়ভাৱে কৰ্ণাটকৰ ৰাজধানী বাংগালুৰুৰ চৰকাৰী হাস্পতালসমূহতে এতিয়া এই অৱস্থা দেখা গৈছে। বিগত ২৪ ঘণ্টাত ৰাজ্যখনত ৪৮২জন ক'ভিড ৰোগীৰ মৃত্যু হয়। এই সংখ্যা প্ৰতিদিনেই বৃদ্ধি পাইছে। বাংগালুৰুৰ চৰকাৰী ক'ভিড হাস্পতালৰ কনিষ্ঠ চিকিৎসক শিল্পাই কয় যে অভাৱ কেৱল ইউচিইউৰ বিছনাৰে নহয়। চিকিৎসক, নাৰ্ছৰ সংখ্যাতো নাটনি হৈছে। তেওঁ কয়, 'বিগত দুসপ্তাহত বাংগালুৰুৰ হাস্পতালত ভৰ্তি হোৱা ১৭০জন ৰোগীৰ এটা ৱাৰ্ডৰ দায়িত্বত আছিল মাত্ৰ দুজন চিকিৎসক। বিগত এটা সপ্তাহত চিকিৎসক আৰু ৰোগীৰ এই অনুপাত অত্যন্ত বিপজ্জনক স্থিতিত উপনীত হৈছে।' সংক্ৰমণৰ সংখ্যাতো কৰ্ণাটক সম্প্ৰতি দেশত তালিকাৰ দ্বিতীয় স্থানত আছে। বিগত ২৪ ঘণ্টাত ৰাজ্যখনত ৪৩ জোৰ ৫৬৩জন লোক ক'ভিডত আক্ৰান্ত হয়। চৰকাৰী হাস্পতালৰ উক্ত চিকিৎসক শিল্পাই কয়, 'বিগত দুসপ্তাহত কৰ'না সংক্ৰমণে মাত্ৰা চেৰাই গৈছে।'

অসহায় চিকিৎসকে মৃত্যুৰ বাবে এৰি দিছে বহুজনক

ইয়াৰ সমান্তৰালকৈ অক্সিজেনৰ অভাৱৰ সমস্যাও আছে। বাংগালুৰুৰ আন এখন ক'ভিড হাস্পতালৰ চিকিৎসক নবীন জয়ৰাজে কয়, 'প্ৰত্যেক ৰোগীকেই অক্সিজেনৰ প্ৰয়োজন। অথচ সকলোকে আমি দিব পৰা নাই। চকুৰ সন্মুখতে দেখিছো ৰোগীয়ে কষ্ট পোৱা দেখি তেওঁৰ পৰিয়ালৰ লোকে কেনে মানসিক যন্ত্ৰণাত ভুগিছে। এইবোৰ দেখি আমি অসহায় বোধ কৰিছো।' চিকিৎসকসকলে পিপিই কিট পৰিধান কৰি একেৰাহে ছঘণ্টাৰ পৰা আঠ ঘণ্টা পৰ্যন্ত ৰোগীৰ চিকিৎসা অব্যাহত ৰাখিছে কৰ্ণাটকত। তেওঁলোকে জনাইছে যে সকলো ধৰণৰ প্ৰতিকূলতাৰ মাজতো তেওঁলোকে কাম কৰি আছে। কাৰণ এই সময়টো কঠিন। সেয়ে ইজনে সিজনক সাহায্য কৰিবই লাগিব। উল্লেখ্য যে কৰ্ণাটকত পূৰ্ণ তলাবন্ধ ঘোষণা কৰা হৈছে।

অৱশেষত ভাৰত মহাসাগৰত পৰিল চীনা ৰকেটৰ ভঙা টুকুৰা

জনবসতিপূৰ্ণ অঞ্চলে ৰক্ষা পালেও উদ্বেগ পৰিৱেশবিদৰ

নিউজ ব্যুৰ'
নতুন দিল্লী, ৯ মে' ঃ অৱশেষত ৰক্ষা পৰিল কোনেও নিশ্চিত কৰিব নোৱৰা কোনো এক জনবসতিপূৰ্ণ অঞ্চল। কোনো জনবসতিপূৰ্ণ অঞ্চলৰ ক্ষতিসাধনৰ পৰিৱৰ্তে অৱশেষত ভাৰত মহাসাগৰত পৰিলহি বিগত কিছুদিন ধৰি বিশ্ববাসীক উদ্বিগ্ন কৰি ৰখা চীনা ৰকেটৰ বিশাল ভগ্ন টুকুৰাটো। যাৰ ফলত ৰক্ষা পৰিল বহু লোকৰ প্ৰাণ। কিছুদিনৰ পূৰ্বে প্ৰকাশ পাইছিল যে চীনে প্ৰেৰণ কৰা এটা বিয়াগোম ৰকেটৰ ভিতৰৰ এশ ফুট দীঘল তথা ২১ টন ওজনৰ এটা বিশাল অংশ ভাঙি পৰাৰ পাছত যিকোনো মুহূৰ্ততে আহি পৃথিৱীত পৰিবহি পাৰে। যাৰ বাবে সৃষ্টি হৈছিল বিপুল প্ৰাণহানিৰ আশংকাও। অৱশেষত আজি পুৱা প্ৰায় আঠ বজাত সেই ভগ্ন অংশটোৱে আহি মালদ্বীপৰ সমীপৰ ভাৰত মহাসাগৰৰ পানীত পৰেহি। ফলত যথেষ্ট স্বস্তি লাভ কৰিছে উক্ত ধ্বংসাশেষৰ টুকুৰাটো আহি পৰিব পাৰে বুলি অনিশ্চিতভাৱে চিহ্নিত কৰা দেশসমূহে। চীনৰ তৰফৰ পৰা আজি টুকুৰাটো ভাৰত মহাসাগৰত পৰাৰ কথা সদৰী কৰে।

উল্লেখ্য যে চীনে সম্প্ৰতি মহাকাশত নিজৰ এটা মহাকাশ ষ্টেচন নিৰ্মাণৰ বাবে প্ৰচেষ্টা অব্যাহত ৰাখিছে। 'তিয়ানহে মহাকাশ ষ্টেচন' নামৰ সেই ষ্টেচনটো উৎক্ষেপণ কৰাৰ পূৰ্বে পৰীক্ষামূলকভাৱে সেই ষ্টেচনৰ এটা মডিউল বা অংশ যোৱা ২৮ এপ্ৰিলত পৃথিৱীৰ কক্ষপথলৈ প্ৰেৰণ কৰা হৈছিল। সেই কাৰ্যৰ বাবেই 'লং মাৰ্চ ৫বি' নামৰ ৰকেটটো প্ৰেৰণ কৰা হৈছিল। মহাকাশ ষ্টেচনটো পৃথিৱীৰ কক্ষপথত স্থাপন কৰাৰ পাছতে ৰকেটৰ ভিতৰৰ এশ ফুট দীঘল অংশ এটা ৰকেটৰ পৰা বিচ্ছিন্ন হৈ পৰে। তাৰ পাছতে সেই অংশ পৃথিৱীৰ দিশে তীব্ৰগতিৰে ধাৱমান হয়। ইয়াৰ ফলতে বৃদ্ধি পাইছিল আতংক। কিয়নো প্ৰেৰণৰ পাছৰে পৰা ৰকেটটোৰ ওপৰত নিয়ন্ত্ৰণ হেৰুৱাই পেলাইছিল চীনে। ফলত ৰকেটটোৰ কক্ষপথৰ আওতাত থকা নিউ য়ৰ্ক বা মাদ্ৰিদৰ দৰে জনবহুল চহৰৰ উপৰি ভাৰত, নিউজিলেণ্ড বা চিলিৰ দৰে দেশতো সেই অংশটো আহি পৰিব পাৰে বুলি আশংকা কৰা হৈছিল। উল্লেখ্য যে যোৱা বছৰৰ মে'ত এটা মাৰ্চ ৫বি ৰকেট চীনে উৎক্ষেপণ কৰিছিল যদিও সেইটোও ভাঙি পৰিছিল। সেই ৰকেটৰ ভগ্ন টুকুৰাটো আহি পৰিছিল পশ্চিম আফ্ৰিকাৰ দক্ষিণ উপকূলৰ দেশ আইভৰী ক'ষ্টত। বহুকেইটা বাসগৃহৰ ব্যাপক ক্ষতিসাধন হৈছিল যদিও সৌভাগ্যক্ৰমে কোনো প্ৰাণহানি ঘটা নাছিল। কিন্তু এইবাৰৰ টুকুৰাটো ভাৰত বা নিউ য়ৰ্ক, মাদ্ৰিদৰ জনবহুল পৰিলে বহুসংখ্যক লোক হতাহত হোৱাৰ আশংকা এইবাৰ সৃষ্টি হৈছিল। অৱশেষত সকলোকে স্বস্তি প্ৰদান কৰি সেই বৃহৎ ভগ্ন টুকুৰাটোৱে আজি পুৱা আহি ভাৰত মহাসাগৰৰ বুকুত আশ্ৰয় লয়।

উল্লেখ্য যে এনে পৰিস্থিতিৰ উদ্ভৱ হোৱাৰ বাবে চীনৰ দায়িত্বজ্ঞানহীনতাকে দায়ী কৰা হৈছিল। হাৰ্ভাৰ্ড বিশ্ববিদ্যালয়ৰ জ্যোতিৰ্বিজ্ঞানী জ'নাথন মেকডাৱেলে এই সন্দৰ্ভত কয়, 'সমগ্ৰ বিষয়টোৱেই চীনৰ দায়িত্বজ্ঞানহীনতাৰ পৰিচয়। এটা ২১ টন গধূৰ বিৰাট বস্তু এটাক এইদৰ নিয়ন্ত্ৰণহীনভাৱে পৃথিৱীত পৰিবলৈ দিয়া উচিত নহয়।' এই ধৰণৰ গধূৰ বস্তুক কিয় নিয়ন্ত্ৰণত ৰখাৰ কোনো ব্যৱস্থা কৰা নাছিল বুলিও বহু বিজ্ঞানীয়ে প্ৰশ্ন উত্থাপন কৰিছে। আনহাতে, ভগ্ন অংশটোৱে সাগৰৰ পানীত আহি পৰাৰ বাবে সকলোৱে স্বস্তি প্ৰকাশ কৰিলেও এই বিষয়ত উদ্বেগ প্ৰকাশ কৰিছে বহু পৰিৱেশবিদে। কিয়নো ইয়াৰ ফলত অসংখ্য সাগৰীয় প্ৰাণীৰ মৃত্যুৰ আশংকা কৰা হৈছে। অৱশ্যে সাগৰত কোনো ক্ষতিৰ তথ্য এই পৰ্যন্ত সদৰী হোৱা নাই।

কৰ'না পৰিস্থিতিক লৈ কেন্দ্ৰক তুলাধুনা ইণ্ডিয়ান মেডিকেল এছ'চিয়েছনৰ

দেশজুৰি তলাবন্ধৰ পৰামৰ্শ

নিউজ ব্যুৰ'
নতুন দিল্লী, ৯ মে' ঃ দেশৰ বৰ্তমানৰ কৰ'না সংকটৰ বাবে কেন্দ্ৰৰ উদাসীনতা আৰু আওকণীয়া মনোভাৱক জগৰীয়া কৰিলে চিকিৎসকৰ সংগঠন ইণ্ডিয়ান মেডিকেল এছ'চিয়েচন (আই এম এ)-এ। চিকিৎসকৰ সংস্থাটোৰ দাবী অনুসৰি কেন্দ্ৰীয় চৰকাৰে তেওঁলোকে আগবঢ়োৱা কোনো পৰামৰ্শ মানি চলা নাই। দেশৰ বিশিষ্ট চিকিৎসক আৰু গৱেষকৰ পৰামৰ্শ কেন্দ্ৰৰ চৰকাৰখনে ডাষ্টবিনলৈ দলিয়াই আহিছে বুলিও আই এম এয়ে অভিযোগ কৰিছে। চিকিৎসকৰ সংগঠনটোৱে লগতে স্পষ্টভাৱে কয় যে এই মুহূৰ্তত দেশৰ পৰিস্থিতি নিয়ন্ত্ৰণ কৰাৰ একমাত্ৰ সুপৰিকল্পিত উপায় হৈছে সৰ্বাত্মক তলাবন্ধ। নৈশ সান্ধ্যআইন বা আংশিক তলাবন্ধই ভাৰতক কৰ'না ভাইৰাছৰ সংক্ৰমণৰ দ্বিতীয় ঢৌৰ পৰা সকাহ দিব নোৱাৰে বুলি আই এম এয়ে দাবী কৰিলে।

আজি চিকিৎসক সংস্থাটোৱে এক বিবৃতি প্ৰকাশ কৰি কয়, 'আমাৰ ফালৰ পৰা বহু আগেয়ে দেশজুৰি তলাবন্ধ কৰাৰ পৰামৰ্শ দিয়া হৈছিল। হাস্পতাল আৰু অন্যান্য চিকিৎসা সেৱা কেন্দ্ৰসমূহে যাতে নিজক প্ৰস্তুত কৰি তুলিব পাৰে, তাৰ বাবে পূৰ্বঘোষিত তলাবন্ধ দেশত অতি জৰুৰী আছিল। কৰ'নাৰ দ্বিতীয়টো ঢৌত দেশজুৰি যি সংকটময় পৰিস্থিতিৰ উদ্ভৱ হৈছে, সেই পৰিস্থিতি প্ৰত্যক্ষ কৰিও কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ উদাসীন মনোভাব আৰু উপযুক্ত পদক্ষেপ গ্ৰহণত আওকণীয়া আচৰণ প্ৰত্যক্ষ কৰি আমি স্তম্ভিত হৈছো।' ইণ্ডিয়ান মেডিকেল এছ'চিয়েচনৰ দাবী অনুসৰি তেওঁলোকে সকীয়নি দিয়াৰ পাছতো কেন্দ্ৰই দেশত তলাবন্ধ নকৰিলে আৰু ইয়াৰ ফলতে আজি দৈনিক চাৰি লাখ লোক ক'ভিডত সংক্ৰমিত হৈছে। তদুপৰি ৪০ শতাংশ ক'ভিড ৰোগীয়ে স্বাস্থ্য সংকটৰ সন্মুখীন হৈছে। আই এম এৰ মতে, আংশিক তলাবন্ধ আৰু নৈশ সান্ধ্যআইনে ক'ভিড প্ৰতিৰোধত বিশেষ সহায় কৰিব নোৱাৰে। অৰ্থনীতি ৰক্ষা কৰাতকৈ চৰকাৰে দেশবাসীৰ প্ৰাণৰক্ষা কৰাত অগ্ৰাধিকাৰ দিয়াটো বৰ্তমানৰ পৰিস্থিতিত জৰুৰী যদিও চৰকাৰে ইয়াৰ বাবে প্ৰয়োজনীয় পদক্ষেপ লোৱা নাই বুলি কেন্দ্ৰৰ নৰেন্দ্ৰ মোদীৰ চৰকাৰক তুলাধুনা দিলে চিকিৎসকৰ সংস্থাটোৱে। আই এম এৰ মতে, চৰকাৰে তৎকালীনভাৱে সুপৰিকল্পিত তলাবন্ধ ঘোষণা কৰা উচিত। দেশত অক্সিজেন সংকটৰ সন্দৰ্ভতো কেন্দ্ৰৰ ব্যৰ্থতাক সমালোচনা কৰি চিকিৎসকৰ সংগঠনটোৱে অভিযোগ কৰি কয় যে অক্সিজেন সংকটৰ লগতে কেন্দ্ৰই সঠিকভাৱে অক্সিজেন বিতৰণতো ব্যৰ্থ হৈছে। উল্লেখ্য যে চিকিৎসকৰ অন্যতম বৃহৎ সংগঠনটোৱে পূৰ্বেও একাধিক বিষয়ত কেন্দ্ৰৰ চৰকাৰৰ বিৰোধিতা কৰি আহিছে। এই সংগঠনৰ শীৰ্ষ পদত আছে তৃণমূল কংগ্ৰেছৰ সাংসদ ডাঃ শান্তনু সেন। আই এম এৰ অভিযোগৰ সন্দৰ্ভত কেন্দ্ৰৰ চৰকাৰে এতিয়ালৈকে কোনো প্ৰতিক্ৰিয়া প্ৰকাশ কৰা নাই।

বিশিষ্ট চিকিৎসক আৰু গৱেষকৰ পৰামৰ্শ কেন্দ্ৰৰ চৰকাৰখনে ডাষ্টবিনলৈ দলিয়াই আহিছে বুলিও আই এম এয়ে অভিযোগ কৰিছে। চিকিৎসকৰ সংগঠনটোৱে লগতে স্পষ্টভাৱে কয় যে এই মুহূৰ্তত দেশৰ পৰিস্থিতি নিয়ন্ত্ৰণ কৰাৰ একমাত্ৰ সুপৰিকল্পিত উপায় হৈছে সৰ্বাত্মক তলাবন্ধ।

কৰ'নাৰ আঁৰত থাকি আক্ৰমণ 'ব্লেক ফাংগাছ'ৰ

ক'ভিড-আক্ৰান্তৰ শৰীৰত বৃদ্ধি এবিধ ভেঁকুৰৰ সংক্ৰমণ

নিউজ ব্যুৰ'
নতুন দিল্লী, ৯ মে' ঃ কৰ'নাৰ প্ৰকোপত সমগ্ৰ দেশতে হাহাকাৰ অৱস্থা। ইয়াৰ মাজতে এই কৰ'নাৰ আঁৰত থাকি আক্ৰান্তসকলক আক্ৰমণ কৰিবলৈ আৰম্ভ কৰিছে এবিধ বিশেষ ভেঁকুৰে। কৰ'না-আক্ৰান্তসকলৰ শৰীৰতে আৰম্ভ হৈছে এই ভেঁকুৰৰ সংক্ৰমণ। এই অৱস্থাক চিকিৎসা বিভাগত কোৱা হৈছে 'মিউকোৰমাইক'ছিছ'। 'ব্লেক ফাংগাছ' নামেৰেও এই ভেঁকুৰৰ পৰিচিতি আছে।প্ৰধানকৈ গুজৰাট, দিল্লী আৰু মহাৰাষ্ট্ৰত এই ৰোগত আক্ৰান্তৰ সংখ্যা উদ্বেগজনকভাৱে বৃদ্ধি পাইছে। সংবাদ মাধ্যমত প্ৰকাশিত তথ্য অনুসৰি, এই পৰ্যন্ত আহমেদাবাদৰ বি জে চিকিৎসা মহাবিদ্যালয় হাস্পতালত এই ৰোগত সংক্ৰমিত ৬৭জন লোকৰ সন্ধান পোৱা গৈছে। বিগত ২০ দিনৰ ভিতৰতে এই সংক্ৰমণ ঘটিছে। এইসকলৰ ভিতৰত ৪৫জনৰ অস্ত্ৰোপচাৰ সম্পন্ন কৰা হৈছিল। চিকিৎসকসকলে জনাইছে যে তেওঁলোকে দৈনিক ছয়-সাতটা অস্ত্ৰোপচাৰ কৰিবলগীয়া হৈছে। মহাৰাষ্ট্ৰত এই পৰ্যন্ত মিউকোৰমাইক'ছিছত আক্ৰান্ত হৈ আঠজন লোকৰ মৃত্যু হৈছে। আক্ৰান্ত দুশজনৰ চিকিৎসা চলি আছে বুলিয়ে দাবী কৰিছে এটা সংবাদ সংস্থাই। দিল্লীৰ এখন আগশাৰীৰ হাস্পতালৰ চিকিৎসকসকলেও জনাইছে যে কৰ'নাৰ স'তে এই সংক্ৰমণ যুক্ত হোৱাত তেওঁলোক নতুনকৈ প্ৰত্যাহ্বানৰ মুখত পৰিবলগীয়া হৈছে। দিল্লীৰ ছাৰ গংগাৰাম হাস্পতালৰ চিকিৎসক মনীষ মুনজটে কয়, 'আমাৰ হাস্পতালত শেষ দুদিনত ছজন ৰোগীয়ে মিউকোৰমাইক'ছিছ লৈ ভৰ্তি হৈছে। আক্ৰান্তসকলৰ দ্ৰুতগতিৰে ওজন কমিছে, দৃষ্টিশক্তি হ্ৰাস পাইছে, নাক আৰু থুঁতৰিৰ হাড়ৰ ক্ষতি হৈছে।' আনহাতে, হাস্পতালখনৰ নাক-কাণ-ডিঙিৰ বিশেষজ্ঞ ডাঃ অজয় স্বৰূপে কয় যে যিসকল মধুমেহত আক্ৰান্ত কৰ'না ৰোগীক ষ্টেৰয়ড দিয়া হৈছে, তেওঁলোকৰ শৰীৰত এই ৰোগৰ প্ৰাদুৰ্ভাৱ দেখা গৈছে। এইমছৰ মুৰব্বী ৰণদীপ গুলেৰিয়ায়ো সংবাদ মাধ্যমৰ আগত এই দাবীৰ সত্যতা স্বীকাৰ কৰিছে। গুলেৰিয়াই কয়, 'কৰ'নাৰ কাৰণে মানৱ শৰীৰত ৰোগ প্ৰতিৰোধ ক্ষমতা কমি আহিছে। সেই বাবেই নানা ধৰণৰ ফাংগাল আৰু বেক্টেৰিয়াল সংক্ৰমণৰ আশংকা সৃষ্টি হৈছে। ইয়াৰ ভিতৰত যিসকলৰ মধুমেহ আছে, তেওঁলোকৰ শৰীৰত এই সংক্ৰমণৰ ঘটনাৰ আশংকা আৰু বেছি। তাৰ উপৰি অনৰ্গলভাৱে ষ্টেৰয়ড শৰীৰত প্ৰৱেশ কৰোৱাৰ ফলতো অধিক ক্ষতিগ্ৰস্ত হৈছে ৰোগ প্ৰতিৰোধ ক্ষমতা। সেই বাবেই এই ধৰণৰ ভেঁকুৰৰ সংক্ৰমণ সৃষ্টি হৈছে।'

হোজাইৰ বিভিন্ন প্ৰান্তত ধুমুহাত ক্ষতিসাধন

অগ্ৰদূত বাৰ্তা
হোজাই/যমুনামুখ, ৯ মে' ঃ হোজাই চহৰৰ লগতে দাঁতি-কাষৰীয়া বিভিন্ন অঞ্চলত আজি দুপৰীয়া অহা প্ৰচণ্ড ধুমুহা আৰু শিলাবৃষ্টিয়ে বিস্তৰ ক্ষতিসাধন কৰে। ৰাজ্যত কাল কৰ'নাৰ আতংক অব্যাহত থকাৰ সময়ত আজি অহা প্ৰচণ্ড ধুমুহা-বৰষুণে হোজাই জিলাৰ বহু পৰিয়ালৰ বিস্তৰ ক্ষতিসাধন কৰে। হোজাই চহৰৰ লগতে দাঁতি-কাষৰীয়া বিদ্যানগৰ, ৰাইকাটা, কছাৰী গাঁও, চন্দনপুৰ, কোমোৱাকাটা, ঠেপেলাগুৰি, বিষ্ণুপুৰ, আমতলা, নভঙা আদি বিভিন্ন প্ৰান্তত ধুমুহাই উৰুৱাই লৈ যায় বহুকেইটা বাসগৃহৰ টিনপাত, আচবাবপত্ৰ, গছ-গছনি, ব্ৰইলাৰ মুৰ্গীৰ ফাৰ্ম আদি। ইয়াৰ উপৰি বিভিন্ন ঠাইত গছ বাগৰি বিদ্যুৎ পৰিবাহী তাঁৰ আৰু খুঁটা বিনষ্ট হোৱাৰ ফলত হোজাইৰ বিস্তীৰ্ণ অঞ্চলত বিদ্যুৎ যোগান ব্যাহত হৈ পৰে। হোজাইৰ ধনীৰাম পথাৰত পথৰ মাজত বৈদ্যুতিক খুঁটা বাগৰি পৰাত বহু সময় ধৰি যাতায়াত ব্যৱস্থা ব্যাহত হৈ ৰয়। ৰাইকাটাত পথৰ মাজত প্ৰকাণ্ড গছ বাগৰি পৰাত ব্যাহত হয় যাতায়াত ব্যৱস্থা। হোজাই নতুন বজাৰৰ আচাৰ্য একাডেমী আৰু মৰ্কজ একাডেমীৰ গৃহ ধুমুহাই ভাঙি পেলায়।

ইপিনে, নীলবাগানত ধুমুহাত কথমপি প্ৰাণৰক্ষা পৰে কে'বাটাও পৰিয়ালৰ। মেথিগাঁৱৰ মুজিবুৰ ৰহমানৰ বাসগৃহৰ ওপৰতো ধুমুহাত বাগৰি পৰে প্ৰকাণ্ড গছ। ফলত দৰিদ্ৰ লোকজনৰ ঘৰটোৰ বিস্তৰ ক্ষতিসাধন হয়। ধুমুহাৰ মাজতে পৰিয়ালটো ঘৰৰ ভিতৰৰ পৰা দৌৰি ওলাই যোৱাত প্ৰাণৰক্ষা পৰে মুজিবুৰ আৰু তেওঁৰ তিনি শিশুৰ। এটি শিশু সামান্য পৰিমাণে আঘাতপ্ৰাপ্ত হয়। দৰিদ্ৰ পৰিয়ালটোৰ বাসগৃহতো ধুমুহাই উৰুৱাই নিয়াত কণ কণ শিশু তিনিটিক লৈ ঘৰৰ বাহিৰতে আশ্ৰয় ল'ব লগা হৈছে পৰিয়ালটোৱে।

কৰ'নাক দূৰতে বিদূৰ কৰিলে ১০৩ বছৰীয়া বৃদ্ধই

নিউজ ব্যুৰ'
পালঘৰ (মহাৰাষ্ট্ৰ), ৯ মে' ঃ কৰ'না ভাইৰাছক টিলিকতে উৰুৱাই সুস্থ হৈ উঠিল এজন ১০৩ বছৰীয়া বৃদ্ধ। এই বৃদ্ধজন হৈছে মহাৰাষ্ট্ৰৰ পালঘৰৰ বীৰেন্দ্ৰ নগৰ অঞ্চলৰ বাসিন্দা চমৰাও ইংগল। ক'ভিডত আক্ৰান্ত হোৱাৰ পাছত ইংগলক পালঘৰৰ গ্ৰাম্য চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল। শনিবাৰে তেওঁক সুস্থ হোৱাৰ বাবে হাস্পতালৰ পৰা মুকলি কৰি দিয়া হয়। জিলা উপায়ুক্তৰ এজন মুখপাত্ৰই এই কথা সদৰী কৰিছে।

হাস্পতালৰ ক'ভিড চিকিৎসকৰ মতে শতায়ু গৰকা বৃদ্ধজনে ক'ভিডৰ চিকিৎসাত দুৰ্দান্তভাৱে সঁহাৰি জনাইছে। হাস্পতালৰ কৰ্মীসকলৰ স'তেও তেওঁ সুন্দৰ সহযোগিতা আগবঢ়াইছিল। শনিবাৰে তেওঁ হাঁহিমুখেৰে হাস্পতালৰ পৰা বিদায় লয়। পালঘৰ জিলাৰ উপায়ুক্ত মাণিক গুৰছাল আৰু হাস্পতালৰ কৰ্মীসকলে ফুলৰ থোপাৰে বৃদ্ধজনক বিদায় দিয়ে। উল্লেখ্য যে মহাৰাষ্ট্ৰৰ পালঘৰ জিলাতে এই পৰ্যন্ত ৯৫ হেজাৰ লোক ক'ভিডত আক্ৰান্ত হোৱাৰ উপৰি ইয়াৰে প্ৰায় এহেজাৰ আঠশ ৰোগীৰ মৃত্যু হৈছে।

কৰ'না সৃষ্ট জটিল পৰিস্থিতিয়ে দুৰ্যোগ নমাই আনিছে ফুলগুৰিৰ বাঁহ-বেতৰ সামগ্ৰী তৈয়াৰ কৰা থলুৱা শিল্পীলৈ

বিশেষ সংবাদদাতা
নগাঁও, ৯ মে' ঃ অতিমাৰী কৰ'নাৰ ভয়াৱহতাৰ পৰিপ্ৰেক্ষিতত সৃষ্টি হোৱা জটিলতাই দুৰ্যোগ নমাই আনিছে নগাঁও জিলাৰ ফুলগুৰিৰ বাঁহ-বেতৰ থলুৱা সামগ্ৰীৰ বজাৰখনলৈ। উল্লেখ্য যে প্ৰতি শনিবাৰে অনুষ্ঠিত ফুলগুৰি সাপ্তাহিক বজাৰখন থলুৱা বাঁহ-বেতৰ অতি আকৰ্ষণীয় সামগ্ৰীৰ বাবে বিখ্যাত। নগাঁও জিলাৰ ৰহা আৰক্ষী থানাৰ অন্তৰ্গত ফুলগুৰিৰ বজাৰখন ৩৭ নম্বৰ ঘাইপথ আৰু নগাঁও- গুৱাহাটী ব্ৰডগজ ৰেলপথৰ নিচেই কাষতেই অৱস্থিত। বহু বছৰৰ আগতে স্থাপিত হৈছিল ফুলগুৰি সাপ্তাহিক বজাৰখন। ফুলগুৰি, ম'হগড়, দেওবালি, দীঘলদৰী, ধেমাজি, পেটবঢ়া, জাগীয়াল, বৰকলা, দক্ষিণপাট, বালিগাঁও, ঘাঁহী, ডিমৌ, শেতালী, বেবেজীয়া, কটহগুৰি, সৰাগাঁও, ববৰাআটি, ৰহধলা, কাকমাৰি, ভালুকমাৰি, কপাহেৰা, গোসাঁইবড়ি, জামুগুৰি, গেদাবড়ি আদি বৃহত্তৰ কৃষি প্ৰধান অঞ্চলৰ কৃষক ৰাইজৰ সুবিধাৰ্থে প্ৰতি শনিবাৰে অনুষ্ঠিত কৰা হৈছিল ফুলগুৰি সাপ্তাহিক বজাৰ। ব্ৰহ্মপুত্ৰ উপত্যকাৰ পলসুৱা অঞ্চল হিচাপে সমগ্ৰ অঞ্চলতে শাক-পাচলিৰ বৃহৎ উৎপাদন হোৱাত কৃষকসকলে ব্যৱসায়ী স্থলী হিচাপে গঢ় দিছিল। পিছলৈ এই শনিবৰীয়া বজাৰে প্ৰাণ পাই উঠে। জিলাখনৰ নগাঁও, ৰহা আৰু কামপুৰ ৰাজহ চক্ৰৰ কলং নদীৰ পাৰত উৎপাদন হোৱা কুঁহিয়াৰৰ পৰা তৈয়াৰী গুড়ক অসম বিখ্যাত কৰি তুলিছিল এই ফুলগুৰি বজাৰে। প্ৰথমাৱস্থাত ফুলগুৰি বজাৰ উৎকৃষ্ট মানৰ গুড়ৰ বাবেই বিখ্যাত আছিল যদিও পৰৱৰ্তী সময়ত বজাৰত সংযোগ ঘটে বাঁহ-বেতৰ থলুৱা সামগ্ৰীৰ। বৃহত্তৰ ৰহা আৰু নগাঁও জিলাৰ বিভিন্ন অঞ্চলৰ চহা লোকসকলে স্থানীয়ভাৱে উপলব্ধ বাঁহ-বেতৰে নিজা ঘৰত তৈয়াৰ কৰা বাঁহৰ খৰাহী, ডালা, চালনী, পাচি, জাকৈ, খালৈ, পল', ভাৰ-পাচি, বিচনী, চেপা, ঢাৰি, পাচি আৰু অন্যান্য আকৰ্ষণীয় সামগ্ৰী তৈয়াৰ কৰি ফুলগুৰি বজাৰত বিক্ৰী কৰি আহিছে। সময় বাগৰাৰ লগে লগেই এই বাঁহ-বেতৰ সামগ্ৰীৰ বজাৰখনেই বিশেষ আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ পৰে। ফুলগুৰিৰ এই বাঁহ-বেতৰ বজাৰখনৰ পৰাই ৰাজ্যখনৰ বিভিন্ন জিলালৈ বাঁহ-বেতৰ সামগ্ৰীসমূহ ৰপ্তানি হ'বলৈ ধৰে। কেৱল সেয়াই নহয়, বহিঃৰাজ্য হাৰিয়ানা, বিহাৰ, বাংগালুৰু, দিল্লী, পশ্চিমবংগ আদি ৰাজ্যলৈকো ফুলগুৰি বজাৰৰ বাঁহ-বেতৰ সামগ্ৰী ৰপ্তানি হ'বলৈ ধৰে।

উল্লেখ্য যে নগাঁও জিলাৰ ফুলগুৰি বজাৰত বাঁহ-বেতৰ এই ব্যৱসায়টো প্ৰথমাৱস্থাত ৰহাৰ দীঘলদৰীৰ কেইজনমান লোকে আৰম্ভ কৰিছিল। অৱশ্যে পাছলৈ এই সামগ্ৰী বিক্ৰী কৰা ব্যৱসায়ীৰ সংখ্যা অভাৱনীয়ভাৱে বৃদ্ধি পায়। এই শিল্পটোত জড়িত লোকসকলৰ আটাইবোৰেই কৃষক। নিজৰ ঘৰৰ খেতি পথাৰৰ কাম কৰাৰ লগতে আজৰি সময়ত তেওঁলোকে বাঁহ-বেতৰ বিভিন্ন সামগ্ৰী তৈয়াৰ কৰি তাক ফুলগুৰি সাপ্তাহিক বজাৰলৈ আনি বিক্ৰী কৰে। বাঁহ-বেতৰ সামগ্ৰী বিক্ৰী কৰি যিকেইটা ধন পায় তাৰে তেওঁলোকে সতি-সন্তানক পঢ়োৱাৰ খা-খৰচৰ লগতে পৰিয়ালকো পোহপালনতো সহায়ক হৈ আহিছে। কটহগুৰিৰ পৰা খৰাহী, জামুগুৰিৰ পৰা পাচি, গান্ধীবৰিৰ পৰা ডলা, কামপুৰ আৰু ফুলগুৰি, দীঘলদৰিৰ পৰা কঠ, পূৱ সৰাগাঁৱৰ পৰা পল আদি স্থানীয় কৃষকসকলে তৈয়াৰ কৰি আনি ফুলগুৰি বজাৰত বিক্ৰী কৰে। এই সামগ্ৰীসমূহ বিক্ৰী কৰি প্ৰতি বজাৰত প্ৰতিজনে পাঁচশ-এহেজাৰ টকা পৰ্যন্ত উপাৰ্জন কৰে। উল্লেখ্য যে জিলাখনৰ কুটিৰ শিল্পীসকলে প্ৰায় তিনিশ দশক ধৰি ফুলগুৰি বজাৰত ধাৰাবাহিকভাৱে বাঁহ-বেতৰ সামগ্ৰীৰ ব্যৱসায় চলাই অহা পৰিলক্ষিত হৈছে। তদুপৰি সামগ্ৰিকভাৱে ব্যৱসায়ীসকলে প্ৰতিমাহতে এই সামগ্ৰী বিক্ৰী কৰি যথেষ্ট লাভান্বিতও হয়।

কিন্তু অতিমাৰী কৰ'নাৰ ভয়াৱহতাৰ পৰিপ্ৰেক্ষিতত বিগত বৰ্ষত চৰকাৰে বলবৎ কৰা দীঘলীয়া তলাবন্ধৰ বাবে বাঁহ-বেতৰ সামগ্ৰী তৈয়াৰ কৰা থলুৱা শিল্পীসকল ক্ষতিগ্ৰস্ত হৈছিল। এইবাৰো কৰ'নাৰ গণ সংক্ৰমণৰ বাবে চৰকাৰে বলবৎ কৰা ক'ভিড প্ৰট'কল, দুপৰীয়া দুই বজাতে দোকান-পোহাৰ বন্ধ কৰিবলৈ দিয়া নিৰ্দেশে এই থলুৱা শিল্পীসকলক পুনৰবাৰ ক্ষতিগ্ৰস্ত কৰে। তাৰ মাজতো কোনো মতে ব্যৱসায়টো চলাই আছিল যদিও শেহতীয়াকৈ নগাঁও জিলাত ক'ভিড-১৯ৰ দ্ৰুত সংক্ৰমণে জিলাখনত অতি জটিল পৰিস্থিতিৰ সৃষ্টি কৰাৰ পৰিপ্ৰেক্ষিতত কালিৰে পৰা নগাঁও জিলা প্ৰশাসনে এক নিৰ্দেশ যোগে জিলাখনৰ সকলোবোৰ সাপ্তাহিক-অৰ্ধ সাপ্তাহিক বজাৰ বন্ধ কৰি দিয়ে। ফলত ফুলগুৰি বজাৰত বাঁহ-বেতৰ সামগ্ৰী বিক্ৰী কৰি পৰিয়াল পোহপাল দিয়া কে'বাশ লোকৰ পৰিয়াললৈ পুনৰবাৰ নামি আহে চৰম দুৰ্যোগ।

অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। **সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।**
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com